# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ১৯/০৯/২০২২ সোমবাৰ

**আজি ইংৰাজী ১৯-০৯-২০২২ তাৰিখে অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পূৰ্বনিৰ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নম্বৰ ৮১। শ্ৰী হাফিজ বছিৰ আহমেদ। তেখেত যিহেতু সদনত উপস্থিত নাই। গতিকে তেখেতৰ হৈ মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়াই প্ৰশ্নটো উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নত চইলধৰা, বাগপাৰা, বেলাকুৰা, চাপতগ্ৰাম, আনদামাৰিপাৰ, পাৰঘাট, পালিমাৰি, ৰাণীগঞ্জ আৰু আমবাৰী অঞ্চলত যি কেইটা নদী যেনে- ব্ৰহ্মপুত্ৰ, গংগাধৰ, টিপকাই এই নদীয়ে যিটো গৰাখহনীয়া সৃষ্টি কৰি আছে ইয়াত মাত্ৰ দেখা পালো অস্থায়ী ভাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিব লাগে চইলধৰা, বাগপাৰা আৰু আমজামাৰি পাৰঘাট ইয়াত ৪২৬ লাখ আৰু ১৮৪ লাখৰ দুটা প্ৰপোজেল চৰকাৰে পঠিয়াইছে। বাকী বিলাকত কোনো ধৰণৰ কিমান টকা ক'ত লাগিব, তেনেধৰণৰ কোনো চাৰ্ভেৰ উল্লেখ কৰা নাই। বাকী কেইটাৰ কাৰণে কিবা প্ৰপোজেল বনোৱা হৈছে নেকি? মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য হাফিজ বছিৰ আহমদে ডাঙৰীয়াৰ আচলতে এইটো প্ৰশ্ন আছিলে তেখেতৰ সমষ্টি কেন্দ্ৰিক তেখেতৰ অনুপস্থিতিত আমিনুল ইছলাম ডাঙৰীয়াই তেখেতৰ হৈ প্ৰশ্নটো কৰিছে। তেখেতৰ সমষ্টিৰ নাম কেইটা কৈ দিম চিয়াল ধৰা, বাগপাৰা, আগমাৰিপাৰ ঘাট, চৰলভাটি, ধেমধামা, কোনবাৰী গোটেই কেইটা অঞ্চলত গৰাখহনীয়া হৈ আছে তাতে আমি ৫ টা DPR ইতিমধ্যে বনাইছো। SDRF ত গোটই কেইটা আমি প্ৰস্তাৱ কৰিছো। Immediate measures for restoration of Soildhara and Baghpara village and its adjoining areas against flood damage of the river Brahamaputra on its right bank under SDRF for 2022-23. এইটোত amount ধৰা হৈছে, ৪ কোটি ২৬ লাখ ৩০ হাজাৰ টকা। Immediate measures for restoration of Adamaripar Ghat its adjoining areas against flood damage of the river Tipkai on its right bank under SDRF for 2022-23. ইয়াতে খৰচ ধৰা আছে, ১ কোটি ৪৪ লাখ ৭৪ হাজাৰ। Immediate measures for restoration of Saraltari Village and its adjoining areas against flood damage of the river Tipkai on its Left on bank SDRF for 2022-23. estimate amount টো হৈছে ১ কোটি ৭২ লাখ ৮২ হাজাৰ টকা। Immediate measures for restoration of Dhemdhema Village and its adjoining areas against flood damage of the river held on bank SDRF for 2022-

23.and estimate amount টো হৈছে ১ কোটি ৮৮ লাখ ৭০ হাজাৰ। Immediate measures for restoration of Kaunbari Village and its adjoining areas against flood damage of the river Tipkai on it's Right bank under SDRF for 2022-23.and estimate amount টো হৈছে ২ কোটি ৭০ লাখ ৪৬ হাজাৰ। এই কেইটা অধ্যক্ষ মহোদয়, SDRF ত দিয়াৰ কাৰণে আমি প্ৰস্তাৱ কৰিছো যদি আমি অনুমোদন পাওঁ অতি সোনকালে আমি কাম কেইটা আৰম্ভ কৰিম।

**শ্ৰী আমিনুল ইছলাম (মাননীয় বিধায়ক)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যি কেইটা SDRF ত প্ৰস্তাৱ দিয়া হৈছে, স্থায়ী নিৰ্মাণৰ বাবে সমগ্ৰ অসমতে চৰকাৰে কিবা আঁচনি লৈছে নেকি?

**শ্ৰী পীযুষ হাজৰিকা (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি গোটেই অসমত জলসম্পদ বিভাগে মথাউৰি নিৰ্মাণ, মথাউৰিৰ পুনঃনিৰ্মাণ আৰু ৰক্ষণা-বেক্ষণৰ কাম আমি কৰি আহিছো। যোৱা বছৰো আমাৰ বিভাগে প্ৰায় ১ হাজাৰ কোটি টকাৰ কাম কৰিছিলো আৰু এইবাৰো আমি নিশ্চয়কৈ কৰিম বুলি আশা ৰাখিছো। তাৰোপৰি World Bank ৰ দুটা আঁচনি অতি সোনকালে আৰম্ভ হ'ব। এটা হ'ল বেকী আৰু বুঢ়ী দিহিঙত আমাৰ সমষ্টি পৰিব মাৰ্ঘেৰিটা, নাহৰকটীয়া, দুলীয়াজান, টিংখং, লাহোৱাল আৰু মৰাণ। বেকীত আমাৰ সমষ্টি আহিব, বৰপেটা, সৰভোগ, জনিয়া আৰু বাঘবৰ। ইয়াৰোপৰি ADB ত আমি এটা আঁচনি অনুমোদন পাইছো, ৰাজ্য চৰকাৰৰ আমি যি প্ৰায় ১০০০ কোটি টকা খৰচ কৰো তাৰ ওপৰত কৈ আছো এইখিনি। সদনত যিহেতু গোটেই সদস্য আছে, মই ক'ব বিচাৰো যে, ADB ৰ অধীনত আমি ১৩ টা প্ৰজেক্ট অনুমোদন পাইছো। তাৰে এটা ডিব্ৰুগড়ত, ডিব্ৰুগড়ৰ প্ৰজেক্টটোত চাবুৱা আৰু শদিয়া সমষ্টি থাকিব। দ্বিতীয় প্ৰজেক্টটোত চাবুৱা, লাহোৱাল, ডিব্ৰুগড় আৰু মৰাণ সমষ্টি থাকিব। ধেমাজি, ঢকুৱাখানা, লক্ষীমপুৰত আমাৰ জোনাই, ধেমাজি, ঢকুৱাখানা, বিহপুৰীয়া। মই Amount কেইটা কৈ দিছো। ডিব্ৰুগড়ত যিটো আছিল চাবুৱা আৰু শদিয়া তাত ১৪৮ কোটি টকা আমি অনুমোদন পাইছো। ডিব্ৰুগড়ৰ দ্বিতীয়টোত চাবুৱা, লাহোৱাল, ডিব্ৰুগড় আৰু মৰাণ এই প্ৰজেক্টটোৰ কাৰণে আমি ১৫০ কোটি টকাৰ অনুমোদন পাইছো। ধেমাজি, ঢকুৱাখানা, লক্ষীমপুৰৰ যিটো প্ৰজেক্ট হ'ব সেইটো জোনাই, ধেমাজি, ঢকুৱাখানা, বিহপুৰীয়া সমষ্টিত থাকিব তাত ১৪৪ কোটি টকা অনুমোদন পাইছো। শিৱসাগৰ, আমগুৰি আৰু থাওৰাৰ কাৰণে ১০০ কোটি টকা আছে। যোৰহাট আৰু UAID বুলি এটা আমাৰ Division আছে এই দুটা মিলালে হয় ১৮৭.২১ কোটি টকা আমি ধাৰ্য্য কৰিছো। ইয়াৰ অধীনত টীয়ক, যোৰহাট, দেৰগাঁও, খুমটাই আৰু বোকাখাত সমষ্টি আহিব। মৰিগাওঁত আমাৰ ২৫০ কোটি টকা আছে তাতে লাহৰিঘাট আৰু জাগীৰোড সমষ্টিৰ আমাৰ ব্ৰহ্মপুত্ৰৰ প্ৰটেকশ্যন তাত ধৰা হৈছে। গুৱাহাটী পশ্চিম বুলি আমাৰ division আছে তাত ছয়গাওঁ আৰু বকো আহিব, তাত ১৩১ কোটি ৯৪ লাখ টকা ধাৰ্য্য কৰা হৈছে। বৰপেটাত ১৭০ কোটি টকা আছে। তাত চেঙা, বৰপেটা, বাঘবৰ সমষ্টিৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ প্ৰটেকশ্যৰ কাম আৰম্ভ হ'ব। PGP বুলি আছে আমাৰ তাত পলাশবাৰীত ৭৬ কোটি টকা আছে। সেইটোৰ অধীনত পলাশবাৰী সমষ্টিৰ কাম হ'ব। গোৱালপাৰাত অধ্যক্ষ মহোদয়, ১১০ কোটি টকা ধাৰ্য্য কৰা হৈছে, এই আঁচনিৰ অধীনত গোৱালপাৰা পূব, গোৱালপাৰ পশ্চিম, জলেশ্বৰৰ কাম আৰম্ভ হ'ব। ধুবুৰীত ১৩৫ কোটি টকা ধৰা আছে তাতে দক্ষিণ শালমৰা আৰু মানকাছাৰ সমষ্টিৰ কাম তাতে আৰম্ভ হ'ব। নগাওঁত ২২৬.২০ কোটি লাখ বিশ হাজাৰ টকা আছে। ইয়াৰ অধীনত কলিয়াবৰ, চামগুৰি, ধিং আৰু ৰূপহীহাট সমষ্টিৰ কাম হ'ব। তেজপুৰত ১৩৮ কোটি টকা আছে, বিশ্বনাথত চতিয়া, তেজপুৰ বৰচলা সমষ্টিৰ

কামখিনি আৰম্ভ হ'ব। মই সদনক জনাব বিচাৰিছো যে, এই কামখিনি ডিচেম্বৰৰ পৰা আৰম্ভ কৰিম বুলি ভাবিছো। অস্থায়ী কামটো চলিয়ে থাকে। স্থায়ী কামখিনি আমাৰ ডিচেম্বৰৰ পৰা মে' মাহলৈ হয়। তাত এইবাৰ বুঢ়ী দিহিং আৰু বেকীৰ World Bank ৰ প্ৰজেক্টটো আৰম্ভ কৰিম। আমাৰ অসম চৰকাৰৰ পুঁজিৰ উপৰিও ADB ৰ কামবিলাক অহা বছৰ ডিচেম্বৰৰ পৰা কৰা হ'ব। আজি চেন্ট্ৰল PAC বহিব, আমাৰ বিষয়া সকল দিল্লীলৈ গৈছে। কিন্তু আমি আশা ৰাখিছো অহাবাৰ নেক্স ডিচেম্বৰৰ পৰা পাৰমেনেন্ট প্ৰটেকশ্যনৰ কাম আৰম্ভ কৰিম । ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ওৱাজেদ আলী চৌধুৰী।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (মাননীয় বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে, ফকিৰগঞ্জ পৰা ৰাতাবাৰীলৈকে ৪ কিঃমিঃ গড়াখহনীয়া অব্যাহত আছে। এতিয়াও চলি আছে। SOPD ৰ পৰা ইতিমধ্যে প্ৰায় ১০ কোটি টকা আবন্টন দিছে। সেইখিনি দি ১ কিঃ মিঃ কাভাৰ হ'ব। কিন্তু সম্পূৰ্ণ দৈঘ্যটো হৈছে ৪ কিঃমিঃ কিন্তু বাকী ৩ কিঃমিঃ ৰ protection ৰ কাৰণে কোনো আঁচনি গ্ৰহণ কৰিব নেকি ? আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, ৱাজেদ আলী চৌধুৰী ডাঙৰীয়াৰ লগত এইখিনি কথা ব্যক্তিগত ভাবে আজি ৩ দিনৰ আগত আলোচনা হৈছিল। মই তেখেতক আশ্বস্ত কৰিছো। কিন্তু তেখেতে বিধান সভাৰ মজিয়াত প্ৰশ্নটো উত্থাপন কৰিছে। সকলোৱে জানি থোৱাটো ভাল।অধ্যক্ষ মহোদয়, আমি অকনমান এইবাৰ experimental কৰিছো, যোৱাবাৰো কৰিছিলো experimental , কামকেইটামান কৰি আছো। অধ্যক্ষ মহোদয়, যোৱাবাৰ আমি কি কৰিছিলো , আমাৰ য'ত জিঅ' বেগ protection থাকে, তাৰ সন্মুখত আমি জিঅ' বেগক আৰু যাতে protech কৰিব পাৰে তাৰ কাৰণে ৩ লাইনকৈ পাৰ্কোপাইন দিয়াৰ নতুন এটা পৰীক্ষা কৰিছো, আৰু আমাৰ ব্ৰহ্মপুত্ৰ নদীত আগতে অকল জিঅ' বেগ protection আছিল ১৫ কোটি টকাৰ, আমি experiment কৰি এইটো ১০ কোটি টকালৈ কমালো। ১০ কোটি টকালৈ কমালো, কিন্তু আমি তাৰ সন্মুখত আকৌ পাৰ্কোপাইন দিব পাৰিলো। আচলতে আমি এপ্ৰনটো অকনমান কমালো। আগতে ভুল হৈছিল বুলি মই কোৱা নাই, আগতে এপ্ৰন ৩০ মিটাৰ আছিল আমি এপ্ৰনটো ১০ মিটাৰলৈকে আনিলো। তাত অলপ টকাটো কমি গ'ল। কিন্তু তাৰ সন্মুখত এপ্ৰনটো যে আমি কমালো , সেই ১০ মিটাৰ আমি পাৰ্কোপাইনৰ স্কীম দিলো। তাৰ ফলত আমি বহুকেইটা ভাল ফল দেখিবলৈ পাইছো। এটা মই কওঁ নিমাতি ঘাটত, নিমাতী ঘাটত মই গৈ চাই আহিছিলো, নিমাতীঘাটত আমি য'ত ফেৰীত উঠো মাজুলীলৈ যাবলৈ, তাতে ২ নং বুলহেড বুলি এটা বুলহেড আছে । তাৰ লগতে প্ৰায় ৪০০ মিটাৰ protection কৰিছিলো জিঅ'বেগ আৰু পাৰ্কোপাইনৰে। অধ্যক্ষ মহোদয় আপুনি শুনি ভাল পাব, সদনত কৈ মই ভাল পাইছো। তাত মই চাব গ'লো, এই গোটেইখিনি ঠাইত ৫০ মিটাৰ নদীখন আগুৱাই গ'ল। আমাৰ বিশেষজ্ঞসকলে কয়, পাৰ্কোপাইন যদি আমি ভালকৈ পেলাব পাৰো তেতিয়া বালি পৰে। গতিকে আমি জিঅ'বেগৰ protection কৰি আছো, লগতে ক'ৰবাত ক'ৰবাত অকল আমি পাৰ্কোপাইনো কৰিছো। আমি জোনাই সমষ্টিৰ উৰিয়ামঘাটত আমি কি কৰিছো, প্ৰায় ৬ কিঃমিঃ অধ্যক্ষ মহোদয়, অকল পাৰ্কোপাইনৰ স্কীম দিছো। পাৰ্কোপাইন এটাকৈ দিলে উটুৱাই লৈ গুছি যায়। সেয়েহে অধ্যক্ষ মহোদয় আমি ৪ লাইন, ৫ লাইন, ৬ লাইন যদি পাৰ্কোপাইন দিওঁ খৰচ কমি যায়। আমাৰ জিঅ' বেগৰ protection ত ১০ কোটি টকা হয়। যদি অকল পাৰ্কোপাইনৰ স্কীমে দিওঁ তেতিয়া ২ৰ পৰা ২-৫০ কোটি

টকা হয়। এইটো এটা আমি পৰীক্ষা কৰিছো। তেখেতৰ সমষ্টিত এইবাৰ তাৰ এটা পৰীক্ষা কৰিম। শেষত অধ্যক্ষ মহোদয় আৰু এটা কথা কও যে এইবাৰ নতুন আৰু এটা পৰীক্ষা কৰিব খুজিছো। মই সেইদিনা ৩০১ নে ৰুল ৫৪ ত অলপ কৈছিলো, আমাৰ চেঙাৰ বিধায়ক গৰাকীয়ে প্ৰশ্ন আনোতে আজি আকৌ এবাৰ ক'ব খুজিছো, অধ্যক্ষ মহোদয়, আমাৰ যদি বল্ডাৰ protection হয়, সেইটো সকলোতকৈ ভাল protection । কিন্তু বল্ডাৰ protection আমি কিয় কৰিব নোৱাৰো? It is quite expensive. It comes around 30 crore for a kilometer. গতিকে ৩০ কোটি টকা আমি খৰচ কৰিব নোৱাৰো। আমি কি কৰিব খুজিছো, এইবাৰ এতিয়ালৈকে মই ফলাফলটো ভাল পাই আছো, কিন্তু পৰীক্ষাৰ পৰ্যায়তে হে আছো. অধ্যক্ষ মহোদয়, ব্ৰহ্মপুত্ৰৰ বালি যদি আমি ফ্ৰি পাঁও, জলসম্পদৰ বালি আজিকালি ডিচি য়ে দিয়ে , জলসম্পদৰ এখন এন অ' চি লৈ। গতিকে ব্ৰহ্মপুত্ৰৰ বালি আৰু চিমেন্ট লৈ আমি এটা পৰীক্ষা কৰি আছো, আমি তাক কংক্ৰিটলৈ পৰিবৰ্তন কৰিব পাৰো নেকি চেষ্টা চলাই আছো। এতিয়ালৈকে ফলাফল পোৱা নাই।কিন্তু এতিয়া আমাৰ লেবৰেটৰীত পৰীক্ষা কৰিবলৈ আছে। লেবৰেটৰীত পৰীক্ষা কৰোতে যদি আমি ভাল ৰিজাল্ট পাঁও, মই ভাবো যে ব্ৰহ্মপুত্ৰৰ বালি যিহেতু আমি ফ্ৰী পাম তাত চিমেন্ট লগাই যদি আমি ব্লক বনাওঁ তেতিয়া জিঅ'বেগ যেনেকৈ ১০ কোটি টকাৰে হয়, এই কংক্ৰিটৰ protection হয়। এইটো ১০,১২ কোটি টকাত হৈ যাব লাগে। It is under experiment. যদি হয় এইটো নিশ্চয়কৈ কৰিম। তেনেকুৱাও হয়তো ৰাজেদ আলী চৌধুৰী ডাঙৰীয়াৰ সমষ্টিত আমি অকনমান কৰিবলৈকে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া প্ৰশ্ন নং ৮২। এতিয়া আব্দুল ৰচিদ মণ্ডল। মন্ত্ৰী মহোদয়,

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীআব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে বিভাগে , মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে বিভাগে আপোনাক সচাঁ কথা জনোৱা নাই। সদনত সচাঁ কথা জনোৱা নাই। অধ্যক্ষ ডাঙৰীয়া আপোনাৰ জৰিয়তে মই চৰকাৰক ক'ব খুজিছো বিভাগে মন্ত্ৰী মহোদয়ক সচাঁ কথাখিনি কোৱা নাই। ইয়াত স্বীকাৰ কৰিছে যে চৰকাৰে গোৱালপাৰা পশ্চিম সমষ্টিৰ ১৪ টা মান ঠাইৰ নাম দিছিলে, যে গড়াখহনীয়াৰ সম্পৰ্কে অৱগত। পিছত আকৌ কৈছে যে active erosion is not going on . এই সংজ্ঞাটো মই নিজেও চিন্তা কৰি পোৱা নাই যে কেনেকৈ এইটো ডিফাইন কৰিছে। য'ত মোৰ আগৰ এটা প্ৰশ্ন ৰেভিনিউ বিভাগৰ যোৱা ১৬ তাৰিখৰ এটা তৰা চিহ্নযুক্ত প্ৰশ্ন আছিল। য'ত দেখা গৈছে, এইটো অঞ্চলৰ ৭৯০৫ টা পৰিয়াল ইতিমধ্যে গড়াখহনীয়া হৈ দিচপ্লেচ হৈছে, এইবিলাক অঞ্চলত। তাৰ পিছতো যদি বিভাগে কয়, যে active erosion হৈ থকা নাই গতিকে কিমানখিনি সচাঁ উত্তৰ দিছে মন্ত্ৰী মহোদয়ে নিজেও অলপ চাব, আৰু ইয়াতে কেইটামান স্কীমত দেখা গৈছে যে, ডিপিয়াৰহে ৰেডি কৰিছে। ডিপিয়াৰ ৰেডি কৰাটো আঁচনি মঞ্জুৰ কৰা বুলি মই মানি নলওঁ, কিয়নো তেনেকুৱা ডিপিয়াৰ বহুতবাৰ আগে পিছে ২০০৬ চনৰ পৰাই দেখা পাইছো। ডিপিয়াৰ আহি যায়, ৰেভিনিউ বিভাগত যায় কিন্তু আঁচনি চেংশ্যন নহয়। সেয়েহে মন্ত্ৰী মহোদয়ৰ পৰা আস্বস্ত হ'ব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, ২০১৯-২০, ২০১৯-২০, ২০১৮-১৯, ২০২১-২২, ২০২১-২২ তেখেতৰ সমষ্টিত ৬ টা কাম চলি আছে। এইবাৰো তেখেতৰ সমষ্টিৰ গোৱালপাৰাত প্ৰায় ৯১ লাখ টকা দিছো। তেখেতৰ সমষ্টিত ৮ টা ঠাইত কাম চলি আছে। আমি কামখিনি কৰি আছো কিন্তু এইবাৰ তেখেতে যিটো কৈছে ডিপিয়াৰ বনাইছো, পুঁজি সাপেক্ষে

কামখিনি নিশ্চয়কৈ কৰিম। যদি এলটমেন্ট হয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ,

**শ্ৰীআব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় লক্ষীপুৰত এবাৰ যাওঁতে assure কৰি আহিছিল। তাৰো ডিপিয়াৰ কিন্তু ইয়াত আছে, আৰু দেখা গৈছে যে DDM ত প্ৰপোজেল আগে পিছে সদায় আহি থাকে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ ব্যক্তিগত হস্তক্ষেপ কামনা কৰিছো, যে DDM ৰ পৰা অহা গোটেইখিনি প্ৰপোজেল যাতে মঞ্জুৰী পায়। **মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ,

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া আফতাবুদ্দিন মোল্লাহ, চাপ্লিমেন্টৰী।

**শ্ৰীআফতাবুদ্দিন মোল্লাহ, (জলেশ্বৰ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো প্ৰশ্ন গোৱালপাৰা পশ্চিম সমষ্টিৰ বিধায়ক মহোদয়ে আনিছে, মোৰ জলেশ্বৰ সমষ্টি আৰু পশ্চিম সমষ্টি একেবাৰে গাতে গাত লাগি আছে। তাতে বাৰাকতলৰ পৰা আৰম্ভ কৰি কাকীমাৰী, কাথুৰী, তুলসীবাৰী, জলেশ্বৰ আদি সেই অঞ্চলবিলাকত খুব নদীৰ গড়াখহনীয়া হৈ আছে, মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে এই অঞ্চলবিলাকত কাম হ'বনে নাই এই বিষয়ত অলপ স্পষ্টীকৰণ দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, মই অস্বীকাৰ কৰা নাই । আমাৰ active erosion অসমত আছে এতিয়াও আমাৰ ব্ৰহ্মপুত্ৰ নদীখন অধ্যক্ষ মহোদয়, ৬৫০ কিঃমিঃ অসমেদি বৈ গৈছে। দুয়োপাৰে যদি চাঁও অধ্যক্ষ মহোদয়, ১২শ কিঃ মিঃ বা ১৩শ কিঃ মিঃ হ'ব। তাতে এই মুহুৰ্তত মই ভাবো খুব বেছি ১০০বা ১৫০ কিঃমিঃ active erosion অসমত আছে। এতিয়া মই active erosion ৰ এটা উদাহৰণ দিওঁ আমাৰ বহৰি সত্ৰ। বহৰি সত্ৰত active erosion আছিল যোৱা বছৰত। তাত আমি অকল পাৰ্কোপাইনেৰে প্ৰটেকশ্যন দি কামটো ভালকৈ কৰিলো কাৰণে এই বছৰ হোৱা নাই। এটা কথা যোৱাবাৰ য'ত হয় এইবাৰ নহ'বও পাৰে। অধ্যক্ষ মহোদয়, মই জাগীৰোড সমষ্টিত বিধায়ক হোৱা ৬ বছৰ হ'ল, মোৰ সমষ্টিত গড়াখহনীয়া নাছিল। এইবাৰ মোৰ সমষ্টিত গড়াখহনীয়া আৰম্ভ হৈছে। গতিকে মই এইবাৰহে ল'ম। যোৱা বছৰ নথকা ঠাইত, মইতো যোৱা বছৰ স্কীম ল'ব পৰা নাছিলো. এইবাৰ য'ত য'ত active erosion হৈছে, অহাবাৰ তাত নহবও পাৰে। তথাপিটো আমি যিখিনি পাৰো যথা সম্ভৱ আমি গড়াখহনীয়া প্ৰতিৰোধৰ কাৰণে কাম কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮৩। শ্ৰী আব্দুচ চোৱাহান আলী চৰকাৰ

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী আব্দুচ চোৱাহান আলী চৰকাৰ, (বিধায়ক) ঃ** মই মন্ত্ৰী মহোদয়ক এইখিনি অনুৰোধ কৰিম মই ইয়াৰ আগতো যোৱা বছৰতো এইটো বিষয়ৰ ওপৰত বিধান সভাত কথা কৈছিলো আৰু মই অনুৰোধ কৰিছিলো। মন্ত্ৰী মহোদয়ক কেইবাবাৰো লগ কৰিছিলো। গতিকে মই আশা কৰো ইয়াত যিহেতু ৰাষ্ট্ৰীয় ঘাইপথ ১৭ নং যিটো আগত ৩০ নং ৰাষ্ট্ৰীয় ঘাইপথ আছিলে সেইটোৰ পৰা মাথোন এশ মিটাৰ দুৰত গংগাধৰ নৈ আছে ।মই এটা আলোকচিত্ৰ দেখুৱাইছো । ইয়াৰ আগত সন্মানীয় অভিভাৰক মন্ত্ৰী ৰঞ্জিৎ দাস ডাঙৰীয়াক এইটো লৈ অলপ পদক্ষেপ গ্ৰহণ কৰিছিলে। তাত ইতিমধ্যে মানুহৰ ঘৰ ভাঙি গৈছে , বহুত ক্ষতিগ্ৰস্ত হৈছে আৰু বিশেষকৈ তাত জলসম্পদ বিভাগৰ ইঞ্জিনিয়াৰ

আৰু এছ. ডি.অ’ চাহাবো গৈছিলে, তেওঁলোকে বিষয়টো ভালদৰে জ্ঞাত। মই আশা কৰিছো যে ইয়াৰ উত্তৰটো এনেকুৱাকৈ লিখিছে যে চৰকাৰে অহা দিনত কামটো কৰিব বুলি অনুৰোধ কৰিছো। যাতে এই হাজাৰ হাজাৰ বিঘা মাটি কেইবাখন গাওঁ আৰু এই বেলিও কমেও দুশ পৰিয়াল কোনোবা স্কুলত হৈ আজিৰ দিনত ৰৈ আছে। মানৱীয়তাৰ খাতিৰত সমষ্টিৰ এই দুটা আঁচনি এই বছৰত যাতে আৰম্ভ কৰে তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া বানপানী আৰু গৰাখহনীয়া অসমৰ এটা অতি গুৰুত্বপুৰ্ণ সমস্যা। বানপানী আৰু গৰাখহনীয়া যিহেতু প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল তাত এশ শতাংশ সফলতা লাভ কৰিম বুলি ক’ব নোৱাৰে । কিন্তু চৰকাৰ এখনে চেষ্টা কৰিব পাৰে আৰু বিভাগটোৱে খুব কষ্ট কৰি চেষ্টা কৰিব পাৰে । অধ্যক্ষ ডাঙৰীয়া মই যেতিয়া এই বিভাগটোৰ দ্বায়িত্ব লৈছিলো,অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক কিছুমান নিৰ্দেশ দিছিলে আৰু অধ্যক্ষ ডাঙৰীয়া আমি পাৰ্ট পাৰ্টকৈ কিছু কাম কৰিবলৈ চেষ্টা কৰিছো। মই আকৌ কৈছো অধ্যক্ষ ডাঙৰীয়া, বানপানী ৰক্ষা কৰিব পাৰিছো এই কথাটো বহুত ডাঙৰকৈ দাবিও কৰিব নোৱাৰি। ৰণোজ পেগু ডাঙৰীয়া আছে, মই তেখেতৰ সন্মুখতে ক’ব খুজিছো যে আমি যোৱাবাৰ চিহ্নিত কৰিছিলো ধেমাজি জিলাখনক আমি বানপানী মুক্ত কৰিব পাৰো নেকি ? কৰবাত নহয় কৰবাত যোৱাবাৰ অলপ সফল হোৱা যেন লাগে । এইবাৰ কি হয় নাজানো ক’ব নোৱাৰাকে কেতিয়াবা বৰষুণ হয়। কমলাক্ষ দে পুৰকায়স্থই এটা ৩০১ আনিছিল তাত বৰষুণ কেনেকৈ হৈছে তাৰ তথ্যখিনি দিম । কিন্তু অধ্যক্ষ ডাঙৰীয়া, যোৱাবাৰ আমাৰ যিখন জীয়াঢল নদীত, আমি যেতিয়াৰ পৰা ডাঙৰ হৈছে তেতিয়া প্ৰত্যেক দিনে শুনো যে এপ্ৰিল মাহৰ শেষত জীয়াঢল নদী ভাঙি যায় আৰু বছৰটোত চাৰি পাচবাৰ ভাঙে। চাৰি পাচটা ঠাইৰে নদীখন বেলেগ বেলেগ টাৰ্ণ হয় । এইবাৰ চাগে প্ৰথম বাৰৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া জীয়াঢল নদীখনত এই বানপানীৰ তাণ্ডৱ হোৱা নাই । আমি নতুন এটা পদ্ধতি কৰিছিলো আৰ এম ই বুলি কয়। সেইটো দুটা লেয়াৰৰ হ’ব লাগে। চিঙ্গল লেয়াৰহে আমি এতিয়ালৈকে কৰিবলৈ সময় পালো । চিঙ্গল লেয়াৰে জীয়াদলক ৰক্ষা কৰিব পাৰিছে। এইবাৰ ডাবল লেয়াৰটো অতি সোনকালে আৰম্ভ কৰিব । গতিকে আমি যোৱাবাৰ জোনাই, ধেমাজি মাজুলী, ঢকুৱাখানা, লক্ষীমপুৰ আৰু মাৰগাওঁ জিলাত আমি বিশেষকৈ গুৰুত্ব দিছো। যদি বানপানীৰ কথা চাওঁ, এইকেইখন জিলাত অধিক বানপানী হয়। মৰিগাওঁত এইবাৰ বানপানী অকল মোৰ সমষ্টিৰ পাচটা পঞ্চায়তত হৈছে। সেইকেইটা ব্ৰহ্মপুত্ৰৰ পানী নহয় । ব্ৰহ্মপুত্ৰৰ পানী অধ্যক্ষ ডাঙৰীয়া আমি লাহৰীঘাটত চৈধ্য কিলোমিটাৰ মথাউৰি মাৰিবলৈ সক্ষম হ’লো আৰু এইবাৰ মৰিগাওঁ জিলাত নৱৈ শতাংশ পানী নাইকীয়া হৈছে। গতিকে আমি পৰ্য্যায়ক্ৰমে কৰি আছো। আমাৰ লগত এ. ডি বি. ৰ প্ৰজেক্ট আছেই । প্ৰত্যেক জিলাত এডিবিৰ প্ৰজেক্ট আছেই । আমাৰ ৱৰ্ল্ড বেংকৰ প্ৰজেক্ট আছে। কিন্তু ৰাজ্য চৰকাৰৰ যিখিনি পুঁজি, আমি পদ্ধতিগত ভাবে কৰি দিছো। এনেকুৱা নহয় যে এইকেইখন জিলাতে দিছো। বেলেগ বেলেগ সকলোতে দিয়া আছে । কিন্তু নিৰ্দিষ্টভাবে টাৰ্গেত কৰিছিলো যোৱাবাৰ এই চাৰিটা পাচটা ঠাইত। শদিয়াক আমি টাৰ্গেত কৰিছিলো, আমি জোনাই, ধেমাজি, মাজুলী, মৰিগাও টাৰ্গেট হিচাপে লৈছিলো আৰু এইখিনি আমি সফল হৈছো যেন লাগে। কিন্তু তাৰ মাজতে আকৌ কি হ’ল অধ্যক্ষ ডাঙৰীয়া অভাৱনীয় বানপানী হৈছে। এদিনত ৪৫০ মিলিমিটাৰ বৰষুণ হৈ গ’ল। তিনিদিনত এহাজাৰ মিলিমিটাৰ বৰষুন হৈছে মই তথাপিও অলপ পিছত সবিশেষ জনাম । আমি তাৰ মাজতো বহুখিনি কাম কৰিবলৈ সক্ষম হৈছো। পৰ্য্যায়ক্ৰমে এইকেইটা কৰিম বুলি ভাবিছো। আমি যোৱাবাৰ দহ কোটি টকাৰ কাম ওৱাজেদ আলী ডাঙৰীয়াৰ সমষ্টিত কৰিছো ।এইবাৰো প্ৰজেক্ট আমি

লৈছো।পৰ্য্যায়ক্ৰমে আমি সকলোতে কৰিবলৈ চেষ্টা কৰা হ'ব । মই আগতেই কৈছে যে অসম মানে অকল গুৱাহাটী নহয়, ডিব্ৰুগড় নহয়, অসম মানে ধুবুৰী, অসম মানে বৰপেটা, অসম মানে গোৱালপাৰা ও। গতিকে সকলোতে কাম কৰিবলৈকে সচেতন আৰু নিশ্চয় কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আব্দুচ চোৱাহান আলী চৰকাৰ, (বিধায়ক) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা এটা বস্তু ক্লিয়াৰ হ'ব বিচাৰিছো যে আমাৰ অসম পশ্চিমবংগ আৰু বাংলাদেশ। মোৰ সমষ্টিত ৰাজাক নদী আৰু কাজিআলী নদীৰ গৰাখহনীয়া এনেকুৰা হৈছে পশ্চিমবংগ, আমাৰ আগফালে। উত্তৰ ফালেও পশ্চিমবংগ দক্ষিনফালেও পশ্চিমবংগ। ইহতে গোটেই অঞ্চলটোত বৰ্ডাৰ দিছে, কিন্তু আমাৰ অসমৰ মাথোন এক ডেৰ কিলোমিটাৰ ঠাই আছে তাত। এনেকৈ ত্ৰিভুজ আকাৰে ভাঙি গৈ আছে । মই জানিব বিচাৰিছো যে সেই অঞ্চলখিনি যিহেতু আন্তঃৰাজ্যিক বৰ্ডাৰ পৰে, কোনোবা বেলেগ আঁচনিৰ জৰিয়তে আমি সেইখিনিক সুৰক্ষিত কৰিব পাৰো নেকি ?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ লগত আলোচনা কৰি তেখেতৰ পৰা অলপ বুজি লৈ নিশ্চয়কৈ কৰিবলৈ চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমার কাটিগড়া সমষ্টিতে বিগত দিনে সব থেকে ভয়ঙ্কর বন্যা হয়েছে। কাটিগড়া সমষ্টির বিভিন্ন জায়গাতে সুইস গেট আছে। কিন্তু বিগত কয়েক বছর যাবৎ সুইস গেটগুলো অকেজো থাকার জন্য আমার সমষ্টির কৃষকরা যারা বরো ধানের ক্ষেতি করে তারা বিগত ৫ বছর থেকে কোন ক্ষেতি করতে পারেনি। সেইজন্য এই বার এই সুইস গেটগুলো মেরামত করার জন্য মন্ত্রী মহোদয়ের কাছে অনুরোধ রাখছি। বরাক নদী ছাড়াও আমাদের সমষ্টিতে আরও পাঁচ ছয়টি নদী আছে। সেই নদীর প্রটেকশনের জন্য মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ রইল। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া, মই তাত গৈ আহিছো। আচলতে এইটোত এটা সন্দেহ হৈ আছে যে আমি এই শ্লুইচগেট কেইটা বৰ্ডাৰ ৰ'ডছে বনাইছিলে আৰু বৰ্ডাৰ ৰ'ডছে হেণ্ডঅ' ভাৰ নকৰিলে। এইটো লোকনিৰ্মাণ বিভাগ বা জলসম্পদ বিভাগে কন্ট্ৰল কৰি আছে, সেইটো ক্লিয়াৰেঞ্চ নাছিলে । তাৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া শিলচৰ ভ্ৰমণ কৰি আহি কৈছে যে কেইখনমান শ্লুইচগেটৰ কাৰণে সমষ্টিত বানপানী হৈছে আৰু পানীটো ওলাই যাব নোৱাৰে । মই তাৎক্ষনিক ভাবে গৈছে যাতে কালাইনখন সোমাই যাব পাৰো, গৈ দেখিছো অধ্যক্ষ ডাঙৰীয়া, পশ্চিম পাৰে আমি য'ত ৰাস্তাটোত আছো, য'ত শ্লুইচগেট আছে ৰাস্তাটোৰ লগত যিটো আছে, সেইটো বাংলাদেশ। তাত চাৰিখন শ্লুইচগেট আছে অধ্যক্ষ ডাঙৰীয়া। আমাৰ ফালে দহ মিটাৰ পানী ওখ আৰু বাংলাদেশত পানী নাই । সেইদিনাখন ৰাতিৰ পৰা কাম কৰিছো আৰু গোটেই শ্লুইচগেট কেইখন খুলি দিছো আৰু তিনিদিনৰ পাৰই পানী নাইকীয়া হৈ গ'ল । গতিকে অধ্যক্ষ ডাঙৰীয়া আমি য'তে সমস্যা দেখিছো তাতে কাম কৰিবলৈ চেষ্টা কৰো । মাননীয় সদস্য গৰাকীৰ সন্মুখত কৈছো তেখেতে কোৱাৰ আগত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কলে মই বাই ৰ'ড ইয়াৰ পৰা গৈছো। কালাইনৰ শ্লুইচগেট চাইছো, সেইদিনা আবেলিৰ পৰা কাম আৰম্ভ কৰিছো। চাৰিখন শ্লুইচগেটৰ চাটাৰ খুলিছো আৰু পানী উলিয়াই দিছো। এইবাৰ আমি অধ্যক্ষ ডাঙৰীয়া, কেইদিনমান আগতে দুদিনীয়া ওৱৰ্কচ'প কৰিছিলো জলসম্পদ বিভাগৰ লগত অসমৰ তিনিশ ইঞ্জিনিয়াৰক আমি চেকেণ্ড

ডে চাৰে আঠ ঘণ্টা বহি তেখেত সকলৰ পৰা বহুত কথা জানিছিলো, বুজিছিলো। মাননীয় অধ্যক্ষ মহোদয়, আমি এইবাৰ সিদ্ধান্ত লৈছো sluice gate খিনি য'ত য'ত আছে। সেইখিনি অতি সোনকালে ৰিপিয়াৰিং কৰিম আৰু এইবাৰ য'ত য'ত sluice gate নাই তাত বনাম। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পুৰণি কলীয়া বুলি নকওঁ কেইদিনমান আগত মই এ.ডি.বি. ৰ এগৰাকী বিষয়াক লগ পাইছিলো। তেখেত জাৰ্মানীৰ হয়। তেখেত চাউথ-ইষ্ট এছিয়াতে থাকে। তেখেতক মই কৈছিলো যে আমাৰ যিটো embankment আছে, তাতকৈ আৰু বেলেগ কিবা পৃথিৱীৰ বেলেগ ঠাইত আছে নেকি? তেখেতে ক'লে embankment also a good solution. কিন্তু আমাৰ embankment ত সমস্যাটো হৈছে এইবিলাক ১৯৬০-৭০ চনত বনাইছিল। যিটো আমি মেৰামতি কৰা নাই আৰু তাৰ ডাটা আমাৰ নাই। গতিকে আমাৰ মথাউৰি বিলাক দুৰ্বল হৈ যায় আৰু ভাঙি যায়। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি দুটা কাম কৰিছো। এটা হ'ল, আমি এখন ডেক্স বোৰ্ড বনাব খুজিছো যে আমি যদি কম্পিউটাৰ চাওঁ তেতিয়া গম পাই যাম যে আলগাপুৰ সমষ্টিত কেইটা মথাউৰি আছে আৰু কোন চনত বনাইছিল? এইটো কৰাৰ বাবে আমি চেষ্টা কৰি আছো। মই আলগাপুৰ সমষ্টিৰ এটা মথাউৰি চাবলৈ গৈছিলো, মথাউৰিটোৰ অস্বিত্ব নাই। চাৰি ঠাইত ভাগিছে। কিমান চনত বনাইছিল সোধাত ক'লে যে ১৯৬৬ চনত বনাইছিল। বিভাগৰ তাতো ৰেৰ্কড নাই আৰু ইঞ্জিনিয়াৰেও নাজানে যে এই মথাউৰিটো বেয়া হৈ আছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাক নিৰ্দ্দেশ দিছে যে এইবাৰৰ পৰা ইঞ্জিনিয়াৰে ক'ব লাগিব যে এইকেইটা মথাউৰি দুৰ্বল, এই কেইটা চৰকাৰে বনাব লাগে। চৰকাৰে নবনালে আমি দায়ী আৰু যদি ৰিপোৰ্ট দিব নোৱাৰে ইঞ্জিনিয়াৰ দায়ী হ'ব। গতিকে আমি অসমত যিমান মথাউৰি আছে, এই মথাউৰি সমূহৰ আমি ডাটা কালেক্ট কৰিব বিচাৰিছো যাতে আমি গম পাওঁ যে আপোনাৰ পানেৰী সমষ্টিত কেইটা মথাউৰি আছে, আছেনে নাই বা এইটো কেতিয়া বনাইছে, মাজতে মেৰামতি কৰিছিল নেকি? এইখিনি আমি কৰিব খুজিছো। তাৰপিছত আমি আৰু এটা কথা লক্ষ্য কৰিছো যে আমাৰ মথাউৰি বিলাক ভাঙে কিন্তু ৰেল লাইন বিলাক নাভাঙে। আপোনালোকে নিজৰ নিজৰ ঘৰৰ ওচৰৰ ৰেল লাইনৰ কথা মনত পেলাব। ৰেল লাইন নভঙাৰ কাৰণটো যদি আমি ভালকৈ চাওঁ ৰেল লাইন বিলাকৰ ৫ কিলোমিটাৰ, ৭ কিলোমিটাৰত এটা কালভাৰ্ট আছে আৰু সেইবাবে পানীটো ওলাই গুছি যায়। ফলত ৰাস্তাটোৰ ওপৰত খুব বেছি প্ৰেচাৰ নপৰে। গতিকে ৰেল লাইনটো ভাঙি নাযায়। আমি কালভাৰ্ট কৰিব নোৱাৰো আমি sluice gate কৰিব পাৰো। sluice gate এনেকে কৰিব পাৰো যেনে ১০ কিলোমিটাৰ এটা মথাউৰি আছে তাত ৫ কিলোমিটাৰত যদি এটা ৰেট লেণ্ড পাওঁ তাত কালভাৰ্ট এটা কৰিব পাৰো নেকি? এতিয়া মই যিটো লাহৰীঘাটৰ মথাউৰিৰ কথা ক'লো, এইবাৰ বনালো ১৪ কিলোমিটাৰ। মই আগৰ বাৰ বিধায়ক হৈ থাকোতে মোৰ সমষ্টিত ১০ কিলোমিটাৰ আৰু তাৰ আগতে বনোৱা আছিল ৫ কিলোমিটাৰ। মুঠ প্ৰায় ৩০ কিলোমিটাৰ। এই ৩০ কিলোমিটাৰত এটাও sluice gate নাই। মাটিয়ে ২০ বছৰ পাছত কেনেকৈ ৰক্ষা কৰিব? গতিকে আমি নতুন নতুন কিছুমান চিন্তা কৰি আছো। এইবাৰ আমাৰ প্ৰায় ১০০ টা মান sluice gate ৰ প্ৰপোজেল আহিছে। ১০০ খন নকৰিলেও ৫০ খনৰ কাম এইবাৰ আমি কৰিব পাৰো নেকি? বহুতৰ এষ্টিমেটও হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, এখন এখন sluice gate ত ডেৰ কোটি, ১ কোটি ৬০ লাখ, ১ কোটি ৭০ লাখ এনেকুৱা হৈছে। গতিকে আমি এবছৰত ৫০ খন sluice gate এইবাৰ কৰিব পাৰো। এইবাৰ আমি experiment কৰিব খুজিছো যে য'ত ৰেটলেণ্ড আছে, য'ত মানুহ নাই তাত sluice gate কৰি পানী অলপ সোমোৱাই দিব পাৰি

নেকি ? তেতিয়া নদীত পানী কমি যাব আৰু মথাউৰি নাভাঙিব। আমি এনেধৰণে কাম কৰি আছো। তেখেতৰ sluice gate কেইখনৰ আমি ইতিমধ্যে দায়িত্ব লৈছো। মেৰামতিটো কৰিমেই। খুলিটো দিলোৰেই। পানী খোলাৰ লগে লগে কমি গ'ল। তাৰ লগে লগে গোটেই অসমত sluice gate ৰে কেনেকৈ কৰিম তাৰ বিষয়ে পবিত্ৰ সদনক অকণমান জনালো। **মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৮৪। মাননীয় বিধায়ক শ্ৰী নিজানুৰ ৰহমান।

**শ্ৰী নিজানুৰ ৰহমান (গৌৰীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক জনাব খুজিছো মোৰ সমষ্টিৰ বেৰভাঙ্গি, নীলিয়া, গাইখোৱা আৰু বৰাইবাৰী এই অঞ্চলৰ প্ৰতিবাৰে প্ৰপোজেল বিলাক ইয়াত আহে। কিন্তু বিবেচনা হৈ শেষত নাহে। আমাৰ অঞ্চলটো বাংলাদেশ বোৰ্ডাৰ এৰিয়া হয়। ফেন্সিঙৰ পৰা ১০০ মিটাৰ আতঁৰত নদী আহি পাইছে। গৰাখহনীয়া হে আছে। স্কুল ভাঙি আছে আৰু মোৰ সমষ্টিৰ লগতে লগা ধুবুৰী সমষ্টিৰ বোৰ্ডাৰৰ এটা অংশৰ ফেন্সিং যোৱা বানপানীত ভাঙি গ'ল। সেইকাৰণে মই এইবাৰ মাননীয় মন্ত্ৰী মহোদয়ক স্পেচিয়েলী ক'ব খুজিছো যে মোৰ অঞ্চলটো পৰিভ্ৰমণ কৰি, আগন্তুক ফাগুত যাতে আমি এটা পুঁজি পাওঁ তাৰ কাৰণে মই অনুৰোধ জনাইছো।

**শ্ৰী পিয়ুষ হাজৰিকা, (জলসম্পদ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে তেখেতৰ সমষ্টিলৈ যোৱাৰ কথা কৈছে মই নিশ্চয় যাম আৰু তাত মই ধুবুৰী আৰু মানকাছাৰৰ কেইবাখনো ঠাই চাবলগীয়া আছে। কেইদিনমান আগতে মই মাননীয় বিধায়ক শ্ৰী ওৱাজেদ আলী ডাঙৰীয়াকো কৈছো আৰু তেখেতৰ সমষ্টিলৈও যাম। লগতে মই গোৱালপাৰা, ধুবুৰী আদি ঠাই সমূহতো এইবাৰ বিশেষভাৱে লক্ষ্য কৰিম।

**শ্ৰী নিজানুৰ ৰহমান (গৌৰীপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, দেবীতোলা উন্নয়ন খণ্ডৰ অন্তৰ্গত টিপৰাই গৰাখহনীয়াই ৰাইবাৰী, বাঘমৰা, চাটে আলগা আৰু দেবোত্তৰ ৰাইপুৰ গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী পিয়ুষ হাজৰিকা, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ মই তালৈ যাম। গলে গোটেইখিনি চাই আহিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত অনুমোদিত আঁচনি সমূহৰ তালিকা দিছে আৰু তাত বেকী নদীৰ কথা উল্লেখ কৰিছে। বেকী নদীৰ দলঙৰ ওপৰত ভয়াৱহ ভাবে গৰাখহনীয়া হোৱাত মাননীয় মন্ত্ৰী মহোদয়ে চাবলৈ গৈছিল আৰু তেখেতে আবণ্টন নোহোৱাকৈ যিখিনি কাম কৰিছে তাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। কিন্তু এতিয়াও সেই অঞ্চলটো অতি ভয়াৱহ হৈ আছে। নবেম্বৰ-ডিচেম্বৰ মাহৰ ভিতৰত আমি যদি কামখিনি আৰম্ভ কৰিব নোৱাৰো আমাৰ যিটো অৱস্থা হৈছে, তেতিয়াহ'লে অহা বছৰ আমি ৰাজ্যিক ঘাইপথটো বচাব নোৱাৰিম। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে অতি সোনকালে বেকী নদীৰ দলঙৰ পৰা থকা মথাউৰিৰ কামখিনি আৰম্ভ কৰে।

**শ্ৰী পিয়ুষ হাজৰিকা, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বেকী নদীৰ দলঙৰ যিখিনি ঠাইৰ কথা কৈছে, মই চাবলৈ গৈছিলো আৰু টেম্পৰাৰী প্ৰটেকশ্যন কৰিছোৰেই। তাত আমাৰ world bank ৰ যিটো প্ৰজেক্ট বেকী নদীৰ বাবে সেই ঠাইখিনিৰ কাৰণে প্ৰায় ডেৰ শ কোটি টকা ইতিমধ্যে টেণ্ডাৰ হৈ গৈছে। টেণ্ডাৰ যিহেতু হৈ গ'ল, আঁচলতে world bank ৰ ফৰ্মেলিটিজখিনিৰ কাৰণে অলপ বেছি সময় লয়। সেইবাবে কামখিনি কাৰোতে অলপ লেহেমীয়া

হয়। আমাৰ যেনেকৈ আৰ.আই. ডি.এফ বা এচ.অ'.পি.ডি ৰ কামখিনি অতি সোনকালে কৰি দিব পাৰো কিন্তু world bank ৰ কামখিনি slowly monitoring কৰাৰ বাবে অলপ লেহেমীয়া হয়। কিন্তু আমাৰ ফালৰ পৰা একো দেৰি হোৱা নাই। টেণ্ডাৰ যিহেতু হৈ গ'ল, এৱাৰ্ড হ'বলৈ বাকী আছে আৰু এৱাৰ্ডৰ কাৰণে ৰেডীও হৈছে আৰু ইভালিউশ্যনো হৈ গ'ল। গতিকে মই ভাবো অহা ডিচেম্বৰ মাহৰ পৰা বেকীৰ কামখিনি কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৮৫। শ্ৰীমতী শিৱামণি বৰা।

**শ্ৰী পিয়ুষ হাজৰিকা, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমতী শিৱামণি বৰা (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিব্যাংগ সকলৰ বিষয়ে আলোচনা বা সিদ্ধান্ত লওঁতে অতি সংবেদনশীল আৰু মানৱীয় দৃষ্টিভংগী ৰাখিব লাগে। দিব্যাংগ সকলৰ বাবে থকা চৰকাৰী আঁচনিৰ বাবে আবেদন কৰিবলৈ হ'লে প্ৰথম ক্ৰাইটেৰিয়া হ'ল দিব্যাংগৰ প্ৰমাণ পত্ৰ থাকিব লাগে। দিব্যাংগৰ প্ৰমাণ পত্ৰ পাবলৈ হ'লে ব্যক্তি গৰাকী সোশৰীৰে মেডিকেল বোৰ্ডৰ আগত উপস্থিত থাকিব লাগে। মেডিকেল বোৰ্ড জিলা সদৰত এটা মাহত মাত্ৰ দুদিন বহে। জানিব পাৰিছো যে এতিয়া যিটো ব্যৱস্থা হৈ আছে, এই ব্যৱস্থাত এদিনত ২০ জনতকৈ অধিক লোকক পৰীক্ষা কৰিব নোৱাৰে। দূৰ দূৰণিৰ পৰা অহা এগৰাকী অশিক্ষিত, দুখীয়া প্ৰকৃত দিব্যাংগ ব্যক্তিয়ে জিলা সদৰলৈ আহি মেডিকেল বোৰ্ডৰ সন্মুখত উপস্থিত থাকি প্ৰমাণ পত্ৰ সংগ্ৰহ কৰাতো এটা যে অতি কঠিন কাম সেইটো মন্ত্ৰী মহোদয়ে নিশ্চয় উপলব্ধি কৰিব পাৰিছে। সেয়েহে মই মন্ত্ৰী মহোদয়ক স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি অতি সোনকালে মেডিকেল বোৰ্ডখন প্ৰত্যেক ব্লক বা চাৰ্কোল পৰ্য্যায়ত মাহেকত দুবাৰ বহাৰ সিদ্ধান্ত ল'বৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰী পিয়ুষ হাজৰিকা, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যা গৰাকীয়ে জানে যে প্ৰশ্নতেই উত্তৰটো দিয়া আছে। যদিও দিব্যাংগৰ অন্য কামখিনি Social Justice and Empowerment Department য়ে চায় কিন্তু প্ৰমাণ পত্ৰৰ কামখিনি স্বাস্থ্য বিভাগে চায়। তেখেতে কৈছে দুদিন বহে গতিকে কথাটো যিহেতু গুৰুত্বপূৰ্ণ মই স্বাস্থ্যমন্ত্ৰী মাননীয় শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ লগত আলোচনা কৰি আৰু অলপ কৰিব পাৰো নেকি বা তেখেতৰ পৰামৰ্শটো অৰ্থাৎ ব্লক লেভেলত নিব পাৰো নেকি সেইটো চেষ্টা কৰিম।

**শ্ৰীমতী শিৱামণি বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যুৱ সাহিত্যিক শৰ্মিষ্ঠা প্ৰীতমৰ দৰে কিছু সংখ্যকে নিয়মিত ভাৱে অতি ব্যয়বহুল চিকিৎসা চলাই থাকিব লাগে। শৰ্মিষ্ঠা প্ৰীতমক প্ৰয়াত হোমেন বৰগোহাঞি ডাঙৰীয়া, জুবিন গাৰ্গ প্ৰমুখ্য কৰি অসমৰ বহু ব্যক্তিয়ে সহায় কৰি আহিছে যদিও পৰিলক্ষিত হৈছে যে স্বাস্থ্য বিভাগ এইবিষয়ে ইমান আগবাঢ়ি অহা নাই। গতিকে মন্ত্ৰী মহোদয়, হৈক্ষেত্ৰত আপোনাৰ বিভাগে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**শ্ৰী পীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কিবা এটা whatsapp ত পাইছিলো ৰহাৰ শৰ্মিষ্ঠা প্ৰীতম ডাঙৰীয়নীৰ। মই call back কৰিছিলো, হয়তো তেখেতে ব্যস্ত আছিল, ফোনটো উঠোৱা নাছিল। মই ব্যক্তিভাৱে হলেও তেখেতক লগ ধৰিবলৈ চেষ্টা কৰিম। বিভাগৰ পৰা তেখেতৰ ক্ষেত্ৰত বহুত কৰিব পৰা নাযায়, কাৰণ treatment belong to health department. আমি চিকিৎসা নকৰো, আমাৰ স্বাস্থ্য মন্ত্ৰী গৰাকী আৰু স্থানীয় বিধায়ক ৰূপক শৰ্মা ডাঙৰীয়া তালৈ গৈছিলে। মই অলপ যোগাযোগত থাকো। গতিকে আৰু অলপ কৰিবলৈ চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, শৰ্মিষ্ঠা প্ৰীতম ডাঙৰীয়ানীৰ কেচটো সন্মানীয় সদস্য ৰূপক শৰ্মা ডাঙৰীয়া চাই আছিলে, তেখেতে কৈছে যে ২৫ লাখ টকা ইতিমধ্যে চৰকাৰৰ ফালৰ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যে মোৰ সমষ্টিত কেইবাটাও Health Care হৈ গ'ল, দিব্যাংগ সকলৰ চাৰ্টিফেকটৰ যিটো ব্যৱস্থা, সেয়া কিন্তু আজি এক ডেৰ বছৰৰ বেছি হৈ গ'ল, এতিয়ালৈকে বহুতো দিব্যাংগ চাৰ্টিফিকেট পোৱা নাই। মই অনুৰোধ জনাব খুজিছো যে এই চাৰ্টিফিকেট খিনি সোনকালে পোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাৰ্টিফিকেচনৰ কামটো স্বাস্থ্য বিভাগে চাই। গতিকে মই স্বাস্থ্য বিভাগক এইটোও যোগাযোগ কৰিম যে অলপ সোনকালে কামখিনি কৰি সেই মানুহখিনিক যাতে চাৰ্টিফিকেট খিনি দিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮৬, শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন সদনৰ মজিয়াত আছে।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ উত্তৰটো পালো। আচলতে এইটো এটা অভয়লাসী আঁচনি যে পাগলাদিয়া নদী, সেই নদীটো ভূটানৰ পৰা নামি আহিছে বাক্সা হৈ পেলাই আৰু শেষ হৈ পৰিছে আমাৰ বৰক্ষেত্ৰী সমষ্টিৰ ব্ৰহ্মপুত্ৰ নদীত। কথাটো হ'ল ২৮.৬০ কিঃ মিঃ দৈৰ্ঘ্য মথাউৰি পকীকৰণৰ বাবে প্ৰশাসনিক অনুমোদন হোৱা বুলি কৈছে, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কথা কলে যে ৮ কিলোমিটাৰ পকীকৰণ হৈছে বুলি আমাৰ সমষ্টিত, আচলতে বৰমুৰীকনা বৰক্ষেত্ৰী সমষ্টিত পৰে। গতিকে কবলৈ গলে গংগা পুখুৰীৰ পৰা দিংদিঙিলৈ মোৰ সমষ্টিত মাত্ৰ ৪ কিলোমিটাৰ ৰাস্তাহে পৰিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক ব্যক্তিগতভাৱে লগ পাই কৈছিলো যে আপুনি মাত্ৰ ১১ কিলোমিটাৰ মথাউৰি ৰাস্তা মোক দিয়ক। ১১ কিলোমিটাৰ দিলে দিংদিঙিৰ পৰা বিজুলীঘাট আৰু বিজুলীঘাটৰ পৰা আদাবাৰী এই গোটেই প্ৰজেক্টটো সম্পূৰ্ণ হৈ যাব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আপুনি এই ক্ষেত্ৰত আগন্তুক দিনত বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ সমষ্টিত এইবাৰ নিশ্চয়কৈ ৮ ৰ পৰা ১০ কিলোমিটাৰ পাব। এই কামখিনি চলি আছে। যোৱা বছৰ আমি প্ৰায় ৭৫০ কিলোমিটাৰ মথাউৰি পকীকৰণ লৈছিলো। এইবাৰো মই ভাৱো not less than 700 kilometer, তাৰ আমি গোটেই প্ৰাক্কলন প্ৰস্তুত কৰি আছো। মই কৈছো যে বৰক্ষেত্ৰী সমষ্টিত ৮ ৰ পৰা ১০ কিলোমিটাৰ মথাউৰি পকীকৰণ হ'ব। গতিকে মই তেখেতক কেইদিনমান অপেক্ষা কৰিবলৈ অনুৰোধ কৰিছোঁ।

**শ্ৰী দিগন্ত বৰ্মন, বৰক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়, ইয়াৰ আগৰ প্ৰশ্ন নং ৮৩ ত আপুনি যিটো কথা কৈছিলে যে ৫ কিলোমিটাৰ অন্তৰ্ভূক্তি শ্লুইচগেট বনাব বুলি কৈছিলে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যেতিয়া বানপানীৰ সময়ত বৰভাগত গৈছিলে, তেতিয়াও

শ্লুইচগেটৰ কথাটো কৈছিলে। আমাৰ দুখুতীৰ মুখত এটা শ্লুইচগেট বনাব লাগে। আগতে সেইটো আচলতে ব্ৰহ্মপুত্ৰ বোৰ্ডে কৰিছিলে। কিন্তু কিবা technical problem ৰ কাৰণে সেইটো নহলে। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক কব খুজিছো যে এইটো ব্ৰহ্মপুত্ৰ বোৰ্ডক বাদ দি সেইটো আপোনালোকে নিজাকৈ কৰক। এই প্ৰজেক্টটো সম্পূৰ্ণ কৰাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও সদিচ্ছা প্ৰকাশ কৰিছে, এইটো ৰাজ্য চৰকাৰৰ দ্বাৰা এটা প্ৰজেক্ট বনোৱাৰ বাবে মন্ত্ৰী ডাঙৰীয়াই কলে, মই ভাৱো নিশ্চিতভাৱে এই কামটোৰ সমাধান কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, য'ত ব্ৰহ্মপুত্ৰ বোৰ্ডে কৰে, আমি লম বুলি লৈ লব নোৱাৰো। কিন্তু মাননীয় সদস্য গৰাকীয়ে মোক আগতেও এই কথাটো কৈছিলে, আজিও সদনত কৈছে। আমি ব্ৰহ্মপুত্ৰ বোৰ্ডৰ লগত যোগাযোগ কৰি লৈ লব পাৰো নেকি, তাৰ কাৰণে নিশ্চয়কৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য জাকিৰ হুছেইন ছিকদাৰ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভূটান সীমান্তৰ পৰা ব্ৰহ্মপুত্ৰলৈ যিকেইখন উপনৈ বৈ আহিছে, প্ৰত্যেকখন উপনৈয়ে দৰং জিলাৰ পৰা কোকৰাঝাৰ জিলালৈকে গৈছে, দিনৰ পিছত দিন ক্ষয় ক্ষতিৰ পৰিমান বৃদ্ধি কৰি গৈ আছে। বানপানী বাঢ়িছে, গৰাখহনীয়া বাঢ়িছে, মথাউৰি বেছিভাগৰে ক্ষয়ক্ষতি হৈছে আৰু বেছি ভাগ নদীতে মথাউৰি নাই।

মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো আৰু জানিব বিচাৰিছো যে ভূটান সীমান্তৰ পৰা যিখিনি উপনৈ বৈ আহিছে, এই ক্ষেত্ৰত, যেনেকৈ ব্ৰহ্মপুত্ৰ বৰাকৰ ক্ষেত্ৰত জলসম্পদ বিভাগ সচেতন, তেওঁ পদক্ষেপ লয়, মেল-মিটিং কৰে, অধ্যয়ন কৰে, ঠিক তেনেকৈ ভূটান সীমান্তৰ পৰা যিখিনি উপনৈ বৈ আহিছে, সেইখিনি জলসম্পদ বিভাগে বিশেষকৈ বেলেগ ধৰণে সচেতন হৈ অধ্যয়ন কৰিব নেকি, জৰীপ কৰিব নেকি, কি ধৰণে তাক আমি ৰোধ কৰিব পাৰো, এই ক্ষেত্ৰত কি ধৰণে পদক্ষেপ লব, তাৰ কাৰণে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে মোক এটা কথা কোৱাৰ সুবিধা দিলে মই ভালে পাইছো। এইবাৰ আমি যিখিনি বানপানী দেখিলো, আমি বৰাকত বানপানী দেখিলো, হোজাই, নগাওঁত বানপানী দেখিলো। মৰিগাওঁত অকনমান আৰু বানপানী দেখিলো গহপুৰত। মঙ্গলদৈৰ পৰা বৰপেটালৈ আৰু চিৰাঙতো বানপানী দেখিছো লগতে নলবাৰী, কামৰূপ, বাক্সা, ওদালগুৰি, বজালী, ৰঙিয়া, হাজো, ভৱানীপুৰত গোটেইখিনিতে বানপানী দেখিছো। ...(সদনত হুলুস্থুল..)

এইবাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই Water Resource Department ৰ লগত মিটিং কৰিছে, তেখেতে আমাক কৈছিলে যে এইবাৰ আমি focus কৰিব লাগে, এইকেইটা particular ঠাইত। হোজাই সমষ্টিৰ ৩৫ কিলোমিটাৰ মথাউৰি তেখেতে চাবলৈ গ'ল, গৈ আহি মোক নিজে কলে। তাৰ পিছত য'ত য'ত ভাঙিলে, এই বাৰ ৪২ টা মথাউৰি ভাঙিছে। ১৪০ টা মান আমি ৰক্ষাও কৰিছোঁ। মই আচল সংখ্যাটো পিছত জনাই দিম। ভাঙিছে যদিও আমি ৰক্ষাও বহুখিনি কৰিছো। এই ৪২ টা মথাউৰি এইকেইখন ঠাইতে আছে। This is our first priority in this financial year। এইখিনি এইবাৰ আমাৰ focus হ'ব। মঙ্গলদৈৰ পৰা

বঙাইগাওঁলৈ আমি যদি চাওঁ, ব্ৰহ্মপুত্ৰৰ নৰ্থ বেংকত particularly ভূটানৰ পৰা নামি অহা নদীয়ে খুব বিপদজনক পৰিস্থিতিৰ সৃষ্টি কৰিছিল। এই গোটেইখিনি আমাৰ special focus ত আছে। এইবাৰ আমাৰ target য'ত য'ত বানপানী হৈছিল, কাৰণ ২০১৯ চনত দেখিছিলো যে এইকেইটা এৰিয়াতে বানপানী হৈছে। উজনি অসমৰ ব্ৰহ্মপুত্ৰ south bank ত যদি চাওঁ, তাত বানপানীৰ পৰিমাণ কম। মৰিগাওঁত অহা বাৰৰ পৰা কমিব লাগে। কাৰণ তাত মথাউৰিৰ সমস্যা সমাধান হৈছে। আমাৰ যদি ধেমাজিতো সমাধান হয়, তেতিয়া হলে, সেই এৰিয়াখিনি কিছু সমাধান হ'ব। বৰাকৰ ক্ষেত্ৰত কি হৈছে, তাত খুব বেছি বৰষুণ হোৱাৰ কাৰণে আৰু দক্ষিণ ফালে বৰাক আৰু উত্তৰ ফালে হোজাই, নগাওঁ, ৰহা, বঢ়মপুৰ, যমুনামুখ এইখিনি এৰিয়াত খুব পানী হৈছিল। গতিকে আমাৰ special focus মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিকে ধৰি শ্ৰীজাকিৰ হুছেইন ডাঙৰীয়াৰ সমষ্টিকে ধৰি মঙ্গলদৈৰ পৰা বঙাইগাঁৱলৈকে ব্ৰহ্মপুত্ৰ নৰ্থ বেংকত এইবছৰ আমাৰ special focus হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ৮৭ শ্ৰীলৰেঞ্চ ইছলাৰী। মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীলৰেঞ্চ ইছলাৰী, (পূব কোকৰাঝাৰ) ঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই লিখিত যি প্ৰশ্নৰ উত্তৰ সেইটো মই পাইছো যদিও মই মন্ত্ৰী মহোদয়ক আহ্বান জনাব বিচাৰিছো। ইয়াত মন্ত্ৰী মহোদয়ে কৈছে কোকৰাঝাৰ পূব বিধান সভা সমষ্টিৰ এখনেই মাত্ৰ পশু চিকিৎসালয় আছে। য'ত চিকিৎসালয়খন আছে সেইখনৰ পৰা উত্তৰ দিশত প্ৰায় ৫৫ কিলোমিটাৰমান হ'ব মোৰ সমষ্টি ভূটান বোৰ্ডাৰলৈকে। ইমান দূৰৰ পৰা পশুধন চিকিৎসালয়ত অনাটো সকলোৰে কাৰণে সম্ভৱ নহয়। ইয়াৰ অলপ আগতে ৩০ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওচৰত পাটগাঁৱত যদিওবা এটা চাব-চেণ্টাৰ বা ডিচপেঞ্চেৰী আছে, তাৰপৰাও হিচাপ কৰিলে প্ৰায় ৪০, ৪৫ কিলোমিটাৰমান হ'ব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো, যিহেতু অসম কৃষি প্ৰধান ৰাজ্য, এতিয়াও সকলো কৃষকে ট্ৰেক্টৰৰ ওপৰত নিৰ্ভৰ কৰিব পৰা নাই। এতিয়াও গৰু ম'হৰ ওপৰত খেতি নিৰ্ভৰ কৰিবলগীয়া হয়। মোৰ সমষ্টিত পশু চিকিৎসালয় নিৰ্মাণৰ কাৰণে চিন্তা-চৰ্চা কৰা হয় সেই বিষয়ে মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা, মাননীয় কৃষি মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নকৰ্তা সন্মানীয় সদস্যগৰাকীক ধন্যবাদ জনাইচো আৰু তেখেতে সদনৰ মজিয়াত কৈছে যে, তেখেতৰ সমষ্টিত কেৱল এখন পশু চিকিৎসালয় আছে। তেখেতৰ Kokarajher East constituency কোকৰাঝাৰ জিলাখনত আমাৰ এখন হস্পিতাল, ১২ খন State Veterinary Dispensary আৰু ৪ খন Block Veterinary Dispensary আৰু ৩ খন Tea-Village Centre আৰু ৩০ টা Veterinary Sub-Centre, Stockmen Centre আৰু তদ্ৰুপ এ আই চেণ্টাৰ বিভিন্ন ঠাইত আছে। আমি দেখিচো যে, কোকৰাঝাৰ জিলাখনত lifestock ৰ ওপৰত কোকৰাঝাৰ জিলাবাসীয়ে যথেষ্ট গুৰুত্ব আৰোপ কৰে। মুঠ lifestock আৰু cattle population ৰ সংখ্যাও যথেষ্ট বেছি। সেইমতে Veterinary officer আছে, নথকা নহয়। ৩০ জন Veterinary officer আছে। ৬৭ জন VFA আছে আৰু এটা Pig Mission ও লৈছে। তেখেতে যি অসুবিধাৰ কথা কৈছে, সেই অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি মই মাননীয় অধ্যক্ষৰ জৰিয়তে সন্মানীয় সদস্যগৰাকীক মই আশ্বাস দিছো যে, চৰকাৰে পদক্ষেপ ল'ব। Subject টো availibility of fund. আৰু

ইতিমধ্যে আমি বহুতখিনি dispensary পুনৰনিৰ্মাণৰ কাৰণে ব্যৱস্থা লৈছো। প্ৰায় ৮৪ খন RIDF 27 আমি কৰিব লৈছো। যদি RIDF 27 তে অন্তৰ্ভূক্ত কৰিব পৰা হয়, আমি চেষ্টা কৰিম আৰু নহ'লেও অন্য কি আঁচনিৰ জৰিয়তে তাত এখন চিকিৎসালয় দিব পৰা যায়, সেই বিষয়ে আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Supplimentary. আছেনে ?

**শ্ৰী লৰেঞ্চ ইছলাৰী, পূৰ কোকৰাঝাৰ ঃ** নাই।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে মাননীয় মন্ত্ৰী ডাঙৰীয়াই কোকৰাঝাৰ পূৰ সমষ্টিত পশু চিকিৎসালয় আৰু পশু উপস্বাস্থ্য কেন্দ্ৰৰ বিষয়ে উত্তৰ দিছে। তেখেতে আশ্বাস দিছে বা কৰিম বুলি direct কথা নিদিলেও পাকে প্ৰকাৰে কৰিম বুলি কৈছে। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম, কোকৰাঝাৰ পূৰ সমষ্টিৰ লগত অসমৰ ১২৬ বিধান সভা সমষ্টি সময়ে সময়ে পশু চিকিৎসালয় আৰু পশু উপস্বাস্থ্য কেন্দ্ৰৰ বিষয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়াই আগতে এনেবোৰ উত্তৰেই দিয়ে। কিন্তু কামবোৰ নহয়। সেইবাবে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম কোকৰাঝাৰ পূৰ সমষ্টিৰ লগত অসমৰ যিসমূহ জৰাজীৰ্ণ পশু চিকিৎসালয় আৰু পশু উপস্বাস্থ্য কেন্দ্ৰ হৈ আছে সেই সমূহৰ আন্তঃগাঁথনি ভাল কৰিবনে নাই ?

**শ্ৰীঅতুল বৰা,(কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সময়ে সময়ে উত্তৰ দিছো সদনৰ মজিয়াত আৰু যি উত্তৰ দিছো, আশ্বাস দিছো, সেইখিনি কৰিবৰ কাৰণে চেষ্টা অব্যাহত ৰাখিছো। ৰাজ্যখনত বৰ্তমান ৪৪২ খন পশু চিকিৎসালয় আছে। বৰ্তমান চৰকাৰে মুঠ ৩৬০ খন পশু চিকিৎসালয়ৰ পুনৰনিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছে। পুনৰনিৰ্মাণ কৰিবলগীয়া বাকী থকা পশু চিকিৎসালয়ৰসমূহৰ পুঁজি আৱন্টন সাপেক্ষে মই ক্ষন্তেক আগতে কৈছো যে পৰ্য্যায়ক্ৰমে পুনৰনিৰ্মাণৰ আমি বিবেচনা কৰিম। লগতে আপোনালোকে জানে যে, আমাৰ পশু চিকিৎসকৰ সংখ্যা কম আছে যদিও ৭০৩ টা পশু চিকিৎসকৰ পদ ৰাজ্যখনত আছে। আমাৰ বৰ্তমান ৫৪১ টা পদতহে পশু চিকিৎসক সকলে কৰ্মসেৱা আগবঢ়াই আছে আৰু ১৬১ টা পদৰ বাবে আমি APSC ক অনুৰোধ জনাইছিলো। APSC য়ে খুৱ কম দিনৰ ভিতৰত আমি আশা কৰিছো যে, এমাহৰ ভিতৰতে বাচনি পৰীক্ষা সম্পূৰ্ণ কৰি নিযুক্তি প্ৰক্ৰিয়াৰ ব্যৱস্থা কৰিব। Manpower shortage আছে, মই মাজে মাজে কঁও আৰু তাৰ কাৰণে ব্যৱস্থাও গ্ৰহণ কৰিছো। আজি কেইদিনমান আগতে ৩৭৮ জন Veterinary field assistant ৰ আমি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছো আৰু ৪৫০ জনক ল'বলৈ আমি প্ৰয়োজনীয় প্ৰক্ৰিয়া আৰম্ভ কৰিছো আৰু ৰাজ্যখনত ইতিমধ্যে ১৬ খন Mobile Ambulence দিছো আৰু ১৬২ খন হ'ব হয়তো আকৌ আমি খুৱ কম দিনৰ ভিতৰত তেনেধৰণৰ Ambulence সেৱা দিবৰ বাবে ব্যৱস্থা কৰিম। মাননীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই যিখিনি কথা কৈছে, ৰাজ্যখনৰ বিভিন্ন ঠাইত মই ইতিমধ্যে আজি সদনৰ মজিয়াত কৈছো আৰু তেখেতৰ সমষ্টিত তেনেধৰণৰ কিবা যদি আছে আমাক জনালে আমি সেইখিনি নিশ্চয় বিবেচনাৰ বাবে চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ৮৮ শ্ৰীঅমিয় কুমাৰ ভূঞা। মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**ড$^0$ অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষি বিভাগৰ জৰিয়তে ৯ বিধ

বীজ দি থকা তথ্য ইয়াত কোৰা হৈছে আৰু ৬ বিধ আধুনিক সেৰা সজুলি আৰু যোগান ধৰি থকা হৈছে। যোৱা দেৰটা বছৰত মই এবিধ তেনেকুৰা ধৰণৰ বীজ পালো মোৰ সমষ্টিত। বাকী ৮ বিধ বীজৰ ৰং কেনেকুৰা, কেনেকে দিছে এতিয়া লৈকে পোৱা নাই। সেইখিনি খবৰ ল'ব লাগিব আৰু ৬ বিধ সা-সঁজুলি দিয়া হৈছে বুলি কৈছে আৰু মই মন্ত্ৰী মহোদয়ক জনাইছো যে পাৱাৰ টীলাৰখন পালো বাকীখিনি সা-সঁজুলি অহা তথ্য বা কাক কেনেকৈ দিছে নাজানো। কিন্তু হিতাধিকাৰী নিৰ্বাচন প্ৰক্ৰিয়াত মই ভাবো প্ৰকৃত কৃষকে যাতে নিৰ্বাচিত হয় তাৰ কাৰণে বিশেষ criteria কৰিব লাগে আৰু সেইটো কৰিবলৈ যাওঁতে জৰীপ কৰিব লাগে যে প্ৰকৃত কৃষক কোন হয়। প্ৰকৃত কৃষকৰ হাতলৈ যাতে বীজ যায়, প্ৰকৃত কৃষকৰ হাতলৈ যাতে সা-সঁজুলি যায়, প্ৰকৃত কৃষকে যাতে পথাৰত পানী দিবৰ কাৰণে পাৱাৰ টিলা পায়।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীঅতুল বৰা, (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য অমিয় ভূএঞা ডাঙৰীয়াক ধন্যবাদ জনাইছো প্ৰশ্ন কৰাৰ বাবে। মই ইতিমধ্যে তেখেতৰ সমষ্টিত যোৱা সময়ছোৱাত কি কি সা-সঁজুলি দিয়া হৈছে, কি কি বীজ কিমান পৰিমাণৰ দিয়া হৈছে, হিতাধিকাৰীৰ সংখ্যাৰ সৈতে উল্লেখ কৰিছো। মই ভাৱো যে, তেখেতে যদি এইখিনি অলপ খা-খবৰ লয় গম পাব। আপোনালোকে জানে মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৰাজ্যখনৰ কৃষি ক্ষেত্ৰখনলৈ যুগান্তকাৰী পৰিবৰ্তন আনিবৰ কাৰণে কেতবোৰ পৰিকল্পনা কৰিছে আৰু এই কৃষিৰ আনুসংগীক খণ্ডৰ জৰিয়তে যাতে স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব পাৰি তাৰ পৰিকল্পনা কৰিছে আৰু সেইবোৰ কাৰ্য্যকৰী ৰূপ দিবৰ কাৰণে ব্যৱস্থা কৰিছে। মই সদনৰ মজিয়াত জনাইছো যে Combine Harvest ৰ এটাকৈ আমি প্ৰত্যেকখন জিলাতে দিব খুজিছো। মই ইতিমধ্যে সন্মানীয় সদস্যসকলকো এই বিষয়ে অনুৰোধ জনাইছিলো। পাৱাৰ টিলাৰ বা অন্যান্য যিবিলাক কৃষিজাত সামগ্ৰী দিছো আৰু কৃষিৰ যান্ত্ৰিকীকৰণৰ বাবে আমি পাৰ্য্যমানে চেষ্টা কৰিছো, কাৰণ আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক ৰাইজেই হৈছে ৰূপান্তৰ খেতিয়ক। পূৰ্বতে কৃষিৰ যান্ত্ৰিকীকৰণৰ কথা ভৰা নাছিল। বৰ্তমান এটা ভাল কথা হৈছে যে ৰাজ্যৰ বিভিন্ন ঠাইত নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকল কৃষিৰ লগত জড়িত হৈছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া শূন্যকালীন ঘণ্টা।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অফ অৰ্ডাৰ আছিল। যোৱাকালি আপোনাৰ জন্মদিন আছিল। আমাৰ দলৰ ফালৰ পৰা আপোনাক জন্ম দিনৰ শুভেচ্ছা জনালো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শূন্যকালীন ঘণ্টা। এতিয়া মাননীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি বৰুৱা ডাঙৰীয়াই কওঁক।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গত ১৫ চেপ্তেম্বৰত, "ৰজাদিনীয়া পুখুৰী আৰু ইয়াৰ সংৰক্ষণ"ৰ এটা বাতৰি ওলাইছিল। মই এই বিষয়ে সদনৰ দৃষ্টিগোচৰ কৰিব খুজিছো। আমি সকলোৱে এই পুখুৰীবোৰৰ সংৰক্ষণ আৰু বৰ্তমান সময়ত ইয়াৰ প্ৰাসংগিকতা আমি সকলোৱে অনুভৱ কৰো। বিভিন্ন সময়ত আমাৰ ৰজাসকলে আগতে জনহিতৰ কাম কৰিছিল। পানীৰ কাৰণে ৰাস্তাৰ কাষত পুখুৰী খান্দিছিল, বাটৰুৱাসকলে জিৰণী ল'বৰ বাবে গছ ৰুইছিল। এই সকলোখিনি পুখুৰী সংৰক্ষণ কৰাৰ ক্ষেত্ৰত কেনেকৈ আমি আগবাঢ়িব পাৰো এই ক্ষেত্ৰত পৰ্য্যালোচনাৰ প্ৰয়োজন আছে। বিশেষকৈ আমি শিৱসাগৰৰ ঐতিহ্যমণ্ডিত পুখুৰীসমূহ, অসমৰ বিভিন্ন স্থানত ৰাস্তাৰ কাষত থকা পুখুৰীসমূহ সংৰক্ষণৰ চৰকাৰে ব্যৱস্থা লোৱা আমি দেখিছো।

কিন্তু সঁচা কথা ক'বলৈ গ'লে প্ৰকৃতাৰ্থত এই পুখুৰীসমূহৰ যেনেধৰণৰ সংৰক্ষণ হ'ব লাগিছিল, সেই ধৰণে সংৰক্ষণ বিভিন্ন কাৰণত হোৱা নাই। আমি চৰকাৰক যেনেধৰণে দৃষ্টিগোচৰ কৰিছো, হয়তো যিখিনি চৰকাৰী বিষয়া-কৰ্মচাৰী আছে, তেওঁলোকে সেইধৰণে কৰা নাই। যি কি নহওঁক, মই এইটো কথা ক'ব খুজিছো যে বিজ্ঞানৰ উদ্ভাৱনাৰ লগে লগে আমি পুখুৰীসমূহত যদি Agro Tourism introduce কৰিব পাৰো আৰু Agro Tourism ৰ লগত আমাৰ যিখিনি Aquatic Spices আছে যেনে-বিভিন্ন ধৰণৰ প্ৰজাতিৰ মাছ, কাছ আছে, সেইবোৰ লৈ আমি পুখুৰীসমূহৰ সৌন্দৰ্য্য বৰ্দ্ধন কৰিব পাৰো, লগতে অসমক Tourism ৰ এটা আকৰ্ষণ স্থলী কৰিব পাৰো, এই পুখুৰীসমূহ য'ত আমি মাছ-কাছ আদি পুঁহিছো তাত যদি আমি সুন্দৰকৈ দলং বনাওঁ বা এটা প্লেটফৰ্ম বনাওঁ, যেনেকৈ শ্বিলংৰ ৱাৰ্ডচ লেকত মাছবিলাকক খাদ্যৰ জৰিয়তে আকৰ্ষিত কৰা হয়। বিশ্বৰ বিভিন্ন ঠাইত আমি দেখিবলৈ পাইছো যে ডাঙৰ ডাঙৰ ফলকত সেই Spices বিলাকৰ মাছেই হওঁক বা কাছই হওঁক বা অন্যান্য প্ৰজাতিৰ যিবিলাক প্ৰাণী আছে, সিহঁতৰ একো একোখন ফটো থাকে। ঠিক তেনেকৈ আমাৰ অসমৰ পুখুৰীসমূহতো যদি এই প্ৰজাতিসমূহৰ ফটো ফলকত লগাওঁ আৰু আমি আমাৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰক তেতিয়া জীৱন্ত অৱস্থাত মাছবোৰ দেখুৱাবলৈ সমৰ্থ হ'ম। তেতিয়া আমাৰ পুখুৰী সমূহ যথেষ্টখিনি আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত কালি আমি কেইবাটাও পুখুৰী অমৃত সৰোবৰৰ অধীনত আৰম্ভ কৰিছো আৰু মইও কেইবাটাও পুখুৰী উদ্বোধন কৰিছো। ইয়াৰ লগত সংগতি ৰাখি অমৃত সৰোবৰৰ যি প্ৰকৃত উদ্দেশ্য, তাৰ লগত যদি আমি পৰ্য্যটনৰ কথা সংলগ্ন কৰিব পাৰো, তেতিয়া এই অমৃত সৰোবৰ আঁচনিটো প্ৰকৃতাৰ্থত কামত আহিব। মই আৰু এটা কথা ক'ব বিচাৰিছো যে অমৃত সৰোবৰৰ লগত আমাৰ যিবোৰ ৰাস্তা আছে, সেইবোৰো উন্নীত কৰিব লাগে, পুখুৰীৰ পাৰবোৰত যদি আমি কিছুমান বিলুপ্ত হ'ব ধৰা ফল যেনে- লেটেকু, পনিয়ল আদি উদ্যান এখন কৰিব পাৰো, সৰুতে আমাক মায়ে কৈছিল যে বতৰৰ ফল, শাক-পাচলি আদি খাব লাগে। ইয়াৰ লগতে বৰ্তমান এজলাৰ কথা আপোনালোক সকলোৰে জানে আৰু ইয়াৰ দ্বাৰা অৰ্থনৈতিকভাৱে আগবাঢ়িব পাৰো। এই এজলা বস্তুটো আমাৰ ইয়াত নতুনকৈ আহিছে। এজলা এবিধ পানীত হোৱা এনেকুৱা উদ্ভিদ য'ত Azolla and Anabaena Symboiosis নামৰ বেক্টেৰিয়া সেই গছজোপাত থাকে আৰু তাত নাইট্ৰ'জেন ফিক্স হয়। ভৱিষ্যতে এজলা গছ আমাৰ অৰ্গেনিক সাৰৰ এটা ইনগ্ৰিডেণ্ট হ'ব পাৰে। আমি যদি মাটিত ইয়াক ব্যৱহাৰ কৰো ইয়াত যি নাইট্ৰ'জেন থাকে এই নাইট্ৰ'জেন খিনিয়ে আমাৰ মাটিৰ Soil Structrure ভাল কৰে। Soil Structrure মানে হৈছে আমাৰ সকলো মাটিত পানী ধৰি ৰখাৰ ক্ষমতা। আমাৰ সকলো মাটি খেতিৰ বাবে উপযোগী নহয়। আমি যদি এই এজলাৰ নিচিনা গছ সাৰৰ নিচিনাকৈ ব্যৱহাৰ কৰি কাম কৰো মই ভাৱো যে যথেষ্টখিনি উপকাৰ হ'ব। মোৰ বহুখিনি কথা ক'লগীয়া আছিল। কিন্তু সময়ৰ অভাৱৰ কাৰণে ক'ব নোৱাৰিলো। আমাৰ কৃষি মন্ত্ৰী ইয়াত বহি আছে। মই তেখেতক এজলা খেতিৰ ওপৰত অধিক গুৰুত্ব দিবৰ বাবে অনুৰোধ কৰিম। ধন্যবাদ।

**(মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট।)**

**মাননীয় উপাধ্যক্ষঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক। কৰিব লাগে।

**শ্ৰী পিযুষ হাজৰিকা, (মাননীয় মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় পৰ্য্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াৰ হৈ সন্মানীয় সদস্য ভাস্কৰ জ্যোতি বৰুৱাই শূন্যকালীন ঘণ্টাৰ যোগেদি এটা ঘটনা বা সমস্যাৰ কথা উল্লেখ কৰিছে। অসমৰ ভূমি

প্ৰাকৃতিকভাৱে নদ-নদী, পুখুৰী, জলাশয়ৰে পৰিপূৰ্ণ। অসম ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিভিন্ন ৰজাৰ পৃষ্ঠপোষকতাত পুখুৰী খন্দা হৈছিল। যাতে প্ৰজাই খোৱাৰ উপৰিও বিভিন্ন কাৰ্য্যত ব্যৱহাৰ কৰিবলৈ পানী পাবলৈ সক্ষম হয়। এইটো ৰজাৰ অন্যতম প্ৰজাহিতকৰ কাৰ্য্য আছিল আৰু এই পুখুৰীবোৰ এতিয়াও উপলব্ধ হৈ আছে। সেই ৰজাদিনীয়া পুখুৰীবোৰৰ কিছুমান সময়ে সময়ে চৰকাৰী পৃষ্ঠপোষকতাত চাফ-চিকুন আৰু সৌন্দৰ্য্য বৰ্দ্ধন কৰা হৈছে। ইতিমধ্যে অসম পৰ্য্যটন বিভাগৰ দ্বাৰা সম্পূৰ্ণ কৰা ৰজাদিনীয়া পুখুৰীৰ সৌন্দৰ্য্য বৰ্দ্ধন আৰু সংৰক্ষণ কাৰ্য্যৰ তালিকাসমূহ মই ইয়াত ক'বলৈ ওলাইছো। শিৱসাগৰৰ ঐতিহাসিক জয়সাগৰ পুখুৰীৰ পাৰত অসম পৰ্য্যটন বিভাগে কেন্দ্ৰীয়চৰকাৰৰ পুঁজিৰে স্ব-দেশ দৰ্শন আঁচনিৰ অধীনত ৪ কোটি ৫৩ লাখ ২৩ হাজাৰ টকাৰ ব্যয় সাপেক্ষে পৰ্য্যটক তথ্য কেন্দ্ৰ, আপ্যায়ন কেন্দ্ৰ, সৌৰশক্তি পোহৰৰ ব্যৱস্থা, জলক্ৰিয়া, ওপঙা নাওঁ, লেণ্ডচ কেপিং ৰাজহুৱা প্ৰসাধন বাৰস্থাৰ সৈতে বস্ত্ৰ সলনি কৰা ঠাই, বাহিৰত বহা বেঞ্চ, চি চি টি ভি নেটৱৰ্ক, ২০২২ চনৰ মাৰ্চ মাহত সম্পূৰ্ণ কৰিছে আৰু ইয়াৰ পৰিচালনাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা হাতত লোৱা হৈছে। ঠিক একেদৰে শিৱসাগৰৰ ঐতিহাসিক ন পুখুৰীৰৰ পাৰত স্ব-দেশ দৰ্শন আঁচনিৰ অধীনত ৩৪০.৬৩ লাখ টকা ব্যয় সাপেক্ষে সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে ৰাজহুৱা প্ৰসাধন বাৰস্থা আপ্যায়ন কেন্দ্ৰ, সৌৰশক্তি পোহৰৰ ব্যৱস্থা, যান-বাহন ৰখা ঠাই, খোৱা পানীৰ ব্যৱস্থা, লেণ্ডচ কেপিং, বাহিৰত বহা বেঞ্চ, ফলক, প্ৰৱেশ পথ, চি চি টি ভি নেটৱৰ্ক, বটল নিষ্কাষণ যন্ত্ৰ ইত্যাদি ২০২২ চনৰ মাৰ্চ মাহত সম্পন্ন কৰা হৈছে আৰু পৰিচালনা কৰিবলৈ পদক্ষেপ লোৱা হৈছে। যোৰহাটৰ ৰাজমাও পুখুৰীৰ পানী, ইয়াৰ কাষত থকা পৰ্য্যটন বিভাগৰ প্ৰশান্তি ট্যুৰিষ্ট লজত ব্যৱহাৰ হৈ আছে। গুৱাহাটীৰ মাজমজিয়াত থকা দীঘলী পুখুৰীৰ পানী অসম পৰ্য্যটন বিভাগে অসম পৰ্য্যটন উন্নয়ন নিগমৰ অধীনত The Energy of Resource Institute of North-Eastern Regional Centre (TERI) জৰিয়তে বৈজ্ঞানিক পদ্ধতিৰে পৰিষ্কাৰ আৰু বিশুদ্ধ কৰণৰ কাম দুটা পৰ্য্যায়ত সম্পন্ন কৰিবলৈ হাতত লৈছে। ইয়াৰ প্ৰথম পৰ্য্যায়ৰ কাম ইতিমধ্যে সমাপ্ত হৈছে আৰু দ্বিতীয় পৰ্য্যায়ৰ কাম চলি আছে। ভৱিষ্যতে পুঁজি সাপেক্ষে ৰজাদিনীয়া পুখুৰী আৰু ৰাজহুৱা পুখুৰীৰ সৌন্দৰ্য্য বৰ্ধনৰ বাবে পৰ্য্যটন বিভাগে নিশ্চয় কাম কৰিব। উপাধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে। আমি অমৃত সৰোবৰৰ কাম আৰম্ভ কৰিছো। অসমত যদি আমি পুখুৰী এটা কৰো, তেন্তে ৩ টা সমস্যাৰ সমাধান হ'ব। প্ৰথমে, ই Tourism perspective ত কাম কৰিব। দ্বিতীয়তে, মৎস্য উৎপাদনত ইয়াৰ ব্যৱহাৰ হ'ব। আমি অসমীয়া মানুহে দিনটোত এবাৰ মাছ নাখালে থাকিব নোৱাৰো। মাছ উৎপাদনৰ ক্ষেত্ৰত আমি আজি স্বাৱলম্বী নহয় যদিও পুখুৰীটো আমাৰ প্ৰয়োজনীয়। তৃতীয়তে, বিশেষজ্ঞ সকলে হাজাৰ বছৰৰ পিছত পানী নাইকিয়া হৈ যাব বুলি কৈছে, সেয়েহে এই পুখুৰীৰ জৰিয়তে হ'লেও পানী সংৰক্ষণ কৰাটো অত্যন্ত জৰুৰী। আনহাতে, ইয়াৰ দ্বাৰা নিবনুৱা সমস্যাৰো সমাধান হ'ব পাৰে। সেয়েহে, আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অমৃত সৰোবৰ নামৰ অভিলাসী প্ৰকল্পটো আমাৰ মুখ্যমন্ত্ৰী আৰু সন্মানীয় মন্ত্ৰী ৰণজিৎ দাস ডাঙৰীয়াই আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তেও সেই কামবোৰ হ'ব। এই সুযোগতে মই সন্মানীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী মহোদয়ক ক'ম যে সেই ঠাইখিনিত ইতিমধ্যে গছপুলি ৰোপণ কৰা হৈছে যদিও পৰ্য্যটনকেন্দ্ৰিক বা সৌন্দৰ্য্য বৰ্ধনৰ কাম আৰু অধিক কৰিবৰ বাবে অনুৰোধ জনাম।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া। আপুনি ৫ মিনিটত কৈ শেষ কৰিব।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই শূন্যকালীন ঘণ্টাৰ জৰিয়তে এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। অন্যান্য সমষ্টিৰ লগতে বিশেষকৈ মোৰ সমষ্টিতো দেখিবলৈ পাইছো যে যিবোৰ ৰাস্তা-ঘাট ইতিমধ্যে বনোৱা হৈছে, সেইবোৰ কেইবাটাও কাৰকৰ কাৰণে অতি সোনকালে জৰাজীৰ্ণ অৱস্থালৈ গতি কৰিছে। তাৰ এটা কাৰক ৰাস্তাৰ মাজত পানী আৱদ্ধ হৈ পৰাটো আটাইতকৈ ডাঙৰ সমস্যা। বৰষুণৰ পানীৰ লগে লগে যদি ৰাস্তাৰ পানী নামি যাব নোৱাৰি জমা হৈ থাকে তেন্তে গাড়ী চলিলে দুই- এদিনতে bitumen বেয়া হৈ ৰাস্তাটোত খলা বমা আৰম্ভ হয়। এই সমস্যাটো সমাধানৰ বাবে চৰকাৰে কিছু কাম বা আইন বনাব লাগিব বুলি ইয়াৰ পূৰ্বেও মই পৱিত্ৰ সদনত কৈছিলো। আমি দেখো যে কিছুমান মানুহে ৰাস্তাৰ দাঁতিত আলি বান্ধি ৰাখে যাতে ৰাস্তাৰ পানী পুখুৰীত পৰিব নোৱাৰে। কিয়নো বহুতে ভাৱে যে ৰাস্তাৰ পানী পুখুৰীত পৰিলে মাছৰ ক্ষতি হ'ব। মোৰ সমষ্টিৰ মৈৰাবাৰী, বেচামাৰী, বৰবাৰী, লুচনাবৰী আৰু কেইবাটাও ঠাইত মই দেখিছো যে ৰাস্তাৰ পানী নামি যাব নোৱাৰাৰ ফলত নতুনকৈ নিৰ্মাণ কৰা ৰাস্তাটোও কিছু দিনৰ ভিতৰতে তাত গাড়ী মটৰ চলাৰ ফলত গাঁতৰ সৃষ্টি হয়। আনহাতে, ৰাস্তাৰ একেবাৰে কাষতে যিবোৰ পুখুৰী খান্দে সেইবোৰ খহি যোৱাৰ ফলত ৰাস্তাটো কেইবা ফুটলৈকে পুখুৰীত বিলীন হৈছে। পূৰ্বতে অজন্তা নেওঁগ বাইদেউ যেতিয়া গড়কাপ্তানি মন্ত্ৰী আছিল, তেতিয়াও মই এই কথাটো সদনত উত্থাপন কৰিছিলো আৰু বাইদেউয়ে তেতিয়া কৈছিল যে ৰাস্তাৰ পৰা কিমান আঁতৰত পুখুৰী খান্দিব লাগে তাৰ ওপৰত আইন আছে, কিন্তু সেই আইন এতিয়ালৈ বলৱৎ হোৱা নাই। ফলত এই পুখুৰীয়ে বহু ঠাইত খহনীয়াৰ সৃষ্টি কৰিছে। উপাধ্যক্ষ মহোদয়, আমি আৰু এটা কথা দেখিবলৈ পাইছো যে কিছুমান মানুহে ঘৰৰ ভেটি ওখ কৰি দিয়াৰ ফলত ৰাস্তাটো তল পৰি যায় আৰু ৰাস্তাটোৰ মাজত পানী আৱদ্ধ হৈ থাকে। এই ৰাস্তাত ট্ৰেক্টৰ বা গধুৰ যান-বাহন চলি থকাৰ ফলত গাঁত হৈ যায়। মই যোৱাবাৰ বহু কেইটা ৰাস্তা বনাইছিলো। কিন্তু এই ৰাস্তাবোৰত পানী আৱদ্ধ হোৱাৰ ফলত ছমাহ নহওঁতে বিধ্বস্ত হৈ পৰিছে। উপাধ্যক্ষ মহোদয়, বজাৰ এলেকাবোৰত ৰাস্তাবোৰ খুব বেয়া হোৱাৰ সমস্যা এটা আমি দেখিবলৈ পাওঁ। সেয়েহে, দুয়োকাষে দোকানৰ আগত তেওঁলোকে মাটি দি অলপ ওখ কৰি দিয়ে যাতে গ্ৰাহকে তাত থিয় হ'ব পাৰে। ফলত ৰাস্তাটো চাপৰ হৈ যায় আৰু ৰাস্তাৰ পানী নামি যাব নোৱাৰে। বজাৰ সমিতিয়েও তাত নলা বনাই দিয়া বা পানীখিনি নামি যোৱাৰ কোনো ব্যৱস্থা কৰি নিদিয়ে। এই সমস্যাটো মই সকলো সমষ্টিৰে বজাৰ এলেকাবোৰত দেখিবলৈ পাইছো। উপাধ্যক্ষ মহোদয়, শেষৰ সমস্যাটো হ'ল -ৰাস্তাৰ বেছিভাগ কালভাৰ্ট বৰ্তমান বন্ধ হৈ গৈছে। কালভাৰ্টৰ মুখত যাৰ পট্টা মাটি আছে, তেওঁলোকে ঘৰ বনাই দিছে বা পাৰ বান্ধি পুখুৰী বনাই দিছে। ফলত পানীখিনি ওলাই যাব নোৱাৰে। ই কৃত্ৰিম বানপানীৰ সৃষ্টি কৰি ৰাস্তাৰ ওপৰেৰে পানী বৈ যায় আৰু তাৰ ওপৰতেই গাড়ী মটৰ চলাৰ ফলত ৰাস্তাটো বিধ্বস্ত হয়। যিহেতু এই ক্ষেত্ৰত আইনৰ কিছু ব্যৱস্থা আছে গতিকে সেইবোৰ প্ৰযোজ্য কৰি এই কালভাৰ্ট সমূহ খুলি বা বিকল্প উপায়েৰে পানীখিনি ওলাই যোৱাৰ সুবিধা যদি কৰি দিব পাৰি তেন্তে কৃত্ৰিম বানৰ সমস্যাটো নাথাকিব আৰু এই বিষয়ে মই চক্ৰ বিষয়া আৰু উপায়ুক্তৰ লগত কেইবাবাৰো যোগাযোগ কৰিছিলো। উপাধ্যক্ষ মহোদয়, এই গোটেই সমস্যাবোৰ যদি সমাধান কৰিব পৰা নাযায় তেন্তে আমি যিমানেই মেৰামতি নকৰো কিয় ই ভাল হৈ নাথাকে। চৰকাৰে যি পুঁজি দিব সেই পুঁজিৰে যদি আমি বিধ্বস্ত ৰাস্তাটোকে বাৰে বাৰে মেৰামতি কৰি থাকিব লগীয়া হয়, তেন্তে আমি নতুন ৰাস্তা কেনেকৈ বনাম? ৰাস্তাৰ এনে সমস্যাবোৰ যদি সঘনাই হৈ থাকে ৰাইজে বিধায়ক সকলক গালি পাৰিবলৈ লয়। ৰাস্তাটো বনাই দিয়াৰ পিছতো বৰষুণৰ পানী

আবদ্ধ হৈ ৰাস্তাটো বেয়া হ'লেও ৰাইজে কয় যে বিধায়কে একো নকৰে, কাম নাচায় আৰু ফটো উঠাই সামাজিক মাধ্যমত আপলোড কৰে। এনে কৰাৰ ফলত আমাৰ সকলো বিধায়কৰে বদ্নাম হয়। সেয়েহে, আপোনাৰ জৰিয়তে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো যাতে চৰকাৰে এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰে ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** উপাধ্যক্ষ মহোদয়, মই আমিনুল ইছলাম ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব খুজিম যে তেখেতে অন্ততঃ সাহসেৰে আজি এটা কথা কৈছে। আমি অলপ সাহস কৰিব লাগে। কোনোৱে যদি ভাল কাম কৰি নাথাকে আৰু আমি বিধায়কসকলে যদি ভোটৰ চিন্তাত মাত মতা নাই তেন্তে কেতিয়াবা হয়তো অৰাজক পৰিৱেশৰ সৃষ্টি হ'ব। সেয়েহে, মই কৈছো সন্মানীয় সদস্য গৰাকীয়ে নিজৰ সমষ্টিৰেই উদাহৰণ সহ আজি এটা খুব গুৰুত্বপূৰ্ণ কথা এই সদনত উত্থাপন কৰিছে। সাধাৰণতে, নিজৰ সমষ্টিৰ এনেধৰণৰ কথা ক'লে মানুহে বেয়া পায়। পুখুৰী বনোৱা, ঘৰ বনোৱা, বজাৰত মাটি পেলাই ওখ কৰি লোৱাৰ ফলত ৰাস্তাটো তল যোৱা আদি যি কথাবোৰ তেওঁ উল্লেখ কৰিছে, এই কথাবোৰ যদি আমি কওঁ, ৰাইজে বেয়া পায়। আমি বৰপেটা ৰোডৰ ফালে গ'লে হাউলী আৰু বৰপেটাৰ মাজত যি পুখুৰীসমূহ দেখা পাওঁ, তাৰ বাবে মানুহৰ ঘৰৰ চোতালখনতো বাদেই, আনকি ৰাস্তাও খান্দি দিছে। এনেধৰণৰ ঘটনা কিছুমান হৈছে। কিন্তু, মই এইটোৱেই কওঁ যে তেখেতে এই কথাবোৰ ক'বলৈ যে সাহস কৰিছে তাৰ বাবে তেখেতে ধন্যবাদৰ পাত্ৰ। এনেদৰে আমি কিমানজনে সাহস কৰিম সেইয়া মই নাজানো। আমাৰ সমষ্টিতো এনে নহয়, কিন্তু আমি ক'ব নোৱাৰো। আচলতে, এইবোৰে আমাৰ পৰিৱেশটো নষ্ট কৰে। মানুহে লোক নিৰ্মাণ বিভাগক গালি পৰাটো সঁচা। আমি ৰাস্তা বনাই আছো, কিন্তু পানী উলিয়াব পৰা নাই। ইয়াৰ কাৰণটো যদি চাওঁ, মানুহেই ক'ৰবাত গণ্ডগোল কৰিছে। সন্মানীয় সদস্যগৰাকীৰ সমষ্টিৰেই ২০ খন ঠাইত কালভাৰ্ট বন্ধ হৈ গৈছে। বৰদোৱা-বালিকটীয়া ৰোড কালভাৰ্ট, বাতামাৰী-হাইদুবি ৰোড কালভাৰ্ট, হাইদুবি-শিঙিয়াবজাৰ ৰোড কালভাৰ্ট, চালপাৰা-পৰমাইভটি ৰোড কালভাৰ্ট এনেকৈয়ে তেখেতৰ সমষ্টিৰ মুঠ ২০ টা কালভাৰ্ট বন্ধ হৈ গৈছে। গতিকে, এনেদৰে কালভাৰ্ট বন্ধ হৈ গ'লে মানুহৰ থাকিবলৈ অসুবিধা হ'বই। তাৰ পিছত আকৌ বজাৰ সমূহ আছেই। গতিকে, মই পৱিত্ৰ সদনক জনাব খুজিছো যে তেখেতে উল্লেখ কৰা গুৰুত্বপূৰ্ণ বিষয়টো বিভাগে seriously take up কৰিব। ইতিমধ্যে নগাওঁ জিলাৰ সেই সময়ৰ উপায়ুক্ত ডাঙৰীয়াই order দিছিলেই । মই তেখেতক জনাই দিম। এই ক্ষেত্ৰত আমাৰ কিছু আইন আছে। দুৰ্যোগ ব্যৱস্থাপনাৰ অধীনতো আইন আছে। এনেধৰণৰ কাম যে কৰিব নোৱাৰে তাৰ সন্দৰ্ভত Assam Land Revenue & Regulation Act, 1986 ৰ অধীনতো ব্যৱস্থা আছে। তাৰ মাজতে আমিও কাম কৰি আছো। পৰৱৰ্তী সময়ত আমি আৰু seriously এই বিষয়বোৰ take up কৰিব লাগিব যাতে মানুহে মন গ'লেই ক'ৰবাত এটা ৰাস্তা বনাই দিব নোৱাৰে। আমি বিল্ডিং বনাওঁতে কিমান ঠাই এৰি দিব লাগিব সেই সম্পৰ্কত সেইদিনা Urban Developmentৰ এখন বিধেয়ক অনা হৈছিল। গুৱাহাটীৰ সমান এৰি দিবলগীয়া হওঁতে বিৰোধী পক্ষই বিৰোধিতা কৰিছিল। কিন্তু, উপাধ্যক্ষ মহোদয়, আমি কথাবোৰ চিন্তা কৰিব লাগিব। আনকি এই কথাবোৰ গাওঁ পৰ্যায়লৈ নিব লাগিব। মন গ'লেই ৰাস্তাৰ দাঁতিত এটা পুখুৰী খান্দি দিব, ৰাস্তা বন্ধ কৰি বেলেগ ফালেৰে পানী বোৱাই লৈ যাব, মথাউৰি এটা কাটি দিব যাতে পানী সোমায়, সেইটো হ'ব নোৱাৰে। গতিকে আমি এই ক্ষেত্ৰত strict হ'ব লাগিব আৰু এই ক্ষেত্ৰত সকলোৱে

সহযোগিতা বিচাৰিছো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, বৰপেটা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়া আপুনি হাউলীৰ পৰা বৰপেটাৰ যিটো উদাহৰণ দিছে, মই কেইবাবাৰো DC আৰু circle officer ক সাক্ষাৎ কৰি এই কথাটো কৈছো যে ৰাস্তাৰ পৰা যিখিনি এৰিব লাগে নিয়মমতে সেইখিনি follow কৰক। এইটো strictly follow কৰাৰ কাৰণে আপুনি order দিয়ক। আমি সহায় কৰি দিম।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** আপুনি ভাল কথা কৈছে। সেইসকলো ভোটাৰ। তথাপিও আমি ক'বলৈ সাহস কৰিব লাগিব। আমি সকলো মানুহক বেয়া বুলি নকওঁ। আমাৰ ভোটাৰসকল বেয়া হ'বই নোৱাৰে, তেখেতসকল আমাৰ কাৰণে ভগৱান। কিন্তু যিকেইজনে বেয়া কৰিছে তাৰকাৰণে আমি মাৰবান্ধি থিয় হ'ব লাগিব নহ'লে বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হ'ব। গতিকে আপোনালোকে আমাক সহযোগ কৰক, আমি আৰু strict হ'ম। এই কথাটো মই সকলোকে আশ্বস্ত কৰিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্ৰ ১ মিনিট সময় ক'ব বিচাৰিছো। মোৰ এটা উপদেশ আছে। এই বিষয়ে যোৱা বিধান সভাতো মই উত্থাপন কৰিছিলো। আপোনালোকে যদি এটা নিৰ্দেশ দিয়ে চক্ৰ বিষয়া কাৰ্য্যালয়লৈ, বিধায়কসকলক লগত লৈ যদি মিটিং কৰি এটা উমৈহতীয়া সিদ্ধান্ত লয় আৰু পঞ্চায়তৰ President, Counsellor এওঁলোককো লগত লয় তেনেহ'লে মই ভাৱো কাম হ'ব। এইটো যদি আমি বন্ধ কৰিব পাৰো লোকনিৰ্মাণ বিভাগৰ বহু টকা ৰাহি হ'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** ঠিক আছে উপাধ্যক্ষ ডাঙৰীয়া। মাননীয় সদস্য গৰাকীৰ পৰামৰ্শটো আমি লৈছো। আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিম আৰু পৰৱৰ্তী সময়ত আমি কেনেকৈ বানপানী কম কৰিব পাৰো, আমাৰ ৰাস্তাখিনি ভাল কৰিব পাৰো, পানী উলিয়াই দিব পাৰো তাৰ কাৰণে নিশ্চয় কাম কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** কালভাৰ্টলৈ পাহাৰত এটা issue আছে। কালভাৰ্ট সৰু কাৰণে পানীটো পাৰ নহয়। Flash flood হ'লে কালভাৰ্টটো আতৰি যায় আৰু ৰাস্তাটো বেয়া হৈ যায়। Box Culvert বা Slab Culvert দিলে ভাল হয়।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই আজি প্ৰশ্ন উত্তৰ শিতানত কৈছো যে আমিএবিাৰ দুদিনীয়াকৈ Water Resource Department ৰ workshop কৰিছিলো। তাত আমাৰ Engineer সকলে কৈছে যে দলং সমূহ ওখ হ'ব লাগে আৰু বহল হ'ব লাগে। কিন্তু আমি নদীখনতকৈ দলংখন সৰু কৰি দিওঁ আৰু চাপৰ কৰি দিওঁ। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক এইখিনি কথা ক'লো যিহেতু গড়কাপ্তানী বিভাগটো তেখেতেই চায়। তেখেতে অতি শীঘ্ৰে PWD বিভাগৰ Commissioner ক এই কথাটো জনাব দিছে। আমি ভৱিষ্যতে দলং বনোৱাৰ ক্ষেত্ৰত, Culvert বনোৱাৰ ক্ষেত্ৰত serious হম আৰু এইবিলাক যাতে ওখ হয় আৰু পানীটো যাতে ঘুৰি নাহে তাৰবাবে ব্যৱস্থা লম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টোলৈ আজি শূণ্যকালীন ঘন্টাৰ সময়ত বিষয়টো উত্থাপন কৰিব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মহোদয়, ২০১৬ চনতে এই ৬ জনগোষ্ঠীৰ অন্তৰ্গত কোচৰাজবংশী সকলক দুবাৰকৈ ordinance কৰি জনজাতিকৰণৰ সুবিধা দিয়া হ'ল। তাৰ পৰৱৰ্তী সময়ত

যিহেতু একেলগে অন্য কেইবাটাও জনগোষ্ঠীয়ে জনজাতিকৰণৰ দাবী কৰিছিল, লোকসভাত এই বিষয়টো উত্থাপন হোৱাৰ বাবে আৰু অসম বিধান সভাতো এই বিষয়টো আলোচনা হোৱাৰ বাবে সেই সময়তে এখন Select Committee গঠন কৰা হৈছিল অমৰ ৰয় প্ৰধানৰ নেতৃত্বত। তাত অসমৰ সাংসদ পবন সিং ঘাটোৱাৰ, জয়ন্ত ৰংপি, ড° প্ৰবীন শৰ্মা, ড° অৰুণ শৰ্মা, উদ্ধৱ বৰ্মণ আৰু প্ৰিয়ৰঞ্জন দাস প্ৰমুখ্যে কংগ্ৰেছৰ বিভিন্ন নেতৃবৃন্দ আছিল। তেখেতসকলে বিভিন্ন মতামত গ্ৰহণ কৰাৰ লগতে অসমলৈও আহিছিল আৰু অসমলৈ অহাৰ পাছত এই সমিতিখনে এটা পৰামৰ্শ দিছিল যে অসমৰ যি ৬ জনগোষ্ঠী, এই কেইটাক জনজাতিকৰণ কৰিব লাগে। এই তথ্য লোকসভাৰ The Constitution, Schedule Tribes further Amendment Bill,1996 ৰ Report of the Select Committee ত উল্লেখ আছে। এই সমিতিৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ সম্পত্তি আৰু পৰৱৰ্তী সময়ত ২০০৪ চনত আমাৰ অসম বিধান সভায়ো এটা সৰ্বদলীয় প্ৰস্তাৱ ল'লে যে আমাৰ এই জনগোষ্ঠী সকলক জনজাতিকৰণ কৰিব লাগে আৰু এটা All Party Delegation দিল্লীলৈ যাব লাগে। সেই অনুসৰি অধ্যক্ষ প্ৰণৱ গগৈৰ নেতৃত্বত কংগ্ৰেছ, বি জে পি , এ জি পি আৰু অন্যান্য সেই সময়ত থকা ৰাজনৈতিক দলৰ সকলো সদস্যই দিল্লীলৈ গৈ ৫ আগষ্ট, ২০০৪ ৰ বিধানসভাৰ Unanimous Resolution ইয়াৰ কপিসহ Select Committee ৰ Report বিলাক তাত দাখিল কৰিলে। মই কাগজখিনি আপোনাক দি দিম, এই সমিতিৰ Report ৰ ভিত্তিত তাত উল্লেখ আছে যে এই গোটেইকেইটা community ক recommend কৰা হ'ল - The Committee feels that Koch Rajbangshi's are included in the list of Schedule Tribe, a large number of people entitled for reservation benefit. যিহেতু ১০ শতাংশ আৰু ৫ শতাংশ ইতিমধ্যে জনজাতিসকলৰ কাৰণে আছে Plains আৰু Hills. বাকীসকলক এই OBC কোঠাৰ পৰাই ১৩ শতাংশ দিবলৈ প্ৰস্তাৱ দিয়া হ'ল যিহেতু এই ৬ community OBC ত আছে। তাৰ পিছতো ১৩ শতাংশ যিহেতু unreserve থাকে আৰু supreme court য়ে ৫০ শতাংশকৈ দিব পাৰে বুলি ক'লে। সেই গতিকে প্ৰয়োজন সাপেক্ষে ST সকলৰ বাবে আৰু অধিক দিব পৰা যায় বুলি কোৱা হ'ল। পুনৰ যিহেতু যোৱা সময়ছোৱাত বিভিন্ন আন্দোলন হৈ আছিল আৰু ভাৰতীয় জনতা পাৰ্টী চৰকাৰখন প্ৰথমবাৰলৈ অহাৰ সময়তে ৬মাহৰ ভিতৰত ৬ জনগোষ্ঠীক জনজাতিকৰণ কৰিব বুলি এই অসমলৈ আহি সেই সময়ৰ বি জে পি ৰ নেতা বৰ্তমানৰ প্ৰধান মন্ত্ৰী আৰু অন্যান্য সকলে প্ৰতিশ্ৰুতি দিছিল। পৰৱৰ্তী সময়ত ২০১৬ চনতো কেবিনেট মন্ত্ৰী জিয়ালু ৰাম ডাঙৰীয়াই কোকৰাঝাৰ আৰু অন্যান্য কোচ ৰাজবংশী অধ্যুষিৎ অঞ্চলতো এই প্ৰতিশ্ৰুতি দিছিল যে এইবোৰ ফাইল এমাহৰ ভিতৰত আমি clear কৰিম। সেইগতিকে বোধকৰো নিৰ্বাচনৰ ঠিক প্ৰাকমূহুৰ্তত ২০১৯ চনত The Constitutions Schedule Tribe further Amemdment Bill, 9th January ত সদনত উত্থাপন হৈছিল আৰু সেইখিনি সময়তে আমাৰ বৰ্তমানৰ অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়া, তেখেত একমাত্ৰ বি পি এফ দলৰ ৰাজ্যসভাৰ সাংসদ। তেখেতে এখন চিঠি ৰাজনাথ সিং ডাঙৰীয়াক লিখিছিল য'ত তেখেতে কৈছিল যে যদি জনজাতিকৰণ কৰা হয়, পূৰ্বৰ জনজাতি সকলৰ যিখিনি percentage সেইখিনি যাতে কোনো ক্ষয় কৰা নহয় আৰু তেওঁলোকে যিখিনি MP আসন কোকৰাঝাৰত পাই আছে এনেকুৱা আসনবিলাক যাতে খৰ্ব কৰা নহয়। তাৰ পৰৱৰ্তী সময়ত যিকোনো কাৰণ বশতঃ যিহেতু committee য়ে recommend কৰিছিলে, ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়ক লৈ এখন সমিতি অসম চৰকাৰে গঠন কৰিলে

সেই সময়ৰ বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াকলৈ। এই ৰিপোৰ্ট তেওঁলোকে এমাহৰ ভিতৰত দিয়া কথা আছিল কিন্তু জানুৱাৰী মাহৰ পিছত শেহতীয়াকৈ অক্টোবৰ ২০১৯ চনত দিব বুলি কৈছিল সেইটোও নহ'ল। এতিয়ালৈকে এই সমিতিৰ বিষয়ে একো কথাই নাই।

উপাধ্যক্ষ মহোদয়, কমিটি গঠনৰ প্ৰয়োজন নাছিল যদিও যিখন Select Committee গঠন কৰা হৈছিল সেই সমিতিখনে প্ৰতিবেদন সমূহ লোৱাৰ উপৰিও Field Visit কৰি কৈছিল যে আমি আশ্বস্ত হৈছো যে যিবিলাক কাৰণত জনজাতিকৰণ হ'ব লাগে সেই বৈশিষ্টসমূহ এইসমূহ জনগোষ্ঠীৰ মাজত এতিয়াও আছে। সেইকাৰণে তেওঁলোকে strongly recommend কৰিলে যিটো সেই সমিতিৰ বিভিন্ন পৃষ্ঠাত আছে, উদাহৰণস্বৰূপে- যিখিনি reservation বঢ়াব লাগে সেইখিনি ক'লে Report of the Select Committee ৰ para-27, page 20 ত। তেওঁলোকে কৈ থাকে যে Registrar General of India ই অনুমতি দিয়া নাই। কিন্তু Registrar General of India ৰ অনুমতি ইমান প্ৰয়োজন নাই বুলি para-9, page-66 ত উল্লেখ আছে আৰু ৭ টা জনগোষ্ঠীৰ বিষয়টোলৈ TRI,recommended by Registrar General of India, State Government বুলি para-14, page - 68 ত উল্লেখ আছে। Field investigation ৰ কথা উল্লেখ আছে page - 11, যিটো conclusion part of the report- "our field investigation reveal that most of the elements of the criteria earmarked for scheduling a community are in existence among the community under study". ঠিক তেনেকৈ আমাৰ চুবুৰীয়া ৰাজ্য সমূহতো গৈছিল। তাৰ ভিত্তিতো যিহেতু চাহ জনজাতি সকল কাষৰীয়া ৰাজ্যৰ পৰা আহিছিল, তেখেতসকলে তাত এই সুযোগ পাই আছে। এই কথাটো পেৰা-৭, পেজ-১ Report of the Select Committee ত উল্লেখ আছে। Para-29, page - 25 Report of the Select Committee ত চুতীয়া, গাৰো, টাই আহোম, মটক, মৰাণ, হাজং, চিংফু সকলক দিব লাগে বুলি উল্লেখ আছে। ঠিক তেনেকৈ Para-31, page - 27 Report of the Select Committee ত চাহ বাগানৰ মানুহবিলাকক দিব লাগে বুলি উল্লেখ আছে।

মই উপাধ্যক্ষ মহোদয়, এই কথাখিনি যোৱা সময়ছোৱাত ফুটবলক নিচিনা ইফালৰ পৰা সিফাললৈ কেন্দ্ৰীয় চৰকাৰ , ৰাজ্য চৰকাৰ , Select Committee, Cabinet Sub-Committee তাৰ পিছত মুখ্যমন্ত্ৰী মহোদয়ে ক'লে যে বিষয়টো মন্ত্ৰী সভাৰ বিবেচনাধীন বুলি দিল্লীত এটা মন্তব্য দিয়া দেখিছো। সেই গতিকে এই গোটেই কথাখিনি, যিহেতু চিলেক্ট কমিটিয়ে ইতিমধ্যে ৰিক'মেণ্ড কৰিলে গতিকে প্ৰয়োজন সাপেক্ষে অল পাৰ্টি ডেলিগেশ্যন দিল্লীলৈ নিয়াৰ ব্যৱস্থা কৰি এই কামখিনি সোনকালে সমাধান কৰিব লাগে । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** অনাৰেবল মিনিষ্টাৰ ।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ এই বিষয়টো বিশেষভাবে কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰনালয়ৰ অধীন। চিলেক্ট কমিটিৰ সেইটো এটা বেলেগ অধ্যায় আছিল আৰু তাৰ পিছত এটা বেলেগ অধ্যায় মুকলি হৈছিল । যিটো অধ্যায়ত বিভিন্ন পক্ষৰ আবেদন প্ৰতি আবেদনৰ পৰিপ্ৰেক্ষিতত ২৯ ফেব্ৰুৱাৰী ২০১৬ চনত গৃহ মন্ত্ৰনালয়ে এখন কমিটি গঠন কৰি দিছিল আৰু কোৱা হৈছিল Committee shall in consultation with government of Assam suggest the modalites for the

requiard reservation of shifting existing reservation for this communities form OBC to ST. protecting the interest of existing Tribes a mechanism to ensure fairness of reservation within this six communities and related security considerations দুটা কথা আছিল protecting the interest of existing Tribes দ্বিতীয়টো হ'ল A mechanism to ensure fairness of reservation within this six communities - এতিয়া এই বিষয়টো সেই সময়ত বা এতিয়াও এইটো কেন্দ্ৰীয় চৰকাৰৰ অধীন গতিকে তেওঁলোকে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে কিন্তু সিদ্ধান্ত সেই সময়ত গ্ৰহণ নকৰি এখন কমিটি গঠন কৰিলে যিখন কমিটিয়ে ২৮-১২-২০১৮ চনত কমিটিয়ে এটা ৰিপোর্ট দিলে । গোটেইখিনি মই নপঢ়ো - তাত মূল কথাটো চাজেষ্ট কৰিলে যে-A high level Committee may be constituted, number (1) To determined quantum of reservation for six communities in State , number (2) suggest revised quantum of reservation for OBCs after creation of a new ST category in Assam (c) suggest measures for safeguarding the interest of existing Tribes in the State of Assam - আৰু ইয়াৰ ভিত্তিতে অসম চৰকাৰে ২০১৯ চনত এখন কমিটি গঠন কৰি দিছিল আৰু এই কমিটিখনে সকলোবিলাক দল সংগঠনৰ লগত আলাপ আলোচনা কৰিছিল আৰু আলাপ আলোচনা কৰা পিছত যিটো পৰিস্থিতি আহিল তেতিয়া দেখা গ'ল যে প্ৰথম, যিখিনি অসমৰ পুৰণি জনগোষ্ঠী তেওঁলোকৰ সংগঠন Coordination Committee of existing Tribal community of Assam - তেওঁলোকে সুকীয়া সংৰক্ষণৰ ব্যৱস্থা বিচাৰিলে আকৌ মৰান, মটক আৰু চুতীয়া জনগোষ্ঠীয়ে জনজাতিকৰণ বিচাৰিও অন্যসকলৰ পৰা পৃথক এটা ৰিজাৰ্ভেশ্যন বিচাৰিলে । অসমত আমাৰ চিডিউল ট্ৰাইৱ প্লেনচ এটা আৰু চিডিউল ট্ৰাইৱ হিল্‌ছ এটা আছে কিন্তু মৰান মটক চুতীয়াসকলে অন্য এক কোটা বা অন্য এক কেট্যেগৰি বিচাৰিছে । ইয়াৰ লগত চাহ জনজাতি বুলি আমি যিসকলক কওঁ এই চাহ জনগোষ্ঠী অসমত সৰ্ব্বমুঠ ৯৮ টা আছে । সেই সময়ত মাননীয় উপাধ্যক্ষ মহোদয় , এইটো কোৱা হৈছিল যে যিখিনি জনগোষ্ঠী অসমৰ বাহিৰত ঝাৰ খণ্ড, চট্টিছগড়, মধ্য প্ৰদেশ আদিত জনজাতি হিচাপে স্বীকৃত তেওঁলোককহে অসমত জনজাতি হিচাপে স্বীকৃতি দিব লাগে , সকলোকে দিব নালাগে । এনেদৰে যি ৩৬ টা জনগোষ্ঠীৰ নাম উল্লেখ কৰা হৈছিল কেৱল এই ৩৬ টাকে জনজাতিৰ মৰ্য্যদা দিব লাগে , বাকী বিলাকক নালাগে। এই কথাটোক লৈ আকৌ তেওঁলোকৰ মাজৰ পৰাই এইটোৰ প্ৰতিবাদ কৰা হ'ল । প্ৰতিবাদ কৰি কোৱা হৈছিল যে ১৯৯৮ চনৰ যি লিষ্ট আছে সকলোকে জনজাতি হিচাপে তালিকাভূক্ত কৰিব লাগে । এই কথাখিনি ইতিমধ্যে আমি কেন্দ্ৰীয় চৰকাৰক জনাইছো আৰু আমি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছো যে তেওঁলোকে সিদ্ধান্ত এটা গ্ৰহণ কৰক যে একজিষ্টিং ট্ৰাইবেলখিনিৰো ক্ষতি হ'ব নালাগে আৰু এতিয়া অসমত পৃথক কেটেগৰি কৰিব নে চিংগুল কেটেগৰি ইয়াৰে ভিতৰত ৰাখিব, ইয়াৰ সমাধান সূত্ৰ উলিয়াব কাৰণে আমি অনুৰোধ জনাইছো । কিন্তু কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন বিষয়টোত কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব কিন্তু অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিলে যে অসম ৰাজ্য চৰকাৰে কৰিব পৰা কামখিনি যাতে ব্যাহত নহয় । এই জনগোষ্ঠীৰ উন্নয়ন জাতে ত্বৰান্বিত হয় তাৰ কাৰণে ইতিমধ্যে মৰাণ স্বায়ত্ব শাসিত পৰিষদ, মটক স্বায়ত্ব শাসিত পৰিষদ, চুতীয়া উন্নয়ন পৰিষদ, টাই আহোম উন্নয়ন পৰিষদ, কমতাপুৰ স্বায়ত্ব শাসিত পৰিষদ আৰু কোচ ৰাজবংশী উন্নয়ন পৰিষদ

ইতিমধ্যে গঠন কৰা হৈছে । গতিকে উন্নয়নটো যাতে ব্যাহত নহয় তাৰ ব্যৱস্থা অসম চৰকাৰে কৰিলে আৰু এক বিশেষ পেকেজ উন্নয়নৰ কাৰণে One time special development package 500 কোটি টকাৰ পেকেজ ঘোষণা কৰি ইতিমধ্যে ২৫ কোটি কৈ টকা এই কমিউনিটি কেইটাৰ উন্নয়নৰ কাৰণে অসম চৰকাৰৰ তৰফৰ পৰা মুকলি কৰি দিছে গতিকে ৰাজ্য চৰকাৰৰ অধীনত থকা বিষয়খিনি ৰাজ্য চৰকাৰে কো এক্টিভলী কাম কৰি আছে আৰু কেন্দ্ৰীয় চৰকাৰক প্ৰথমে কোৱা কথা খিনি অৱগত কৰা হৈছে। গতিকে জনজাতিকৰণৰ বিষয়টোত হয়তো কেন্দ্ৰীয় চৰকাৰে সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল যে ৯ জানুৱাৰী ২০১৯ তাৰিখৰ দিনা লোক সভা আৰু ৰাজ্য সভাত ছয়টা জনগোষ্ঠীৰ জন-জাতিকৰণৰ বাবে বিধেয়ক উত্থাপন হ'ল, এইটো আমি সকলোৱে জানো । য'ত লোক সভা আৰু ৰাজ্য সভাত এই ছয় জনগোষ্ঠীৰ জন জাতিকৰণৰ কাৰণে বিধেয়ক উত্থাপন হোৱাৰ পিচত এতিয়া এইবিলাক কথা কৈ আচলতে এই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ বন্ধ কৰাৰ বাবে বুদ্ধি চৰকাৰে কৰা নাই জানো ?

**উপাধ্যক্ষ মহোদয় ঃ** ধন্যবাদ, এতিয়া কাৰ্য্যসূচী নং- ২ সন্মানীয় সদস্য শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ।

শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, বৰক্ষেত্ৰী ঃ মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং ৰ অধীনত "কিছুমান পঞ্জীয়নভূক্ত ক্লাৱ, এন জি ও আৰু ফাৰ্ম আৰু বেচৰকাৰী সংস্থাসমূহে সমাজ আৰু ৰাজ্যৰ হকে কাম কৰিম বুলি চৰকাৰৰ পৰা সা সুবিধা গ্ৰহণ কৰাৰ পিচত নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ কৰে । " এই শীৰ্ষক বিষয়টো বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীৰ মনোযোগ আৰু দৃষ্টি আকৰ্ষণ লগতে চৰকাৰক অৱগত কৰাৰ সুযোগ দিয়াৰ বাবে মই উপাধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো । উপাধ্যক্ষ ডাঙৰীয়া আমাৰ এইখন দেশ য'ত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, পঞ্চায়তীৰাজ ব্যৱস্থা, প্ৰশাসনৰ বিভিন্ন বিভাগৰ জৰিয়তে মানুহৰ কল্যাণৰ কাৰণে আৰু সমাজৰ উন্নয়নৰ কাৰণে সকলো দিশতে প্ৰতিজন ব্যক্তিয়ে কাম কৰি আছে । প্ৰত্যোকটো সংস্থাই কাম কৰি আছে । ঠিক তেনেকুৱা এটা সময়ত চৰকাৰ আৰু প্ৰশাসনৰ লগে লগে, সমাজৰ অৱহেলিত আৰু সমাজৰ বিভিন্ন সমস্যা লৈ বিভিন্ন সময়ত বেচৰকাৰী সংস্থাসমূহে , এন জি অ, ক্লাৱ, ফাৰ্ম আদিয়ে বিভিন্ন ধৰণৰ কাম কৰি আহিছে । গোটেই বিশ্বৰ লগতে ভাৰতবৰ্ষ তথা গোটেই অসমতো বিভিন্ন জিলা, গাঁও, চহৰ আদিত কাম কৰি আহিছে । আৰু আমি ভাবো এখন ভাল সমাজ, এটা ভাল পৰিবেশ আৰু সমাজৰ প্ৰত্যেকজন নিৰীহ মানুহৰ কাষত চৰকাৰৰ লগে লগে প্ৰত্যেকজন মানুহে থিয় হৈ সহায় কৰিব পাৰে, তাৰ কাৰণে সকলোৱে মনোবাঞ্চা থকাটো দৰকাৰ আৰু মই ভাবো তেনেধৰণৰ বিভিন্নজনৰ মনোবাঞ্ছা আছে আৰু বিভিন্নজনে এই কাৰ্য্যত নিয়োজিত হৈ আছে । এখন ভাল গাঁও , এটা ভাল অঞ্চল, এটা ভাল অঙ্গনবাদী কেন্দ্ৰৰ পৰা আৰম্ভ কৰি ইউনিভাৰ্চিটি লৈকে চৰকাৰৰ বিভিন্ন ধৰণৰ কাম কাজৰ পৰা আৰম্ভ কৰি বিভিন্ন সমস্যা সমাধানলৈকে মই ভাবো বেচৰকাৰী সংস্থাসমূহৰ যথেষ্ট দৰকাৰ আৰু তেওঁলোকৰ অংশ গ্ৰহণে আমাৰ সমাজৰ সৌন্দৰ্য্য, মিলাপ্ৰীতি, একতা আৰু বিভিন্ন অভাবসমূহ দূৰ কৰে । গতিকে , এই ক্ষেত্ৰত ব্যক্তিগতভাবে বা আমাৰ সন্মানীয় সদনেও এইটো স্বীকাৰ কৰিব। সমাজ এখন আগবাঢ়ি যাবলৈ হ'লে বেচৰকাৰী সংস্থাসমূহৰ দৰকাৰ । চৰকাৰী পক্ষৰ পৰা বা চৰকাৰৰ বিভিন্ন বিভাগৰ ফালৰ পৰা তেওঁলোকৰ লগত থিয় হৈ কান্ধত- কান্ধ মিলাই, হাতত হাত মিলাই তেওঁলোকক সমাজৰ হকে কাম কৰিবলৈ শক্তি দিব লাগে । সেই কথাবিলাক চিন্তা কৰিয়ে অসম চৰকাৰৰ সমবায় বিভাগে চোচাইটি পঞ্জীয়ন আইনৰ অধীনত অসমত স্বেচ্ছাস্বায়ী সন্থা, চোচাইটি, পঞ্জীয়নকৃত

পাম, ক্লাব, এন জি ও বা বিভিন্ন নামাকৰণে যি সকলে কৰে বে-চৰকাৰী সন্থা নিজৰ স্বাৰ্থৰ কাৰণে নহয়, সমাজৰ কাৰণে, মানুহৰ কাৰণে কাম কৰিব লগা সন্থা সমূহক পঞ্জীয়ন কৰা হয়। যেতিয়া পঞ্জীয়ন কৰা হয়, যেতিয়া বিভাগৰ ফালৰ পৰা তেওঁলোকক পঞ্জীয়ন নম্বৰ দিয়া হয়, সেই সময়ত প্ৰত্যেকটো এনেকুৱা সন্থাই তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য কি এই কথা সমূহ ৰাইজক অৱগত কৰে বা সেই কথাখিনি বিভাগক অৱগত কৰি লিখিত ভাৱে তেওঁলোকে দিয়ে। প্ৰত্যেকটো সন্থা বা এন জি অ' বা পামৰ উদ্দেশ্য এটাই থাকে, সমাজৰ কাৰণে, মানুহৰ কাৰণে, অবহেলিত শ্ৰেণীৰ কাৰণে কাম কৰিব যাতে তেওঁলোকৰ কৰ্মৰ জৰিয়তে সকলোৱে সহায় পায়। গতিকে তেনেকুৱা ভাৱেৰে সকলোৰ লক্ষ্য আৰু উদ্দেশ্য লৈ জন্ম লয়, মই আশা কৰো, আহ্বান জনাও, সকলোৰে লক্ষ্য-উদ্দেশ্য সফল হওঁক। তেনেকুৱা লক্ষ্য-উদ্দেশ্য সফল হোৱাত অসম চৰকাৰে হওঁক বা কেন্দ্ৰীয় চৰকাৰে হওঁক বা অসম চৰকাৰৰ বিভিন্ন বিভাগে নাইবা আমাৰ সাংসদ, বিধায়ক, মন্ত্ৰী সকলে গাওঁ পঞ্চায়তৰ বিভিন্ন ফাণ্ডৰ জৰিয়তে, সাংসদ, বিধায়কৰ পুঁজিৰ জৰিয়তে, বিভিন্ন বিভাগৰ বিভিন্ন পুঁজিৰ জৰিয়তে, এই সন্থা সমূহক উপকৃত কৰা হয় আৰু এই সন্থা সমূহক কাম কৰাৰ বাবে সুযোগ দিয়া হয়।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, চমু কৰক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ** ঃ- এনেকুৱা সুযোগ গ্ৰহণ কৰি ইতিমধ্যে অসমৰ বিভিন্ন জনে বিভিন্ন ভাল কাম কৰিছে আৰু আহি থকা দিনত কৰিব। কিন্তু, উপাধ্যক্ষ ডাঙৰীয়া, যেতিয়া এনেকুৱা সন্থা সমূহক বিভিন্ন পুঁজি দিয়া হয়, বিভিন্ন বিভাগৰ পৰা তেওঁলোকক সহায় কৰা হয়, তেওঁলোকৰ সন্থাৰ কাৰণে চৰকাৰী মাটি পৰ্য্যন্ত দিয়া হয়, তাৰ পিছত সেই সন্থা সমূহে ভাল ধৰণে কাম কৰিছেনে নাই, তেওঁলোকে কথা এটা কৈছে, কাম এটা বেলেগ কৰি আছে, এই কথা বিলাক চোৱা-চিতাৰ কাৰণে বিত্ত বিভাগৰ লগতে অসম চৰকাৰৰ বিভিন্ন বিভাগে আৰু সমবায় বিভাগে যি ধৰণে সচেতন হ'ব লাগে, যি ধৰণে নিৰীক্ষণ কৰিব লাগে, মই ভাৱো সেই নিৰীক্ষণৰ ক'ৰবাত নহয় ক'ৰবাত কিছু অভাৱ ঘটিছে। যাৰ কাৰণে একাংশ এনেকুৱা এন জি অ', ক্লাব, পামে বিভিন্ন ধৰণে তেওঁলোকে সুবিধা গ্ৰহণ কৰিছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, চমু কৰক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ- তেওঁলোকে দেখাব ৰাইজৰ, তেওঁলোকে দেখাব সমাজৰ, তেওঁলোকে কব ব্যক্তিগত নহয়, কিন্তু এইটোত সমাজ ৰাইজৰ হৈ নাথাকে, ব্যক্তিগত হৈ যায়। আপুনি চমুৱাব কৈছে, শেষত মই মাত্ৰ এটা উদাহৰণ আপোনাৰ জৰিয়তে দিব বিচাৰিম। যোৱা ইংৰাজী ২১-১২-২০২১ তাৰিখে এই পবিত্ৰ বিধান সভাত তৰা বিহীন প্ৰশ্ন নং ৮৪ বিত্ত বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে এটা উত্তৰ দিছিল, যিটো বিষয়ত উত্তৰ দিছিল, এই বিষয়ে সেই পামৰ কথা আমি অসমৰ সকলো মানুহে জানো আৰু বিভিন্ন সময়ত সেই পামটোলৈ আলোচিত হয়। সেই পামৰ বিষয়ে আমি জানিবলৈ বিচাৰিছিলো আৰু প্ৰশ্নটো মইয়ে আনিছিলোঁ কন্যাকা বহুমূখী পামৰ, যিটোৰ প্ৰসংশা বিভিন্ন ঠাইত বিভিন্ন সময়ত চলি থাকে আৰু যিটোক বহুতে বিভিন্ন সময়ত উদাহৰণ হিচাপে ল'ব খোজে। সেই পামটো কি, তাত কি ধৰণে কাম কৰি আছে, চৰকাৰে তাত কিনো সহায় কৰিছে আৰু তাৰ পিছত তেওঁলোকে কি ধৰণে পদক্ষেপ গ্ৰহণ কৰিছে, তাৰ পৰা সমাজৰ, ৰাইজৰ কি লাভান্বিত হৈছে, এই বিষয়ে গোটেই কথাবিলাক জানিব বিচাৰিছিল।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ**- সেই জানিব বিচৰা উত্তৰখিনিত কি পাইছিলোঁ আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়ানীক মই অৱগত কৰিব বিচাৰিছো, সদনক অৱগত কৰিব বিচাৰিছোঁ।

**माननीय উপাধ্যক্ষ ঃ** আপোনাৰ যদি বেছিকৈ আছে submit কৰি দিয়ক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ**- মাত্ৰ ২ মিনিট লম। কন্যাকা বহুমূখী পাম, তাৰ কোন সন্থা, কোনে পৰিচালনা কৰে তাক জানিব বিচাৰিছিলোঁ, তাত ৭ জন ব্যক্তিৰ নাম, যিহেতু নাম আপুনি কব নিদিয়ে, তথাপি সভাপতি পদ্ম হাজৰিকা ডাঙৰীয়াৰ পৰা আৰম্ভ কৰি ৭ জন ব্যক্তিৰে গঠিত হোৱা এই কন্যাকা বহুমূখী পাম। ৭ ব্যক্তিৰে গঠন হোৱা বহুমূখী পামক অসম চৰকাৰে নদোৱা ৰাজহ চক্ৰৰ হিৰাবন্দা মৌজাৰ অন্তৰ্গত ১১৭৬ বিঘা, ১ কঠা, ৪ লেচা মাটি কন্যাকা বহুমূখী পামক জামুগুৰী ঘাটত দিয়া হৈছে। আকৌ মই কৈছো, ৭ ব্যক্তিৰে গঠন হোৱা কন্যকা বহুমূখী পামক অসম চৰকাৰে ১১৭৬ বিঘা, ১ কঠা, ৪ লেচা মাটি আৱন্টন দিছে। কেৱল মাটিয়ে নহয়, এই পামক সাংসদ পুঁজি ২০১৯-২০ বৰ্ষত পৰা ২০ লাখ টকা আৱন্টন দিয়া হৈছে। বিধায়ক পুঁজি ২০১৮-১৯ বৰ্ষত ২ লাখ ৫০ হাজাৰ টকা আৱন্টন দিয়া হৈছে আৰু Assam Milk, Meat and Egg Mission তাৰ পৰা প্ৰায় এক কোটি টকা তাত আৱন্টন দিয়া হৈছে। গতিকে মাটি, বিধায়ক পুঁজি, সাংসদ পুঁজি, Assam Milk, Meat and Egg Mission ইত্যাদিৰ পৰা বিভিন্ন সুবিধা গ্ৰহণ কৰি এই পাম সমূহে কি কৰি আছে মই জানিব বিচৰিছিলোঁ বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা যে, ইয়াৰ লাভাংশ কিহৰ ওপৰত খৰচ কৰা হয়? মই কৈছিলো এই সন্থাৰ লাভাংশ কেইটা ভাগত আৰু কাৰ কাৰ নামত বিতৰণ কৰা হয়?

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, চমু কৰক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ**- মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে তেতিয়া উত্তৰ দিছিল সন্থাৰ সম্পূৰ্ণ লাভাংশ সন্থাৰ বাবে খৰচ কৰা হয়। অৰ্থাৎ এই ৭ জন মানুহৰ কাৰণে খৰচ কৰা হয়। বিশেষ ব্যাক্তিক লাভাংশ দিয়াৰ কোনো ব্যৱস্থা নাই। মাত্ৰ এইটো এটা উদাহৰণহে। মোৰ প্ৰশ্ন হ'ল কন্যাকা বহুমূখী পাম ইমান সুবিধা গ্ৰহণ কৰি কাকো কোনো লাভাংশ দিয়া নহয়, মাত্ৰ এনেকুৱা উদাহৰণে এনেকুৱা অসমত আৰু বহুত সন্থা, ক্লাৱ আছে, সৰলতাৰ সুযোগ লৈ বিভিন্ন সুবিধা গ্ৰহণ কৰে, কিন্তু ৰাইজৰ কাৰণে কোনো কাম তেওঁলোকে নকৰে, যেতিয়া পাম, এন জি অ', ক্লাব registration কৰিব লাগে তেওঁলোকে চৰকাৰক চৰ্ত দিব লাগে, তেওঁলোকে সমাজৰ কাৰণে, ৰাইজৰ কাৰণে কাম কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, চমু কৰক।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ**- এই ক্ষেত্ৰত আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ ডাঙৰীয়ানীক, অসম চৰকাৰক আহ্বান জনাইছো, চৰকাৰৰ পৰা এনেকুৱা সুবিধা গ্ৰহণ কৰাৰ পিছত সেই সুবিধা যদি ৰাইজ উপকৃত নহয়, তেতিয়াহলে তেনেকুৱা সুবিধা দিব নালাগে, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী।

**শ্ৰীঅজন্তা নেওগ, (মন্ত্ৰী) ঃ**- উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মৱলী ৫৪ নং নিয়ম অনুসৰী মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কিছুমান পঞ্জীয়ন ভূক্ত এন জি অ', পাম, ক্লাৱ আৰু বে-চৰকাৰী সন্থা সমূহে সমাজ আৰু ৰাইজৰ হকে কাম কৰিম বুলি চৰকাৰৰ পৰা সা-সুবিধা গ্ৰহণ কৰাৰ পিছত নিজৰ ব্যাক্তিগত স্বাৰ্থহে পূৰণ কৰে বুলি মনোযোগ আকৰ্ষণৰ জাননী প্ৰেৰণ কৰিছে। এই সম্পৰ্কত মই অৱগত কৰো যে বিত্ত বিভাগৰ অধীনত থকা ৰাজ্যিক প্ৰতিষ্ঠান আৰু সমিতি সমূহৰ পঞ্জীয়কৰ কাৰ্য্যালয়ৰ দ্বাৰা প্ৰতিষ্ঠান, ফাৰ্ম

আৰু সমিতি সমূহৰ চোচাইটি অনুজ্ঞাপত্র প্রদান আৰু নৱীকৰণ কৰা হয়। অনুজ্ঞাপ্রত্র প্রেৰণ আৰু নৱীকৰণৰ কৰা সময়ত প্রতিষ্ঠান আৰু সমিতি সমূহৰ কাৰ্য্যাকালপৰ বিষয়ে সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা ক্ষেত্র ভিত্তিক অনুসন্ধান কৰি প্রদান কৰা কাৰ্য্য সমূহ প্রতিবেদন পৰীক্ষা কৰা হয়। প্রতিষ্ঠান আৰু সমিতি সমূহৰ দ্বাৰা চৰকাৰৰ পৰা পোৱা ভূমি নাইবা অনুদানত ব্যৱহাৰত সম্পৰ্কে ৰাজ্যিক প্রতিষ্ঠান আৰু সমৱায় সমিতি সমূহৰ পঞ্জীয়কৰ দ্বাৰা পৰ্য্যাবেক্ষণ কৰা নহয়। উপাধ্যক্ষ মহোদয়, এই সমূহৰ পুঁজি ব্যৱহাৰৰ ক্ষেত্ৰত জিলা উপায়ুক্ত নাইবা চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ ক্ষেত্র বিষয়া সকলে ইয়াৰ ওপৰত বিহীত ব্যৱস্থা গ্রহণ কৰে। এই ক্ষেত্ৰত মাননীয় বিধায়ক ডাঙৰীয়াই যিখিনি কথা কৈছে তেখেতে প্ৰথমে কৈছে যে বিভিন্ন বে-চৰকাৰী যি বিলাক সন্থা আছে সেই সন্থা বিলাকে অসমত ভাল কাম কৰি আছে আৰু একাংশই এই ক্ষেত্ৰত তেওঁলোকৰ দায়বদ্ধতাৰ পৰা আঁতৰি আহিছে। এই কথা বিধায়ক ডাঙৰীয়াই কৈছে। আমি সকলোৱে জানো যে, আমাৰ সমষ্টি বিলাকত বহুটো এনেকুৱা ধৰণৰ কাম কৰা NGO আছে। যি সকলে ভাল কাম কৰি আহিছে। বিশেষভাবে সমাজ কল্যাণ বিভাগত আমাৰ যিবিলাক গৃহ আছে সেই আটাইবোৰ নিৰ্মাণ বে-চৰকাৰী সংস্থা বিলাকে কৰি আছে। গতিকে সদনৰ পৰা এইটো মেচেছ যাব নালাগে, যি সকল সংস্থাই ভাল কাম কৰি আহিছে তেওঁলোকে নিজৰ পুঁজিৰে তেওঁলোকৰ কোনো ধৰণৰ লাভৰ অংশ নোলোৱাকৈ ভালকৈ কাম কৰি আহিছে। সেই সকলৰ মনোবল আমি হ্রাস কৰিব নালাগে। তেওঁলোকে কেন্দ্রীয় চৰকাৰৰ পুঁজি লাভ কৰে, ৰাজ্য চৰকাৰৰ পুঁজি লাভ কৰে। এই ক্ষেত্ৰত আমি বিভাগ সমূহ সঁজাগ হোৱাটো যথেষ্টখিনি প্রয়োজন আছে। যোৱা সময়ছোৱাত বিশেষকৈ সমাজ কল্যাণ বিভাগত যিমান NGO বিলাকে পুঁজি লাভ কৰিছিল, যোৱাবছৰ সেই সকলৰ এটা মই চাৰ্ভে কৰাইছিলো। সেই চাৰ্ভে কৰিহে আমি পুঁজি মোকলাই দিছিলো। মই সদনত দৃঢ় ভাবে ক'ব বিচাৰিছো যে, যি বিলাক সংস্থা আছে সেই বিলাকে যাতে চৰকাৰে দিয়া পুঁজি অপব্যহাৰ কৰিব নোৱাৰে তাৰ বাবে আমি কঠোৰ দৃষ্টিভংগী গ্রহণ কৰিম। দ্বিতীয়তে, মাননীয় বিধায়কে কণ্যাকা বহুমুখী কৃষি ফাৰ্মৰ কথা কৈছে, আমি সকলোৱে জানো। যেতিয়া মাননীয় দক্ষ বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত যিটো কণ্যাকা বহুমুখী কৃষি প্রকল্প গঢ়ি উঠিছে এইটো আমাৰ ৰাজ্যখনৰ বাবে এটা মডেল প্রকল্প। যোৱা বাজেটত আমাৰ অসমৰ ১২৬ টা বিধান সভা সমষ্টিত অসমৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই কণ্যাকা বহুমুখী কৃষি ফাৰ্মৰ নিচিনাকৈ একোটাকৈ সৰু সৰু প্রকল্প ল'বলৈ আমি সিদ্ধান্ত গ্রহণ কৰিছে। মাননীয় বিধায়ক ডাঙৰীয়াক মই অনুৰোধ জনাম যেতিয়া ভাল কাম কৰে তেতিয়া ভাল বুলি ক'ব লাগে ইয়াত ৰাজনৈতিক দৃষ্টিভংগীৰে চাব নালাগে। এইটো হৈছে স্ব-নির্ভৰশীলতাৰ এটা উদাহৰণ। পদ্ম হাজৰিকা ডাঙৰীয়াক আমি বিধান সভাৰ এজন আদৰ্শ বিধায়ক বুলি কওঁ। তেখেতে যেনে ধৰণে এই কণ্যাকা বহুমুখী কৃষি ফাৰ্মৰ জৰিয়তে আমাৰ যি সকল নিবনুৱা যুৱক-যুৱতী আছে, তেওঁলোকক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে, তেওঁলোকক স্ব-নির্ভৰশীল কৰিবলৈ চেষ্টা কৰিছে। আমি মনোবল হে জনাব লাগে। যি সকলে ভাল কাম কৰিছে তেওঁলোকক ভাল কাম কৰা বুলি ক'ব লাগিব। আপুনি ৭ জনৰ কথা কৈছিল কিন্তু সমবায় সমিতিত যিমান কেইজন সদস্য আছে সমবায় আইনৰ জৰিয়তে কামখিনি কৰা হৈছে। কালি মই গৰুখুঁটি অঞ্চললৈ গৈছিলো, তাত অমৃত সৰোবৰৰ কথা কৈছে, তাত ১০ টা অমৃত সৰোবৰ মই আৰম্ভণি কৰি থৈ আহিছো। এই বিলাক হৈছে ৰাজ্যখনৰ বাবে শুভ লক্ষণ। মাননীয় বিধায়ক ডাঙৰীয়াই এইটো এটা ভাল উদ্দেশ্য উত্থাপন কৰিছে, যথেষ্টখিনি গুৰুত্ব সহকাৰে মই লৈছো। আমি গোটেই বিত্ত বিভাগৰ বিষয়া সকলক মাতি আনিছিলো, মাতি আনি আমি এটা নিৰ্দেশ দিবলৈ সিদ্ধান্ত গ্রহণ কৰিছো যিবিলাক সংস্থায়ে ভাৰত

চৰকাৰৰ পৰা পুঁজি গ্ৰহণ কৰে বা ৰাজ্য চৰকাৰৰ পৰা পুঁজি গ্ৰহণ কৰে আমি বছৰেকত নৱীকৰণ কৰি দিওঁ। সেই পুঁজি বিলাক ভালদৰে ব্যৱহাৰ কৰিব পাৰিছে নে নাই, সেই প্ৰতিবেদনখন যাতে আমাৰ বিত্ত বিভাগক সঠিক ভাবে দিয়া হয়। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে এটা সুযোগ দিছে আপুনিও এটা সমাবায় খুলি ৰাইজৰ কাম কৰক। ইয়াৰ ওপৰত কোনো ধৰণৰ প্ৰশ্ন নহয়। কাৰ্য্যসূচী নং ৩। Under Rule 301. ৰ সদস্য সকলক মই অনুৰোধ জনাইছো। আপোনালোকে বক্তব্য ৫ মিনিট দিব আৰু মন্ত্ৰী সকলকো মই অনুৰোধ জনাইছো উত্তৰো ৫ মিনিটিত দিব। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰুকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ :-** মাননীয় উপাধ্যক্ষ মহোদয়, বরাক ভ্যালি তথা শিলচরের বিভীষিকাময় বন্যার পরিস্থিতির কথা উত্থাপন করার সুযোগ দেওয়ার জন্য ধন্যবাদ জানাই। যদিও আমি বরাকের থার্ড গ্রেড বা ফোর্থ গ্রেড চাকুরির যে বঞ্চনা, সেটা নিয়ে বলেছিলম কিন্তু সেটা নিয়ে যে কথা দেওয়া হল তারজন্য যাই হোক ধন্যবাদ জ্ঞাপন করছি। উপাধক্ষ্য মহোদয়, কভি কভি সচ ও নহী হোতা, জো দিখাই যাতা হ্যা। সচ ও হোতা হ্যা জো ছিপাই জাতা হ্যা।

উপাধ্যক্ষ মহোদয়, মনানীয় মন্ত্রী এখানে আছেন, ট্রেজারি ব্রাঞ্চে আছেন। আমরা প্রশ্ন করব এবং মাননীয় মন্ত্রী উত্তর দেবেন। কিন্তু এখানে পরিবেশ একটু অন্যরকম দেখছি। যখন প্রশ্ন করা যায় সেই প্রশ্নের উত্তর দিতে শাসক দল কিছুটা অনীহা প্রকাশ করছেন। উপাধ্যক্ষ মহোদয়, শিলচর তথা বরাক ভ্যালিতে যে বন্যা হয়েছিল সেই ব্যপারে আমি মনে করি শুধু অসম নয় সমস্ত ভারতবর্ষের মধ্যে দৃষ্টান্ত স্থাপন হয়েছে। এই বন্যায় মানুষ যে যন্ত্রণার সম্মুখীন হয়েছে, আমার জীবনে আমি এরকম যন্ত্রণা দেখতে পাইনি। মানুষের জল নেই, খাওয়ার বস্তু নেই, ঘর থেকে বেড়োতে পারছেনা। সেটা খুব বিভীষিকাময় পরিস্থিতি ছিল। উপাধ্যক্ষ মহোদয়, আমি দু-চারটা পয়েন্ট বলছি। বন্যা এবছর মে মাসের মাঝামাঝিতে আমাদের বরাকে হয়েছিল। বিশেষ করে বাগডোগরা, বেরেঙ্গা, বাগডিবি অঞ্চলের বাঁধ ভেঙ্গে শিলচরে জল প্রবেশ করে। সেই জলে আমাদের শিলচরের মানুষ বেশি ক্ষতিগ্রস্ত হননি। ২০১৬ তে বেথুকান্দিতে একটা সুইস গেট নির্মান করা হয়েছিল। অর্থাৎ সেংশন হয়েছিল এবং কাজও শুরু হয়েছিল। কিন্তু আজ অবধি সেই গেটের **৭০** শতাংশ কাজ সমাপ্ত হয়েছে, **৩০** শতাংশ কাজ এখনও সমাপ্ত হয়নি। যখনই কনট্রাক্টরকে ও বিভাগকে গিয়ে বলা হয় তখনই বিভাগ বলছে **৩০** শতাংশের জন্য ঠিকাদার টাকা পাচ্ছে না তার জন্য কাজ করা সম্ভব হচ্ছে না। কিন্তু **২০১৬** থেকে তো আপনাদের সরকার ছিল, তা সত্বেও কেন কাজটা করা সম্ভব হল না? সভাপতি মহোদয়, আমি ব্যক্তিগত ভাবে সেই স্পটে গিয়েছিলাম, গিয়ে দেখি সেখানের খুব খারাপ অবস্থা। বাঁধ ভাঙ্গার পর এমনিতেই সেই জল ভিতরে চলে আসে। **২৩** তারিখে সেই অঞ্চলের স্থানীয় মানুষ মিলে সেই জায়গাটি ক্লিয়ার করে দিল যাতে মহিষাবিলের জল বেরিয়ে যেতে পারে। মহিষাবিলের জল বের হওয়ার পর দ্বিতীয় বার যখন বন্যা হল **১৯** জুন , **২৩** তারিখ থেকে **১৯** জুন পর্যন্ত প্রায় **২৫** দিন সময়। সেই অঞ্চলের স্থানীয় বিধায়ক, সেই অঞ্চলের ডিসি সবাই সেই স্পটে গেলেন এবং বললেন এখানে দু-তিন লাখ টাকার কাজ। আমরা জল বেরোনোর পর কাজ করে দেব। মন্ত্রী মহোদয় এখন আমাকে প্রশ্ন করবেন আমি জানি। রেনফল বেশি হয়েছে, নেচারেল কেলামিটিস সেটা আমি প্রশ্ন করছিনা। কিন্তু আমি একটি কথাই বলতে চাই আপনাদের কাছে কি এই দু-তিন লাখ টাকার অভাব ছিল? এই দু-তিন লক্ষ টাকার কাজ না করায় শিলচর থেকে আমাদের পুরো বরাক ভ্যালিতে এরকম বিভীষিকাময় পরিবেশ সৃষ্টি হয়েছিল। যদি সেই সময় আপনারা এই কাজটুকু করে দিতেন তাহলে হয়তো আমদের বরাক উপত্যকার

জনগণের এই পরিস্থিতি হত না। আমি একটি তথ্য তুলে ধরছি । আমরা সনাতন ধর্মাবলম্বী। সনাতন ধর্মাবলম্বীদের সবচেয়ে বড় কাজ যদি আমদের মা-বাবার মৃত্যু হয় তাহলে আমরা দাহ করি। সেই বন্যার সময় কাছাড়ে এমন একটি পরিবেশ হল, নিহার দাস নামক এক ব্যক্তি এক বছর আগে উনি কেন্সার রোগে আক্রান্ত হয়েছিলেন। সেই বন্যার সময় উনি অসুস্থতায় মারা গিয়েছিলেন। কিন্তু উনার মৃত্যুর পর দাহ করার কোন জায়গা ছিল না। ঘর থেকে বেরোতে পারছেন না কিভাবে দাহ করবেন। তাই ওনার পরিবার বাঁশের একটা ভেলা বানিয়ে মৃতদেহ উঠিয়ে দিয়ে ভাসিয়ে দিলেন। সেই মৃতদেহ জলের মধ্যেই চলে গেল। এই অবস্থার মধ্যে আমরা ছিলাম সভাপতি মহোদয়। মন্ত্রী মহোদয় উত্তর দেবেন। কিন্তু সেই উত্তরের সঙ্গে আমাদের আবেগ, যন্ত্রণা জড়িত আছে । সেই যন্ত্রনার কথা চিন্তা করে আপনারা উত্তর দেবেন। মন্ত্রী মহোদয় আমাদের অবিভাবক মন্ত্রী। উনি করিমগঞ্জে গিয়েছিলেন, কুশিয়ারা নদীর ফ্লাড প্রোটেকশন দেখেছেন। শিলচরে যেভাবে বন্যা হয়েছে, করিমগঞ্জ শহরেও সেই ভাবে বন্যা হবে। লাফাশাইলে ওভার টেকিং হয়ে কুশিয়ারার জল মালাকার পাড়া ও লংঘাই নদীর জল আমাদের সমষ্টিতে অর্থাৎ করিমগঞ্জে ঢোকে পড়ে। এইবার বিশেষ করে শিলচর শহরে বা কাছাড়ের গ্রামাঞ্চলে যে ভাবে বন্যা হল সেই বন্যা কিন্তু একটা বিভীষিকাময় পরিবেশ ছিল। আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করব আপনি বরাক ভ্যালির জন্য একটা বিশেষ প্যাকেজের ব্যবস্থা ঘোষণা করুন এবং যে ৩০ শতাংশ কাজ বাকি থাকার জন্য বরাক ভ্যালি এই পরিস্থিতির সম্মুখীন হয়েছে তার জন্য মন্ত্রী মহোদয়ের কাছে সদোত্তর আশা করছি আর ভবিষ্যতে এইরকম পরিবেশ যাতে না হয় তার আশা রাখছি।

**মাননীয় সভাপতি ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** সভাপতি ডাঙৰীয়া মই জ্ঞাত নহয়, মই জনাওঁ শ্লুইছ গেট তাত জলসম্পদ বিভাগে বনোৱা নাই। (মন্ত্ৰীয়ে কমলাক্ষক উদ্দেশ্য কৰি) আপুনি জলসম্পদ বিভাগৰ কথা কোৱাত মই আচৰিত হৈছো। আপুনি বিষয় বিলাক divert কিয় কৰে ? আপুনি বেলেগ বিভাগৰ বিষয়ত বেলেগ বিভাগক জড়িত কৰে। অলপ আগতে মই বৰাকভেলীৰ কথা কওঁতে কৈ দিলে বৰাকভেলী কোৱাই নাই। বৰাকভেলীত এইটো আপোনাৰ সমৰ্থকেই ওলাব চাগে, তেওঁলোকে এইটো কৰিছে।

(সদনত হুলস্থুল)

You always try to mislead the House. This one is another example. আপুনি সদায়ে মিছা কথা ক'বখোজে, আপুনি divert কৰিব খোজে আৰু তাৰে আজি দুটা প্ৰমাণ দিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** আপুনি অসত্য বুলি ক 'ব পাৰে, কিন্তু মিছা বুলি ক'ব নালাগে। এইটো unparliamentary word.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** ঠিক আছে , উঠাই ললো। তেখেতে অসত্য কথা কয়, মিছা নকয় অসত্য কথা কয়। আজি দুটা অসত্য কথা কলে, এইটো তেখেতৰ character হৈ গৈছে, স্বভাৱ হৈছে যে বিধান সভাত সচাঁয়ে মিছায়ে ক'ব লাগে, পাৰিলে টি ভি বা News Paper ৰ Headline আনি নাটক কৰে। এইবিলাক ভাল কথা নহয়। যিটো সচাঁ সেইটো ক'ব লাগে।. মোক যদিও PWD বিভাগৰ শ্লুইছগেটৰ কথা সোধে। সেইটো মই কেনেকৈ জানিম ? মোক যদি জলসিঞ্চন বিভাগৰ শ্লুইচগেটৰ কথা সোধে, মই কেনেকৈ উত্তৰ দিম ? এইটো টেকনিকেলি কিবা ইছু হৈ থাকিলে, সেইটো শ্ৰী অশোক সিংহল ডাঙৰীয়াই ক'ব পাৰিব টেকনিকেলি কি ইছু হৈ

আছে । আপুনি যদি ঘপকৈ জলসম্পদ বিভাগৰ এখন নটিছ পঠিয়াই দি যদি কয়, শ্লুইচগেটৰ কাম হোৱা নাই। তেনে ক্ষেত্ৰত বিভাগে কি উত্তৰ দিব যিহেতু বিষয়টো তেওঁলোকৰ লগত জড়িত নহয়। প্ৰথমতে সকলোৱে এইটো শুনিলে আৰু ময়ো ভয় খাই গলো, কাৰণ মোকটো কোনোৱে ৰিৰ্পট কৰা নাই। মই কালিও এইটো ডিচকাচ কৰিছো। গতিকে সভাপতি ডাঙৰীয়া মই আপোনাক আৰু বিৰোধী দলৰ দলপতি ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে তেওঁ সদনত অসত্য কথা কৈ mislead কথা যাতে নকয়। মই আজি দুটা প্ৰমাণ দিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** আপোনালোক দায়বদ্ধ নহয় নেকি ?

(সদনত হুলস্থুল)

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় সভাপতি মহোদয়, বৰাকত বানপানী হোৱাৰ সময়ত ময়ো তালৈ গৈছিলো তাত দেখিবলৈ পালো যে DRDA, Irrigation ৰ দৰে কোনো বিভাগে কেতিয়াবা এনেকুৱা শ্লুইচগেট বনাইছে, সেই বিলাকৰ কোনো তত্বাবধান কৰা হোৱা নাই। যাৰ কাৰণে তাৰ পৰা পানীখিনি ওলাই যাব পৰা নাই। সাধাৰণতে জলসিঞ্চন বিভাগে শ্লুইচ গেট বনাই কাৰণে সেইটো ধৰা হ'ল। কিন্তু সেই কাৰণে এই বিভাগটোক সোধা হ'ল। আমি উপায়ুক্তকো এই বিষয়ে জনাইছিলো যদিও তেওঁ কোনো বিশেষ পদক্ষেপ এই ক্ষেত্ৰত নললে। যিহেতুকে management এইবিলাক উল্লেখ থাকে যে ক'ত কি শ্লুইচগেট আছে বা কোনে maintain কৰিছে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** আজি উত্তৰ দিওঁতে জনাইছিলো যে এইবাৰ আমাৰ বিভাগে BRO এ বনোৱা চুইচগেট সমূহ আমি আমাৰ আওতাৰত ল'ম। ল'ম বুলি কৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** প্ৰশ্ন সোধাটো অপৰাধ নেকি ?

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** অপৰাধটো, আপুনি বেলেগ বিভাগৰ কথা বেলেগ বিভাগক কয়। এইটো পুৰা অপৰাধ। অসত্য কথা কোৱাটো অপৰাধ

(সদনত হুলস্থুল)

অসত্য কথা ক'ব নাপায়। সভাপতি ডাঙৰীয়া এইবাৰ ডিমা হাচাওত অত্যাধিক ভাৱে বৰষুণ হ'ল। য'ত ১৭০০ ৰ পৰা ২০০০ mm বৰষুণ হয় এটা বছৰত। তাত এইবাৰ একেদিনায়ে বৰষুণ হ'ল ১৪-৫-২০২২ তাৰিখে একেদিনাই হৈ গ'ল ৪০৫১ mm তাৰ কাৰণে নগাওঁ , হোজাই, বৰাক আদিত অসম্ভৱ ভাবে বৰষুণ হ'ল। প্ৰথম বৰষুণৰ ফলত শিলচৰ চহৰৰ কোনো ক্ষতি নহ'ল। পাছত শিলচৰ চহৰত যি দুৰ্দশা হ'ল, তাৰ বাবে আমি অত্যন্ত দুখ পাইছো। মুখ্যমন্ত্ৰী ডাঙৰীয়া নিজে তিনিবাৰ তালৈ গৈছে, আৰু একককাল পৰ্যন্ত পানীত নামি তেখেতে মানুহৰ খবৰ কৰিছিল। কিন্তু যেতিয়া বানপানী man made হয় তেতিয়া আমাৰ কৰিবলগীয়া কি থাকে ।

(সদনত হুলস্থুল)

বেতুকাণ্ডিৰ বানপানীটো শ্লুইচগেটৰ বাবে পানী বাবে হোৱা নাছিল। বেতুকাণ্ডি গাতটোৱে পানী সোমাই শিলচৰত প্ৰলয় হ'ল। and it was man made. It was unnatureal মানুহে কাটি দিলে আৰু আমি দুটা বানপানীৰ মাজত মাত্ৰ চাৰিদিন প্ৰলয় পাইছিলো। তাৰোপৰি তালৈ বিভাগৰ মানুহ যাবলৈও দিয়া নাছিল। আমাৰ জলসম্পদ বিভাগৰ মানুহ বিলাক কিবা বিশ্বকৰ্মা নেকি ? আপোনালোকে তাত এনেকুৱা মানুহ ৰাখিছে যে বান্ধটো কাটি দিছে। কাটি দিলেটো বানপানী হ'বই। কাটি দিয়া মানুহখিনিৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা ল'ব লাগে বুলি কওঁক আপুনি। ইয়াত মই কোনো ধৰণৰ বৈষম্যমুলক কাম কৰা নাই যে খেনোক দেখি ৰান্ধে আৰু খেনোক দেখি

বান্ধে এনেকুৰা কৰা নাই। কাটি দিয়া ৫ জন মানুহক ইতিমধ্যে আমি আটক কৰিছো।

(সদনত হুলস্থুল)

সভাপতি ডাঙৰীয়া, বেতুৰকান্দিৰ পৰা এশ মিটাৰ দূৰত দুটা ইৰ'জন হৈছিলে। জলসম্পদ বিভাগৰ কৰ্মচাৰীয়ে দিনে-ৰাতিয়ে কাম কৰি সেই গৰাখহনীয়া হোৱা এলেকা কেইটা ৰক্ষা কৰিবলৈ সক্ষম হৈছিলে। যিকেইটা পঞ্চাছ শতাংশ ইতিমধ্যে গুছি গৈছিল, সেইকেইটা জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু ইয়াৰ শ্ৰমিক সকলে মিলি ৰক্ষা কৰিবলৈ সক্ষম হ'ল। কিন্তু কাটি দিয়াতো আমি কেনেকৈ কৰিব পাৰো ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** কাটিব পাৰি আৰু কাটিছে শাস্তি পোৱাৰ যোগ্য।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক। মন্ত্ৰী মহোদয়ক ক'ব দিয়ক। sitdown please. সদন এনেকুৰাকৈ নছিলে ।

(সদনত হুলস্থুল)

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** এনেকুৰা পদক্ষেপ আমি কেতিয়াও দেখা নাই।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক। মন্ত্ৰী মহোদয়ক ক'ব দিয়ক। sitdown please. ৩০১ ত আৰগুমেন্ট নহয় । please sitdown. আপোনালোকে আনিব ডিভাইচ আমি সময় দিম । মাননীয় মন্ত্ৰীয়ে উত্তৰ দিছে, উত্তৰ বনাবলৈ বহুতো কষ্ট কৰিব লাগে ।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰীঃ** উপাধ্যক্ষ ডাঙৰীয়া, মই এক মিনিট সময়তে কৈ শেষ কৰি দিম । মই আকৌ কৈছো যে খুব বেছিকৈ বানপানী হৈছিল । তাৰ ফলত এইটো হৈছে । বৰাকৰ মনুহৰ কষ্ট আমাৰ সকলোৰে কষ্ট। এইটো নহয় যে কষ্ট আপোনালোকৰ, আমাৰ নাই। এইটো নহয় যে আমাৰ কষ্ট আপোনালোকৰ কষ্ট নাই । সকলোৰে কষ্ট হৈছে । কিন্তু অধ্যক্ষ ডাঙৰীয়া মই হাউচত এটা কথা ক'ব খুজিছো আমি সকলোৱে যাতে চিৰিয়াচ হওঁ, ৱাটাৰ ৰিচ'ৰ্চ ডিপাৰ্টমেন্টৰ মথাউৰি বা লোক নিৰ্মাণ বিভাগৰ ৰাস্তা যাতে কোনেও কাটি নিদিয়ে তাৰ কাৰণে সদনে আজি এটা বাৰ্তা দিব লাগে আৰু চৰকাৰে ক'ব লাগে যে আপোনালোকে কঠোৰ ভাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰক, যিয়ে মথাউৰি কাটি দিব । মথাউৰিটো যেতিয়া কাটি দিয়ে তেতিয়া লগে লগে কাম কৰিব নোৱাৰি । কোনোবা এটাই যদি মথাউৰিটো ভাঙি দিয়ে আপোনালোকে জানে যে পানীটো কমি নোযোৱালৈকে কাম কৰিব নোৱাৰি । আৰু মাজত সময় আছিল তিনিদিন। তিনিদিনত আমাৰ মানুহ কেইজনটো ভগৱান নহয়। পানীৰ ফ্ল' যেতিয়া থাকে তাত কাম কৰিব নোৱাৰি । কিন্তু য'ত কাটি দিয়া নাছিলে, য'ত চল্লিশ শতাংশলৈ ভাঙি গৈছিল, তাত আমি ৰক্ষা কৰিবলৈ সক্ষম হ'লো । গতিকে আমাৰ চৰকাৰে ইতিমধ্যে বা পুলিচ প্ৰশাসনে পাঁচজন মানুহক গ্ৰেপ্তাৰ কৰিছে। উপাধ্যক্ষ মহোদয়ৰ যোগেদি এটা কথা ক'ব খুজিছো আজি যে সদনে এটা সিদ্ধান্ত লওক, যিয়ে এই কাম বিলাক কৰে তাৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়ে । চৰকাৰৰো এটা কথা থাকে, মোৰ নিজৰো কথা জড়িত হৈ থাকে । মথাউৰি ভাঙিলে বানপানী হোৱা ঠাই বিলাকটো মইয়ে চাব যাঁও। গোটেই অসমত মই চাই ফুৰিছো। গতিকে মোৰো বেয়া লাগে এইটো হৈছে বেতুৰকান্দিৰ আৰু তাৰ কাৰণেই অসম্ভৱ পানী আৰু শিলচৰৰ জলমগ্ন হোৱাৰ পৰিৱেশ। আমি পাচজন মানুহক আটক কৰিছো। নাজিৰ হুছেইন লস্কৰ, ৰাজু দেব, ৰিপন খান, কামুল খান, নিতু আহমেদ লস্কৰ এই কেইজনক আমি গ্ৰেপ্তাৰ কৰিছো আৰু জেললৈ প্ৰেৰণ কৰিছো । আজি মই সদনত আকৌ কৈছে কোনোবাই যদি

ভৱিষ্যতে এনেকৈ প্ৰশাসনক নজনোৱাকৈ, কেতিয়াবা কেতিয়াবা প্ৰশাসনেও কাটি দিব পাৰে । পানী উলাই যোৱা নাই কাটি দিব পাৰে । মোৰ সেইখিনি অভিজ্ঞতা হৈছে । কিন্তু প্ৰশাসনক নজনোৱাকৈ বা জলসম্পদ বিভাগক নজনোৱাকৈ কাটি দিয়ে তেতিয়াহ'লে কঠোৰ শাস্তি দিবলাগে বুলি আপোনাৰ জৰিয়তে এটা বাৰ্তা যাব লাগে । মই অনুৰোধ কৰিছো ।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে যিটো কথা ক'লে আমি সেইটোত একমত । আমিও তালৈ গৈছিলো যাতে তদন্তটো অলপ ভালকৈ কৰক। যি সকলে কাটিছে সকলো ধৰা পৰিছে নে নাই? আৰু এই ক্ষেত্ৰত আপোনালোকে যিটো কথা কৈছে আমিও দ্বায়িত্ব সহকাৰে কৈছো যদি তেনেকৈ চৰকাৰক নজোনোৱাকৈ কৰে নিয়মমাফিক তদন্ত কৰি কঠোৰ শাস্তি বিহাত আমাৰ কোনো আপত্তি নাই। এইক্ষেত্ৰত চৰকাৰক আমি সহায় কৰিম কিন্তু তদন্তটো কোনো যাতে নিৰ্দোষী ধৰিব নালাগে, কোনো যাতে দোষী সাৰি যাব নালাগে ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য হেমাঙ্গ ঠাকুৰীয়া ।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া, (পলাশবাৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় পবিত্ৰ বিধান সভাৰ মজিয়াত উপস্থাপন কৰিব বিচাৰিছো যিটো বিষয় আমাৰ ভৱিষ্যত প্ৰজন্মৰ লগত জড়িত। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক Population control and two child policy ৰ বিষয়ে কিছু কথা ক'ব বিচাৰিছো। Population control and two child policy যিটো এড'প্ত কৰা কথা আছিল সেইটোৰ কথা সুধিব বিচাৰিছো। অধ্যক্ষ মহোদয় আমি সকলোৰে জ্ঞাত যে অসম এখন সৰু ৰাজ্য আমাৰ জনসংখ্যা যথেষ্ট বৃদ্ধি পাইছে আৰু অসমৰ বৰ্তমান যদি চেনচাছ কৰা যায় অসমৰ জনসংখ্যা তিনিকোটি পঞ্চলিশ লাখৰো অধিক হ'ব আৰু অসমৰ জনসংখ্যা এনেকুৱা এটা পৰ্য্যায় পাই গৈছে যে অসমৰ জনসংখ্যা আমি বেলেগ দেশৰ লগত লগত তুলনা কৰিব পৰা হৈছো । অসমৰ জনসংখ্যা এতিয়া শ্ৰীলংকাতকৈও অধিক। শ্ৰীলংকাৰ জনসংখ্যা আজি ২,১৯,০০,০০০ হ'ব। চিংগাপুৰৰ জনসংখ্যা য'ত নেকি গোটেই বেলেগ দেশৰ মানুহ তাত প্ৰৱৰ্জন হৈছে তাত মাত্ৰ ৫৯ লাখ হয় আৰু যদি আমি উন্নত দেশ বিলাক চাঁও যিবিলাকত যথেষ্ট প্ৰাকৃতিক সম্পদ আছে সেই দেশবিলাকক হাজাৰ বছৰ খালেও তাৰে মানুহে শেষ কৰিব নোৱাৰে । তাতো অসমৰ তুলনাত যথেষ্ট কম । আজি যদি আমি বেলজিয়ামৰ কথা কওঁ তাত মাত্ৰ ১,১৭,০০,০০০ মানুহ তাত বসবাস কৰে। আজি যদি আমি অষ্ট্ৰেলিয়াৰ কথা কঁও ২,৬১,০০,০০০ মানুহ তাত বসবাস কৰে। নিউজিলেণ্ডত মাত্ৰ ৫২,০০,০০০ মানুহ বসবাস কৰে । ইয়াৰ উপৰিও এতিয়া আমি দেখিছো যে আমাৰ বিশ্বৰ যিবিলাক ডাঙৰ দেশ আছে যেনে - ফ্ৰান্স হওঁক বা জাৰ্মানীয়ে হওঁক , জাৰ্মানীৰ পপুলেশ্যন আমাৰ অসমৰ দুগুণ। তেওঁলোকৰ ১ কোটি ৫৪ লক্ষ্য আৰু ফ্ৰান্সৰ পপুলেশ্যন ৬ কোটি ৫৫ লাখ। এইক্ষেত্ৰত আমাৰ অসমৰ পপুলেশ্যন পেটাৰ্ণ যদি আমি চাওঁ, অসমৰ দৰে ৰাজ্য এখনত ১৯৪১ চনত আমাৰ পপুলেশ্যন আছিল ৬৬ লাখ ৯৪ হাজাৰ আৰু ১৯৫১ চনত সেইটো বাঢ়ি গৈ ৮০ লাখ ২৮ হাজাৰ হৈছে আৰু ১৯৬১ চনত পপুলেশ্যন হৈছে ১ কোটি ৮ লাখ। ইয়াৰ পিছত ২০১১ চনৰ চেনচাচত আমাৰ অসমৰ পপুলেশ্যন ৩ কোটি ১২ লাখ ৫ হাজাৰ ৫৭৬ হৈছে। বৰ্তমান যদি চেনচাচ কৰা হয় বা আধাৰ কাৰ্ডৰ ষ্টেটিক চোৱা যায়, অসমৰ পপুলেশ্যন ৩ কোটি ৪৫ লাখতকৈ অধিক হ'ব। এইক্ষেত্ৰত অসমৰ ১৪ খন জিলাত যথেষ্ঠ পপুলেশ্যন বাঢ়িছে যিটোক abnormal population growth বুলি কোৱা হয়। সেইটো হ'ল ধুবুৰী, মৰিগাওঁ, গোৱালপাৰা, দৰং, নগাওঁ, কৰিমগঞ্জ, হাইলাকান্দি, বৰপেটা, বঙাইগাওঁ, কাছাৰ, ধেমাজি, কাৰ্বি আংলং, লখিমপুৰ আৰু কামৰূপ মেট্ৰো। কামৰূপ

মেট্ৰোত জেনেৰেলী যিহেতু আমাৰ ৰাজধানী আছে তাত পপুলেশ্যন বাঢ়িব পাৰে। কিন্তু যিবিলাক জিলা আছে তাত যথেষ্ট সংখ্যক পপুলেশ্যন বাঢ়িছে। অসম অত্যন্ত সৰু এখন ৰাজ্য। ক'বলৈ গ'লে অসমখনত দুখন ডাঙৰ নদী আছে। আমাৰ ৩৩ খনৰো অধিক উপনৈ আছে। তাৰ লগতে পাহাৰেৰে গঠিত এখন ৰাজ্য। এই ৰাজ্যত এনেকৈ যদি আমাৰ জনসংখ্যা বাঢ়ি থাকে, আমাৰ ভৱিষ্যত প্ৰজন্ম ক'ত থাকিব ? নদীত বসবাস কৰিব লাগিব, পাহাৰত বসবাস কৰিব লাগিব। আমাৰ অসমত ফৰেষ্ট ক'ভাৰ আছে ২৬ হাজাৰ ২৫৩ স্কুৱেৰ কিলোমিটাৰ। এই ৩৪.১ শতাংশ আমাৰ ফৰেষ্ট ক'ভাৰ আছে। ভৱিষ্যতে আমাৰ ভৱিষ্যত প্ৰজন্মই ফৰেষ্টত বসবাস কৰিব লাগিব। তেনেকুৱা এটা পৰিস্থিতি আহি আছে। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো এটা অতি স্পৰ্শকাতৰ বিষয়। আমাৰ পপুলেশ্যন গ্ৰথ'ৰ লগত আমাৰ এম্পলয়মেণ্ট ৰ কথাটো ও জড়িত হৈ আছে, আমাৰ ইক'নমিক ডেভেলপমেণ্টৰ কথা জড়িত হৈ আছে। আটাইতকৈ ডাঙৰ কথা significantly population growth টোৱে আমাৰ food security ক এফেক্ট কৰি আছে। কিয়নো প্ৰত্যেক দিনাই আমাৰ ৰাজ্যখনত আমি কিমান কুইণ্টল চাউল কনজিউম কৰো, কিমান খাদ্য সামগ্ৰী কনজিউম কৰো এইটো যদি চোৱা হয় দেখা যায় যে পপুলেশ্যনে আমাৰ যথেষ্ঠ সমস্যাৰ বৃদ্ধি কৰিব। মই আমাৰ চুবুৰীয়া দেশ চাইনাৰ কথা ক'ব খুজিছো। চাইনাত ইতিমধ্যে আপোনালোক সকলোৱে জানে যে চাইনাত বিশ্বৰ সকলোতকৈ বেছি জনসংখ্যা আছে। চাইনাত এতিয়া ১৪২ কোটি জনসংখ্যা আছে আৰু আমাৰ ভাৰতবৰ্ষত ১৪১ কোটি জনসংখ্যা আছে। চাইনাক আমাৰ ভাৰতবৰ্ষই ক্ৰচ কৰিব গৈ আছে। আজি অসমৰ পেক্ষাপটত কথা কৈছো কিন্তু ভাৰত বৰ্ষত প্ৰত্যেক দিনাই ৬৭ হাজাৰ ৩৫৩ টা শিশুৰ জন্ম হয়। আমেৰিকাত ১০,২০০ টা শিশু জন্ম হয়, ইংলেণ্ডত ২,৩৭১ টা শিশু জন্ম হয়, জাৰ্মানীত ১,৯১৪ টা শিশু প্ৰত্যেক দিনাই জন্ম হয়। সেই তুলনাত ভাৰতবৰ্ষ আৰু অসমতো যদি আমেৰিকাৰ লগত ৰেচিঅ' চাওঁ আমেৰিকাত ১০০০ agsinst ত ১২ টা শিশু জন্ম হয়। কিন্তু অসমত ২১.১ টা শিশু জন্ম হয় ১০০০ ইনএভিডিয়েঞ্চৰ agsinst ত। এনেকুৱা ধৰণৰ এটা ভয়ঙ্কৰ পৰিস্থিতি আমাৰ অসমত আহি আছে। মাননীয় উপাধ্যক্ষ মহোদয়, চাইনাত ইতিমধ্যে জন্ম নিয়ন্ত্ৰণৰ কাৰণে তেওঁলোকে যথেষ্ঠ ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁলোকে ১৯৭৯ চনতে one child policy এটা কৰিছিলে আৰু তেওঁলোকে যথেষ্ঠ সংখ্যক পপুলেশ্যন কণ্ট্ৰোল কৰিব পাৰিছিল। কিন্তু তাৰ পিছত তেওঁলোকে ২০১৫ চনৰ অক্টোবৰ মাহত two child policy adopt কৰিছে। চাইনাত বৰ্তমান শূন্য শতাংশ পপুলেশ্যন গ্ৰ'থ। অসমত ১৭.০৭ শতাংশ পপুলেশ্যন গ্ৰ'থ বৰ্তমান আছে। কিন্তু চাইনাত পপুলেশ্যন গ্ৰ'থ জিৰ' হৈছে কিয়নো ২০১৮-১৯ বৰ্ষত তেওঁলোকৰ পপুলেশ্যন গ্ৰ'থ আছিল মাত্ৰ .৩৪ শতাংশ। ২০১৯ চনত তেওঁলোকৰ পপুলেশ্যন গ্ৰ'থ .২২ শতাংশ। two child policy adopt কৰাতো অত্যন্ত দৰকাৰ। ইয়াত মই ভাবো সকলো ৰাজনৈতিক নেতৃ বৰ্গ আছে বা আমাৰ প্ৰতিনিধি সকল আছে, তেওঁলোকে কোনোধৰণৰ বাধা দিব নালাগে কিয়নো জন্ম নিয়ন্ত্ৰণ কৰিলেহে আমি আমাৰ ভৱিষ্যতৰ প্ৰজন্মক সুৰক্ষিত কৰিব পাৰিম। এইখিনিয়েই মোৰ ক'ব লগীয়া আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই বিষয়টো বিশেষকৈ population growth ৰ ওপৰত আৰু হ্লtwo child ৰ যিটো বিষয়, এই বিষয়টো মাননীয় সদস্য গৰাকীয়ে অনা বাবে আৰু আপোনালোকে স্পীকাৰ হিচাপে ৩০১ ত এই বিষয়টো আলোচনা কৰিববলৈ দিয়াৰ বাবে মই ধন্যবাদ জনাইছো। কাৰণ এনে বিষয় বিলাক আমাৰ কুৱেশ্যনতো অহা

নাছিল। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই গুৰুত্বপূৰ্ণ বিষয়টোৰ ওপৰত আমাৰ মাননীয় সদস্য গৰাকীয়ে যথেষ্ঠখিনি তথ্যপাতি দিছে। সেই তথ্য মোৰ হাতত থকাখিনিও একে। গতিকে তথ্যৰ বিষয়টো আকৌ বৰ বেছিকৈ পুনৰাবৃত্তি নকৰো। বাকী খিনিলৈ আহিছো। আমাৰ চৰকাৰখনে যোৱা ২০১৭ চনৰ ৪ ডিচেম্বৰ তাৰিখে যিটো আমাৰ নটিফিকেশ্যন হৈছে Population and Women Empowerment Policy of Assam. গতিকে এই পলিচিখনে কি কি কথা অন্তৰ্ভুক্ত কৰিছে, এই কথাখিনিৰ ওপৰত তেখেতে উত্থাপন কৰা বিষয়টোৰ ওপৰত নিৰ্ভৰ কৰিছে। গতিকে এই পলিচিখন যেতিয়া আহিল এই পলিচিখনৰ লগত ইয়াৰ অন্তৰ্গত যিখিনি কথা তাৰ ওপৰত আমাৰ কিছু একশ্যন প্লেন কৰা হৈছে। এই একশ্যন প্লেন বিভিন্ন বিভাগে কৰিছে। এতিয়া Population and Women Empowerment Policy 2017 এইখন Health and Family Welfare Department ৰ পৰা ন'ডেল বিভাগ হিচাপে ওলাইছে। ইয়াৰ পিছত ২০১৯ চনত পাৰচ'নেল বিভাগে এটা কাম কৰিছে যে small family norms of selection candidate for direct recruitment of the state government service and post. এতিয়া এইটো পাৰচ'নেল বিভাগে recruitment ৰ ক্ষেত্ৰত এটা ব্যৱস্থা এইধৰণে লৈ যাবৰ কাৰণে যে দুজন শিশু থকা সকলক এই ক্ষেত্ৰত আমি অগ্ৰাধিকাৰ দিছো। এই বিষয়টো পাৰচ'নেলে বিভাগে ইয়াৰ ভিত্তিত আৰু এখন নটিফিকেশ্যন ওলাইছে বা এখন চাব-পলিচি ওলাইছে। ঠিক তেনেধৰণে আমাৰ ২০১৯ চনত পাৰচ'নেল বিভাগে চিভিল চাৰ্ভিচৰ কনাডাক্টৰ ক্ষেত্ৰতো আকৌ এটা ৰুল উলিয়াইছে। এইখিনিও ৰুলত পৰিল। পি.এন.আৰ.ডি বিভাগে আমাৰ ৩১ অক্টোবৰ ২০১৮ চনত এটা পলিচি উলিয়াইছে যে দুটা সন্তান থকা লোকেহে পঞ্চায়ত বোৰৰ ক্ষেত্ৰত কনটেষ্ট কৰিব পাৰিব। আমাৰ ৰাজহ বিভাগে ২০১৯ চনত আৰু এখন নটিফিকেশ্যন উলিয়াইছে আৰু কৈছে যে গাওঁবুঢ়া সকলৰ ল'ৰা-ছোৱালী দুজন হ'ব লাগিব। ঠিক তেনেকৈ জি.এম.চি বা আমাৰ যি আৰবান বডী আছে সেইখিনিৰ কাৰণে ২০১৯ চনৰ চেপ্তেম্বৰ মাহৰ ৪ তাৰিখে পঞ্চায়তৰ নিচিনাকৈ আৰু এখন নটিফিকেশ্যন উলিয়াইছে। Population and Women Empowerment Policy of Assam এই পলিচিখন লোৱাৰ পিছত এনেধৰণৰ ব্যৱস্থা লোৱা হৈছে। এতিয়া আমি ইয়াৰ পৰা কি ইমপেক্ট পাইছো। চাইনাৰ পলিচিৰ কথা তেখেতে উল্লেখ কৰিছে। আমাৰ এই পলিচিখন চাইনাৰ নিচিনা নহয়। আমাৰ এই পলিচিখন হলিষ্ট্ৰিক পলিচি। এইখনত লগে লগে মহিলাক Empowerment কৰিবলৈ চেষ্টা কৰা হৈছে আৰু তাৰপিছত এই কন্ট্ৰোলটো আনিবলৈ বিচৰা হৈছে। চাইনাত ১৯৮০ চনতে যিখন পলিচি হৈছিল, সেই পলিচিখনৰ মতে one child আছিল। সেইখন পলিচি কঠোৰ ভাৱে বলবৎ হৈছিল। তাৰ পিছত তেওঁলোকে যেতিয়া দেখিলে ইয়াৰ পৰা তেওঁলোকৰ যথেষ্টখিনি লোকচান হৈছে আৰু সেই পলিচিখন তাৰ পিছত কিছু পৰিবৰ্তন কৰিলে। পিছত দুটা শিশুলৈ আহিল আৰু এতিয়া চীনদেশত তিনিটা শিশুলৈ গৈ আছে। ইয়াৰ মূল কথাটো হ'ল কি তেওঁলোকৰ যিখিনি বয়সস্থ লোক, হয়তো বয়সস্থ লোক ৬০ শতাংশ হৈ গৈছে, young generation টো ৪০ শতাংশ হৈছে। তেওঁলোকৰ কাম কৰিবলৈ মানুহ নাইকিয়া হৈছে। তাত কঠোৰ ভাৱে বলবৎ কৰোতে চীনদেশে ওলোটা effect টো পাইছে।

এতিয়া Uttar Pradesh চৰকাৰে এখন draft policy হিচাপে কৰিছে। তেওঁলোকে final কৰা নাই। draft policy খনত বহুত তেনেকুৱা ধৰণৰ incentive দিছে যে চাকৰি কৰা মানুহৰ দুজন হলে তেওঁলোকৰ increament বাঢ়ি যাব। এনেকুৱা অকনমান wel fare মুখি কৰা হৈছে। এতিয়া আমাৰ চৰকাৰে, শিক্ষা বিভাগে, চৰ অঞ্চলত ৯খন মহিলা কলেজ দিছে।

কিয়তো য'ত population growth টো আমি দেখিছো যে মহিলা সকল শিক্ষিত নহয়, তেওঁলোকে কম বসয়তে বিয়া হয়। সেই কাৰণে চৰকাৰে সেই অঞ্চল বিলাকত women empowerment ৰ ক্ষেত্ৰত এই ব্যৱস্থাটো লৈছে। ইয়াত জোৰ জৱদস্তি তেওঁলোকক enforce কৰিবলৈ বিচৰা নাই, তেওঁলোকক শিকাই বুজাই লৈ কাৰ্য্যকৰী কৰিবলৈ বিচাৰিছে। সেই কাৰণে আমাৰ পলিচিখনৰ বিষয়টো অকনমান বেলেগ আৰু বাকী পলিচি বিলাকৰ বিষয়টো বেলেগ। আমি এতিয়া ইয়াৰ পৰা চাইছো যে IMR, MMR এইবিলাক কিমান আমি কমাব পাৰো। এই পলিচিখন হোৱাৰ পিছত IMR, MMR যথেষ্টখিনি কমি গৈছে। এই পলিচিখনৰ প্ৰভাৱ তাত যথেষ্টখিনি আছে। ঠিক তেনেকৈ, ইয়াত এটা কথা কঠোৰ ভাৱে বলবৎ কৰা হৈছে যে এটা নিৰ্দিষ্ট বয়সৰ পিছহে যাতে বিয়া হয়। আজি কালি সেই কথাটোত যথেষ্টখিনি গুৰুত্ব দিয়া হৈছে। তাৰ পিছত, information education যিটো আছে, সেই দিশটোতো আমি আগবাঢ়িছো। সেইকাৰণে এই কথাখিনি আমি ৰাজ্য চৰকাৰ হিচাপে যথেষ্টখিনি women empowerment কৰি তেওঁলোকক শিক্ষিত কৰি, তেওঁলোকক যথেষ্ট সা-সুবিধা প্ৰদান কৰি, এই পলিচিখন আমি আগবঢ়াই নিবলৈ বিচাৰিছো আৰু যথেষ্ট নিয়ন্ত্ৰণ হৈছে, ৰাইজে বুজিছে, সহযোগ কৰিছে। আমি স্বাস্থ্য বিভাগৰ তৰফৰ পৰাও এই ক্ষেত্ৰত যিখিনি নিয়ন্ত্ৰণ, family planning এই বিষয়টো ইয়াৰ লগত জড়িত, সেই বিষয়ৰ কামখিনিও সমান্তৰাল ভাৱে কৰি যোৱা হৈছে। অসমৰ এই যিখন Population & Women Empowerment Policy, এই পলিচিখন আমি comparatively বেলেগ বেলেগ ঠাইত যিখিনি চালো, তেওঁলোকৰ পলিচিতকৈ এইখন উৎকৃষ্ট পলিচি আৰু ইয়াৰ দ্বাৰা আমাৰ ৰাজ্যখনো উপকৃত হৈছে আৰু দেশো উপকৃত হ'ব আৰু সমাজো উপকৃত হ'ব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এই পলিচিৰ positive impact অসমতো পৰিছে। এতিয়া মাননীয় সদস্য জয়ন্ত বসুমতাৰী।

**শ্ৰী জয়ন্ত বসুমতাৰী, চিদলী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত মোৰ সমষ্টিৰ অত্যন্ত গুৰুত্বপূৰ্ণ এটা বিষয় উত্থাপন কৰিব বিচাৰিছোঁ। বিষয়টো হ'ল improvement of road communication in Patabari, Ouguri, Nangalbhanga area to Amguri and construction connecting bridges over river Lankhar (also called Nangal River) in Chirang district under 31 Sidli ST. LAC as well as over Champa River connecting Basugaon and Kalipukhuri and over Khanakmakra river connecting Amguri and Rangijhora, Khungkrajhora।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিত যিটো অঞ্চল ঔগুৰি, পথাৰবাৰী আৰু নাঙলথাঙা , সেই অঞ্চলত প্ৰায় ২৩ হাজাৰ জনসংখ্যাৰ এটা অঞ্চল হয়। তাত বছৰৰ প্ৰায় ৭ মাহে বানপানীৰ প্ৰৱলত পৰে আৰু তেখেতসকলৰ তিনিটা ফাল পানীৰে আৱৰা। চতুৰ্থ দিশত হয় ভুটান ৰাষ্ট্ৰ। যিহেতু পানীৰে আৱৰা, নদীৰে আৱৰা, তেখেতসকলৰ যাতায়তৰ ব্যৱস্থা একেবাৰে পুতৌলগা। কাৰণ সেই অঞ্চলত যাবলৈ তাত কোনো connecting bridge নাই। খৰালি দিনত তাত বাহঁৰ দলং দি পাৰ কৰা হয়। বছৰৰ প্ৰায় ৫ মাহ বাঁহৰ দলঙে তাত lasting কৰে। এপ্ৰিলৰ পৰা চেপ্তেম্বৰ, অক্টোৱৰ মাহলৈ তাত কোনো যাতায়তৰ ব্যৱস্থা নাথাকে আৰু তাত বাৰিষাৰ সময়ত নৈকাৰে পাৰ কৰিব লগা হয়। আৰু মোৰ এই সমষ্টি ভূটাৰ ৰাষ্ট্ৰৰ কাষতে হয়। তাত নদীবোৰৰ

চৰিত্ৰটো অলপ বেলেগ। কাৰণ তাত পানীৰ সোঁতটো বহুত বেছি। যাৰ কাৰণে তাত নৈকা চলোৱাতেও বহুত বিপদ সংকুল অৱস্থা হয় আৰু তাত দেখা গৈছে যে যোৱা প্ৰায় তিনি চাৰি বছৰৰ মানত নাওঁৰ দূৰ্ঘনা হৈ গৈছে। আৰু এই অঞ্চলৰ পৰা প্ৰায় ৫ শ ছাত্ৰ-ছাত্ৰীয়ে নদী পাৰ কৰিব লাগে, নৈকা বা সাতুৰি। তাত দেখা গৈছে যে ২০১৯ চনত নৈকা দুৰ্ঘটনা হৈ ছাত্ৰী-ছাত্ৰীসকলৰ চাৰিটা স্কুল বেগ, তিনিখন বাই চাইকেল পানীত ভাহি গ'ল। ২০২১ চনত ক্লাচ ছিক্সত পঢ়া এজন ছাত্ৰ এৰিষ্ট্ৰিল নাৰ্জাৰী বুলি সাতুৰি পাৰ হওঁতে নদীয়ে উটুৱাই লৈ গৈছিল আৰু তেওঁৰ শৰদেহটো চাৰিদিন পিছত পাইছিল। ২০১৭ চনত এনিচন নাৰ্জাৰী বুলি এজন বয়সীয়াল ব্যক্তিকো নদীয়ে উটুৱাই লৈ গৈছিল। ২০১৮ চনতো এজন মেনলা নাৰ্জাৰী আই নদীত উটি গৈ মৃত্যু বৰণ কৰিব লগীয়া হৈছিল। ২০২০ চনত বাইক তিনিখনত, চাইকেল সাতঁখন, আৰু মোবাইল হেণ্ডচেট ১৫ টা নদীত ভাহি গৈছে। ২০২১ চনত সেইদিনাখন আমাৰ Water Resource বিভাগৰ মন্ত্ৰী মহোদয় গৈছিল, সেইদিনাখনো নৌকা দুৰ্ঘটনা হৈছিল। তাত দুখন বাইক, চাইকেল পাঁচখন আৰু মোবাইল হেণ্ডচেট ১১ টা নদীত উটি গৈছিল। ২০২১ চনতে তাত হঠাৎ বানপানী হৈ ৫০ টা মান গৰু নদীত উটি গৈছিল। তেনেকুৱা এটা অঞ্চল, য'ত নেকি life support, ঔষধ পাতি লৈ যোৱা বিৰাট এটা বিপদ সংকুল অৱস্থা হয়। সেইকাৰণে মই বিভাগীয় মন্ত্ৰী যদিও সদনত উপস্থিত নাই, তথাপিতো মই সদনত আহ্বান জনাইছো যে এই অঞ্চলত যোগাযোগ ব্যৱস্থাৰ কাৰণে connecting bridge বনাব লাগে। নহলে দেখা গৈছে যে কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকল বানপানীৰ কাৰণে নদী পাৰ হ'ব নোৱাৰে আৰু যেতিয়া সোঁততো বেছি হয় নৌকা উঠিব ভয় কৰা অৱস্থাৰ সৃষ্টি হয়। যাৰ কাৰণে তেওঁলোকৰ স্কুলত যোৱাতো regularly নহয় আৰু লগতে আছে বাসুগাওঁ আৰু কোকৰাঝাৰ সেইটো কালিপুখুৰী বুলিও কোৱা হয়। চম্পা নদীৰ ওপৰত তাতো এখন দলং লাগে। সেই দলংখনৰ লগতে আকৌ আমগুৰি আৰু খুংখাঝৰা, ইয়াত পাৰ হোৱাৰ কাৰণে খানামাকৰা নদী আছে, সেইখনত পাৰ হবলৈ দলং নাই, বিশেষকৈ মোৰ সমষ্টিত এই তিনিখন দলং যদি সোনকালে বনাই দিয়া হয়, নিশ্চয়কৈ আমাৰ ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ life supporting যিখিনি দৰকাৰী বস্তু-বাহিনী, সেইখিনি লৈ যোৱাত সুবিধাজনক হ'ব। মই আহ্বান জনাইছো যে আমি এই পবিত্ৰ সদনত আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ৰ ফালৰ পৰা এইখিনি নিশ্চয়তা প্ৰদান কৰে এইখিনি মোৰ ক'বলগীয়াখিনি ইয়াতেই সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীপীয়ুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী তথা অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সন্মানীয় সদস্য গৰাকীয়ে উত্থাপন কৰা প্ৰশ্নটোৰ ওপৰত মই উত্তৰ দিব গৈছো। তেখেতে ৪ খন ব্ৰীজৰ কথা কৈছে তাৰে এখনৰ কাম চলি আছে। Under NICIT. One RCC bridge over river Aie আৰু এখন হ'ল চাৰে আঠ শ মিটাৰ Is in progress under NICIT shemes which will conect this area. প্ৰথমতে তেখেতে যিটো কৈছিল পাটবাৰী, ঔগুৰী, দেশৰবাৰী, নগালবন্ধা যাৰ জলসংখ্যা ৩৫ হাজাৰতকৈ বেছি, ৩ খন VCDC আৰু তাত থকা এখন ব্ৰীজ আইনদীত ৭০ শতাংশ ইতিমধ্যে কাম সম্পন্ন হৈছে। বাকীখিনি কামো পূৰ্ণগতিত চলি আছে। তেখেতে আৰু তিনিখন ব্ৰীজৰ কথা কৈছে, One RCC Bridge of length 3 hundred meters over river longkher at eastern part সেইখন ভূটান foothillsত পৰে, Con-

nected হয়। এই ৩ খন ব্ৰীজেই গুৰুত্বপূৰ্ণ আৰু এখন ৩ শ মিটাৰৰ ব্ৰীজ তেখেতে লাগে বুলি কৈছে আৰু এখন ২ শ মিটাৰৰ ব্ৰীজ construction of one RCC bridge of length two hundred meter will connect Sidli LAC with Kokrajhar. আৰু এখন construction of one RCC bridge of length two fifty meters over Kamarkata river which will connect Amguri at one an Rangizara Khongavora village. এই গোটেইকেইখন মিচিং লিংক হয়। মিচিং লিংকত এতিয়া আমি ১ হাজাৰ ব্ৰীজ কৰাৰ কাৰণে চেষ্টা চলাইছো আৰু ১ হাজাৰ ব্ৰীজ World Bank added Assam State Bridge infrastructure project ত আমি লৈছো আৰু তেখেতৰ সমষ্টিত এই গোটেই কেইখন ব্ৰীজেই আমি World Bank added project ত আমি লৈছো আৰু যিমান সোনকালে পাৰে World Bank ৰ পৰা যদি section হৈ আহে, আমি গোটেইখিনি ব্ৰীজ আৰম্ভ কৰিম আৰু এখেতৰ সমষ্টিৰ সমস্যাখিনি নাইকিয়া হ'ব বুলি মই ভাৱো আৰু তেখেতক এইখিনিকে জনালো।

**মাননীয় উপাধ্যক্ষ মহোদয় ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীবিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন, সৰুপথাৰ ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, আজি সদনত মই অসমীয়া ভাষা সম্পৰ্কত এটা বিষয় উত্থাপন কৰিব বিচাৰিছো। আমি সকলোৱে জানো যে নৃত্যৰ ক্ষেত্ৰত ধ্ৰুপদী নৃত্য বা classical dance ৰ স্বীকৃতিৰ বিষয়ে যথেষ্ট কথা হৈছিল। সত্ৰীয়া নৃত্য classical dance হিচাপে স্বীকৃতি সম্পৰ্কতো আমি সকলোখিনি কথা জানো। ভাষাৰ ক্ষেত্ৰত, ভাষাক ধ্ৰুপদী ভাষা বা Classical language বুলি স্বীকৃতি দিয়াৰ এটা প্ৰক্ৰিয়া ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় আছে। পোনপ্ৰথমবাৰৰ বাবে ২০০৪ চনত তামিল ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল আৰু তাৰ পৰৱৰ্তী অৱস্থাত মালয়ালাম, কানাড়া, সংস্কৃত, উৰীয়া এইকেইটা ভাষাক সৰ্বমুঠ ৬ টা ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছে। আধুনিক ভাৰতীয় আৰ্য্যভাষাৰ ভিতৰত উড়ীয়া ভাষা ইতিমধ্যে দ্ৰৌপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰিছে। এনেসময়ত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ কাৰণে মই ভাৱো পবিত্ৰ বিধান সভাৰ মজিয়াৰ পৰা আৰু অসমৰ বৌদ্ধিক সমাজৰ পৰা এটা প্ৰচেষ্টা চলোৱা ভাল। ২০২০ চনত ২৭ ফেব্ৰুৱাৰী তাৰিখে মহাৰাষ্ট্ৰ বিধান সভাই মাৰাঠী ভাষাক classical language হিচাপে স্বীকৃতি দিব লাগে বুলি অনুৰোধ জনাই বিধান সভাত এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ঠিক তেনেদৰে আমিও এটা প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে। ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিবৰ কাৰণে অসমীয়া ভাষাৰ যিখিনি বৈশিষ্ট্য থাকিব লাগে, প্ৰায় সকলোখিনি বৈশিষ্ট্যই অসমীয়া ভাষা গ্ৰহণ কৰিছে। আমাৰ পঞ্চম শতিকাৰ নগাজৰিৰে হওঁক, নীলাচলৰে হওঁক, শিলালিপিৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে এই দীঘলীয়া সময়ছোৱাত অসমীয়া ভাষাৰ যি বৰ্ণাঢ্য যাত্ৰা এই সময়চোৱাত বৈষ্ণৱ সাহিত্য, প্ৰাগ বৈষ্ণৱ সাহিত্য বা তাৰ পৰৱৰ্তী অৱস্থাত আজিৰ তাৰিখটো যি সমৃদ্ধ ভাষা আৰু এই ভাষা কোৱা জনসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি যিখিনি আমাৰ ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পাব পৰা যোগ্যতা থাকিব লাগে। মই ভাৱো যে অসমীয়া ভাষাৰ সেইখিনি আছে। আমি এইখিনিৰ ক্ষেত্ৰত কিছু কাম কৰা উচিত। এটা ভাষাক সাংস্কৃতিক বিভাগে যি কেন্দ্ৰীয় চৰকাৰে ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়ে, তেতিয়া সেই ভাষাটোক দুটা আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰা হয় আৰু সেই দুটা আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰৱৰ্তন কৰাৰ লগে লগে সেই ভাষাটোৰ যি গুৰুত্ব, সেই গুৰুত্ব বৃদ্ধি পায়। তাৰ লগতে সেই ভাষাৰ গৱেষণাৰ বাবে এটা গৱেষণাৰ বিশেষ ব্যৱস্থা কৰা হয় আৰু কেন্দ্ৰীয় বিশ্ববিদ্যালয় সমূহত

সেই সংশ্লিষ্ট ভাষাটোৰ আসন প্ৰতিষ্ঠাৰ বাবেও বিশ্ববিদ্যালয়ৰ অনুদান আয়োগক সাংস্কৃতিক পৰিক্ৰমা বিভাগে অনুৰোধ জনায়। আমাৰ অসমীয়া ভাষাৰ দীঘলীয়া যি পৰিক্ৰমা, এই পৰিক্ৰমাই ২ হাজাৰ বছৰ প্ৰায় অতিক্ৰম কৰিছে আৰু পঞ্চম শতিকাৰ পৰা বৰ্তমানলৈকে এই ভাষাৰ যি ক্ৰমবিকাশ, এই ক্ৰমবিকাশৰ ওপৰত বিজ্ঞান সন্মতভাৱে ভাষা বিজ্ঞানৰ লগত সংগতি ৰাখি এক ইতিহাস প্ৰবৰ্তন কৰাৰ প্ৰয়োজন আছে। ইয়াৰ বাবে ভাষাৰ বিৱৰ্তন সমূহত আমি ভালদকে চাব লাগিব আৰু আমাৰ কৰণীয় সমূহৰ ভিতৰত যিখিনি কাম আমাৰ কৰণীয় আছে তাৰ ভিতৰত ৰাজ্য চৰকাৰে বিশেষ উদ্যোগ ল'ব লাগিব আৰু ভাষাৰ বুৰঞ্জী প্ৰণেতাসকলক লগত লৈ আমি বুৰঞ্জী প্ৰৱৰ্তন কৰিব লাগিব। প্ৰধানকৈ ৫ টা খণ্ডত এই বুৰঞ্জী হ'ব পাৰে যে আসমীয়া ভাষা বা উদ্ভৱ কালৰ পৰা ভাষাৰ যি ইতিহাস সেই ইতিহাস দ্বাদশ শতিকালৈকে আমাৰ আৰম্ভণিৰ যি ইতিহাস, বিশেষকৈ শিলালিপি মুদ্ৰা ইত্যাদিত আম্াৰ যি ভাষা আছে সেই অসমীয়া ভাষাৰ ওপৰত দ্বাদশ শতিকালৈকে প্ৰথম খণ্ডত আলোচনা হ'ব লাগে। দ্বিতীয় খণ্ডত ত্ৰয়োদশ শতিকাৰ পৰা ষষ্টদশ শতিকালৈকে প্ৰাচীন অসমীয়াৰ যি ইতিহাস এই ইতিহাসৰ ওপৰত দ্বিতীয়টো খণ্ড হ'ব লাগিব যিটো খণ্ড হ'লে আমাৰ ভাষাৰ ক্ৰমবিৱৰ্তনৰ সম্পৰ্কত আমি ৰাষ্ট্ৰত প্ৰতিষ্ঠা কৰিব পাৰিম আৰু মধ্যযুগীয়া ভাষা ইতিহাসক যদি আমি তৃতীয় খণ্ড হিচাপে ধৰো, এই মধ্যযুগীয়া ভাষা খণ্ডটোত আমি বৃটিছ শাসনৰ কালছোৱাত আমাৰ ভাষাৰ যি বিৱৰ্তন, ভাষাৰ যি উত্তৰণ, ভাষাৰ যি চৰ্চা, সেইখিনি আমি হাতত ল'ব লাগিব। চতুৰ্থ খণ্ডটো আধুনিক ভাষা অসমীয়াৰ ইতিহাস বা উনবিংশ শতিকাৰ পৰা স্বাধীনতাৰ সময়লৈকে আমি হাতত ল'ব লাগিব আৰু পঞ্চম খণ্ডটো আমাৰ অসমীয়া ভাষাৰ লিপিৰ যি ইতিহাস, মই পুনৰ কৈছো যে, নগাজৰী খনিকৰ গাওঁৰ শিলালিপি, নীলাচলৰ যি শিলালিপি, এই শিলালিপিৰ পৰা ধৰি বৰ্তমান সময়লৈকে আমাৰ লিপিৰ যি বিৱৰ্তন এই লিপিৰ বিৱৰ্তনত আমি এটা খণ্ডত লাগিব। মই বেছি দীঘলীয়াকৈ ক'ব বিচৰা নাই। এটা অনুৰোধ কৰো যে অসমীয়া ভাষাত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত অধিক বিকশিত কৰিবৰ বাবে অসমীয়া ভাষাক কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে classical language হিচাপে স্বীকৃতি দিবৰ বাবে সপ্তমটো ভাষা হ'ব লাগে আৰু ইতিমধ্যে যিহেতু আধুনিক ভাৰতীয় আৰ্য্যভাষাৰ উড়ীয়া ভাষাই classical language হিচাপে স্বীকৃতি পাইছে অসমীয়া ভাষাই স্বীকৃতি পোৱাতো যথেষ্টখিনি আমাৰ কাৰণে সহজ হ'ব আৰু এইক্ষেত্ৰত কৰণীয়খিনি অসম চৰকাৰৰ শিক্ষা বিভাগৰ পৰা আগভাগ লৈ আমি আশা কৰো যে সহযোগে আমি এই দাবী উত্থাপন কৰিব লাগে আৰু আহি থকা দিনৰ অসমীয়া ভাষাৰ বিকাশ আৰু সমৃদ্ধিত আমি বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আপুনি যি ৰিজোলিউশ্যনৰ কথা কৈছে কিন্তু ৩০১ ত ৰিজোলিউশ্যন ল'ব নোৱাৰে। আপুনি বেলেগকৈ ১৩০ (A)ত ৰুলত আনিব লাগিব। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**ড° ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই যি বিষয় উত্থাপন কৰিছে, সেই বিষয় সম্পৰ্কে উচ্চ শিক্ষা বিভাগ অৱগত। ভাৰত চৰকাৰে ২০০৪ চনৰ পৰা ২০১৪ চন পৰ্য্যন্ত ৬ টা ভাষাত ধ্ৰুপদী ভাষা বা ৬ টা ভাষা ক্লাছিকেল লেঙ্গুৱেজ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ২০০৪ চনত তামিল ভাষা, ২০০৫ চনত সংস্কৃত ভাষা, ২০০৮ চনত কানাড়া আৰু তেলেগু ভাষা, ২০১৩ চনত মালায়ালম ভাষা আৰু ২০১৪ চনত উড়িয়া ভাষাক স্বীকৃতি প্ৰদান কৰিছে আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ে নিৰ্দ্দিষ্ট এটা ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত যিকেইটা কনডিশ্যন আৰোপ

কৰি থৈছে, সেইকেইটা হৈছে-(1) High antiquity of its early text recorded history over a period of 1500 to 2000 years. (2) A body of ancient literature text which is considerd a valuable heritage for by generations of speakers. (3) The literary tradition by original and not borrowed from another speech community. (4) The Classical Language and literarture being distinct from modern, there may also be a discontinuty between Classical Language and its later forms or its roots. ইয়াৰ ভিত্তিত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ অধীনত অসম প্ৰকাশন পৰিষদে সমল সংগ্ৰহ, তথ্য সংগ্ৰহ ইতিমধ্যে কৰি আছে। উড়িয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়াৰ সময়ত যিজন ব্যক্তিয়ে যথেষ্টখিনি কাম কৰিছে, ড° দেৱী প্ৰসন্ন পাটনায়কে ২০১৪ চনত যথেষ্টখিনি গৱেষণা কৰিছিল। তেখেতৰ লগত আমাৰ এখন মিটিং ইতিমধ্যে হৈ গৈছে যে কি পদ্ধতি আৰু কি প্ৰক্ৰিয়াত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত আমি আগবাঢ়িম। বক্তা গৰাকীয়ে অসমীয়া ভাষাত ইতিহাস লিপিবদ্ধ কৰণৰ যিখিনি কথা উল্লেখ কৰিছে, সেই ক্ষেত্ৰত অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ অধীনত আনন্দৰাম বৰুৱা ইনষ্টিটিউট অফ লেঙ্গুৱেজ আৰ্ট এণ্ড কালচ্াৰ আলিবাগ তেওঁলোকেও এইক্ষেত্ৰত কাম কৰিছে আৰু এই সদনকো মই অৱগত কৰিব বিচাৰো যে অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগৰ অধীনত আনন্দৰাম বৰুৱা ইনষ্টিটিউট অফ লেঙ্গুৱেজ আৰ্ট এণ্ড কালচ্াৰ আৰু অসম প্ৰকাশন পৰিষদে যৌথভাৱে অসমীয়া ভাষাৰ ইতিহাসত লিপিবদ্ধ কৰণ আৰু ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত যিখিনি তথ্য সমল লাগে সেই তথ্য সমল আদি সংগ্ৰহৰ কাম অতি সোনকালে সম্পূৰ্ণ কৰিব। এই কাম সম্পূৰ্ণ কৰাৰ পিছত আমি আমাৰ ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ত আমি আমাৰ আবেদনখন ৰাখিম। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং- ৪। নিয়ম ৫০ ৰ অধীনত জৰুৰী ৰাজহুৱা গুৰুত্ব বিষয়টোৰ ওপৰত আলোচনা। মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু অন্যান্য ২০ গৰাকী সদস্যই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত দাখিল কৰে। তেখেতসকলৰ তিনি গৰাকী ব্যক্তিয়ে বক্তব্য ৰখাৰ ইচ্ছা প্ৰকাশ কৰিছে- মাননীয় সদস্য দেৱব্ৰত শইকীয়া, ভৰত চন্দ্ৰ নৰহ আৰু ৰকিবুল হুছেইন ডাঙৰীয়া। মই এতিয়া মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিম।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি (নাজিৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত এটা জৰুৰী আৰু গুৰুত্বপূৰ্ণ বিষয় চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। অসম চৰকাৰে গ্ৰহণ কৰা মাতৃভাষা সম্পৰ্কীয় সিদ্ধান্তই আমাৰ অসমৰ জাতীয় জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে। আমি সকলোৰে জানো যে মাতৃভাষা আমাৰ সকলোৰে বাবে অতি গুৰুত্বপূৰ্ণ আৰু ইয়াক লৈ বিভিন্ন সময়ত বিভিন্ন ধৰণৰ সংঘাতৰ সৃষ্টি হয়। আমাৰ অসমতে অসমীয়া মাতৃভাষা ৩৬ বছৰৰ বাবে বৃটিছৰ শাসনৰ সময়ত অৱহেলিত হৈছিল। যাক পুনৰ ১৯ এপ্ৰিল, ১৮৭৩ চনত আমি ঘূৰাই পাইছো। আমি স্বাধীন হোৱাৰ পিছত ৰাজ্যসমূহৰ পুনৰ গঠনৰ কথা আহিছিল তেতিয়া ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু সেই অনুসৰি ৰাজ্যিক এখন ষ্টেট ৰি-অৰ্গেনাইজেশ্যন কমিটি গঠন কৰা হ'ল যাৰ জৰিয়তে অসমৰ সীমা আৰু সু-নিৰ্দ্দিষ্ট হ'ল। সেই সময়ত ১৪ খন ৰাজ্য ভাষাৰ ভিত্তিত পুনৰ গঠিত হৈছিল। সেই গতিকে আমাৰ মাতৃভাষা কেৱল

শিক্ষা-দীক্ষাৰ বাবেই নহয়, আমাৰ চিনাকীৰ বাবেও ভাষাও অতি গুৰুত্বপূৰ্ণ। ২০১১ চনৰ ডাইচৰ তথ্য মতে ৪৮ শতাংশতকৈ অধিক লোকে অসমীয়া ভাষাক মাতৃভাষা বুলি কয়। অসমীয়া ভাষা মাতৃভাষা হোৱাৰ উপৰিও ইয়াক আঞ্চলিক ভাষা বুলিও কোৱা হয়। কাৰণ অসমত ৫৩ টাতকৈও অধিক মাতৃভাষা আছে। অসমীয়া ভাষাই মাতৃভাষা বা আঞ্চলিক ভাষা হিচাপে জাতীয় জীৱন, শিক্ষা-দীক্ষা সকলো ক্ষেত্ৰতে প্ৰভাৱ পেলাই আহিছে। বিগত সময়ছোৱাত বিধান সভাত বহুত আলোচনা হৈছে। যোৱা ডিচেম্বৰ মাহত যেতিয়া আমি শিক্ষা বিষয়ত নিউ এডুকেশ্যন পলিচি লৈ এটা আলোচনা কৰিছিলো তাতো আমি আমাৰ বক্তব্য ৰাখিছিলো যে নতুন শিক্ষা নীতিত দ্বি-ভাষীক আৰু ত্ৰি-ভাষীক ফৰ্মুলাৰ কথা আছে। সেয়েহে আৰু কিছু আলোচনাৰ মাজেৰে শিক্ষা নীতিত কি সিদ্ধান্ত ল'ব সেইটো গ্ৰহণ কৰা উচিত। যি কি নহওঁক অসমীয়া মাধ্যমৰ অৱস্থা শোচনীয় বুলি বিভিন্ন প্ৰচাৰ মাধ্যমত প্ৰকাশ পাইছে। ইয়াৰ কাৰণো বহুত আছে যাৰ ক্ষেত্ৰত চৰকাৰৰ কৰণীয় বহুখিনি আছে। যদি এই শিক্ষানুষ্ঠানখিনি উন্নত মানদণ্ডৰ হয় তেতিয়া নিশ্চিতভাৱে মাতৃভাষাৰ প্ৰতি পৰোক্ষভাৱে হ'লেও আগ্ৰহ বাঢ়িব। আৰ টি আইৰ এটা তথ্যত প্ৰকাশ পাইছে যে যোৱা ৫ বছৰত স্কুলৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে মাত্ৰ তিনি শ ছাব্বিশ কোটি টকা ব্যয় হৈছে বুলি সৰ্বশিক্ষাৰ ফালৰপৰা জনোৱা হৈছে। নেশ্যনেল চাৰ্ভে অনুসৰি যোৱা সময়ছোৱাত অসমৰ শিক্ষাৰ মানদণ্ড যথেষ্ট তললৈ আহিছে। গুণোৎসৱৰ তথ্য অনুসৰিও যোৱা সময়ছোৱাত যেতিয়া ২০১৮ চনত A+ Grade 23% পাইছিল। বৰ্তমান 11% লৈ অৱনমিত হৈছে। ঠিক তেনেদৰে A Grade 46% পাইছিল। বৰ্তমান 40% লৈ অৱনমিত হৈছে। অন্য এটা তথ্য অনুসৰি বহু বিদ্যালয়ত বিজ্ঞান বা অন্য বিষয়ৰ শিক্ষক নাই, লাইট, ফেন আদি নাই। ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰকাশ কৰা গৱেষণাৰ তথ্য অনুসৰি ৩৯,২৭৪ জন অ-প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষক আছে। ৰাজ্যৰ ২৫ শতাংশ মাধ্যমিক বিদ্যালয়ত বিষয় অনুপাতে শিক্ষকৰ অভাৱ। আধাতে শিক্ষা এৰি দিয়া ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও দেশৰ ভিতৰতে সৰ্বাধিক। যোৱা বৰ্ষত প্ৰায় ত্ৰিশ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয় ত্যাগ কৰিছে। এই তথ্যৰ পৰা আমি শিক্ষা দিশটো কেনেদৰে আগুৱাই নিব লাগে সেইটো চিন্তা কৰিব লাগে। ইয়াৰ মাজতেই চৰকাৰৰ ফালৰ পৰা এটা ঘোষণা আহিল যে বিজ্ঞান আৰু অংক ইংৰাজী মাধ্যমতো পঢ়োৱা হ'ব। এইক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে নিৰ্দ্দেশনা দিছিল য'ত সম্ভৱ হয় কমেও পঞ্চম শ্ৰেণীলৈ শিক্ষাৰ মাধ্যম বিশেষকৈ অষ্টম শ্ৰেণী আৰু তাৰ পিছলৈ ৰাজহুৱা আৰু ব্যক্তিগত বিদ্যালয়ত গৃহ ভাষা স্থানীয় অথবা আঞ্চলিক ভাষা হ'ব লাগে। সংবিধানৰ অনুচ্ছেদ ৩৫০ তো কোৱা হৈছে যে প্ৰতিখন ৰাজ্য আৰু স্থানীয় কৰ্তৃপক্ষই সকলো ভাষিক শিশুসকলক প্ৰাথমিক পৰ্য্যায়ত মাতৃভাষাৰ নিৰ্দ্দেশনাৰ বাবে পৰ্য্যাপ্ত সুবিধা দিব লাগে। শিক্ষাৰ অধিকাৰ আইন ২০০৯ ৰ অধীনত কোৱা হৈছিল যে বিদ্যালয় শিক্ষাৰ মাধ্যম হ'ব লাগে শিশুটিৰ মাতৃভাষা। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিতো এনেধৰণৰ কথা কোৱা হৈছে। যোৱা ১৮ জুলাইত আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছিল যে ষষ্ঠ শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিত ইংৰাজী মাধ্যমত শিকোৱা হ'ব। তাৰ দহ দিন পিছত কেবিনেটত সিদ্ধান্ত হ'ল যে অৰ্থাৎ জুলাইৰ মাহৰ ২৮ তাৰিখে কোৱা হ'ল যে ২০২৩ চনৰ পৰা ৰাজ্যিক আৰু প্ৰাদেশীকৃত অন্যান্য স্থানীয় মাধ্যমৰ বিদ্যালয়ত বিজ্ঞান আৰু গণিত ইংৰাজী মাধ্যমত শিকোৱা হ'ব। এনেধৰণৰ যদি হয়, এতিয়া যিসকলে পঢ়ি আছে আৰু পঢ়াই আছে তেওঁলোকে কিমান ইংৰাজী ভাষাত আয়ত্ব কৰিব পাৰিব সেইটো অতি চিন্তনীয়। মই অসমৰ উচ্চতম শিক্ষাৰ অনুষ্ঠানসমূহে তেনেকুৱা ধৰণৰ কোনো চাৰ্ভে কৰা দেখা নাছিল। কিন্তু গম পাইছিলো যে মালেয়েছিয়াত মুঠ ভাষা ১৩৭ টা আৰু তাৰ জনসংখ্যা ৩.২৪ কোটি । তাত যেতিয়া ইংৰাজী

ভাষা প্রৱর্তন কৰিব লৈছিল, তেতিয়া তাৰ তিনিখন বিশ্ববিদ্যালয়ৰ প্ৰবক্তা সকলে "Teaching of Mathematics and Science in English- the Teachers Voices" নামৰ Research paper এখন submit কৰিছিল। সেই Research অনুসৰি ৮০% উত্তৰদাতাই অনুভৱ কৰিছিল যে আঁচনি পৰিৱৰ্তনৰ ফলত শিকিবলগীয়া নতুন ইংৰাজী শব্দৰ সংখ্যাৰ সৈতে মিলা-মিছা কৰাত সমস্যা হৈছে। অৰ্থাৎ শিক্ষকসকলেও শিকাবলৈ যাওঁতে অসুবিধা পাইছিল। ৮৮.০৫% শিক্ষকে ইংৰাজী ভাষাত নিজকে সঠিকভাৱে প্ৰকাশ কৰাত অসুবিধা পাইছিল। ইংৰাজীত ধাৰণাবোৰ ব্যাখ্যা কৰাটোৱেই শিক্ষকসকলৰ মুখ্য সমস্যা আছিল। অধ্যয়ন কৰা ৮১.০৮% উত্তৰ দাতাই ইংৰাজীত এই ধাৰণাবোৰ বুজাত শিক্ষাৰ্থীসকলে সমস্যাৰ সন্মুখীন হ'লে এই ধাৰণাবোৰ বুজাবলৈ আকৌ মাতৃভাষা ব্যৱহাৰ কৰিবলগীয়া হৈছিল। যোৱা সময়ছোৱাত আমাৰ ASHA ৰ Report আৰু অন্য ৰিপৰ্টত উল্লেখ হৈছে যে যি ছাত্ৰ-ছাত্ৰীয়ে এতিয়া পঢ়ি আছে, তেওঁলোকে ইংৰাজীয়ে ভালদৰে পঢ়িব নোৱাৰে, তেনে ক্ষেত্ৰত যদি দুটা বিষয় ইংৰাজীত জাপি দিয়া হয়, তেন্তে ই আৰু অধিক অসুবিধাৰ সৃষ্টি কৰাটো নিশ্চিত। ঠিক তেনেদৰে মালয়েছিয়াৰ Academy of Language Studies ৰ Teachers' perspective of using English as a medium of instruction in Mathematics and Science Subject বুলি অন্য এটা survey ত কোৱা হৈছে যে- গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী মাধ্যমত লোৱাৰ ফলত শিক্ষাৰ্থীসকলৰ যথেষ্ট অসুবিধা হৈছিল। একেদৰে, হংকঙৰ ২৭ টা মুঠ ভাষাৰ মূল ৪ টা ভাষা হ'ল- Cantonese, Mandarin, Chinese and English. তাৰ জনসংখ্যা ৭৫ লাখ। হংকঙতো যেতিয়া ইংৰাজী মাধ্যম কৰিবলৈ গৈছিল তেতিয়া তেওঁলোকে অসুবিধা পোৱাৰ কথা দুখন বিশ্ববিদ্যালয়ে Research ত লিখিছিল যে-English medium institute's students might experience greater learning problem in Science than in other subjects, probably because Science learning involves abstract thinking and the mastery of scientific terminology which makes a high demand on language proficiency. গতিকে, অন্য ভাষাত বিজ্ঞান আৰু গণিত বিষয় দুটা আয়ত্ত্ব কৰিবলৈ অসুবিধা হ'ব বুলি বিভিন্ন অধ্যয়নে কৈছে। আমাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্দুল কালাম ডাঙৰীয়াইও কৈছিল যে মাতৃভাষাতহে এই বিষয়বোৰত পাঠদান হ'ব লাগে। তেখেতে বিজ্ঞানসন্মত শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত ভাষণ দিওঁতে কৈছিল যে নতুন ভাষা কেতিয়াও শিক্ষাদানৰ আধাৰ হ'ব নোৱাৰে। যিহেতু মাতৃভাষা আছে, গতিকে ইংৰাজী ভাষাটো তৃতীয় ভাষা হ'ব পাৰে। সি অসমীয়াই হওঁক বা আঞ্চলিক ভাষাই হওঁক। গতিকে, এজন ছাত্ৰই তৃতীয় ভাষাত বিজ্ঞান শিকিবলৈ বা বুজিবলৈ হ'লে প্ৰথমে তাক নিজৰ মাতৃভাষাত বুজি ল'ব লাগিব। ঠিক তেনেদৰে ড০ সৰ্বপল্লী ৰাধাকৃষ্ণনেও শিশুৱে প্ৰথম আৰু সহজে বুজি পোৱা ভাষাটোত শিক্ষাদান কৰাৰ পোষকতা কৰিছিল। গতিকে, উপাধ্যক্ষ মহোদয়, ইংৰাজী ভাষাত পাঠদান কৰাৰ বাবে বিভাগীয়ভাৱে যেনেধৰণৰ তৎপৰতা লৈ সাজু হ'ব লাগে, সেইখিনি নকৰাকৈয়ে তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী ভাষাত দি দিলে, আধাতে শিক্ষানুষ্ঠান এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এতিয়া যেনেকৈ ভাৰতৰ ভিতৰত অসমত সৰ্বাধিক ৩০% হৈছে, আগন্তুক সময়ত ই আৰু বৃদ্ধি হ'ব পাৰে। ফলত অসমীয়া জাতি বা অসমক দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত কৰাৰ যি পৰিকল্পনা সেইটো আধাতে এৰা ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে নিশ্চয় কৰিব নোৱাৰিম। সেয়েহে, এনেবোৰ কথাৰ বাবে আমি বিৰোধিতা কৰিছো আৰু উচ্চ পৰ্যায়লৈ যোৱাৰ পিছতহে বিজ্ঞান আৰু গণিত বিষয়

দুটা অন্য মাধ্যমত পঢ়োৱাৰ ব্যৱস্থা কৰে। এইখিনি মই সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি সভা স্থগিত প্ৰস্তাৱযোগেৰে এই কথাখিনি আলোচনা কৰিব বিচাৰিছিলো। কিন্তু, আমাৰ সকলোৰে মত সাপেক্ষে চৰকাৰে আমাক বেলেগ device ত আনিবলৈ কোৱাৰ বাবে আজি এই বিষয়টো আনিছো আৰু আমাক এইখিনি সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমাৰ দলপতি ডাঙৰীয়াই মাধ্যমৰ কথাটো উত্থাপন কৰিছে। সময় যিহেতু কম, গতিকে মই একেখিনি কথাকে ক'ব বিচৰা নাই। মই এই কেইটা দিনত গাঁৱৰ ভিতৰত গৈ জানি অহা বিভিন্ন ঠাইৰ মানুহৰ মনৰ কথা চৰকাৰক ক'ব বিচাৰিছো আৰু চৰকাৰক এই কথাবোৰ পুনৰ চিন্তা কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছো। আমি যিমানেই বিশ্ববিদ্যালয়ত নপঢ়ো কিয় আমাৰ প্ৰাথমিক স্কুলখন অতি মৰমৰ। সেই কাৰণে হয়তো এই স্কুলসমূহক সহায় কৰিবলৈ কিছু আঁচনি লৈছে। কিন্তু, এই স্কুলবোৰ এতিয়া বন্ধ হোৱাৰ উপক্ৰম হৈছে। মই কেইদিনমান আগত দিল্লীলৈ গৈছিলো। তাত মই Times of India বাতৰি কাকতত ৩০-০৮-২০২২ তাৰিখে প্ৰথম পৃষ্ঠাত ছপা বাতৰি এটা পঢ়িছিলো আৰু সেই বাতৰিটোৰ কেইটামান লাইন মই সদনত পঢ়ি দিব বিচাৰিছো- Lieutenant Governor to C.S.- Explain fall in enrolment in Govt. School- Lieutenant Governor V.K. Saxena's Office has written to the Chief Secretary to examine the reason behind the decline in enrolment and high absentees in Govt. Schools despite an increase in expendture on education based on data in Eco Survey 2021-22 of the Delhi Govt. So, the sources said. Lieutenant Governor এ AAP চৰকাৰলৈ কৈফিয়ৎ বিচাৰি এখন চিঠি লিখিছিল যে আপোনালোকৰ স্কুল শিক্ষা সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে ভাল বুলি কৈছে, শিক্ষা বিভাগত বছৰি টকাও বঢ়াই দিছে, তাৰ পিছতো enrolment কিয় কমি গৈছে? মই আমাৰ চৰকাৰকো অনুৰোধ কৰিছো যে এই কথাবোৰ অলপমান চাওঁক। আমাৰ অসমতো শিক্ষাৰ ক্ষেত্ৰত টকা বঢ়াইছে নেকি ? চৰকাৰে ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০, ২০২০-২১ বৰ্ষত কিছুমান শিতানত শিক্ষা বিভাগত কেনে ধৰণেৰে টকা খৰচ কৰিছিল সেই সম্পৰ্কে আমাৰ বিৰোধী দলপতিয়ে চৰকাৰক সুধিছিল । ২১-০৮-২০২২ তাৰিখে তেখেতৰ এই আৰ.টি.আই.ৰ উত্তৰ দি চৰকাৰে কৈছে যে অসম সৰ্বশিক্ষা অভিযান মিছনে বিত্তীয় বৰ্ষ ২০১৭ (৩১ মাৰ্চত সমাপ্ত বৰ্ষ)ত ১৩৮৩.৮৬ কোটি টকা খৰচ কৰিছে আৰু ২০১৯-২০ বৰ্ষত সেই টকা বাঢ়ি গৈ ১৪৮৭.০৯ কোটি টকা চৰকাৰে খৰচ কৰিছে। সেই খৰচটো ২০২০-২১ বৰ্ষত বাঢ়ি ১৬৮৫.৫৯ কোটি টকা হৈছে। উপাধ্যক্ষ মহোদয়, বছৰি বিভিন্ন খৰচ বাঢ়ি গৈ আছে, কিন্তু স্কুলসমূহত enrolment কমি গৈ আছে। এই enrolment কমাৰ বাবে চৰকাৰে তিনি-চাৰিখন স্কুল একত্ৰীকৰণ কৰিবলৈ লৈছে। গুণোৎসৱ পাতিছে, স্কুলৰ মানদণ্ডৰ কথাও কৈছে কিন্তু এই কথাবোৰ গুণোৎসৱত আলোচনা হৈছে নেকি? ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত যে enrolment বাঢ়ি গৈছে, চৰকাৰী বিদ্যালয়ত কিয় কমি গৈছে? চৰকাৰী স্কুলৰ শিক্ষকে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষকতকৈ তিনিগুণ বেছি দৰমহা পায়। এই enrolment কি কাৰণে কমি গৈছে তাৰ দায়িত্ব চৰকাৰৰ নে আন কাৰোবাৰ? উপাধ্যক্ষ মহোদয়, আজিকালি স্বাস্থ্য ক্ষেত্ৰত বহুত উন্নত হোৱাৰ কথা ক'ব লাগিব। সাধাৰণতে আমি GNRC ৰ কথা কওঁ, কিন্তু, যেতিয়া afford কৰিব নোৱাৰো

তেতিয়া GMCH ৰ কথা কওঁ। কিন্তু, AIIMS ৰ কথা সকলোৱে কয়। এনেকুৱা হ'বগৈ নেকি যেনেকৈ নাৰ্চিং হোম বিলাকে প্ৰাধান্য পাইছে তেনেকৈ আজি private school বিলাকে প্ৰাধান্য পাইছে আৰু চৰকাৰী স্কুল সমূহ লাহে লাহে বন্ধ কৰি গৈ আছে। এই স্কুল সমূহৰ লগত আমাৰ অনুভূতি জড়িত হৈ আছে। আজি যদি আমি দেখো যে মই আগতে পঢ়া স্কুলখনত বেলেগ এটা অনুষ্ঠান হৈ গ'ল তেতিয়া আমাৰ দুখ লাগিব। কিছুমান ব্যক্তি আজি আমাৰ মাজত নাই, মই দেখিছো যে হোমেন বৰগোহাঞি, ড° নগেন শইকীয়া ডাঙৰীয়াই তেখেতৰ নিজা স্কুল খনৰ কথা লিখা আমি দেখিছো। ড° নৰকান্ত বৰুৱাই নিজৰ স্কুলখনৰ বাবে কবিতা লিখা আমি দেখিছো। আজি এই কবিতাবিলাকৰ চিন্তাই নোহোৱা হৈ যাব নেকি? সেইকাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে ভাষাৰ ক্ষেত্ৰত আমাৰ দলপতি ডাঙৰীয়াই কৈছে যে এই একত্ৰীকৰণ কৰাৰ কাৰণ কি? একত্ৰীকৰণৰ কাৰণটো হৈছে যে আমাৰ স্কুল সমূহত enrollment কমি গৈছে। Enrollment কমাৰ বাবে দোষী কোন? যদি কিবা এটা ক্ৰাইম হোৱাৰ লগে লগে মই আয়োজনত একশ্যন লোৱাৰ লগে লগে SP জনৰ ওপৰতো যদি একশ্যন লওঁ, কেনেকৈ হ'ব? গতিকে মই একত্ৰীকৰণৰ বিষয়ে ভালদৰে চিন্তা কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছো। কিছু ক্ষেত্ৰত আমাৰ সদস্য সকলে এই বিষয়ে ক'ব নোখোজে কাৰণ আমি দেখিছো যে আমাৰ বিদ্যুৎ বঢ়াই দিলে আৰু কোনোবাই কোৱাৰ কাৰণে সেয়া আতৰাই দিলে। সেইকাৰণে মই কৈছো একত্ৰীকৰণ শব্দটো ভালদৰে আমাৰ মাননীয়ই নুবুজিব। পুৰণা স্কুল সমূহ যে উঠাই দিছে, কিয় উঠাই দিছে? নিশ্চয় তাত ছাত্ৰ-ছাত্ৰী নাই। Enrollment কমাৰ কাৰণ কি, আমাৰ লৰা-ছোৱালীৰ পঢ়া কমি গৈছে নে population কমিছে নে অধ্যয়ন কমিছে নেকি নে, স্কুল drop out বাঢ়িছে? এনেধৰণৰ কোনো প্ৰধান কাৰণ নথকাৰ পাছতো চৰকাৰে স্কুলসমূহ বন্ধ কৰিব বিচাৰিছে। মই একত্ৰীকৰণৰ পৰিৱৰ্তে বন্ধ শব্দটো ব্যৱহাৰ কৰিছো। মই ভাৱো যে স্কুলসমূহ বন্ধ নকৰিলে ৰাইজে আপোনালোকক ভাল পাব আৰু বন্ধ কৰিলে ৰাইজে আপোনালোককে বেয়া পাব। গতিকে গুণোৎসৱৰ লগতে আজি এই কথাবিলাকো গুৰুত্বপূৰ্ণ ভাৱে ল'ব লাগে। স্কুলৰ ৰিজাল্ট ভাল বেয়া ইত্যাদি সেই কথাবিলাক আমি আলোচনা কৰিয়ে থাকিম। ইয়াত আমাৰ তথ্যত দিছে - list of procurement made during the year 2020-21, প্ৰায় 3,476 কোটি। এই কথাবিলাক ভাল হৈ থকা নাই। আজি Lieutenant Governor, Delhi য়ে, কৈফিয়ৎ তলৱ কৰিছে যে গোটেই ভাৰতবৰ্ষতে শিক্ষা ব্যৱস্থা আপোনালোকে ভাল হৈছে বুলি কৈছে আৰু ইমান টকা খৰছ কৰিছে তৎস্বত্বেও আপোনালোকৰ Enrollment ইমান কিয় কমিছে আমাক দিয়ক। আমি Governor ৰ ওচৰলৈ যোৱা নাই। আমি বিৰোধী পক্ষই প্ৰথমে চৰকাৰৰ ওচৰত গৈছো আৰু চৰকাৰে আমাক জনাওঁক যে ইমান টকা খৰছ কৰাৰ পাছতো আপোনালোকৰ Enrollment ইমান কিয় কমিছে? স্কুল একত্ৰীকৰণ বন্ধ কৰক। একত্ৰীকৰণ বা amalgamation শব্দবোৰ বহুতে বুজি নাপায়। স্কুল বন্ধ হোৱাৰ আবেগৰ কথা আপোনালোকৰ সমৰ্থক সকলে নক'ব পাৰে কিন্তু তেওঁলোকৰ মনত তাৰ দুখ আছে। ক'ৰবাত হয়তো সেয়া পৰিস্ফুট হ'ব। গতিকে মই আৰু দীঘলীয়া নকৰো। পুনৰ মই চৰকাৰক অনুৰোধ কৰিছো যাতে একত্ৰীকৰণ বা amalgamation বা স্কুল বন্ধ কৰাটো আপোনালোকে সহানুভূতিৰে চাওঁক আৰু আমাৰ এই কথাখিনি আপোনালোকে যোগাত্মক দৃষ্টিভঙ্গীৰে ল'ব বুলি মই বিনম্ৰতাৰে আহ্বান জনাই মোৰ বক্তব্য শেষ কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, মানকাচৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি দেখিছো যে শিক্ষাৰ ক্ষেত্ৰত

যিখিনি কথা আহিছে, class iii ৰ পৰা যিখিনি কথা কোৱা হৈছে যে Science আৰু Maths ৰ লগতে ইংৰাজী মাধ্যমটো দিয়া হওক। এই চৰকাৰৰ দিনত আমি সেৱাক কেনেকৈ সংকোচিত কৰিব পাৰি মাজতে এই কথাৰ ওপৰত কথা আহিল। এতিয়া প্ৰতিখন সমষ্টিতে একোখন মডেল স্কুল দিয়াৰ ব্যৱস্থা কৰিছে ultimately ইংৰাজী মাধ্যমৰ প্ৰসাৰৰ এটা ব্যৱস্থা লৈ থকা যেন আমাৰ অনুভৱ হৈছে। Class iii ৰ পৰা নতুন ভাষা আৰম্ভ কৰা, সেই নতুন ভাষা আৰম্ভ কৰাৰ লগে লগে class v ত হিন্দী আহিব। ক'ৰবাত সংস্কৃত আহিব, ক'ৰবাত আৰবী আহিব,অসমীয়া মাধ্যম থাকিবই, ইংৰাজী নতুনকৈ যুক্ত হ'ব। এতিয়া যদি class iii ৰ পৰা ইংৰাজী ল'ব পৰা শিক্ষক ইংৰাজী মাধ্যমত পঢ়া আছেনে নাই? সেই শিক্ষক সকল Science ৰ ইংৰাজীৰ term ৰ বিলাক বুজি পাবনে নাই? অসমীয়া মাধ্যমত পঢ়ি অহা শিক্ষক খিনিয়ে সেই class iii ৰ Maths ৰ যিখিনি term, সেই বস্তুখিনিৰ লগত শিক্ষকসকল appointed হয় নে নহয় বা এই শিক্ষক সকলৰ ক্ষেত্ৰত বেলেগ কোনো ব্যৱস্থা কৰা হ'ব নে নহয় prepare কৰিবৰ কাৰণে তেখেতসকলৰ training আদিৰ ব্যৱস্থা কৰা হৈছে নে নাই? ঠিক তেনেকৈ আমি দেখিছো যে আঞ্চলিক শিক্ষাৰ ক্ষেত্ৰত আজি জাৰ্মানী, ফ্ৰান্স আদিত ইংৰাজী ভাষা লোপ হৈ হৈ ইংৰাজী ভাষা প্ৰায় নোহোৱা হৈ গৈছে। তেখেতসকলে নিজৰ ভাষাত সকলো বস্তু কৰি আছে। কিন্তু আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ সকলো ৰাজ্যতে আজিৰ দিনতো, নাগালেণ্ডত নাগামিজ ব্যৱহাৰ হয়। অসমীয়া ভাষাটোকে বেছি প্ৰভাৱ কৰি থকা হয়। কিন্তু আমি দেখিছো যে অসমৰ ভিতৰতে অসমীয়া লোপ পোৱা, অসমীয়া ভাষাটোৰ শ্মশান যাত্ৰা হোৱাৰ পথত লাহে লাহে। এছেও দুছেও কৈ দি দি এদিন অসমীয়া ভাষাটোৰ শ্মশান যাত্ৰা হ'ব নেকি? আমাৰ কথাটো হ'ল যে অসমীয়া মাধ্যমৰ যিবিলাক স্কুল যিটো কথা এই মুহূৰ্তত আমাৰ ৰকি বুল হুছেইন ডাঙৰীয়াই কৈছে যে স্কুলবিলাকৰ যিটো পৰিস্থিতি, স্কুল বন্ধ কৰি দিয়াৰ যিটো কৌশল তাৰবাবে প্ৰতিখন গাওঁত ব্যক্তিগত স্কুল খোলা আৰম্ভ হৈছে। আমি যদি সেই ব্যক্তিগত স্কুল সমূহক regulations ৰ জৰিয়তে control নকৰাকৈ তাক যদি আমি instigate কৰি থাকো তেতিয়াহ'লে আৰু বেছি চৰকাৰী স্কুল মৰি যোৱাৰ সম্ভাৱনা বাঢ়ি যাব। ব্যক্তিগত খণ্ডৰ শিক্ষক সকলতকৈ চৰকাৰী স্কুল সমূহৰ শিক্ষক দৰমহা তিনি চাৰি গুণ বেছি দিয়া হয়। চৰকাৰী স্কুল সমূহত ছাত্ৰ-ছাত্ৰী নপঠায় কিহৰ কাৰণে? ব্যক্তিগত স্কুল সমূহত বছৰত প্ৰতি মাহে মাহে পৰীক্ষা পাতে, unit test, half yearly, annual exam পাতে। তাত পাছ-ফেইল আছে। কিন্তু চৰকাৰী স্কুল সমূহৰ শিক্ষক সকলক ব্যস্ত ৰখা হয় census,election, counting, vote গ্ৰহন, চৰকাৰী যিমান কাম আছে সকলোতে। আমিও চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ আছিলো। সেই সময়ত শিক্ষক বিলাকে শিক্ষাৰ ওপৰত ব্যাপকভাৱে গুৰুত্ব দিছিল । বৃত্তি পৰীক্ষাৰ কাৰণে আমাৰ বেলেগকৈ শিক্ষকৰ ঘৰত মাতি পঢ়াইছিল। আজি সেই ব্যৱস্থা আছেনে? আজিৰ ব্যৱস্থাটো হৈছে যে compulsory pass. বছৰ পাৰ হ'লে ছাত্ৰ-ছাত্ৰীক উত্তীৰ্ণ কৰাবই লাগিব। যদি কোনোবা শিক্ষকে কাৰোবাক ফেইল কৰাই দিয়ে তেতিয়াহ'লে সেই তিনি মাহৰ ভিতৰত বেলেগকৈ পঢ়াই হ'লেও পাছ কৰাব লাগিব। এই সৰ্বশিক্ষা আৰু সমগ্ৰ শিক্ষাৰ নামত compulsory pass যিটো ব্যৱস্থা অসমত আৰম্ভ হৈছে তাৰবাবে অবিভাৱকসকলে কিয় নিজৰ সন্তানক চৰকাৰী স্কুলত দিব? ছাত্ৰ জীৱন সুখেৰ জীৱন যদি নাথাকে examination. এতিয়া examination নোহোৱা হৈছে। চৰকাৰী স্কুলৰ পৰা যদি নাপায় তেনেহ'লে এই ডিপাৰ্টমেন্টটোৰ প্ৰয়োজন ক'ত আছে কমিশ্যনাৰৰ কি প্ৰয়োজন আছে ? প্ৰাইভেট চেক্টৰক দিয়ক গোটেইখিনি । আমি যিটো দেখিছো যে কম্পালছৰী পাচ দিয়ে,

মিড ডে মিলৰ নামত যিটো খোৱা বোৱা তাত যিটো কাঁহি - বাতি লৈ স্কুল যোৱা যিটো টেনডেন্সি- ১১ বজাৰ লগে লগে সকলোৱে মিড ডে মিলৰ নামত ব্যস্ত হৈ যায় । মিড ডে মিল ৰান্ধিব লাগিব, খোৱাব লাগিব, এটা ৰুমতে তিনিটা চাৰিটা ক্লাছ সেই ক্লাছবিলাকৰ শিক্ষকবিলাকে ৰান্ধনী চাব নে তেওঁলোকে কাঁহি-বাতিয়ে চাব নে পঢ়া শুনায়ে চাব , কোনটো চাব তেওঁলোকে । আমাৰ ল'ৰা ছোৱালী প্ৰাইভেট স্কুলত পঢ়ি আছে । আমি দেখিছো আমাৰ লৰা ছোৱালীয়ে প্ৰাইভেট স্কুলত পঢ়া বাবে তেওঁলোকৰ প্ৰতিটো চাবজেক্টৰ কোৰ্ছ শেষ হোৱাৰ লগে লগে পৰীক্ষা পাতে , মাজে মাজে চাডেন্ট পৰীক্ষা পাতি দিয়ে , টেষ্ট পাতে , হাফ ইয়েৰলী পাতে, এনুৱেল পৰীক্ষা পাতে । চৰকাৰী ব্যৱস্থাৰ বৰ্তমান যিটো চাৰ্ভিছ চিষ্টেম হৈ আছে ইয়াৰ পৰা যিবিলাক লৰা ছোৱালী মেট্ৰিক পাছ কৰি আছে নিজৰ নাম, গাওঁৰ নাম এড্ৰেছ ভালকৈ লিখিব নোৱাৰে , দৰ্খাস্ত পিছৰ কথা । বি.এ পাছ কৰি আছে - হায়াৰ চেকেণ্ডৰী পাছ কৰি আছে কিন্তু তেওঁলোকৰ কোৱালিটি ইমানে be-low ষ্টেণ্ডাৰড যে কোনো কম্পিটিটিভ একজামত কমপিটিশ্যন কৰিব নোৱাৰে । আজিৰ দিনত চৰকাৰে ইৰ্ম্পটেন্স দুই ঠাইত দিব লাগিব। কিছু ক্ষেত্ৰত আমি দেখিছো চৰকাৰে যথেষ্ট মেৰিটৰ ওপৰত চাকৰি বাকৰিৰ ব্যৱস্থা কৰিছে , কিন্তু এই চাকৰিবিলাক কাৰ কাৰণে হ'ব ? অনলী যিবিলাক লৰা ছোৱালী প্ৰাইভেটত পঢ়ি আছে তেওঁলোকে চাকৰি পাব। চৰকাৰী স্কুলত যিখিনি দুখীয়া পৰিয়ালৰ লৰা - ছোৱালী পঢ়ি আছে তেখেতসকলৰ ল'ৰা ছোৱালী কেতিয়া এই কম্পিটিশ্যনত কোৱালিফাই কৰিব নোৱাৰে । তেওঁ লোকে চাকৰি-বাকৰিৰ মুখ দেখা নাপাব । তেওঁলোকৰ কাৰণে টেট পৰীক্ষা নহয়, তেওঁলোকৰ কাৰণে পুলিছৰ পৰীক্ষা নহয়, তেওঁলোকৰ কাৰণে থাৰ্ড গ্ৰেড- ফোৰ্থ গ্ৰেডৰ যিটো একজাম হৈছে সেইটো নহয় । কিহৰ কাৰণে যে যেতিয়াই কম্পিটিশ্যনত যাব প্ৰাইভেট চেক্টৰত পঢ়া লৰা ছোৱালীৰ লগত গৰ্ভমেন্ট চেক্টৰত পঢ়াশুনা কৰা লৰা ছোৱালী কমপিটিশ্যন কৰিব নোৱাৰে । আমি এনেকুৱা চিষ্টেমৰ ফালে যদি লৈ যাওঁ তাত কি অৱস্থা হ'ব? সেইদিনা মোৰ সমষ্টি মানকাছাৰত দেখিছো ১৭৪ হেড মাষ্টৰে ৰিজাইন কৰিছে , মই জানিবলৈ চেষ্টা কৰিলো যে কিহৰ বাবে ৰিজাইন কৰিছে- ডি চি অফিছৰ লগত আলোচনা কৰিলো- শিক্ষকসকলৰ লগত আলোচনা কৰিলো যে কিয় ৰিজাইন কৰিলে - এইখিনি কথা মই নকওঁ- হয়তো শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ লগত মই পাৰ্চনেলী বহিম, ক'ম কিহৰ কাৰণে হৈছে কিন্তু আজি আমি দেখিছো এই শিক্ষা ব্যৱস্থাই এটা সময়ত ভয়ানকভাবে শিক্ষা ব্যৱস্থাটো শেষ কৰিব। নতুনকৈ এন ই পি আহিছে । নিউ এডুকেশ্যন পলিচিত প্ৰি স্কুল এতিয়া অঙ্গনবাদীত হ'ব । এইটো আমি বুজি পাইছো - গোটেই পৃথিৱীত এতিয়া যিটো কনচেপ্ট লোৱা হৈছে - প্ৰতিটো চিলড্ৰেন, প্ৰতিটো ল'ৰা - ছোৱালী দেশৰ বাবে সম্পদ । ৰিচোৰ্চ অৱ দি কান্ট্ৰি হিচাপত বিবেচনা কৰা হ'ব আন উন্নত দেশৰ নিচিনাকৈ । কিন্তু আমাৰ কিমানটা অঙ্গনবাদী চেন্টাৰৰ বিল্ডিঙ আছে । কিমানটা অংগনবাদী চেন্টাৰ চৰকাৰী মাটিত আছে । কিমানটা অংগনবাদীৰ শিশুৰ ছয় বছৰলৈ পঢুয়াবলৈ ব্যৱস্থা আছে । এই বিষয়বিলাক যদি আমি লক্ষ্য কৰো তেতিয়া দেখিম আমাৰ এডুকেশ্যন চিষ্টেমত সাংঘাতিক এটা ডাঙৰ ক্ৰুটি ৰৈ গৈছে । সেই কাৰণে মই আজি উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে ক'ব বিচাৰিছো যে ড্ৰ'প আউটৰ ক্ষেত্ৰত আমাৰ কি ব্যৱস্থা কৰা হৈছে । বা আমাৰ যিটো ভোকেশ্যনেল আছে , আমি কি চৰকাৰীত পঢ়াখিনিক ভোকেশ্যনেলতে লৈ যাম নেকি ? যে তোমালোকে ইলেকট্ৰিচিটিৰ কাম শিকা, এই চৰকাৰী স্কুলত পঢ়া কোনেও কি আই এ এচ, আই পি এচ, এ চি এছপৰীক্ষাত বহিব নোৱাৰিব নেকি ? গতিকে আমি দেখিছো আমাৰ এডুকেশ্যন চিষ্টেমৰ এটা মাৰাত্মকভাবে এটা চিষ্টেম হৈছে যে, শিক্ষকসকল বেলেগত ব্যস্ত, স্কুলবিলাকত খোৱা পানীৰ ব্যৱস্থা কৰা হৈছে, টেংকী দিয়া হৈছে, পানীৰ ডাঙৰ

ডাঙৰ ৰিজাৰ্ভাৰ দিয়া হৈছে। সেই ৰিজাৰ্ভাৰত তিনিমাহ আগতে স্কুল খোলা থাকোতেই পানী ভৰাই থোৱা হৈছিল। এতিয়া  স্কুলত গৈ সেই তিনিমাহ আগতে থোৱা ৰিজাৰ্ভাৰৰ পানী খাব পাৰিব নেকি ? তাৰ কি ব্যৱস্থা লোৱা হৈছে ?  আমাৰ ইয়াত ৰাজস্থানৰ নিচিনা ইমান পানীৰ অভাৱ হোৱা নাই  যে, ডাঙৰ ডাঙৰ টেংকী বনাই বৰষুণৰ পানী  ধৰি ৰাখিব লাগিব। ৰাজস্থানৰ কনচেপ্টটো আমাৰ ইয়াত চলাই থকা হৈছে আৰু এই বৰষুণৰ পানীটো ছাত্ৰ- ছাত্ৰীয়ে  শোধন কৰি  খাব লাগিব। এনেকুৱা কিছুমান সুবিধা বা স্কীম স্কুল বিলাকত নাই,  ৰাণিং ৱাটাৰৰ ব্যৱস্থা নাই , যদিও ৰাণিং ৱাটাৰৰ ব্যৱস্থা আছে তেন্তে ফিল্টাৰৰ ব্যৱস্থা নাই । যদি পানীত ফ্ল'ৰাইড, আৰ্চেনিক এইবিলাক থাকে তেন্তে এনেকৈয়ে এই পানী খাব লগা হৈছে । আমি দেখিছো যিটো চৰকাৰী ব্যৱস্থা চলিছে ইয়াৰ মাজত এটা ডাঙৰ সংশোধনীৰ প্ৰয়োজন আছে । আৰু বিশেষকৈ যিটো মাধ্যমৰ কথাটো অনা হৈছে, মই ক'ব বিচাৰো, এতিয়া আমি নিজৰ ভাষাটোকে সংকুচিত কৰিম নেকি  ? আমাৰ অসমীয়া মাধ্যমত - ইংৰাজী, অসমীয়া শিকা নাই নেকি  ? আমি ইয়াত যিখিনি  বহি আছো আমাৰ বিধায়কসকল বা মন্ত্ৰীসকল ব্যুৰোক্ৰেটছ সকল আছো আমি সকলোৰে ৯৫ শতাংশই অসমীয়া মাধ্যমত পঢ়া। আমাৰ বেকগ্ৰাউণ্ড অসমীয়া মাধ্যম । আমি কি চাকচেচ হোৱা নাই ?  কিন্তু নতুনকৈ চাকচেচ হোৱাৰ মাত্ৰা দিয়াৰ কাৰণে নিজৰ ভাষাটো শেষ কৰাৰ যিটো প্ৰক্ৰিয়া চলাব বিচৰা হৈছে , এইটো বন্ধ কৰিব লাগে । এইটোৱে মোৰ আবেদন ,  ধন্যবাদ ।

**माननीय উপাধ্যক্ষ ঃ** হ'ব , ধন্যবাদ । এতিয়া অখিল গগৈ ডাঙৰীয়া ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, অত্যন্ত গুৰুত্বপূৰ্ণ বিষয় এটা, য'ত আমি আগতে এডজৰ্ণমেনন্ট মোশ্যন আনিছিলো । আমাক কোৱা হৈছিল যে,  এইটো বেলেগ এটা ডিভাইচত আলোচনা হ'ব গতিকে আজি ইয়াত আলোচনা কৰিবলৈ দিয়া বাবে ধন্যবাদ জনালো। যিহেতু বিষয়টোৰ আলোচনা যথেষ্ট হৈ গৈছে গতিকে মই পোনে পোনে ক'ব খুজিছো - মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এটা বক্তব্য মই প্ৰকাশ কৰি ল'ব খুজিছো । হিন্দুস্থান টাইমচত ২০২০ চনৰ চেপ্টেম্বৰ মাহত প্ৰকাশ কৰিছিল। নিউজটো আছিলে-PM modi houses for mother tongue as medium for instruction in Schools এই নিউজটোত কৈছে মোদী ডাঙৰীয়াৰ বক্তব্য উদ্ধৃত কৰা হৈছে যে যিসকলে ঘৰত  যিটো ভাষা শুনে সেই ভাষাটোকে আটাইতকৈ খৰতকীয়াকৈ শিকিব পাৰে । অন্য ভাষাত শিকাটো শিশুৰ বাবে অত্যন্ত চাপপূৰ্ণ হয় । গ্ৰাম্য এলেকাত শিক্ষাৰ মাধ্যম মাতৃভাষা নহ'লৈ পিতৃ মাতৃ সংযুক্ত হৈ নাথাকে ।  পঞ্চম শ্ৰেণীলৈ শিক্ষাৰ মাধ্যম মাতৃভাষা হ'ব লাগে। এইটো মোদী ডাঙৰীয়াৰ বক্তব্য। তাৰ পিছত মই আৰু টো নিউজ গাই দিব খুজিছো । এইটো হিন্দুৰ নিউজ। Regional languages essential  to promote full potential of Indians এইটো অমিত শ্বাহ  ডাঙৰীয়াৰ, তেখেতে দিয়া এটা বক্তব্যত তেখেতে এই কথা কৈছে । মই তেখেতে দিয়া  বক্তব্যৰ  এটা বা দুটা বাক্য কৈ দিছো । মুখস্থৰ দ্বাৰা শিক্ষাই তোমাক নম্বৰ দিব, ভাল চাকৰি বা আৰামদায়ক অৱসৰী জীৱন দিব যদিহে তুমি ওপৰলৈ যাব খুজিছা তেন্তে তুমি নিজৰ ভাষাত ভাবিব লাগিব। আকৌ কৈছে, ভাৰতীয় প্ৰতিভা বিকাশৰ বাবে আঞ্চলিক ভাষাৰ উদ্‌গণি অপৰিহাৰ্য্য যিহেতু  ৯৫ শতাংশ লোকে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰে । যদিহে আমি মেডিকেল ইঞ্জিনিয়াৰিং , আইন আদি ভাৰতীয় ভাষাত নপঢ়ো তেন্তে ৫ শতাংশ সম্ভাৱনাহে বিকশিত হ'ব  । সেই একেটা নিউজতে  ধৰ্মেন্দ্ৰ প্ৰধান যিগৰাকী ভাৰতবৰ্ষৰ শিক্ষান্ত্ৰী কি কৈছে জানেনে  ? অসম ভেলীৰ স্কুল ইন্সপেক্টৰৰ প্ৰতিবেদনৰ ভিত্তিত অসমৰ পৰা ১৮৫৪ চনৰ পাছত, এই যে ১৮৩৪ ৰ পৰা ১৮৭২ লৈকে যে অসমীয়া ভাষা আতৰি

গৈছিল, সেইটো continuation হৈছিল এই William Robinson ৰ প্ৰতিবেদনৰ ভিত্তিত। আজি আমাৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই নিজকে William Robinson ত পৰিণত কৰিব খুজিছে, এই কথাটো মই ইয়াৰ জৰিয়তে প্ৰথমতে কৈ ল'ব খুজিছোঁ। এতিয়া কোঠাৰী আয়োগে কি কৈছিল আপোনালোকে যদি চাই তেতিয়া আপোনালোকে দেখিবলৈ পাব যে কোঠাৰী আয়োগেও অতি স্পষ্ট ভাষাত কৈছে যে নহয় এইটো কোনো পৰ্য্যেই ইংৰাজী মাধ্যমত নহয়, অসমীয়া মাধ্যমতে সদায় শিক্ষা প্ৰদান কৰা হ'ব লাগে। এই কথাটো কোঠাৰী আয়োগেও স্পষ্টকৈ কৈছে। কেৱল কোঠাৰী আয়োগেই নহয়, কোঠাৰী আয়োগৰ পিছত যিমান বিলাক আছে, Professor Yash Pal Aayog ও 1992 ত একেই কথায়ে কৈছে। মই আটাইবোৰৰ কোটেচন দিব গ'লে দীঘলীয়া হ'ব সেই বাবে মই কেৱল উল্লেখ কৰি গৈছো যে Professor Yash Pal Aayog ও একেটা কথাই কৈছে যে মাতৃ ভাষাৰ মাধ্যমতে শিক্ষা প্ৰদান কৰা উচিত। Professor Yash Pal Aayog ৰ recommendation ৰ এটা মাত্ৰ বাক্য মই পাঠ কৰি দিছো It is becouse of this reason that we have resting ourself from repeating the recommendation that mother tongue along should be the medium of instruction at the Primary Stage.

**মাননীয় উপাধ্যক্ষ ঃ** লিখি আনিছে যদি lay কৰি দিব পাৰিব।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ-** মই সেই কাৰণে আপোনালোকক এই কথাটো কব খুজিছো যে মহত্মা গান্ধীয়ে এই সম্পৰ্কত কি কৈছিল। মহত্মা গান্ধীয়ে বাৰম্বাৰ এই কথাটো কৈ আহিছিল যে মাতৃ ভাষাৰ বাহিৰে অন্য কোনো ভাষাতে শিক্ষা প্ৰদান কৰাতো কেতিয়াও ভাল কথা নহয়। মহাত্মা গান্ধীয়ে কৈছিল আমাৰ ভাষা আমাৰ প্ৰতিবিম্ব। যদি কোনোবাই মোক কয় যে আমাৰ ভাষাটো আটাইতকৈ ভাল চিন্তাবোৰ প্ৰকাশ কৰিব পৰাকৈ চহকী নহয়, তেন্তে মই ক'ম যে তেনেহ'লে আমি বিলুপ্ত হৈ যোৱায়ে ভাল হ'ব। এইটো হ'ল মহাত্মা গান্ধীৰ বক্তব্য। আকৌ মহাত্মা গান্ধীয়ে কৈছে, (ক'ৰ পৰা কৈছে সেই বিলাক কৈ যাব খোজা নাই দেৰি হৈ যাব) বিদেশী মাধ্যমত পঢ়া-শুনা কৰিলে মগজুত অতিৰিক্ত বোজাৰ সৃষ্টি হয়। ল'ৰা-ছোৱালীৰ ওপৰত অযথা স্নায়বিক চাপ পৰে। তেওঁলোকক পৰীক্ষা মুখী আৰু অনুকৰণকাৰী কৰি তোলে। তেওঁলোকক স্বকীয় চিন্তা আৰু কৰ্মৰ বাবে অনুপযুক্ত হয় আৰু নিজৰ শিক্ষাক পৰিয়ালৰ আনলোক বা সৰ্বসাধৰণৰ মাজলৈ কঢ়িয়াই নিব নোৱাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য, আপুনি লিখি আনিছে যদি lay কৰি দিব পাৰিব, এইটো ৰেকৰ্ড কৰা হ'ব, পঢ়িব নালাগে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ-** উপাধ্যক্ষ মহোদয়, মহাত্মা গান্ধীয়ে আকৌ কৈছে মই ক'ব পাৰো যে যিখিনি অংক জ্যামিতি, বীজ গণিত, ৰসায়ন বিজ্ঞান, জ্যোতি বিজ্ঞান ইংৰাজীত শিকিবলৈ ৪ বছৰ লাগিল, সেই একেখিনি কথা মই গুজৰাটীত এবছৰতে শিকিব পাৰিলোহেঁতেন। এই কথা বিলাকৰ জৰিয়তে মই প্ৰথমতে অসমৰ বা ভাৰত বৰ্ষৰ সকলো বিশেষজ্ঞ সকলে সদায় কৈছে যে মাতৃভাষাত হে আচলতে শিক্ষা প্ৰদান কৰিব লাগে। এই কথাটো মই আপোনালোকৰ সন্মুখত আনি দিলো। মই আপোনালোকক জনাব খুজিছো যে চৰকাৰে আচলতে নাচিব নাজানি চোতালখন বেয়া বুলি ক'ব খুজিছে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, আৰু নালাগে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ-** চৰকাৰে আমাৰ শিক্ষাক আচলতে উচ্চ মানৰবিশিষ্ট শিক্ষা প্ৰদান

কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে। চৰকাৰে উপযুক্ত শিক্ষক-শিক্ষয়িত্ৰী নিযুক্তিৰ লগতে তেওঁলোকক প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে, আন্তঃগাথনি দিয়াৰ ক্ষেত্ৰত ব্যৰ্থ হৈছে আৰু এই বিলাক ব্যৰ্থ হৈ এতিয়া আমাৰ ওপৰত এটা নতুন বোজা, আমাৰ মাধ্যমটোক আমাৰ হাতৰ পৰা আঁতৰাই লৈ যাবৰ কাৰণে চেষ্টা কৰিছে। আচলতে খুব কম সময় দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** যথেষ্ট সময় দিয়া হৈছে, independent candidate হিচাপে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ-** মই এটা কথা ক'ম, অসমৰ শিক্ষা মন্ত্ৰী ডাঙৰীয়াই সেইদিনা যোৱা ১২ তাৰিখৰ দিনা সদনক সম্পূৰ্ণ ৰূপে বিপথে পৰিচালিত কৰিছে। তেখেতে National Education Policy 2020 ৰ নামত যি কেইটা quotation দিছে সেই quotation National Education Policy ত নাই। তেখেতে আমাৰ সদনক সম্পূৰ্ণৰূপে বিপথে পৰিচালিত কৰিছে। তেখেতে অতি স্পষ্ট ভাষাত সেই বক্তব্য কৰিছে, সেই বক্তব্য মই বাৰম্বাৰ শুনিছোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, চমু কৰক। অখিল গগৈ ডাঙৰীয়া এনেকৈ নহয়। এতিয়া মাননীয় সদস্য শ্ৰীকৃষ্ণ কমল তাঁতী। অখিল গগৈক ৮ মিনিট দিয়া হ'ল ৫ মিনিটৰ ঠাইত। আপুনি লিখি অনা খিনি lay কৰিব আমি accept কৰিম। অখিল গগৈ বহক, তেনেকৈ নহয়। ৫ মিনিটৰ কাৰণে অখিল গগৈ ডাঙৰীয়াক suspend কৰা হ'ল। সদন সকলোৰে কাৰণে, আৰু সদস্য আছে কবলৈ।

**শ্ৰীকৃষ্ণ কমল তাঁতী, (ৰঙাপাৰা) ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মই ক'ব বিচাৰো যে বিশেষকৈ মই চাহ বাগিচাৰ পৰা অহা এজন যুৱক। মই চাহ বাগিচাৰ শিক্ষাৰ ক্ষেত্ৰত অকনমান কব বিচাৰিছো। মই কব বিচাৰিছোঁ যে বিশেষকৈ মই ভাৱো আজি যি সকল মানুহে তেওঁলোকৰ সন্তান সমূহক প্ৰাইভেট স্কুলত দিয়ে, মই ভাৱো সেই সকল পিতৃ-মাতৃয়ে নিশ্চয় অসমীয়া মাধ্যমৰ পৰাই পাছ কৰি অহা আৰু তেওঁলোকে তেওঁলোকৰ সন্তান সমূহক প্ৰাইভেট স্কুলত বা ইংৰাজী মাধ্যমৰ স্কুলত নামভৰ্ত্তি এই কাৰণে কৰে তেওঁলোকে নিজেই এইটো পৰিতাপ কৰে বা তেওঁলোকে অনুসূচনা কৰে যে ইংৰাজী নজনাৰ বাবে তেওঁলোকে হয়তো জীৱনত যি ধৰণে আগবাঢ়িব লাগিছিল বা যি কৰিব লাগিছিল সেইখিনি কৰিব নোৱাৰাৰ বাবে তেওঁলোকে নিজৰ সন্তানক প্ৰাইভেট বা ইংৰাজী মাধ্যমতনাম ভৰ্ত্তী কৰাই অন্তৰ্ভুক্ত কৰে। এই সকল পিতৃ-মাতৃয়ে তেওঁলোকে নিজেই মাতৃ ভাষাত অধ্যয়ন কৰি আহিছে, কিন্তু তেওঁলোকেং উপলব্ধি কৰিছে যে কিবা কিবা কাৰণত হয়তো ইংৰাজী ভাষাতো নজনাৰ বাবে তেওঁলোকে জীৱনত য'ত উপনিত হ'ব লাগিছিল বা আগবাঢ়ি যাব লাগিছিল তাত যাব নোৱাৰাৰ বাবে সেই সকল পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তান সমূহক ইংৰাজী মাধ্যমত দিবলৈ বিচাৰে। মই দেখিছো এই প্ৰৱনতাটো আমাৰ অশিক্ষিত সমাজ খনত চাহ বাগিছাৰ সমাজ খনত মই দেখিবলৈ পাইছোঁ যে বাগিছাত কৰ্মৰত শ্ৰমিক সকলেও তেওঁলোকৰ সন্তানক আজিৰ তাৰিখত কিন্তু তেওঁলোকে প্ৰাইভেট স্কুলত নামভৰ্ত্তি কৰণ কৰিবলৈ এই কাৰণে বিচাৰে যাতে তেওঁলোকে অকমান ইংৰাজী শিক্ষাটো গ্ৰহণ কৰি তেওঁলোক আৰু আগুৱাই যাব পাৰে। যাতে তেওঁলোকে বাগিছাতে কৰ্মৰত হৈ নাথাকে, বাগিছাতে যাতে তেওঁলোকে শ্ৰমিক হৈ থাকিব নালাগে, তেওঁলোকে তাত কাম কৰি যাতে তাতে সীমিত হৈ থাকিব নালাগে আৰু আগবাঢ়ি যাব পাৰে, এই আশাটো, এই ইচ্ছাটো বাগিছাত কৰ্মৰত সেই শ্ৰমিক বন্ধু সকলৰ। মই সেই কাৰণে ভাৱো যে প্ৰাথমিক পৰ্য্যায়ত ইংৰাজী ভাষাতো প্ৰনয়ন কৰিবই লাগে। কাৰণটো হৈছে যি সকলে আজি ইয়াত বিধান সভাৰ মজিয়াত থকা বহু সদস্যই তেওঁলোকেও তেওঁলোকৰ সন্তানক প্ৰাইভেট বা ইংৰাজী মাধ্যমৰ স্কুলত দিয়ে। ইয়াৰ অন্যতম কাৰণটোৱে হ'ল আমি সকলোৱে উপলব্ধি কৰো

ইংৰাজী জনা জনক আমি অলপ ওপৰৰ আখ্যা দিওঁ। সদায় চাব আপুনি কোনোবা এজনে যেতিয়া ইংৰাজীত ভাষণ এটা দিয়ে তেওঁৰ ফালে সকলোৱে থৰ লাগি চাই থাকে। সেই আত্মবিশ্বাসটো তেওঁৰ মাজত আচলতে থাকে বুলি আমি সকলোৱে উপলব্ধি কৰোঁ। আমি হয়, অসমীয়া ভাষাটো ভাল পাব লাগিব, অসমীয়া ভাষাত আমি অধ্যয়ন কৰিব লাগিব, কিন্তু বেলেগ ভাষা জনাটো প্ৰয়োজন বুলি মই ভাৱো। কাৰণ অকল এটা কুৰাৰ মাজতে আৱদ্ধ হৈ থকা ভেকুলীটো হ'ব নালাগে। এটা ভাষাত আমি অধ্যয়ন কৰিলে অকল সেই ভাষাটোতে আমি মানুহৰ লগত কথা-বতৰা পাতিব পাৰিম। কিন্তু আমি যদি বিভিন্ন ভাষা জানো, ইংৰাজী আৰু হিন্দীও যদি ভালকৈ ক'ব পাৰো অন্যান্য ৰাজ্যৰ, অন্যান্য দেশৰ মানুহৰ লগতো আমি কিন্তু বাৰ্তালাপ কৰিব পাৰিম। লগতে, মই ভাৱো এটা আত্মবিশ্বাস জাগ্ৰত হয় মানুহৰ মাজত। মই আৰু এটা কথা ক'ব বিচাৰিছোঁ ইয়াৰ মাজতে এই যে মধ্যহ্ন ভোজনৰ ব্যৱস্থাটোৰ কথা কৈছে থাল বাতি লৈ মধ্যাহ্ন ভোজনৰ কাৰণে স্কুললৈ যায়, এই সংস্কৃতিটোৰ কথা কৈছে, মই কৈছো মধ্যাহ্ন ভোজনৰ কাৰণেও কিন্তু বহুত ছাত্ৰ-ছাত্ৰীয়ে স্কুললৈ যায়। মই বিদ্যালয় বোৰত যেতিয়া যাওঁ তেতিয়া দেখিছো বুধবাৰ দিনটোত যিদিনা কণী দিয়া হয় সেইদিনা ছাত্ৰ-ছাত্ৰী বেছি আহে। মধ্যভোজনৰ ছাত্ৰ-ছাত্ৰী বিদ্যালয়লৈ যোৱা এটা ব্যৱস্থা ঠিক কৰিছে বুলি মই ভাবো। মই চাহ বাগিচাৰ পৰা আহিছো। মই দেখিছো, বাগিচাত প্ৰৱনতাটো শিক্ষাৰ ক্ষেত্ৰত অতিকৈ পিছপৰা। আজিৰ তাৰিখত আমি আগবাঢ়ি যাবৰ কাৰণে চেষ্টা কৰিছো। আমাৰ চৰকাৰখনে হাইস্কুল নিৰ্মাণ কৰিছে বাগিচা অঞ্চলত। মই ভাবো আমাৰ স্কুল সমূহত সেই প্ৰাথমিক পৰ্য্যায়ৰ ইংৰাজী অংক আৰু বিজ্ঞান দিয়াটো বিচাৰিছো। যি Amalgamation ৰ কথাটো কৈছে, enrollment কমি গৈছে। enrollment কমি গৈছে হয়, যিসকলল শৈক্ষিক ব্যক্তি, যিসকল আমাৰ সমাজত আগবাঢ়ি থকা ব্যক্তি সকল, সকলোৱে কিন্তু তেওঁলোকৰ প্ৰৱনতাটো আছে যে, ব্যক্তিগত স্কুলত তেওঁলোকৰ ছাত্ৰ-ছাত্ৰীক আগবঢ়াই লৈ যায়। সেই কাৰণে চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী enrollment কমি গৈছে বুলি মই ভাবো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ মহোদয়** ঃ মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী। ৫ মিনিটত শেষ কৰিব ।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় লৈ ইয়াত আলোচনা চলি আছে, আমাৰ চৰকাৰৰ যি সিদ্ধান্ত ইয়াক মই সন্মান জনাই মোৰ চমু বক্তব্য দাঙি ধৰিব বিচাৰিছো। জ্ঞানমজ্যোতি বৰা মোৰ মৰিয়নী সমষ্টিৰ, কোকৰাঝাৰ NEET পাছ কৰিছে। চেলেঙহাটত হাইচেকেণ্ডাৰীত আমাৰ চৰকাৰী এখন বিদ্যালয়ৰ পৰা ডাক্তৰী পঢ়িবলৈ সুযোগ পাইছে। এই চৰকাৰৰ ব্যৱস্থা নোহোৱা হেতেন বা তেনেধৰণে শিক্ষক সকলক প্ৰশিক্ষণ নিদিয়া হ'লে জ্ঞানমজ্যোতি বৰাৰ দৰে এজন কৃষক পৰিয়ালৰ যুৱকে NEET পাছ কৰিব নোৱাৰিলেহেতেন। মৰিয়নী সমষ্টিৰ এই চেলেংহাট অঞ্চলৰ প্ৰথমজন চিকিৎসক হ'বলৈ গৈ আছে। আমাৰ চৰকাৰে প্ৰাগজ্যোতিষপুৰ বিশ্ববিদ্যালয়, আউনী আটি সত্ৰ বিশ্ববিদ্যালয়, সতী সাধিনী বিশ্ববিদালয়, অনিৰুদ্ধ দেব Sports University যিটো অসমৰ ৭৫ তম স্বাধীনতাৰ পিছত প্ৰথম বিশ্ববিদ্যালয় যি ক্ৰীড়াৰ দিশত চৰকাৰে ল'ব লৈছে, আমাৰ অসমীয়া সমাজৰ বৰণ্য ব্যক্তি সকলৰ মাজত নামাকৰণ কৰি অসমীয়াৰ যি আবেগ, যি সন্মান জনোৱা পদক্ষেপ, যিটো আগৰ চৰকাৰৰ আমি দেখা নাপালো তেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা। আজি প্ৰত্যক সমষ্টিত একোখনকৈ মডেল বিদ্যালয় নিৰ্মাণ কৰিবলৈ লোৱা, আমি যদি চাও চাহবাগানৰ দুৰ্গম অসম নাগালেণ্ড, অসম অৰুণাচল সীমান্ত ৩৫ কিঃমিঃ চহৰৰ পৰা দূৰৰ চাহবাগান এলেকাত যিটো বিদ্যালয় নিৰ্মাণ কৰিবলগীয়া ১০০ খন নিৰ্মাণ ইতিমধ্যে কৰিছে। এইটো মই শলাগ ল'বই লাগিব। আমাৰ সৈনিক

স্কুল প্ৰত্যক সমষ্টিতে নিৰ্মাণ কৰিবলৈ চৰকাৰে যিটো পদক্ষেপ লৈছে, আমাৰ মহিলা কলেজৰ যিটো পদক্ষেপ গ্ৰহণ কৰিছে। আজি আৰোহণ আঁচনিৰ অধীনত যি সকল দুৰ্বল ছাত্ৰ-ছাত্ৰী, তেওঁলোকক আজি মেধা সম্পন্ন কৰিবলৈ যি বিলাক আঁচনি লৈছে, আমি চৰকাৰক শলাগ লবই লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াই কৈছে যে এই বৰ্তমান সময়ত যিটো প্ৰতিযোগিতা হৈছে, সেইটোত আমি ফেৰ মাৰিব লাগিব। যাৰ কাৰণে আমাৰ অভিযন্তা বা চিকিৎসক হোৱাৰ দিশত আৰু বিজ্ঞানৰ দিশত কম্পিউটাৰৰ পৰা আদি কৰি বিজ্ঞানৰ লগত জড়িত বিষয় লৈ আমাৰ গাওঁৰ, বাগানাৰ আজি চৰ-চাপৰি অঞ্চলত লৰা-ছোৱালীক গঢ়ি তোলাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। যিটো আমি শাসক বিৰোধী সকলোৱে সন্মান জনাব লাগে। ভাষাক লৈ আগৰ চৰকাৰে এই ব্যৱস্থা বিলাক কৰিব লাগিছিল কিন্তু চিন্তা নকৰাৰ বাবে আমাৰ চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। আজি মৰিয়নি সমষ্টিত বিভিন্ন ধৰণৰ শেহতীয়াকৈ ১৮ টা বাহত চলি থকা প্ৰাথমিক বিদ্যালয়, মধ্য ইংৰাজী বিদ্যালয়, শেহতীয়াকৈ মই সৰ্বশিক্ষাৰ পৰা Additional Class Room ৰ আধাৰশিলা স্থাপন কৰিছো, মই দুদিনত আধাৰশিলা কৰি ইমানে গামোচা পালো, ইমানেই সন্মান, ৰাইজে আকোৱালি লৈছে চৰকাৰী এই ব্যৱস্থাক। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াই যিটো পদক্ষেপ গ্ৰহণ কৰিছে আৰু বহুত কষ্ট কৰিছে, তেখেতক সকলক ধন্যবাদ জনাই আৰু উদ্দমেৰে কাম কৰি যাওঁক তাৰ বাবে শুভেচ্ছা জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা। ৫ মিনিটত কলে ভাল হয়।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি উত্থাপন কৰা এই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৫০ নং নিয়মৰ অধীনত অসম চৰকাৰে গ্ৰহণ কৰা মাতৃভাষা সংক্ৰান্তীয় (মাধ্যম) সিদ্ধান্তই অসমৰ জাতীয় জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে। এই যিটো প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱটোৰ বিৰুদ্ধে ক'ব লাগিব। মই কেইটামান কথা যুক্তি দাঙি ধৰিব বিচাৰিছো, আমি দেখিছো আমাৰ ইয়াত Multi-Language আছে। বিভিন্ন ভাষা-ভাষিক লগ হৈ সমাজখন আছো। এতিয়া সমাজত থকা আমি সকলো ভাষা জনাটো ভাল । মোৰ কাষতে নগা ভাই সকল থাকে, কাষতে মেঘালয়ৰ খাচী ভাই সকল থাকে, অৰুণাচলৰ বিভিন্ন কমিউনিটি আছে, আমি খেলা ধূলা কৰি থাকো। মই যদি মিচিং ভাই সকলৰ গাৱলৈ যাও, মই যদি তেখেত সকলৰ লগত মিচিং ভাষাত কথা পাতো, তেতিয়া হ'লে তেখেত সকলে মোৰ ওচৰলৈ আহি, আমি তেখেত সকলৰ সমাজখনৰ আগবাঢ়ি যাবলৈ, আমাৰ সুবিধা হয়। এতিয়া প্ৰতিটো ভাষায়ে আমি জনা প্ৰয়োজন আছে। আমাৰ স্কুলত শিক্ষা ল'বলৈ যোৱাৰ আগতে আমাৰ যেনেকৈ ফুটবল বা খেলা-ধূলা কৰি থাকে। সিহতে খেলা-ধূলা কৰি থাকোতে সেই ভাষাবোৰ আয়ত্ব কৰে। আমি যদি ভাষা নিশিকো, ভাষালৈ যদি ভয় কৰো, তেতিয়া হ'লে এইটোৱে সেইটোৰ লগত কেতিয়াও লগ লাগিব নোৱাৰিম। আমি নিজে দশম শ্ৰেণীলৈকে অসমীয়া ভাষাতে পঢ়িছো। কিছুমানে ইংৰাজী মাধ্যমত পঢ়িছে, নাৰ্চাৰীৰ পৰা পঢ়িছে। তেওঁলোকে ইংৰাজী শিকি পেলাই কথাটো ক'ব পাৰে কিন্তু ব্যাকৰণ তেওঁলোকৰ ইমান ভাল নহয়। অসমীয়াত পঢ়ি যোৱা লৰা বা ছোৱালী যিখন দৰ্খাস্ত লিখিব, তেওঁ লিখা দৰ্খাস্তখন বেছি ভুল ওলাই। মই ভাবো ক্লাছ চতুৰ্থত পঢ়োতে দশম বা দ্বাদশ শ্ৰেণীৰ কথাটো উল্লেখ নকৰিলো। তাত Class- iv standard ৰ পঢ়া খিনিয়ে শিকাব। মোৰ ঘৰৰ কাষত থকা নগা বিলাকৰ লগত নগা ভাষাত কথা পাতো। আমাৰ চতিয়াৰ বিধায়ক পদ্ম হাজৰিকা দেৰে নেপালী ভাষাত কথা পাতে। এই ভাষা জনাৰ বাবে আমাৰ নাগালেণ্ড বা নেপালত

গৈ ভাৰ বিনিময় কৰাত সুবিধা হয়। ঠিক তেনেদৰে আমি অংক বিষয়টো এইদৰে শিকাই গ'লে ভৱিষতে ছাত্ৰ-ছাত্ৰী সকলৰ সুবিধা হ'ব। আপোনালোকে মন কৰিব যে সৰু কালত বহু কথা শিকিব পাৰি। সেই কাৰণে বহুমুখী শিক্ষাটো জনা দৰকাৰ আছে। এইটো UNESCO টো আছে আৰু এইটো UNESCO য়ে promate কৰিছে। ইংৰাজী বিষয়টো Class-iv ৰ পৰা পঢ়োৱা হয়। হিন্দী -৪ৰ্থ ত সংস্কৃত -৭ম ত আৰবীক- পাৰ্চীয়ান। সেইবাবে স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম। ল'ৰা-ছোৱালী জন্ম নহলে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কেনেকৈ বৃদ্ধি হ'ব? যিহেতুকে আজি কালি দুটাতকৈ অধিক সন্তান জন্ম নহয়, সেই বাবে আমাৰ কিছুমান গাওঁ অঞ্চলত সৰু ল'ৰা-ছোৱালীও নাই, বুঢ়া মানুহো নাই। we must try to learn language as much as possible কিয়নো ৰাঙিয়াত যাবলৈ ৰাচিয়ান ভাষা আৰু জাৰ্মানীত যাবলৈ হ'লে জাৰ্মান ভাষা জানিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ভৰত চন্দ্ৰহ নৰহ। ৫ মিনিট সময়তে বক্তব্য সামৰিব পাৰিলে ভাল হয়।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া,১৮ জুলাই তাৰিখে ৰাজ্যৰ কেবিনেটে যি সিদ্ধান্ত ললে যে, ৩য় শ্ৰেণীৰ পৰা অংক আৰু বিজ্ঞান বিষয়ৰ পাঠদান কৰা হ'ব। আমাৰ সৰ্বমুঠ ৬ টা বিষয়ৰ পাঠদান কৰা হয়। অংক, বিজ্ঞান, ইংৰাজী, অসমীয়া, ভূগোল আৰু বুৰঞ্জী। এনে কৰিলে পাঠদানৰ মাধ্যমটো ৫০ শতাংশ ৫০ শতাংশ ভাগ হ'ব। কাৰণ ইংৰাজী বিজ্ঞান আৰু গণিত বিষয়ৰ পাঠদান ইংৰাজী মাধ্যমত হ'ব আৰু অসমীয়া, ভূগোল আৰু বুৰঞ্জী অসমীয়া মাধ্যমত পঢ়োৱা হ'ব। একেখন স্কুলতে ৫০ শতাংশ ইংৰাজী আৰু ৫০ শতাংশ অসমীয়াত পঢ়োৱা হ'ব।

ছাৰ, National Education policy, 2020 ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই এইটো থকাৰ কথা কৈছিল। কিন্তু তাত bilingual text ৰ কথা কৈছে। মেডিয়ামৰ কথা কোৱা নাই। তাৰমানে গণিত আৰু বিজ্ঞানৰ মুল কিতাপখন অসমীয়াতে হ'ব। কিন্তু যিটো শব্দ স্থানীয় ভাষা নে অসমীয়া, বাংলা, বড়ো আদিত লিখিব নোৱাৰি সেইটো ইংৰাজীত হ'ব। ইয়াত multilingual মাধ্যমৰ কথা কোৱা নাই। National Education policy, 2020 ত Class iii ৰ পৰা ছাত্ৰজনে বিজ্ঞান আৰু গণিত নিজৰ মাতৃভাষা আৰু ইংৰাজীত ক'ব পৰা হ'ব লাগে। কিন্তু কিতাপখন ইংৰাজীত বনাব লাগে সেইটো কথা কোৱা নাই। Class i ৰ পৰা ছাত্ৰ জনে ইংৰাজীটো বিষয় হিচাপে পাব আৰু ইংৰাজীটো শিকিবই। এইটো কৰাৰ পিছত Class - III, IV & V ৰ পাছৰ পৰা ছাত্ৰজনে ইংৰাজীত গণিত আৰু বিজ্ঞানটো ইংৰাজী ভাষাত ক'ব পৰা হৈ উঠিব। সেই কাৰণে National Education policy, 2020, Right to Education Act 2019 আৰু Article 350 (A) of Indian Constitution এই গোটেই বিলাকৰ মতে পঞ্চমানলৈকে অন্ততঃ মাতৃভাষাত শিক্ষা দিব লাগে। Class - III আৰু IV ৰ আপোনালোকে যদি ইংৰাজী ভাষাটো গণিত আৰু বিজ্ঞান বিষয়ত সোমোৱাই দিয়ে তেতিয়া হ'লে, মাতৃভাষাত পঞ্চম মানলৈকে শিক্ষা দিয়াটো ন'হব। ২৮ জুলাইত যেতিয়া আপোনালোকে এইটো সিদ্ধান্ত ললে, তেতিয়া অসমৰ ভাষা সাহিত্যক প্ৰতিনিধিত্ব কৰা জাতীয় সংগঠন, তেওঁলোকৰ ১ তাৰিখৰ বৈঠকত অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, বড়ো ছাত্ৰ সন্থা, সদৌ অসম ছাত্ৰ সন্থা আদিয়ে এই সিদ্ধান্তৰ বিৰোধিতা কৰি মাননীয় মুখ্য মন্ত্ৰীক স্মাৰক প্ৰত্ৰ প্ৰদান কৰে। আপোনালোকে প্ৰতিটো সমষ্টিতে একোখন চি বি এচ চি স্কুল, প্ৰতিটো সমষ্টিতে একোখন বিদ্যালয়ক আদৰ্শ বিদ্যালয় বনোৱা, আৰু প্ৰতিখন জিলাতে ৫ খনকৈ যি ইংৰাজী মাধ্যমৰ বিদ্যালয় বনোৱাৰ এই সকলোবোৰ বিৰোধিতা কৰি

তেওঁলোকে স্মাৰক পত্ৰ প্ৰদান কৰিছিল। এই স্মাৰক পত্ৰ পোৱাৰ পিছত আপোনালোকে ১৮ তাৰিখে অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, বড়ো ছাত্ৰ সন্থা, সদৌ অসম ছাত্ৰ সন্থা আদি সকলো জাতীয় সংগঠনে আলোচনাত বহিছিল। কিন্তু আপোনালোকে নিজৰ স্থিতিতে থাকিলে। ইয়াৰ পিছত ২৩ জুলাই তাৰিখে অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, বড়ো ছাত্ৰ সন্থা, সদৌ অসম ছাত্ৰ সন্থা আদিৰ উপৰিও মিচিং, ৰাভা, দেউৰী, তিৱা, ডিমাচ, কাৰ্বি সাহিত্য সভাবোৰৰ এখন বৈঠক হৈছিল। আৰু এই বৈঠকত তেওঁলোকেও বিৰোধিতা কৰিছিল। অসমৰ জাতীয় সংগঠন, যিবিলাকে স্থানীয় ভাষা সাহিত্যক প্ৰতিনিধিত্ব কৰিছিল,তেওঁলোকে এইটো মানি লোৱা নাই। এতিয়া আটাইতকৈ বেয়া লগা কথা হ'ল, ইষ্টাৰ্ন মিছনাৰী সকলেও অসমীয়া ভাষাৰ বিষয়ে চিন্তা কৰিছে। কিন্তু আপোনালোকক অসমৰ মানুহে ২০১৬ আৰু ২০২১ ত অসমৰ শাসনভাৰ দিছে, ইয়াৰ পিছতো অসমীয়া মাতৃভাষা বা আন জনজাতীয় মাতৃভাষা গুৰুত্বৰ বিষয়ত বুজাব লগীয়া হোৱাত দুখ লাগিছে। ছাৰ ইয়াৰ পিছত মাননীয় মন্ত্ৰী ডাঙৰীয়াই আমাৰ জনজাতীয় সাহিত্য সভাৰ বৰমুৰীয়া সকলক ৭ ফেব্ৰুৱাৰী ২০২২ত এবাৰ নিমন্ত্ৰণ দিছিল । এই মিটিঙৰ মাইনুটচত ১১ টা বিষয়ৰ ওপৰত ঐক্যমতত উপনীত হৈছিল। এই বিষয়ৰ ২ নং আপুনি লিখিছিল, মিচিং, ৰাভা, দেউৰী তিৱা, language will be introduced as medium of instuction till Class-V.

**মাননীয় উপাধ্যক্ষ ঃ** please sitdown অখিল গগৈ ডাঙৰীয়া আপুনি বহক । আজি বিধান সভাত এটা গুৰুত্বপুৰ্ণ বিষয়ৰ ওপৰত আলোচনা চলি আছে আপোনালোকে চিৰিয়াছ নহয় নেকি? আপোনালোকে বিধান সভাৰ নিয়ম নাজানে। যেতিয়া অধ্যক্ষ বা উপাধ্যক্ষ ঠিয় হোৱাৰ পিছত বহিব লাগে । চিৰিয়াছ বিষয়ৰ ওপৰত আলোচনা হৈ আছে। ইংৰাজী বিষয়টো লাগে নে নালাগে সেইটো আলোচনা কৰিব লাগে। অসমৰ ছাত্ৰ-ছাত্ৰী সকলক ভিত্তি কৰি বিষয়টো আলোচনা কৰিব লাগে । অখিল গগৈ ডাঙৰীয়া আপোনাৰ এইটো এটিটিউড থাকে তেতিয়াহ'লে কি হ'ব । আমি হাউচ স্থগিত নাৰাখি বেলেগ ডিভাইচত আলোচনা কৰিবলৈ দিয়া হৈছে । সকলো দলকে একোমোডেট কৰা হৈছে । আৰু আঢ়ৈ ঘন্টা যিটো টপিক হয় তাৰে অখিল গগৈ ডাঙৰীয়া আপোনাৰ ভাগত সময় পৰে এক মিনিট চল্লিশ চেকেণ্ড, আপোনাক আঠ মিনিট ক'ব দিয়া হৈছে । আপুনি ইনজাষ্টিস বুলি ক'ব নোৱাৰে এইটোত । গতিকে আপোনালোকে সুন্দৰকৈ কথা বিলাক শুনক। ভৰত নৰহ ডাঙৰীয়াই ক'ব আৰু তাৰ পিছত দুগৰাকী ব্যক্তিক দিম তাৰ পিছত আমি উত্তৰ শুনিম । আপোনালোকৰ কোৱা হৈ গ'ল উত্তৰটো যদি নুশুনে তেতিয়াহ'লে কেনেকৈ হ'ব । মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, বিধায়ক ঃ** চাৰ ৭ ফেব্ৰুৱাৰী, ২০২২ মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনগোষ্ঠীয় সাহিত্য সভাখনক নিমন্ত্ৰন কৰিছিলে আৰু তাত এখন মিটিং হৈছিলে আৰু এই মিটিংত এঘাৰটা পইন্টত উপনীত হৈছিলে। তাৰে দুই নম্বৰটো হৈছিলে চাৰ Mising, Rava, Tiwa and Deuri language will be introduced as a medium till class-V তাৰ পিছত লিখিছিলে Karbi Anglong language will be introduced as a medium till class-VIII and after that it will be tought as a subject আৰু Dimasa will be taught as a subject বাকীখিনি চাৰ মই দীঘলীয়া নকৰো । কিন্তু এতিয়ালৈকে এই ৰাভা, মিচিং, দেউৰী, টিৱা, কাৰ্বি, ডিমাচাৰ কাৰণে যিটো প্ৰস্তাৱ লৈছিলে সেইটো এতিয়ালৈকে কেবিনেটে অনুমোদন জনোৱা নাই । আৰু যোৱা ৬ চেপ্তেম্বৰ তাৰিখে আপোনালোকে এখন কেবিনেট কোকৰাঝাৰত বহিলে । এই কোকৰাঝাৰৰ কেবিনেটত কিন্তু আপোনালোকে উচ্চতৰ মাধ্যমিকত

বড়ো মাধ্যম, বড়ো ভাষাৰ প্ৰচাৰৰ বাবে একাদশ আৰু দ্বাদশ শ্ৰেণীত বড়ো মাধ্যম আৰু মিশ্ৰিত মাধ্যম, বড়ো মাধ্যমটো আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে বড়ো ভাষা প্ৰবৰ্তন কৰা হ'ব । এইটো আপোনালোকে প্ৰস্তাৱ লৈছে কোকৰাঝাৰ কেবিনেটত। এইটো ভাল কথা যে বড়ো ভাষাৰ কাৰণে লৈছে । কিন্তু বড়ো ভাষাৰ কাৰণে যিটো প্ৰস্তাৱ লৈছে কিন্তু মিচিং, ৰাভা, টিৱা, দেউৰী, কাৰ্বি, ডিমাচা সেইটো কি হ'ল । এতিয়ালৈকে বহুবাৰ আলোচনা কৰা হৈছে এই বিষয়টো । ইয়াত যেতিয়া আলোচনা হৈছিলে মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে আপুনি ফেচবুকৰ নিউজ বিলাক চাই পেলাই আপুনি বক্তৃতা ৰাখিছে । আমি চৰকাৰে মিচিং, ৰাভা, টিৱা, দেউৰী, ডিমাচা, কাৰ্বি পঞ্চম শ্ৰেণীলৈকে মাধ্যম কৰিম । চৰকাৰে কৰিম বুলি কৈছিলে । সেই মতে আপুনি মাতি সিদ্ধান্ত ও ল'লে । কিন্তু কেবিনেট কেইবাখনো হৈ গ'ল এতিয়ালৈকে সেইটো হোৱা নাই। তাৰ পিছত আপোনালোকে কলে যে এতিয়া প্ৰদেশীকৰণ বন্ধ কৰি দিয়া হ'ব। কিন্তু এতিয়া বিটিএডি এলেকাৰ কাৰণে আপোনালোকৰ পলিচিটো বেলেগ আকৌ অসমৰ অন্যান্য জিলাৰ কাৰণে এই কথাটো অলপ বেলেগ বেলেগ । যোৱা সাত আগষ্ট তাৰিখে শিক্ষা সঞ্চালকালয়ৰ কাৰ্য্যালয়ৰ পৰা বিটিচি শিক্ষা সঞ্চালকালয়লৈ এখন চিঠি দিছে Submission of list of venture L.P school and M.E. School, High School, higher secondary school and secondary school under your jurisdiction. কিন্তু আমাৰ এলেকা বিলাকত আৰু প্ৰাদেশীকৰণ আৰু নহ'ব । ঠিক তেনেকৈ এমালগেমেশ্যনৰ ক্ষেত্ৰত আকৌ ডিৰেক্টৰ অফিচৰ পৰা এখন চিঠি দিছিলে য'ত বড়ো মাধ্যমৰ বিদ্যালয় আছে বা বড়ো এলেকাত স্কুল আছে এইবিলকাত এমালগেমেশ্যনটো একেধৰণৰ নহ'ব । সেই কাৰণে এতিয়া আমি বিশেষকৈ আপোনালোকৰ কেবিনেটে যিটো সিদ্ধান্ত লৈছিলে সেইটো আমাৰ অসম চৰকাৰে গ্ৰহণ কৰা মাতৃভাষা সংক্ৰান্তীয় সিদ্ধান্ত অসমৰ জাতীয় জীৱনত বিৰূপ প্ৰভাৱ পেলাইছে । অসমৰ কোনো জাতীয় সংগঠনে আপোনালোকৰ এই সিদ্ধান্তটো মানি লোৱা নাই । আৰু শিক্ষাৰ অধিকাৰ আইন বা ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি মাননীয় মন্ত্ৰী জনে যিটো বাখ্যা কৰিছে সেইটো তেনেকুৱা নহয় । সেই কাৰণে ষষ্ঠ শ্ৰেণীৰ পৰাই ইংৰাজীটো বাধ্যতামূলক কৰক । আমি ইংৰাজী ভাষাটোৰ বিৰোধিতা কৰা নাই । কিন্তু পঞ্চম শ্ৰেণীলৈকে মাতৃভাষাত আপোনালোকে শিক্ষা দিয়াৰ ব্যৱস্থা কৰক ।

**মাননয়ী উপাধ্যক্ষঃ** ধন্যবাদ। মাননয়ী সদস্য লৰেঞ্চ ইছলাৰী ডাঙৰীয়া ।

**শ্ৰী লৰেঞ্চ ইছলাৰী, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমে মই অসম চৰকাৰৰ লগতে মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। বড়ো মাধ্যমত একাদশ আৰু দ্বাদশ শ্ৰেণীলৈকে বড়ো মাধ্যমটো অসমত কৰাৰ কাৰণে চৰকাৰক পোন প্ৰথমে ধন্যবাদ জ্ঞাপন কৰিছো । বহু আন্দোলন আৰু বহুতো সংগ্ৰামৰ মাজত প্ৰয়াত মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাৰ দিনত ১৯৬৩ চনত বড়ো মাধ্যমটো আৰম্ভ হৈছিলে এল. পি. স্কুলত। পৰ্য্যায়ক্ৰমে বিভিন্ন ঘাট প্ৰতিঘাট বিভিন্ন অসুবিধা, কেতিয়াবা শিক্ষক নাই আৰু কেতিয়াবা পাঠ্যপুথি নাই তেনেকুৱা বিভিন্ন ঘাট প্ৰতিঘাটৰ মাজেৰে বড়ো মাধ্যমটো দশম শ্ৰেণীলৈ আহিল । দশম শ্ৰেণী পাওঁতেই যেতিয়া মেট্ৰিক পৰীক্ষা দিবলগীয়া হৈছিলে তেতিয়াওঁ কিতাপৰ অভাৱ আছিলে। অসমীয়া মাধ্যমৰ কিতাপ পঢ়ি পঢ়ি বড়ো ছাত্ৰ সকলে সেই সময়ত পৰীক্ষা দিবলগীয়া হৈছিলে । যিয়ে নহওঁক অসম চৰকাৰে এইবাৰ সিদ্ধান্ত লৈছে যে একাদশ আৰু দ্বাদশ শ্ৰেণীলৈকে বড়ো মাধ্যমটো লোৱা হ'ব । তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো । আমাৰ বিটিআৰ এটা এক'ৰ্ড হৈ গ'ল আৰু বি টি আৰ একৰ্ডত ৬.৩ দফা মতে বিটিআৰ অঞ্চলৰ আমাৰ ভেঞ্চাৰ স্কুলবিলাক (সকলো মাধ্যমকে সামৰি) যাতে

চৰকাৰীকৰণ কৰা হয় তাৰ কাৰণে ৬.৩ দফাত আছে । বিটিআৰৰ বাদেও অসমৰ বিভিন্ন জিলাত যিহেতু বড়ো মাধ্যম আছে সেই বড়ো মাধ্যম বিলাক য'ত য'ত বিটিএডিৰ বাহিৰত বড়ো মাধ্যম আছে সেই বড়ো মাধ্যম বিলাকো চৰকাৰীকৰণ কৰিব লাগে বুলি আমাৰ এটা দফাত আছে । যাৰ কাৰণে কেবিনেটৰ যিটো সিদ্ধান্ত সেই সিদ্ধান্তত আহিছে যে বড়ো মাধ্যমৰ কথাটো অসমত চৰকাৰীকৰণ কৰা নহয় কিন্তু বি টি আৰ চুক্তি মতে বি টি আৰ এলেকাত থকা সকলো মাধ্যমৰ স্কুল আৰু বি টি আৰৰ বাহিৰত য'ত য'ত বড়ো মাধ্যম আছে সেই বড়ো মাধ্যম বিলাকত চৰকাৰীকৰণ হ'ব বুলি এটা সিদ্ধান্ত আছিলে আৰু সেই চুক্তি মতে এতিয়া চৰকাৰী সিদ্ধান্ত লোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো । ১৯৬৩ চনৰ পৰাই যেতিয়া এল. পি. স্কুল, এম. ই. স্কুল হৈছিল সেই সময়ত চৰকাৰ কোনো ধৰণৰ পলিচি নাছিল। শ্ৰেণী বাঢ়ি গৈ আছে, কিতাপৰ অভাৱ, শিক্ষকৰ অভাৱ আছিলে । যাৰ কাৰণে সেই সময়তো আন্দোলন কৰিবলগীয়া হৈছিল । শিক্ষক পাবৰ কাৰণেও আন্দোলন, কিতাপ পাবৰ কাৰণেও আন্দোলন কৰিবলগীয়া হৈছিল। এইবাৰ যিহেতু চৰকাৰে এটা সিদ্ধান্ত লৈছে গতিকে সকলো ফালৰ পৰাই যাতে চৰকাৰে এটা পলিচি লয় যে শিক্ষকো দিয়া হ'ব, পাঠ্যপুথিও দিয়া হ'ব। নেক্সত একাডেমিক যি চেশ্যন সেই চেশ্যনৰ পৰা যাতে কৰা হয় বা কৰিবৰ কাৰণে যে ব্যৱস্থা লৈছে তাৰ আগতে শিক্ষক আৰু পাঠ্যপুথি সমূহ যাতে ঠিক কৰা হয় যাতে তেনেধৰণৰ অসুবিধাৰ সন্মূখীন হ'ব লগীয়া নহয়। কাৰণ তেনেকুৱা আমাৰ বহুত ইতিহাস আছে। স্কুলৰ কাৰণে এনেকুৱা এটা সংগ্ৰাম কৰিব লগীয়া হৈছিল। আমি আজি এই বিষয়ৰ ওপৰত কৰি আছো এই বিষয়ত হয়তো সকলো ৰাইজ এতিয়াও ভালদৰে অবগত হোৱা নাই বুলি মই অনুভৱ কৰো। বিভিন্ন চচিয়েল মিডিয়া বা মিডিয়াত যদি আমি চাওঁ আমি দেখা পাঁও যে ক্লাচ থ্ৰিৰ পৰা আৰম্ভ কৰা হ'ব বুলি কোৱা হৈছে গণিত আৰু বিজ্ঞান। বহুত মানুহে ভাবি লৈছে যে চৰকাৰে মাতৃভাষাৰ যি মাধ্যম সেই মাধ্যম উঠাই দিয়া হ'ব বুলি বা উঠাই দিবলৈ বিচৰা হৈছে এনেকুৱা ধৰণৰ আলাপ-আলোচনা হোৱাতো আমি দেখিবলৈ পাইছো। অলপ আগত আমাৰ সন্মানীয় বিধায়ক ডাঙৰীয়াই কৈছে যে কিছুদিন আগত সাহিত্য সভা, ছাত্ৰ সংগঠনৰ লগত আলাপ-আলোচনা কৰা হৈছে। এইটো আলোচনা আমি আৰু বিচাৰো। মাতৃভাষা মাধ্যমৰ লগত জড়িত যিবিলাক সাহিত্য সভা আছে, ছাত্ৰ সংগঠন বিলাক আছে তেওঁলোকৰ লগত আলোচনা কৰি চৰকাৰৰ সিদ্ধান্তটো কি এই বিষয়ে সঠিক ভাৱে তেওঁলোকক কোৱা হয় কাৰণ ইয়াত বহুত চাচপেক্ট হৈ আছে যে সঁচাকৈ তেওঁলোকে লাহে লাহে মাধ্যমটো উঠাই দিব নেকি এনেকৈ ভাবি আছে। আমাৰ বড়ো ৰাইজ সকলে হয়তো বুজি পাইছে যে একাদশ-দ্বাদশ শ্ৰেণীলৈকে যদি বড়ো মাধ্যমটো কৰিব বিচাৰিছে গতিকে মাতৃভাষা মাধ্যমটো উঠাই দিয়াৰ কোনো প্ৰশ্ন নাহে। এইটো আমাৰ এটা বিশ্বাস আছে। মই পুনৰাই চৰকাৰক অনুৰোধ জনাব বিচাৰিছো যে যিসকল ছাত্ৰ সংগঠন মাতৃভাষা মাধ্যমৰ লগত জড়িত তেওঁলোকক পুনৰাই আলোচনালৈ মাতিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমতে এটা কথা ক্লিয়াৰ কৰিব বিচাৰিছো যে শাসকীয় পক্ষৰ পৰা বাৰে বাৰে কৈ আছে আপোনালোকৰ লৰা-ছোৱালী ইংৰাজী মাধ্যমত পঢ়ুৱাই আৰু সেইকাৰণে মাধ্যমৰ বিৰোধীতা কৰিছে। মই মোৰ ল'ৰা একমাত্ৰ সন্তানক ইংৰাজী মাধ্যমত পঢ়োৱা নাই। ঘৰৰ ওচৰৰ প্ৰাথমিক বিদ্যালয়, ওচৰৰ হাইয়াৰ চেকেণ্ডাৰী স্কুলত ত আৰু কটন কলেজত পঢ়ুৱাইছো। হাইয়াৰ এডুকেশ্যন দিল্লী বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয় পৰা কৰাইছো। এইটো সেইকাৰণে জেনেৰেলাইজ কৰি এটা নেৰেটিভ

দিবলৈ চেষ্টা কৰা হৈছে। তেওঁলোকৰ এই সিদ্ধান্তৰ সপক্ষে মই তীব্ৰ বিৰোধী। স্বাধীন হোৱাৰ আজি ৭৫ বছৰ হৈছে । এতিয়াও আমি উপনিবেশ বাদী চিন্তা-ধাৰাৰ পৰা মুক্ত হ'ব পৰা নাই। দ্বিতীয় মহাসমৰৰ পিছত ১৭০ খন দেশ উপনিবেশ বাদৰ পৰা মুক্ত হৈছে। বহু দেশেই ইংৰাজৰ প্ৰতি দুৰ্বলতা উপনিবেশবাদী মনোভাৱৰ পৰা মুক্ত হৈছে। কিন্তু আমাৰ দেশ ভাৰতবৰ্ষত এতিয়ালৈকে আমি মাতৃভাষা বিকশিত কৰা, আমাৰ সংযোগৰ বাবে হিন্দী লাহে লাহে বিকশিত হৈছে। তেতিয়ালৈকে ইংৰাজী ভাষা নিশ্চিতভাৱে সংযোগী ভাষা হিচাপে থাকিব। তাৰ মানে এইটো নহয় যে মাধ্যমটো আমি ইংৰাজী ভাষালৈকে লৈ যাম আৰু তাক পোষকতা কৰিম। তাৰ সপক্ষে আমি এটা নেৰেটিভ লৈ যাম আৰু মানুহক বিভ্ৰান্ত কৰিম। এই কথাটো আমি স্বাভাৱিকতে নামানো। সেইক্ষেত্ৰত মই স্পষ্টভাৱে কৈছো। শিক্ষা বিভাগত সকলো কথায়ে ভাল কৈ চলা নাই। বিভিন্ন সমস্যা। আমাৰ মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈছে যে infrastructure মাতৃভাষাৰ চৰকাৰী স্কুলত গঢ়ি তোলা হোৱা নাই। চৰকাৰী স্কুলত ছাত্ৰ-ছাত্ৰী যাব নোখোজে, নিদিয়ে। ইংৰাজীৰ প্ৰতি এটা বিৰাট প্ৰীতিৰ ভাব সৃষ্টি কৰি ইংৰাজী মাধ্যমত বা প্ৰাইভেট স্কুললৈ ল'ৰা-ছোৱালীক ঠেলি দিয়া হৈছে। আমি infrastructure গঢ়ি তুলিব নোৱাৰিলো। ড্ৰপ আউট বন্ধ কৰিব পৰা নাই। অন্যান্য যিবিলাক কথা আছে মই বাকী সকলো বিশিষ্ট বুদ্ধিজীৱি, ভাৰতবৰ্ষৰে নহয় আন্তজাৰ্তিক সকলো বুদ্ধিজীৱি যি সকলে  শিক্ষাক লৈ চিন্তা-ভাবনা কৰে তেওঁলোক সকলোৱে কৈছে যে শিক্ষাৰ মাধ্যম মাতৃভাষা হ'লে তাৰ বিকাশ সৃষ্টিশীল মানুহ সৃষ্টি হ'ব পাৰে। এজন bureaucrat সৃষ্টি হোৱাৰ প্ৰতি যিটো ধাউতি দেখা দিছে বা তাৰ সপক্ষে ওকালতি কৰা হৈছে যে ইংৰাজী শিকিলেই কম্পিটিশ্যনত সফল হ'ব। মানুহ হিচাপে সৃষ্টিশীল হওঁক, মানুহ হিচাপে বিকশিত হওঁক তাৰ ওপৰত গুৰুত্ব আৰোপ কৰক। কেৱল কম্পিটিশ্যন আৰু কিছু আই.এছ অফিচাৰ সৃষ্টি কৰা বা আই. পি.এচ অফিচাৰ সৃষ্টি কৰা , কিছু bureaucrat সৃষ্টি কৰা, কিছু টেকন'কেট সৃষ্টি কৰাতো শিক্ষাৰ এটা উদ্দেশ্য হ'ব নোৱাৰে আৰু এইটো হোৱাটো উচিত নহয় বুলি বহুতো মনীষীয়ে কৈছে। মই আৰু উদ্ধৃতি দিব নোখোজো। কথাটো হৈছে এই শিক্ষাৰ ক্ষেত্ৰত যিমান সমস্যা আছে, ড্ৰপ আউটৰ সমস্যাকে ধৰি। আজি এমালগেমেশ্যনক লৈ যিবিলাক সমস্যাৰ সৃষ্টি হৈছে তাক সমাধান কৰাৰ কাৰণে আজি বিধান সভাত আলোচনা-বিলোচনা হওক আৰু তাক লৈ এটা সুস্থ নীতি হওঁক।  এনেকুৱা কৰ্ম কাণ্ড হৈ আছে য'ত আজি এমালগেমেশ্যনৰ কাৰণে আমাৰ চৰকাৰী বিদ্যালয় বিলাক যথেষ্ট ক্ষতিৰ সন্মূখীন হোৱা দেখা গৈছে। শিক্ষকৰ ক্ষেত্ৰত আজি টিউটৰ সৃষ্টি কৰা হৈছে। শিক্ষক বাদ দি টিউটৰ সৃষ্টি কৰা হৈছে। আনহাতে আমি দেখা পাইছো যে আমাৰ কলেজৰ শিক্ষক সকলক নিযুক্তি দিব পৰা নাই। মাহৰ পাছত মাহ পাৰ হৈ গৈ গৈছে। আনকি বছৰো পাৰ হৈ গৈছে তথাপিও আমাৰ কলেজৰ শিক্ষক সকলক নিযুক্তি দিব পৰা নাই। আনকি কলেজৰ এচেচিয়েট শিক্ষক সকলৰ যিখিনি সমস্যা সেইখিনিও ২০১৯ চনৰ পৰা শিক্ষা বিভাগে সমাধান কৰিব পৰা নাই। এনেকুৱা ধৰণৰ সমস্যা বোৰৰ সমাধান কৰক। এইবোৰ নকৰি একেবাৰে তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু অংক বিষয়ত ইংৰাজী মাধ্যমত শিক্ষা দিয়া ৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পৰি ৱৰ্ত্তে চৰকাৰে ইংৰাজী ভাষাটোৰ ওপৰত ভাল ইংৰাজী শিক্ষা দিয়াৰ ব্যৱস্থা কৰক। তাৰ বাবে ভাল শিক্ষক নিয়োগ কৰক। ইংৰাজী ভাষাতো ভালকৈ শিকক। তাত আমাৰ আপত্তি নাই। তাক আমি সমৰ্থন কৰো। আমি শিক্ষামন্ত্ৰী মহোদয়ৰ মুখত শুনিছো যে মাধ্যম ঠিকে আছে কিন্তু পাঠ্যপুথিখিনিহে পৰিবৰ্তন কৰিছে। গতিকে কোনটো সঁচা কোনটো মিছা? পাঠ্যপুথিৰ কিয় প্ৰয়োজন হৈছে এইবোৰ কথা স্পষ্ট হোৱা প্ৰয়োজন আৰু এইবোৰ কথাত বিতং আলোচনা হোৱাৰ

প্ৰয়োজন।

মাননীয় উপাধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়।

**ড° ৰণোজ পেগু, শিক্ষামন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰথমে মই ক'ব বিচাৰিছো যে শিক্ষাক লৈ আমাৰ বৰ্তমান আটাইবোৰ আলোচনা-বিলোচনা হৈছে আৰু কেন্দ্ৰীভূত হৈছে। এইটো এটা ভাল লক্ষণ। শিক্ষাক লৈ আলোচনা হোৱা উচিত। কিন্তু আজিৰ মূল উদ্দেশ্যটো আছিল অসম চৰকাৰে গণিত আৰু বিজ্ঞানত তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী মাধ্যমত ইয়াৰ পাঠ্যপুথি সমূহ প্ৰনয়ণ কৰিব। ইয়াৰ উপৰিও ইয়াত আনুসংগিক কিছুমান কথাও উত্থাপন হৈছে। গতিকে মই প্ৰথমে আনুসংগিক কথা কেইটাৰ ওপৰত মন্তব্য দিব বিচাৰিছো। প্ৰথমেই ধাৰণা এটা দিয়া হৈছে যে অসমৰ চৰকাৰী বিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি গৈছে। এতেকে একত্ৰীকৰণ কৰা হৈছে। এই তথ্যটো সম্পূৰ্ণৰূপে ভুল তথ্য। কিয়নো অসমৰ চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমা নাই বৰঞ্চ বাঢ়িছেহে। প্ৰাইভেট স্কুল বিলাকতো বাঢ়িছে আৰু চৰকাৰী স্কুল বিলাকতো বাঢ়িছে। এই তথ্য মই কোৱা নহয়। এইটো ভাৰত চৰকাৰৰ যি UDISE তথ্য আছে, সেই তথ্য মতে আমাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে। দ্বিতীয় কথাটো হ'ল এটা সময়ত ইমান বিলাক ভেঞ্চাৰ স্কুল খুলিলে আৰু এই ভেঞ্চাৰ স্কুল বোৰৰ প্ৰাদেশিকীকৰণৰ যি দাবী আহিল তেতিয়া সিমান সংখ্যক স্কুলৰ আমাৰ প্ৰয়োজনেই নাই। ২০১৩ চনত যেতিয়া প্ৰাদেশিকীকৰণ কৰা হৈ গ'ল আৰু হৈ যোৱাৰ পিছত আমাৰ প্ৰাথমিক খণ্ডতেই বিদ্যালয়ৰ সংখ্যা ৪৫ হাজাৰ হ'লগৈ। আমাৰ গাঁও আছে ২৬ হাজাৰ। এতেকে ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনৰ সময়ত কোৱা হ'ল যে আমি আৰু প্ৰাদেশিকীকৰণ নকৰো আৰু আমাক বিদ্যালয় নালাগে। সেই বিদ্যালয় সমূহত যিসকল শিক্ষক-শিক্ষয়িত্ৰী কৰ্মৰত আছিল তেওঁলোকৰ চাকৰি বিলাক হে প্ৰাদেশীকৃত কৰিম। কিন্তু লগতে এটা দফাও সন্নিবিষ্ট কৰা হ'ল যে কোনো বিদ্যালয় কোনো অঞ্চলত যদি একমাত্ৰ বিদ্যালয় হয় আৰু সেই বিদ্যালয়ৰ যদি আন্তঃগাঁথনি ভাল হয় তেতিয়াহ'লে চৰকাৰে সেই বিদ্যালয়খনত বেচ স্কুল হিচাপে গ্ৰহণ কৰিব পাৰে। এতিয়া ২০১৭ চনৰ আইন মতে ২০২১ চনত যিবিলাক বিদ্যালয়ৰ পৰা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ চাকৰি প্ৰাদেশীকৃত কৰিলো সেই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল আৰু শিক্ষক-শিক্ষয়িত্ৰী সকল সেই বিদ্যালয়খনত থাকিব নোৱাৰে। কিয়নো সেই বিদ্যালয়খন বন্ধ হ'ব। কাৰণ আমি সেই বিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰা নাই। সেই বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলক হে আমি প্ৰাদেশীকৃত কৰিছো। এতিয়া তেওঁলোকক বেলেগ স্কুললৈ যাবলৈ দিয়া হৈছে। ইয়াত ৰাইজৰ ওজৰ-আপত্তি আহিছে কাৰণে আমি কৈছো যে সেইখিনিও এখন কমিটি গঠন কৰি চাই ল'ম। এতিয়া এই ভেঞ্চাৰ স্কুল বোৰ বন্ধ হৈছে। তাৰমানে আমি এই ভেঞ্চাৰ স্কুল বিলাকক প্ৰাদেশিকীকৰণ কৰা নাই। কিন্তু ৰাইজৰ মাজত কথাটো এনেকুৱাকৈ ওলাইছে যে এই বিদ্যালয়খন বন্ধ কৰা হ'ল। বিদ্যালয়খন প্ৰাদেশিকীকৰণ হোৱাই নাই গতিকে বন্ধৰ প্ৰশ্নই নাহে। একাংশ বিদ্যালয় আছে, যিখিনি বিদ্যালয় বিভিন্ন কাৰণত বিশেষকৈ যিবোৰ অঞ্চলত অৰ্থনৈতিক ভাৱে উন্নতি হৈছে, মানুহৰ খৰছ কৰিব পৰা সামৰ্থ বাঢ়িছে আৰু ল'ৰা-ছোৱালীক ফিজ দি ইংৰাজী মাধ্যমৰ প্ৰাইভেট স্কুলত পঢ়ুৱাইছে তেনেকুৱা নগৰ অঞ্চল কিছুমানত কিছুসংখ্যক বিদ্যালয়ত ছাত্ৰ ছাত্ৰীৰ সংখ্যা আপেক্ষিক ভাৱে কমিছে। যিহেতু ওচৰতে আৰু এখন বিদ্যালয় আছে, তেনেহলে দুখন বিদ্যালয়ক লগ লগাই দিয়া হৈছে। আমাৰ ৪৫ হাজাৰ বিদ্যালয় আছে, এই ৪৫ হাজাৰ বিদ্যালয়ৰ ক্ষেত্ৰতো Right To Education ৰ যি আইন আছে, সেই আইনৰ দণ্ডিৰ ভিতৰতে কমেও ১ কিলোমিটাৰ দূৰত্বত এখন প্ৰাথমিক বিদ্যালয়, ৩ কিলোমিটাৰত এখন

ME বিদ্যালয় থাকে, সেই নীতিৰ আধাৰতে এই প্ৰক্ৰিয়াটো আগুৱাই লৈ যোৱা হৈছে। Drop out rate কমিছে বুলি কৈছে। Drop out লৈ আমি সৌসিদিনা সৰ্বভাৰতীয় পৰ্য্যায়তো আলোচনা কৰিছো। Drop out টো secondary stage ত বেছি আৰু তাত Drop out ৰ যি ৰেৰ্কড লোৱা হয়, Drop out ৰ ৰেৰ্কডটো UDISE ৰ তথ্যৰ ওপৰত। কিন্তু UDISE ৰ তথ্যটো আমাৰ ল'ৰা-ছোৱালীয়ে মেট্ৰিক পাছ কৰি ITI যেতিয়া Polytechnic Institute ত গুছি যায়, সেই তথ্যখিনিও UDISE ত নাহে। গতিকে enrolment & drop out এই দুয়োটাৰ ক্ষেত্ৰতে সঠিক সিদ্ধান্ত লোৱা কাৰণে আমি এটা বেলেগ ব্যৱস্থা আৰম্ভ কৰিছো। UDISE ৰ তথ্যটো প্ৰতি চেপ্তেম্বৰ মাহত বন্ধ হৈ যায়। চেপ্তেম্বৰৰ পৰা দ্বিতীয় চেপ্তেম্বৰলৈকে সেই তথ্যখিনি ব্যৱহাৰ হয়, সেই কাৰণে সেই তথ্যক আমি static data, সেইটো dynamic data নহয়, প্ৰতি মাহত update হৈ নাথাকে। গতিকে আমাৰ এতিয়া প্ৰতিটো মাহত, প্ৰতিটো দিনত update হৈ থাকিব পৰাকৈ এক dynamic data base সৃষ্টি কৰাৰ কাৰণে শিক্ষা বিভাগে কাম কৰি আছে। দূৰ্গা পূঁজাৰ পিছত আমি এই ক্ষেত্ৰত আপোনালোকক ভাল খবৰ দিয়াৰ কাৰণে সক্ষম হম আৰু তেতিয়া আচল ছবিখন আহিব, যে actual enrolment কিমান, enrolment কমিছে নে বাঢ়িছে, drop out কেনেধৰণে হৈছে, এই কথাখিনি এটা সঠিক ছবি আমি পাবলৈ সক্ষম হম আৰু আপোনালোকক দিবলৈও সক্ষম হম।

শিক্ষা বিভাগৰ ওপৰত বিতৰ্ক হৈছে ভাল কথা। শিক্ষা বিভাগৰ বিভিন্ন তথ্যক লৈ, এইকেইদিন মোৰ অনুভৱ হৈছে বহুতখিনি বিভ্ৰান্তি ৰাইজৰ মাজত আছে, তথ্যৰ বিভ্ৰান্তিও আছে আৰু conception ৰ বিভ্ৰান্তিও আছে। গতিকে আজি মই সদনক জনাব বিচাৰো, আমি ইতিমধ্যে কাম আৰম্ভ কৰিছো, আমি খুব সোনকালে অসমৰ চৰকাৰী খণ্ডৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষাত কি চলি আছে, কি অৱস্থাত আছে, কিমান বিদ্যালয় আছে, কিমান enrolment, কিমান সংখ্যক Graduate teacher আছে, কিমান সংখ্যক Post Graduate teacher আছে, intermediate teacher কিমান আছে, বিজ্ঞানৰ শিক্ষক কিমান আছে, এই সকলো তথ্য সম্বলতি white paper এখন শিক্ষা বিভাগে প্ৰকাশ কৰিম, য'ত সঠিক তথ্যখিনি অসমৰ ৰাইজে আৰু এই সদনে পাব বুলি মই আজি ইয়াতে ঘোষণা কৰিলো।

এতিয়া ইয়াতে যিটো বিষয় উত্থাপন কৰা হৈছিলে, মই সদনত কেইদিনমান আগতেও কৈছো। য'ত আমি মাধ্যমৰ সলনি কৰা বা নতুন ইংৰাজী মাধ্যমৰ বিদ্যালয় খোলাৰ কথা কৈছো, তাত আমি স্পষ্টভাৱে কৈছো যে আমি অসমত এখন আৰ্দশ বিদ্যালয়ৰ সংগঠন গঠন কৰিম আৰু তাৰ অধীনত আমি একোখনকৈ CBSC ইংৰাজী মাধ্যমৰ বিদ্যালয় খোলাৰ কাম আৰম্ভ কৰিছো। অসম চৰকাৰে ৯ টা মাধ্যমৰ বিদ্যালয় পৰিচালনা কৰে, ৯টা মাধ্যমৰ ভিতৰত ইংৰাজী মাধ্যমো আছে। এতিয়া CBSC ৰ অধীনত ইংৰাজী মাধ্যমৰ বিদ্যালয় পৰিচালনা কৰিম।

দ্বিতীয়তে, আমি এই কথাটো স্পষ্ট ভাৱে কৈছো যে নিৰ্বাচিত কিছু সংখ্যক বিদ্যালয়ত য'ত অসমীয়া মাধ্যম আছে বা বেঙ্গলী মাধ্যমৰ তাত ইংৰাজী মাধ্যমৰ শাখাও আমি খুলিম। আৰু সেইটো request based হব, যে বিদ্যালয়খনে request কৰিছে বা তাৰ অভিভাৱকসকলে request কৰিছে, তাত ইংৰাজী মাধ্যমৰ শাখা এটাও খুলিম। কাৰণ আমাৰ যিখিনি চৰকাৰী ইংৰাজী মাধ্যমৰ CBSC course ৰ বিদ্যালয়, সেই বিদ্যালয়খিনিত যিমান আবেদন আহে, আমি সকলোকে আসন দিব নোৱাৰো। ১০০ খন আসনৰ বিপৰীতে আমাৰ ১ হাজাৰ, ডেৰ হাজাৰ আবেদন আহে। আমি সকলোকে নামভৰ্তী কৰাব নোৱাৰে, সেই কাৰণে এনে ধৰণে শাখা খোলাৰ

কথা আমি বিচাৰ বিবেচনা কৰিছো।

এতিয়া আহো মাতৃভাষা মাধ্যম। মাতৃভাষা মাধ্যম বুলি কলে মুলত অসমীয়া মাধ্যম, বড়ো মাধ্যম, বেঙ্গলী মাধ্যম। এই মাধ্যমৰ বিদ্যালয় সমূহত তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞানৰ পাঠ্যপুথিখন ইংৰাজীত হ'ব।

(...সদনত হুলস্থুল)

অশ্বত্থমা হত, ইতি গজটো মানুহক শুনিবনৈ নিদিয়ে আৰু হুলস্থুল কৰে।

মাননীয় সদস্য ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যোৱা ফেব্ৰুৱাৰী মাহত কৈছিলে। আমি অসমৰ ১১ টা জনগোষ্ঠী সংগঠনৰ লগত বহি আমি সিদ্ধান্ত লৈছে যে মিচিং, ৰাভা, কাৰ্বি, দিমাহাছাও, এই ভাষা সমুহক শিক্ষাৰ মাধ্যম হিচাপে প্ৰাক্ প্ৰাথমিকৰ পৰাই প্ৰয়োগ কৰা হ'ব। তাৰ কাৰণে তেওঁলোকৰ লগত দ্বিতীয় লানি, তৃতীয় লানি আলোচনা হৈ গৈছে আৰু আলোচনা হোৱাৰ পিছত technic work ও হৈছে আৰু পাঠ্যপুথি প্ৰস্তুষ্ট কৰাৰ কাৰণে কাম বৰ্তমান চলি আছে। আমি কেৱল প্ৰাথমিক কোৱা নাই। আমি কৈছো প্ৰাক্ প্ৰাথমিকৰ পৰা। অৰ্থাৎ তিনি বছৰৰ বয়সৰ পৰাই ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাত অসমত শিক্ষা লাভ কৰিব পাৰিব। আৰু যিখিনি ethnic minority আছে, সেই ethnic minority group বিলাকেও যাতে নিজৰ নিজৰ মাতৃভাষাৰ শিক্ষা লাভ কৰিব পাৰে, তাৰ ব্যৱস্থা অসম চৰকাৰে কৰি আছে। ইয়াৰ কাৰণে শিক্ষকৰ মেপিং প্ৰক্ৰিয়া এটা চলি আছে। যিসকল আমাৰ ইতিমধ্যে কৰ্মৰত শিক্ষক আছে, তেওঁলোকৰ ভিতৰত ৰাভা ভাষা জনা, টিৱা ভাষা জনা, মিচিং ভাষা জনা, কাৰ্বি ভাষা জনা, কোন ক'ত আছে, তেওঁলোকৰ এটা মেপিং কৰা প্ৰক্ৰিয়া কৰা হৈছে যাতে, সেই ভাষা কোৱা অঞ্চলৰ বিদ্যালয়ত তেওঁলোকক নিযুক্তি দিব পৰা যায়। এতিয়া তেওঁলোকক ethnic minority, জনগোষ্ঠী, সংখ্যালঘু মানুহখিনিৰ ভাষাত আমি বিদ্যালয়ত পাঠদান কৰিম। কিন্তু upto what stage, আমি কৈছো যে ক্লাছ ৫ লৈকে আমি আৰম্ভ কৰিম, তাৰ পিছত ক্লাছ ৬ ৰ পৰা কি হ'ব, তাৰ পৰিকল্পনা কৰিব লাগিব। ক্লাছ ৯ ৰ পৰা কি হ'ব তাৰ পৰিকল্পনা কৰিব, ক্লাছ ১১, ১২ ৰ পৰা কি হ'ব, তাৰ পৰিকল্পনা কৰিব লাগিব আৰু এইটো কৰিবলৈ যাওঁতে ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে কি কৈছে, এই ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ যদি আমি ভাষা সম্পৰ্কীয় chapter টো চাওঁ, সেইটোত আছে Multi-Linguilism and the power of language অৰ্থাৎ ইয়াত focus টো হৈছে যে এটা ভাষাৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ শিক্ষা ব্যৱস্থা আগবাঢ়ি যাব নোৱাৰে, সম্পূৰ্ণ হ'ব নোৱাৰে। আমাৰ শিক্ষা based হ'ব লাগিব Multi-Linguilism ত। Multi-Linguilism ত কি কি ভাষা আহিলে, যে এটাতো নিজৰ মাতৃভাষা আহিল। কিছুমান আহিলে... (সদনত হুলস্থুল)

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ তেনেকুৱা হলে নহ'ব। এইটো যদি হয়, মই সদন ত্যাগ কৰিম। .. (সদনত হুলস্থুল)।

**মাননীয় উপাধ্যক্ষ** ঃ মন্ত্ৰীয়ে উত্তৰ দিলে শুনিব লাগে। অখিল গগৈ ডাঙৰীয়া আপুনি যাব পাৰে। Please donot distrube

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** এযাৰ কথা শুনি যাওঁক। যুক্তি যেতিয়া হেৰাই যায়, তেতিয়া মানুহ উন্মাদ হয়।

**মাননীয় উপাধ্যক্ষ ঃ** এক মিনিট মন্ত্ৰী ডাঙৰীয়া। ২ টা বাজিছে, কিমানমান সময় লাগিব।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰীঃ** ১০ মিনিট সময় দিয়ক।

**মাননীয় উপাধ্যক্ষ ঃ** আমি ১০ মিনিট তেখেতৰ ৰিপ্লাইটো লৈ লওঁ। যদি সদনৰ অনুমতি আছে।

সদনৰ সময় ১০ মিনিট বঢ়াই লৈছো।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** এতেকে আমি য'ত ইংৰাজী মাধ্যম কৰিব খুজিছো, আমি সেইটো স্পষ্টভাৱে কৈছো যে আদৰ্শ বিদ্যালয় ইংৰাজী মাধ্যমত হ'ব। নিৰ্বাচিত কিছু বিদ্যালয়ত ইংৰাজী মাধ্যমৰ শাখা এটাও হ'ব। এতিয়া মাতৃভাষা মাধ্যমৰ ক্ষেত্ৰত আমি এই ৰাষ্ট্ৰীয় শিক্ষানীতি অনুযায়ী আমি Multilingual এটা approach লৈছো। Multilingual মানে মাতৃভাষা যে আমি তাতে মাতৃভাষাৰ উপৰিও বহু ছাত্ৰ-ছাত্ৰীৰ ক্ষেত্ৰত তেওঁলোকে regional language শিকিব লাগিব। আজি কাৰ্বি ভাষাক যেতিয়া মই মাতৃভাষা হিচাপে introduce কৰিম, তেওঁলোকে মাতৃভাষাৰ উপৰিও তেওঁলোকে regional language শিকাৰ burden তেওঁলোকৰ আহিব। হিন্দী ভাষা শিকাৰ burden এটা আহিব, ইংৰাজী ভাষাৰ শিকাৰ burden এটা আহিব। আজি এইখন ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে তিনিটা ভাষাৰ নীতিৰ কথা কৈছে কিন্তু অসমৰ ক্ষেত্ৰত এনে প্ৰয়োজনীয়তা আহিব, য'ত আমাৰ চাৰিটা ভাষাৰ প্ৰয়োজনীয়তা আহিব। কিন্তু তাৰ কাৰণে কি পৰিকল্পনাৰে এই ভাষা সমূহৰ জ্ঞান আমি ছাত্ৰ-ছাত্ৰীক দিম আৰু ইয়াৰ মাজত অপৰিহাৰ্য্যভাৱে এটা কথা সকলোৱে স্বীকাৰ কৰিব সেই কথাটো হ'ল যে ইংৰাজী ভাষাটোৰ জ্ঞান আমাৰ ছাত্ৰী-ছাত্ৰী সকলৰ কাৰণে প্ৰয়োজন। কাৰণ secondary ত আৰু higher education ত ইংৰাজীটো প্ৰয়োজন। এতিয়া ইংৰাজী ভাষাটো যদি প্ৰয়োজন হয়, তেতিয়াহ'লে ইংৰাজী ভাষাটো শিকাব লাগিব। কেতিয়া শিকাম? ক'ৰপৰা শিকাম?

**শ্ৰীভৰত নৰহ, নাওঁবৈচা ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি উত্তৰ দিছে, আমি সেইটোত সন্তুষ্ট নহয়।

(কংগ্ৰেছে সদন ত্যাগ কৰে)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি কথাখিনি শুনি শেষ কৰি লওঁক।

**শ্ৰীদেবব্ৰত শইকীয়া, নাজিৰা ঃ** চাৰ, Class III ৰ পৰা কৰাখিনি আমি প্ৰতিবাদ কৰিছো। আমি যিটো কৈছিলো যে education policy class viii ৰ পৰা আছে।

**(সদনত হুলস্থূল)**

**মাননীয় উপাধ্যক্ষ ঃ** You continue.

**শ্ৰী আমিনুল ইছলাম, মানকাছাৰ (কনিষ্ঠ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো। আজি যদি বড়ো, মিচিং, তিৱা, কাৰ্বি আদি সকলোতে মাতৃভাষা হয়, অসমীয়া ভাষা ক'ত? এতিয়া যদি কাৰ্বি, মিচিং সকলোকে যদি এইটো দিয়া হয় আমাৰ regional ভাষা হিচাপে যদি অসমীয়াক দিয়া হয়, তেতিয়াহ'লে অসমীয়া কোন হয়? আজি অসম বিধান সভাত যদি অসমীয়া ভাষাৰ এইটো অৱস্থা হয়, অসমত যদি অসমীয়া ভাষাক regional ভাষাক নতুন প্ৰাণ দিয়া হয়, অসমত যদি অসমীয়া ভাষাৰ regional ভাষা বুলি কোৱা হয়, তেতিয়াহ'লে অসমীয়া কোন হয়। অসমৰ মাতৃ ভাষাক regional ভাষা হিচাপে কোৱা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় আমিনুল ইছলাম ডাঙৰীয়া, Rule 50 ত এনেকৈ বাৰে বাৰে প্ৰশ্ন সোধাৰ system নাই। Please sitdown.

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** এইটো এটা বেলেগ বিতৰ্ক।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে ৰিপ্লাইটো কিয় শুনিব নিবিচাৰে।

**(সদনত হুলস্থূল)**

**শ্ৰীআমিনুল ইছলাম, মানকাছাৰ (কনিষ্ঠ) ঃ** ৰিপ্লাই শুনিছো। এইটো ৰিপ্লাইৰ জৰিয়তে অসমীয়া ভাষা শেষ কৰিব খোজা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** ৰিপ্লাই শেষ হোৱাৰ পিছত যদি কিবা ক'বলগীয়া আছে, ক'ব।

**ড° ৰফিকুল ইছলাম, জনীয়া ঃ** এফালে 'কা' ৰ জৰিয়তে লাখ লাখ বাংলা ভাষাভাষী আহিছে অসমত। গতিকে দুৰ্ভাগ্যজনক হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** 'কা' বিষয়ে ইয়াত আলোচনা হোৱা নাই। Please. সদন তেনেকৈ নচলে।

**(সদনত হুলস্থুল)**

**মাননীয় উপাধ্যক্ষ ঃ** Respect the house. Please. House তেনেকৈ নচলে।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** Divert নকৰিব। বেলেগ ফালে বিতৰ্কটো লৈ নাযাব।

**শ্ৰীআমিনুল ইছলাম, মানকাছাৰ (কনিষ্ঠ) ঃ** আজি অসম বিধান সভাত যদি অসমীয়া ভাষাক regional ভাষা বুলি কোৱা হয়, ইয়াত যদি অসমীয়া ভাষাক মাতৃ ভাষা হিচাপে স্বীকৃতি দিয়া নহয় তেতিয়াহ'লে ভাষাটো ক'ত থাকিব।

**(সদনত হুলস্থুল)**

**মাননীয় উপাধ্যক্ষ ঃ** Please.I cannot allow like this. Please sit down , Please sitdown.

**শ্ৰীপীযুষ হাজৰিকা, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** এজন সাংসদে নতুন ভাষা এটা সৃষ্টি কৰিছে অসমত। মাননীয় সদস্য শ্ৰীৰফিকুল ইছলাম ডাঙৰীয়াই ভালকৈ জানে। এইটো যাতে আপোনালোকে endorse নকৰে। সেইটো কংগ্ৰেছে কৰে। কংগ্ৰেছৰ লোকসকল সদনৰ পৰা ওলাই গ'ল। পৃথিৱীত নোহোৱা এটা ভাষা, বাংলাভাষা আছে। অসমত এটা নতুন ভাষা সৃষ্টি কৰিলে। গতিকে আপোনালোকে অসমীয়া বুলি কৈছে। ধন্যবাদ। এজন সাংসদে নতুন ভাষা এটা সৃষ্টি কৰিছে অসমত। তাক যাতে আপোনালোকে endorse নকৰে, তাক যাতে কোনেও popu- larise নকৰে।

**ড° ৰফিকুল ইছলাম , জনীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্ৰ দুটা কথা ক'ম। শুৱালকুছিত পাটমুগাৰ কাপোৰ হয় গোটেই বিশ্বই জানে। এতিয়া যদি আপুনি তাত খবৰ লয় শুৱালকুছিৰ আশে-পাশে থকা সেই মিঞা গাঁওকেইখনত যিসকলৰ তেজতে কাপোৰ বোৱাৰ নিয়মেই নাই , সেইসকলে কাপোৰ বৈ দিয়ে। শুৱালকুছিৰ ষ্টাম্প লাগে। সেইখিনি গোটেই বিশ্বলৈ যায়।

**মাননীয় উপাধ্যক্ষ ঃ** শিক্ষাৰ ওপৰত উত্তৰ দি আছে। Why are you diverting. Please sitdown.

**ড° ৰফিকুল ইছলাম , জনীয়া ঃ** এতিয়া বড়োলেণ্ডত বড়ো, বৰাকত বঙালী, মিচিং লেণ্ডত মিচিং

**(সদনত হুলস্থুল)**

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী শিক্ষা ইত্যাদি ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাক লৈ সুস্থ আলোচনা হোৱা উচিত। ইয়াক লৈ ৰাজনীতি কৰা উচিত নহয়। শিক্ষাক লৈ ৰাজনৈতিক বিতৰ্ক কৰাটো গৰিহণাৰ যোগ্য। শিক্ষাক লৈ গঠন মূলক আলোচনাৰ বাবে আমি প্ৰস্তুত। আজি আমি যেতিয়া ভাষা শিক্ষাৰ কথা কৈছো এই ক্ষেত্ৰত ভাষাবিদ, ভাষা বিজ্ঞানীসকলে কৈছে যে শিশুৱে চৈধ্য বছৰ বয়সৰ আগত অৰ্থাৎ পিউবাৰ্টি লাভ কৰাৰ আগত ভাষাৰ আয়ত্ব খুব ভালকৈ কৰিব পাৰে আৰু তাৰ পিছত আৰু ভালকৈ ভাষা আয়ত্ব কৰিব পাৰে। এই বিষয়ত এখন কিতাপ আছে,

বায়োলজিকেল ফাউণ্ডেশ্যন অফ লেঙ্গুৱেজ। এইখন লিখিছিল বিখ্যাত জার্মানী ভাষাবিদ তথা স্নায়ুতন্ত্ৰ বিজ্ঞানী এৰিক হেণ্ডচ এ। মই গুগোলৰ জৰিয়তে এমাজনত এই কিতাপখন চাইছিলো। তাত আছে আৰু দাম ১২ হাজাৰ টকা। মই লাইব্ৰেৰীতো চাইছিলো। এই কিতাপখনত তেতিয়াই তেওঁলোকে কৈ গৈছে যে শিশুৱে ১৪ বছৰ বয়সৰ আগতেই ভাষা শিকিব পাৰে আৰু ২ বছৰ বয়সৰ পৰা ভাষা শিকা আৰম্ভ হয়। ১৯৭০ চনত আমেৰিকাত মানৱ জাতিক লজ্জানত কৰা এটা ঘটনা আৱিষ্কাৰ হৈছিল। সেইটো হ'ল এটি শিশুক জন্মৰ পৰা ১৩ বছৰ বয়সলৈ এটা কোঠাত আবদ্ধ কৰি ৰখা হৈছিল আৰু কোনো মানুহৰ সংস্পৰ্শ সেই ছোৱালীজনীয়ে লাভ কৰা নাছিল। কেৱল খাদ্য দিয়া হৈছিল। ১৩ বছৰ বয়সত ১৯৭০ চনত তাই যেতিয়া আৱিষ্কাৰ হ'ল গম পোৱা গ'ল যে তাই একো কথা ক'ব নাজানে। কাৰণ ১৩ বছৰ বয়সলৈ তাই কাৰো কথা শুনাও নাই আৰু কাৰো লগত কথা পতাও নাই। সেই ছোৱালী জনীৰ নাম জেনি। তাইক লৈ গোটেই বিজ্ঞানীসকলে ব্যস্ত হৈ পৰিল আৰু তাইক কেনেকৈ ভাষা শিকাব পাৰি আৰু কোৱাব পাৰি তাৰ বাবে আপ্ৰাণ চেষ্টা কৰিলে। তাই কিছু শব্দ শিকিলে কিন্তু তাই সম্পূৰ্ণভাৱে এটা মনৰ ভাৱ বাক্যৰ দ্বাৰা প্ৰকাশ কৰিব নোৱাৰিলে। স্নায়ুতন্ত্ৰবিদ সকলে পৰীক্ষা কৰি ক'লে যে তাইৰ পাৰ্মামেণ্টভাৱে ব্ৰেইন ডেমেজ হৈছে। ব্ৰেইন ডেমেজটো হৈছে যে ব্ৰেইনৰ যি বিকাশ ষ্টিমুলেশ্যনৰ দ্বাৰা হয় সেই বিকাশটো তাইৰ ক্ষেত্ৰত হ'বলৈ কোনো চাঞ্চ নাপালে। তাৰ কাৰণে বিজ্ঞানীসকলে ১৩ বছৰ বয়সৰ পিছত চেষ্টা কৰাৰ পিছতো তাইক কোনেও ভাষা শিকাব নোৱাৰিলে। অৰ্থাৎ ১৩ বছৰ বয়সলৈকে ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় ভাষা খিনি শিকোৱা নহয়, তেতিয়াহ'লে পিছলৈকে শিকাবলৈ টান হয় বা শিকিলেও সম্পূৰ্ণকৈ শিকিব নোৱাৰে । অসমীয়াত এষাৰ কথা আছে যে বুঢ়া শালিকাই মাত নলয়। কোমলীয়া বা পোৱালি শালিকাইহে মাত লয়। আমি যদি সকলোৱে একমত হৈছো যে আমাৰ শিশু সকল, ছাত্ৰ-ছাত্ৰীক মাতৃভাষাৰ উপৰিও ইংৰাজী ভাষা শিকাব লাগে। তেনেহ'লে সোনকালে কিয় আৰম্ভ কৰা নহয়? উপযুক্ত সময় হ'ল এই তৃতীয় শ্ৰেণী। য'ত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ নতুন গাঁথনি মতে আমি য'ত প্ৰস্তুতিপৰ্ব আৰম্ভ কৰিম সেই প্ৰস্তুতি পৰ্বতে আমি ইংৰাজী ভাষা শিকোৱাৰ কাৰণে ব্যৱস্থা কৰিম। ভাষাবিদ সকলে কৈছে যে যিকোনো এটা ভাষা ৯০ শতাংশ বুজিব বা লিখিব হ'লে অতি কমেও ৫০০ ৰ পৰা ৩০০০ শব্দ শিকিব লাগিব। তেতিয়াহ'লে সেই ভাষাটোত ৯০ শতাংশ কথোপকথন, বাতৰি কাকত আলোচনী আদি পঢ়িব পাৰিব। তাৰ মানে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে দশম শ্ৰেণী পাচ কৰালৈকে তেওঁলোকে আঢ়ৈ হাজাৰ শব্দ শিকিব লাগিব। আমি যদি দেৰী কৰো তৃতীয় শ্ৰেণীত আৰম্ভ নকৰি চতুৰ্থ শ্ৰেণীত আৰম্ভ কৰো বা পঞ্চম শ্ৰেণীত আৰম্ভ কৰো সিমানেই সময় সংকুচিত হ'ব আৰু আয়ত্ব কৰিবলগীয়া শব্দৰ শংখ্যাটো বাঢ়ি গৈ থাকিব। কিন্তু আমি যদি প্ৰথম শ্ৰেণীৰ পৰাই শব্দৰ জ্ঞান বঢ়াই গৈ থাকো তেন্তে আমি যিটো পৰিকল্পনা কৰিছো আমি দ্বাদশ শ্ৰেণীলৈকে আমি তেওঁলোকক আঢ়ৈ হাজাৰ শব্দৰ জ্ঞান দিবৰ বাবে সক্ষম হ'ম। মই সিদিনাখন এটা কথা কৈছিলো যে আমাৰ চৰকাৰৰ এটা নীতি আছে যে যিবিলাক ভাৰ্ণিকুলাৰ মিডিয়ামৰ বিদ্যালয় আছে, সেই বিদ্যালয় সমূহৰ কাৰণে আমাৰ চৰকাৰৰ এটা নীতি আছে। সেই পলিচি মতে অষ্টম শ্ৰেণী লৈকে যিবোৰ শিক্ষক-শিক্ষয়ত্ৰী নিযুক্তি হয়, তেওঁলোকৰ টেটৰ অৰ্হতাত এল ওৱান টো স্কুলৰ মাধ্যমৰ লগত মিলিব লাগিব। অৰ্থাৎ যাৰ টেটত এল ওৱানটো অসমীয়া তেওঁ অসমীয়া মাধ্যমৰ বিদ্যালয়ত চাকৰি পাব। যাৰ বেঙ্গলী তেওঁ বেঙ্গলী মাধ্যমৰ স্কুলত নিযুক্তি পাব। আজি আমি দুটা বিষয়ৰ পাঠ্য পুথিখিনি ইংৰাজী ভাষাত দিব বিচাৰিছো। কিন্তু শিক্ষক-শিক্ষয়ত্ৰী সকল সেই মাতৃভাষৰো ৰাখিব বিচাৰিছো। ৰাষ্ট্ৰীয় শিক্ষা নীতিত আমাৰ

পাঠ্যপুথিসমূহ বাই লেঙ্গুৱেল হ'ব লাগে বুলি কৈছে। আমাৰ সকলো পাঠ্যপুথি বাইলেঙ্গুৱেল হ'ব। যিবোৰ অসমীয়াৰ পাঠ্যপুথি তাত ইংৰাজী পৰিশব্দ থাকিব আৰু আমি যিবোৰ ইংৰাজী পাঠ্যপুথি দিম তাত অসমীয়া, বেঙ্গলী আৰু বড়ো পৰিশব্দ আমি দিম। যাতে পাঠ্যপুথিখন বাইলেঙ্গুৱেজ হয় আৰু দুয়োটা ভাষাই ছাত্ৰ-ছাত্ৰীসকলে শিকিব পাৰে। বিজ্ঞানৰ ক্ষেত্ৰত মই এটা কথা কওঁ যে কোনোবাই হয়তো মোক প্ৰশ্ন কৰিব পাৰে যে কোনোবাই হয়তো দুটা তিনিটা ভাষা শিকিবলগীয়া হৈছে। তাত ছাত্ৰ-ছাত্ৰীজনৰ স্নায়ুতন্ত্ৰত কষ্ট হয় বা ব্ৰেইনত অধিক বুজা পৰে নেকি ? বিজ্ঞানীসকলে কৈছে যে নপৰে। শিশু অৱস্থাতে যদি ভাষা শিকে তেনেহ'লে শিশুসকলে সলসলীয়াকৈ দুটা তিনিটা ভাষা একে সময়তে ক'ব পাৰে আৰু তাত শিশুৰ একো কষ্ট নহয় বুলি বিজ্ঞানী, ভাষাবিদ সকলে প্ৰমাণ কৰিছে। ইয়াৰ তথ্যও আমাৰ হাতত দাঙি ধৰিছে। আমি যিহেতু মাল্টি লেঙ্গুৱেল আমাৰ সমাজখনৰ আন্তঃগাঁথনি যিধৰণে আছে য'ত বিভিন্ন ভাষা-ভাষী লোক আছে। এনেক্ষেত্ৰত বহু ভাষিক শিক্ষা ব্যৱস্থাটোৱে আমাৰ এটা সমাধান। গতিকে বহু ভাষিক শিক্ষা ব্যৱস্থাৰ ফালে যদি যাবই লাগে তেনেহ'লে আমি যিমানেই ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত কম বয়সত আৰম্ভ কৰিম সিমানেই আমি ছাত্ৰ-ছাত্ৰীসকলক পাৰ্গত কৰি তুলিম। আমি ফ্ৰান্স আদি ঠাইৰ লগত তুলনা কৰি লাভ নাই বা অন্য ভাষী ছাত্ৰ-ছাত্ৰী যিয়ে প্ৰাক্-প্ৰাথমিকৰ পৰা ইউনিভাৰ্চিটিলৈকে এটা ভাষাতে শিক্ষা গ্ৰহণ কৰিব। কিন্তু আমি বিভিন্ন স্তৰত বহু ভাষিক ফৰ্মুলাৰ দ্বাৰা ভাষা আয়ত্ব কৰিব লাগিব। যিকেইটা ভাষাৰ শিক্ষণ প্ৰয়োজন সেয়া সৰুৰে পৰাই আৰম্ভ হ'ব লাগিব। গতিকে প্ৰাক্-প্ৰাথমিকৰ পৰা ৫ টা বছৰ ফাউণ্ডেশ্যনত আমি সম্পূৰ্ণৰূপে মাতৃভাষাত ৰাখিছো আৰু ফাউণ্ডেশ্যনৰ পিছত আমাৰ যিটো প্ৰস্তুতি তাত আমি ইংৰাজী, ৰিজ'নেল লেঙ্গুৱেজ আৰু মাতৃভাষা এই তিনিটাৰ কম্বিনেশ্যন আমি ৰাখিছো। প্ৰাক্-প্ৰাথমিকৰ পিছতো আমি এইটো কণ্টিনিউ কৰিম আৰু শেষত মূল ৰিজ'নেল লেঙ্গুৱেজ বা ইংৰাজী লেঙ্গুৱেজত চেকেণ্ডাৰী শিক্ষাৰে আমি বিদ্যালয় শিক্ষা সামৰণি মাৰি ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষাৰ বাবে উলিয়াই দিব লাগিব। মই ভাৱো এইটো অতি এটা উত্তম পন্থা আৰু ইতিমধ্যে অসমৰ বিভিন্ন অঞ্চলৰ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ পৰা আমি যোগাত্মক সহাৰি পাইছো। সেয়েহে এই যোগাত্মক সহাৰি লৈ আমি আগবাঢ়িব লাগে। সকলোকে অনুৰোধ জনাম যে শিক্ষা বিষয়টোক যাতে কোনেও ৰাজনীতিকৰণ কৰি ইয়াৰ পৰা পলিটিকেল মাইলেজ ল'বৰ বাবে চেষ্টা কৰিব নালাগে। কাৰণ আপোনাৰ, মোৰ আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত ইয়াৰ লগত জড়িত হৈ আছে। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ, মানকাছাৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা ক'ব বিচাৰিছো তৃতীয় শ্ৰেণীৰ পৰা বিজ্ঞান আৰু গণিতৰ পাঠ্যক্ৰম দিয়া হ'ব তেনেক্ষেত্ৰত ক্লাছ থ্ৰীৰ পৰা ইংৰাজীত A for Apple, B for Ball পঢ়িব নে গণিত আৰু বিজ্ঞানৰটো পঢ়িব ? যদি সেইটো হয় আঢ়ৈ হাজাৰ ভকেবুলাৰীৰ কথা কোৱা হৈছে। কোনটো ষ্টেজত সেইটো ক্লাছ ওৱানৰ পৰা যাব ইংৰাজীটো নে ক্লাছ থ্ৰীৰ পৰা আৰম্ভ হ'ব ? যদি ক্লাছ থ্ৰীৰ পৰা আৰম্ভ হয় তেতিয়াহ'লে A for Apple, B for Ball পঢ়িব লাগিব। গতিকে বিজ্ঞান বা গণিতৰ যিখিনি শব্দ সেইখিনি কেতিয়া ইণ্ট্ৰোডিউচ হ'ব ? আৰু সেইটো সময়ত যদি A for Apple, B for Ball পঢ়িব যায়, তেনেক্ষেত্ৰত বিজ্ঞানৰ আৰু গণিতৰ ছাত্ৰ-ছাত্ৰীয়ে যিখিনি পঢ়িলেহেঁতেন সেইখিনি কেতিয়া পঢ়িব ?

**ডাঃ ৰণোজ পেগু, মাননীয় মন্ত্ৰী শিক্ষা ইত্যাদি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰেণী অনুযায়ী আৰু ছাত্ৰ-ছাত্ৰীৰ বয়স অনুযায়ীহে পাঠ্যক্ৰম প্ৰস্তুত হ'ব। যিসকলে পাঠ্যক্ৰম প্ৰস্তুত কৰিব তেওঁলোক

এক্সপাৰ্ট। আমি তেওঁলোকক ফৰ্মুলাটোহে দিছো। ছাত্ৰ-ছাত্ৰীৰ বয়স অনুযায়ী এচ চি আৰ টিয়ে পাঠ্যক্ৰম প্ৰস্তুত কৰিব।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্যসকলৰ বাবে দুপৰীয়াৰ আহাৰৰ আয়োজন কৰা হৈছে আৰু সকলো মাননীয় সদস্যক দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ বাবে অনুৰোধ কৰা হ'ল।

সদন আবেলি ৩ঃ২০ মিনিটলৈ স্থগিত ৰখা হ'ল।

**(সদনৰ পিছবেলাৰ কাৰ্য্যক্ৰমণিকা বিয়লি ০৩-২০ বজাৰ পৰা পুনৰ আৰম্ভ হয়।)**

**মাননীয় অধ্যক্ষঃ** এতিয়া .......Interruptions...

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ কাৰ্য্যক্ৰমণিকা আৰম্ভ হোৱাৰ আগতে খুব গুৰুত্বপূৰ্ণ বিষয় এটা ইয়াত উল্লেখ কৰিব বিচাৰিছো। তিনিচুকীয়াৰ লিডুত যোৱা নিশা কয়লাখনিত গেছ নিৰ্গত হৈ তিনিজন শ্ৰমিক নিহত হৈছে। তেওঁলোকৰ মৃতদেহসমূহ অতি সংগোপনে পুতি থোৱা হৈছিল। বৰঞ্চ তাৰে আৰু কেইবাজনো শ্ৰমিক এতিয়াও আতংকিত হৈ থকাৰ খবৰ ইতিমধ্যে সংবাদ মাধ্যমত আহিছে। গতিকে, এই বিষয়টোৰ ওপৰত চৰকাৰৰ পৰা এটা বিবৃতি আমি আশা কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, আমাৰ সন্মানীয় মন্ত্ৰী ডাঙৰীয়াই বিষয়টোৰ সন্দৰ্ভত খবৰ লৈ সদনত এটা বিবৃত্তি দিব।

এতিয়া কাৰ্য্যসূচী নং ৫। আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই কেগৰ অসম চৰকাৰ সম্পৰ্কীয় ৰাজ্যিক বিত্ত হিচাপ পৰীক্ষাৰ প্ৰতিবেদন দাখিল কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২১ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ অসম চৰকাৰ সম্পৰ্কীয় ৰাজ্যিক বিত্ত হিচাপ পৰীক্ষাৰ (২০২২ বৰ্ষৰ প্ৰতিবেদন নং -১) প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** কাৰ্য্যসূচী নং ৬। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২০ চনৰ ৩১ মাৰ্চ (২০২২ বৰ্ষৰ প্ৰতিবেদন নং -২)পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় ৰাজহ খণ্ডৰ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** কাৰ্য্যসূচী নং ৭। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযুষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২০ চনৰ ৩১ মাৰ্চত সমাপ্ত বৰ্ষটোৰ বাবে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ (২০২২ বৰ্ষৰ প্ৰতিবেদন নং -৩) প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** কাৰ্য্যসূচী নং ৮। অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ সভাপতি প্ৰশান্ত ফুকন ডাঙৰীয়াই সমিতিৰ প্ৰতিবেদন দাখিল কৰিব।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ ৮৬ তম্ প্ৰতিবেদনখন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৯। শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগসমূহৰ সমিতিৰ ৬৬, ৬৭, ৬৮, ৬৯, ৭০ আৰু ৭১ তম্ প্ৰতিবেদন, মুঠ ৬ খন প্ৰতিবেদন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** কাৰ্য্যসূচী নং ১০। শ্ৰী মিহিৰ কান্তি সোম ডাঙৰীয়া।

**শ্ৰী মিহিৰ কান্তি সোম ( উদাৰবন্দ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ সভাপতিৰ হৈ সমিতিৰ ৪৮ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং ১৯ টো ল'ব বিচাৰিছো। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰীৰ হৈ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক 'The Assam Repealing Bill, 2022' খন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী কেশৱ মহন্ত, মাননীয় মন্ত্ৰী, স্বাস্থ্য ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই 'The Assam Repealing Bill, 2022' দফাই দফাই বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া 'The Assam Repealing Bill, 2022' বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত কৰা হ'ল আৰু বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

প্ৰথমতে, মই এটা কথা কও যে আমাৰ সদায় বহুকেইখন বিধেয়ক থকাৰ বাবে অসুবিধা হৈ থাকে। সেয়েহে, মই সদনত এটা প্ৰস্তাৱ দাঙি ধৰিছো যে যি সকল সদস্যই সংশোধনী প্ৰস্তাৱ আনে, তেওঁলোকে সংশোধনীসমূহ কিয় আনিছে তাৰ বক্তব্য সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰাৰ সময়তে যেন ৰাখে যাতে দফাই দফাই আকৌ আলোচনা কৰিব লগীয়া নহয়।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো সংশোধনী আহিছে, সেই ক্ষেত্ৰত মই কঁও যে আমি এই ৪৭ নং বিধেয়কৰ Serial 26 ৰ The Rural Health Regulatory Authority Act, 2004 খন আজি ইয়াৰ পৰা প্ৰত্যাহাৰ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া বিধেয়কখনৰ ২ আৰু ৩ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল-

২ আৰু ৩ নং দফা বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত কৰা হ'ল, ২ আৰু ৩ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ অনুসূচিত শ্ৰী দেৱব্ৰত শইকীয়া ........Interruptions...

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ইতিমধ্যে সেই বিধেয়কখনত Health সম্পৰ্কত থকা বিধেয়কখন তাৰ পৰা প্ৰত্যাহাৰ কৰা বুলি কৈছে। বাকীখিনিত আৰু আমাৰ সংশোধনী নাই। গতিকে মই satisfied.

**মাননীয় অধ্যক্ষঃ** যিহেতু সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা হৈছে গতিকে এতিয়া প্ৰশ্নটো হ'ল-

অনুসূচীখন বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল, অনুসূচীখন বিধেয়কৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিছো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰীৰ হৈ মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰিবলৈ সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Repealing Bill, 2022' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ আগবঢ়ালো-

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া মই কাৰ্য্যসূচী নং ১১ টো লৈছো।

মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই 'The Assam Police (Amendment) Bill, 2022' খন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ গৃহ মন্ত্ৰী তথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ 'The Assam Police (Amendment) Bill, 2022' খন দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধেয়কখন সদনত বিবেচনাৰ বাবে লোৱা হওক-

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এই বিধেয়কখনত ১৪ টা সংশোধনী আছে।

এই বিলখনত ১৪ টা সংশোধনী আছিল। বিধায়কসকলে তেখেতসকলৰ সংশোধনীটো দাঙি ধৰিব আৰু মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দি যাব। ইয়াৰ পিছত একেবাৰতে Clause by Clause

আমি পাছ কৰি যাম। মই মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াক তেখেতৰ সংশোধনী ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ State Police Accountability Commission Bill খন আহিলে। সেই সময়ত চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি এতিয়া জিলা Police Accountability Commission ৰ বিষয়ে আজি বিল উত্থাপন কৰিছে আৰু খুব short notice ত হৈছে। যিহেতু ইয়াত বহুতখিনি কথা আছে কাৰণ এই গোটেইবিলাক হৈছিলে Supreme Court ৰ এটা কেচৰ পিছত। তাৰ পিছত Report of the National Police Commission, Report of the Ribeiro Committee, Report of Padmanavaya Committee on Police reform, Report of Malimath Committee, MHA Committee to review various recommendations and followup action taken, Expert Committee to draft a new model Police Act, forwarding of copies of the draft Police Act to State and the Union Territories এইখিনিৰ পাছতহে আমি আমাৰ আইনখন কৰিবলৈ পাইছো। সেইকাৰণে ইয়াত যথেষ্ট অধ্যয়ন কৰিব লগা থাকে বুলি আমি অনুভৱ কৰো। গতিকে এই বিলখন এখন Select Committee লৈ পঠাবলৈ মই অনুৰোধ কৰিছো। কাৰণ আমি মাত্ৰ এটা সংশোধনী দিছো। কিন্তু ইয়াত National Guideline বা Supreme Court ৰ Guideline ৰ পৰিপন্থী কথাও আছে, যিটো District Chairman জন retired judge হ'ব লাগে। আমাৰ State Committee আৰু Human Rights Committee সকলোৰে মিলি তেখেতৰ নামটো recommend কৰিব লাগে। কিন্তু ইয়াত retired Police Officer ক District Accountability Commission ৰ সভাপতি কৰাৰ কথা আছে। মূল কথাৰ পৰা একেবাৰে আঁতৰি আমি এখন আইন প্ৰনয়ণ কৰিব বিচাৰিছো। আমাৰ Legal Department, Home Department সকলোৰে vet কৰিছে। এইকাৰণে আৰু গভীৰভাৱে অধ্যয়ণ্ কৰিলেহে যিটো প্ৰকৃত উদ্দেশ্য আৰু লক্ষ্য লৈ উচ্চতম ন্যায়ালয়ে ৰায় দিছিল সেইটো হ'ব। মই আপোনাক এই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ)

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো সংশোধনী প্ৰস্তাৱ আনিছিলো যে যিটো District Accountability Authority গঠন কৰা হৈছে, আমি দেখিছো যে তাত DIG আছে, MP সকল আছে, মাত্ৰ ৪ গৰাকী বিধায়ক আছে আৰু District SP আছে, Additional District Megistrate আছে, জিলা পৰিষদৰ ৪ গৰাকী সদস্য আৰু Staff officer ত Range Deputy Inspector আছে। আমি ভাৱিছো যে District Accountability Committee ত যদি কোনো জ্যেষ্ঠ আইনবিদ বা অধিবক্তা থাকে তেনেহ'লে ভাল হ'ব। কাৰণ ইয়াত legal matter ও আহে। গতিকে বাকী যিকেইজন দিয়া আছে, আমিও বিচাৰো যে আমাৰ যিমানবিলাক বিধায়ক আছে সকলো তাত অন্তৰ্ভূক্ত হওক। ইয়াত এটা Sub-Clause আমি বঢ়াব বিচাৰিছো যে সেই জিলাৰ কোনোবা জ্যেষ্ঠ practicing advocate এজনক এই সমিতি খনত ৰখা হওক যাতে legal matter বিলাকৰ কাৰণে সুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰতিখন পুলিচ থানাত লিখা থাকে যে আমি আপোনালোকৰ সহায়ৰ কাৰণে আছো। সেইকাৰণে ৰাইজে পুলিচৰ ওচৰত ন্যায় বিচাৰি যায়। কিন্তু চৰকাৰে ইতিমধ্যে এইটো অনুভৱ কৰিছে যে ৰাইজে পুলিচৰ ওচৰত ন্যায় পোৱা নাই, যাৰ বাবে চৰকাৰে Police Accountability Commission Bill খন আনিছে। কিন্তু বিলখন যোৱাকালি আনিছে, একেবাৰে short notice ত আৰু লগে লগে আমি সংশোধনী দিছো। আমাৰ দলপতি ডাঙৰীয়াই কৈছে আৰু আমিও এইটো অনুভৱ কৰিছো যে ইয়াৰ ওপৰত অধ্যয়ণৰ প্ৰয়োজন আছে। সেইকাৰণে আমি বিচাৰিছো যে এইখন Select Committee লৈ যাতে পঠিওৱা হয়, যাতে বিলখন ৰাইজৰ কাৰণে হয়। আজি যদি বিলখন ভালদৰে অধ্যয়ণ নকৰাকৈ পাছ কৰা হয়, তেনেহ'লে মই ভাৱো আগন্তুক দিনত বহুখিনি অসুবিধা হ'ব। গতিকে এই বিলখন Select Committee লৈ পঠোৱাৰ বাবে আমি অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীঅখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে Assam Police Act 2007 ত মই বিধায়ক হোৱাৰ পাছত বোধহয় এইটো দ্বিতীয় বা তৃতীয় সংশোধনী। ইয়াৰ আগতে যিকেইটা সংশোধনী হৈছিলে সেইকেইটা সংশোধনীতো আমি যথেষ্ঠ গুৰুত্বপূৰ্ণ কথা ক'বলৈ চেষ্টা কৰিছিলো, কিন্তু সেই একো কথা শুনা হোৱা নাছিল। এতিয়া নতুনকৈ যি সংশোধনী আনিছে, সেই সংশোধনী খন এখন সাংঘাতিক ধৰণৰ গণ্ডগোলীয়া সংশোধনী। সেইকাৰণে মই যিটো সংশোধনী আনিছো সেইটো প্ৰথমতে গাই ল'ব খুজিছো। Amendment moved by me - "I propose that the following Amendments to the Assam Police Amendment Bill, 2020, Amendment of the Section 84 of the Principle Act. In section 84, sub-section -2(A) of Assam Police Amendment Bill, 2022, I proposed that the word 'the Deputy Inspector General of Police incharge of the concern Police range, before the word 'cell' in the line -3 shall be deleted and substituted with 'a retired District and Session judge, or a retired judge of equivalent status ' in the proposed Amendment. Between the word 'Guwahati' in the line -5 and 'cell' in the line -6 of the word 'a retired District and session judge or a retired judge of equivalent status' shall be substituted for the word 'the Commission of Police' proposed Amendment . অৰ্থ্যাৎ আমাৰ পুলিচ এক্টৰ ৮৪ section ৰ যিটো সংশোধনী আনিব খোজা হৈছে, য'ত কোৱা হৈছে যে District Level যিটো কমিটি গঠন কৰা হ'ব, সেই কমিটিখনত আগতে আছিলে এজন retired judge বা session judge বা retired judge ৰ equivalent judge তাত সভাপতি হ'ব লাগে। এইটো আমাৰ Assam Police Act ৰ ২০০৭ চনৰ পৰা চলি থকা ধাৰা। এইটো ১৯৮৪ চনৰ। এতিয়া কৈছে যে নহয়, এই সভাপতিজন এতিয়া Ex-judge হ'ব নোৱাৰে। ইয়াত সভাপতিজন হ'ব লাগে Deputy Inspector of Police, DIG বা IGP incharge.এই এক্টখনত DSP ৰ তলৰ পৰ্য্যয়িৰ মানুহবিলাকক District Level Committee য়ে চোৱা-চিতা কৰিব। District Level Committee ৰ ওপৰত এনেও DIG

জনে চোৰা চিতা কৰেই। এতিয়া আকৌ পুলিচৰ DIG জনকে যদি পুলিচজনে কিবা গণ্ডগোল কৰিছে , জনতাই দিয়া অভিযোগৰ ওপৰত যদি অন্যায় কৰিছে আৰু সেই ভুলটো চোৰাৰ বাবে তেখেতক দায়িত্ব দিয়া হয়, তেতিয়াহ'লে ইয়াকে ক'ব উদক ভেটা ৰখীয়া পতা। গতিকে এইটো কেতিয়াও হ'ব নোৱাৰে।

দ্বিতীয়তে, এই যে District Committee বিলাকৰ কথা কৈছে, এইটো ক'ৰ পৰা আহিছে? এইটো আহিছিলে Supreme Court ৰ এটা judgement ৰ পৰা। এইটো বিখ্যাৎ প্ৰকাশ সিং Vs Union of India Judgement ৰ অহা। এই Judgement ত Police Complain Authority সম্পকৰ্ত কৈছিলে যে there shall be a Police Complain Authority at District Level to look into the complains against police officers and upto the rank of Deputy Superintendent of Police, similarly, there should be an another police complain authority at the State Level to look into the Complains against officers of the rank of Superintendent of Police and above.The District Level Authority may be headed by a Rtd. Judge and the State Level Authority may be headed by a Rtd. Judge of High Court/Supreme Court. ইয়াত কোৰ্টৰ verdict ৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্যকে নিজৰ নিজৰ পুলিচ এক্টখন সলাবৰ কাৰণে নিৰ্দেশ দিছিলে। সেই verdict ত স্পষ্টকৈ কৈছে যে District Level Committee খনৰ head কৰিব এজন Rtd. Judge য়ে আৰু আমাৰ ইয়াত কোৱা হৈছে যে নহয়, DIG জনহে head হ'ব। গোটেই Judgement টো মই পঢ়ি দিলে দীঘলীয়া হ'ব। এই Judgement টোত কৈছে যে আমি কেলেই এইখন গঠন কৰিব কৈছো। কাৰণ Ruling Party, ৰাজনীতি কৰা মানুহে পুলিচক সদায় নিজৰ মতে ব্যৱহাৰ কৰে। পুলিচ সদায় Ruling Party বা ৰাজনীতি কৰা মানুহৰ মতে চলে। এইটো হোৱা উচিৎ নহয়। পুলিচ সদায় neutral হ'ব লাগে। এতিয়া আপুনি দেখিব যে পিছৰ section কেইটাত কৈছে যে এফালেদি ক'লে যে Ex-judge chairman হ'ব নোৱাৰিব, DIG chairman হ'ব। তাৰ পাছৰ কেইটাত ক'লে যে তাৰ সদস্য সকল কোন হ'ব? ক'লে যে তাৰ সদস্য হ'ব MP. তাৰ পিছত ক'লে যে ৪ জন এম এল এ তাৰ মেম্বাৰ হ'ব , তাৰ পিছত ক'লে মিনিচিপালটি কৰ্পোৰেশ্যনৰ চেয়াৰমেন গৰাকীও তাৰ মেম্বাৰ হ'ব, তাৰ পিছত পঞ্চায়তৰ মেম্বাৰজনো তাৰ মেম্বাৰ হ'ব । গোটেই জাজমেন্টটোত কৈছে যে, পলিটিচিয়ানৰ পৰা পুলিছক নিৰপেক্ষ কৰিব লাগে । এই বুলি নিৰ্দ্দেশ তাত দিছে । এই নিৰ্দ্দেশ দিয়াৰ পিছত এতিয়া কমিটিখনত গোটেই পলিটিচিয়ানবোৰক সোমোৱাইছে আৰু বিশেষকৈ এইবিলাক সকলো ৰুলিং পাৰ্টিৰে পলিটিচিয়ান হ'ব । ৰুলিং পাৰ্টিৰমতে, চৰকাৰৰ মতে পুলিছক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাৰ কাৰণে এইটো অনা হৈছে । ইয়াত স্পষ্টকৈ কৈছে , যিটো জাজমেন্টৰ ওপৰত ভিত্তি কৰি এই আইনখনৰ সংশোধন অনা হৈছে বা আসাম পুলিছ এক্ট ২০০৭ খন তৈয়াৰ কৰা হৈছে । এই জাজমেন্টৰ ঠিক ওলোটা পজিশ্যনলৈ গৈ এতিয়া পুলিছক বিচাৰ কৰাৰ ক্ষমতা পুলিছৰ হাততে দিছে । অথচ এইটো এনকোৱাৰী হ'ব লাগিব আ ৰু এনকোৱাৰী কৰাৰ গোটেই ক্ষমতাটো বা পদ্ধতিটো এগৰাকী জাজে জানে । সেই কাৰণে কৈছে যে এক্স জাজ এজনক তাত চেয়াৰমেন পাতিব লাগে । এতিয়া ইয়াত কৈছে যে, নহয় -ডি আই জি গৰাকীহে তাৰ চেয়াৰ মেন হ'ব লাগে । আৰু ডি আই জিৰ তলত মেম্বাৰ থাকিব এম

. পি আৰু এম এল এ। ডি আই জি চেয়াৰমেন হ'ব আৰু আমি পাৱলিক ৰিপ্রেজেন্টটেটিভ, কিন্তু আমি তাত এম এল এ সকল মেম্বাৰ থাকিম । আপোনালোকে জানে যে ইয়াৰ আগতো কেইবাটাও সংশোধন হৈ গৈছে , এই সংশোধন বিলাকতো 'মিচকন্‌ডাক্ট ' ৰ ঠাইত 'চিৰিয়াচ মিচকন্‌ডাক্ট ' সোমাইছে । ইয়াৰ ওপৰিও বহু কেইটা বেলেগ বেলেগ ধৰণৰ সংশোধন আনি সম্পূৰ্ণৰূপে পুলিছ এক্টখনক, পুলিছৰ যিটো দায়বদ্ধতা থাকে, পুলিছে যিটো হিউমেন ৰাইটচ ভায়োলেট কৰে, পুলিছে জনগণৰ বিৰুদ্ধে অৱস্থান কৰে, তাক শ্বেদ কৰিবলৈ পুলিছ এক্টত যিবিলাক ধাৰা আছিলে সেই আইনবিলাক ক্রমান্বয়ে দুৰ্বল কৰি আনিব খুজিছে । এইটো কিয় কৰিব খুজিছে অধ্যক্ষ মহোদয়, এই চৰকাৰে এই কাৰণে কৰিব খুজিছে যে যিবিলাক পুলিছে ভুৱা এনকাউন্টাৰ কৰিছে তেওলোকক বছাব কাৰণে এই কাম কৰিব খোজা হৈছে । অসমত এতিয়া কমেও ৩৯ জন মানুহক হত্যা কৰিছে। এই বি জে পি চৰকাৰে মানুহ হত্যা কৰিছে আৰু সেয়েহে সেই পুলিছবিলাকক বছাবলৈ এই আইনখন অনা হৈছে । আমাৰ স্পষ্ট কথা যে চৰকাৰে কোনো পধ্যে এই পুলিছ এক্ট - আইন এনেকৈ বেআইনীভাবে সংশোধন কৰিব নোৱাৰিব আৰু এনেকৈ বেআইনী ভাবে সংশোধন কৰে এইটো কেতিয়াও হ'বলৈ দিয়া উচিত নহয় । সেই কাৰণে মই এই সংশোধনীটো সোনকালে বাতিল কৰিবলৈ অধ্যক্ষ মহোদয়ৰ ওচৰত দাবী উত্থাপন কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ধন্যবাদ । মিনিষ্টাৰ প্লিছ।

**শ্রীপিয়ুষ হাজৰিকা, মন্ত্রী, সংসদীয় পৰিক্রমা ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্রথম কথাটো হৈছে যে, অসমত আগতে ডিষ্ট্রিক্ট লেভেলত আমাৰ একাউন্টিব্লিটি অথোৰিটি নাছিলে । অসমত ২০০৭ ৰ যিখন এক্ট আছিল , তাতে কোৱা হৈছিল যে ষ্টেট লেভেল একাউন্টিব্লিটি কমিশ্যন হ'ব আৰু ডিষ্ট্রিক্ট লেভলএকাউন্টিব্লিটি কমিশ্যন হ'ব । কিন্তু পৰৱৰ্ত্তী সময়ত আমি ডিষ্ট্রিক্ট লেভেল নকৰিলো। কিন্তু এতিয়া আমি ডিষ্ট্রিক্ট লেভেলত নকৰি ৰেঞ্জ লেভেলত কৰিব খুজিছো । অসমত এই সময়ত ৯ টা ৰেঞ্জ আছে । নটা ৰেঞ্জত ন খন কমিটি কৰিব খুজিছো । তাত এম পি থাকিব, এম এল এ থাকিব , জিলা পৰিষদৰ মেম্বাৰ থাকিব আৰু নগৰ সমিতিৰো সদস্য থাকিব । এইটো কেৱল এটা পলিটিকেল পাৰ্টিৰে নহয় সকলো পলিটিকেল পাৰ্টিৰ হ'ব পাৰে । আমি হয়তো তেনেকৈ কৰি দেখুৱাম । এই টো পলিটিকেল পাৰ্টি নহয় । একচুৰেলী পাৱলিক ৰিপ্রেজেন্টটেটিভ হ'ব পাৰে । দ্বিতীয় কথাটো হ'ল - এই ৰেঞ্জ কমিটিত যিজন হেড হ'ব , ডি আই জি হওক বা আই জি পি হওঁক এই ৰেঞ্জত যিগৰাকী হেড হ'ব , তেওঁৰ আণ্ডাৰতে কমিটিখন হ'ব। তেওঁলোকে অকল ইন্সপেক্টৰৰ পৰা তলৰ লেভেললৈহে কৰিব পাৰিব । ডি এচ পি-ৰ পৰা ওপৰলৈ এডিশ্যনেল এচ পি, এচ পি , ডি আই জি, আই জি পি সকলোৰে কামখিনি আগৰ দৰে মানে তেওলোকৰ ওপৰত যদি কাৰোবাৰ কমপ্লেইন থাকে, আগৰ দৰে যি ষ্টেট অথৰিটি থাকে সেইখনেই কৰিব। গতিকে বহু বেছি পাৰ্থক্য নাথাকে । আমাৰ ৰেঞ্জ লেভেলত যিখন কমিটি হ'ব সেইখনেই কেৱল ইন্সপেক্টৰ-চাব ইনপেক্টৰ, কনিষ্টবল সেইখিনিহে চাব আৰু আমাৰ আগৰ কমিটিখন যিখন ষ্টেট লেভেলৰ আছিল সেইখনে ডি এচ পিৰ পৰা ওপৰলৈ চাব । অধ্যক্ষ ডাঙৰীয়া তাতে ' চিৰিয়াচ মিচ কনডাক্ট' বুলি এটা কথা আছে চিৰিয়াচ মিচ কনডাক্ট মানে - ডেথ, গ্ৰেভিয়াচ হাৰ্ট আৰু ৰেইপ পাৰ্টিকুলাৰলী এইকেইটা যিকেইটা চিৰিয়াচ মেটাৰ হয়। ইভেন ইন্টপেক্টৰৰো, কনিষ্টবলৰো **again it will be sent to the State level committee** মই চিৰিয়াচ নন চিৰিয়াচ কোৱা নাই । যিখিনি অলপ সৰু সৰু কেচ , এইখন কমিটিয়ে সেইখিনিহে চাব । সৰু কেচ এটা মই উদাহৰণ দিও অধ্যক্ষ মহোদয়, আমাৰ পুলিছে যদি এজন মানুহে এৰেষ্ট কৰি ২৪ ঘন্টাৰ ভিতৰত কোৰ্টলৈ

পঠিয়াব লাগে কেতিয়াবা ২৫ ঘন্টা হৈ যায় কেতিয়াবা সেই ১ ঘন্টা বেছি হোৱাটোৰ ক্ষেত্ৰতো **state commissions** ক কেচ দিয়াৰ উদাহৰণ আছে । ' চিৰিয়াচ মিচ কনডাক্ট ' মানে মই আকৌ কৈছো যে, ডেথ, গ্ৰেভিয়াচ হাৰ্ট আৰু ৰেইপ এই তিনিটা কেচ আমাৰ ষ্টেট লেভেল কমিটিখনলৈ আহিব। মই ভাবো ইয়াত বহুত বেছি একো চেঞ্জ হোৱা নাই । অধ্যক্ষ ডাঙৰীয়া আন এটা ইছ্যু আছে - আমি কমিটিখনত ৰিটায়াৰড্ জাজ এজন দিওঁ, জাজ গৰাকীয়ে যেতিয়া ষ্টেট লেভেল কমিটি বা কোৰ্টলৈ পঠিয়াই দিয়ে বা কোৰ্টত যায়, তেতিয়া কোৰ্টত যিগৰাকী জাজ থাকে তেওতকৈ চিনিয়ৰ হয় বাবে কেতিয়াবা তেওঁ ৰিক'মেণ্ড কৰাৰ পিচত তাৰ ওপৰত বিশেষ একো নকয় । ডাইৰেক্ট তেওঁলোকে সেইটোকে একচেপ্ট কৰি দিয়ে । তেতিয়া ক'ৰবাত ক'ৰবাত দেখা যায় যে পুলিছৰ একাউন্টেবিলিটিত কোনোৱাই কেতিয়াবা অসুবিধাতো পৰিছে । অধ্যক্ষ ডাঙৰীয়া তৃতীয় কথাটো হ'ল কংগ্ৰেছ দলৰ পৰা তেখেতসকলে যিটো এমেণ্ডমেন্ট আনিছিলে তাত মই আপোনালোকক ক্লেৰিফিকেশ্যন দিলো যে, ৰেঞ্জটো ডিষ্ট্ৰিক্টত নহয়। ডিষ্ট্ৰিক্ট হ'লে বেলেগ কথা । ধৰক মৰিগাও ডিষ্ট্ৰিক্ট ৪ জন বিধায়ক আছে ইনক্লুডিং আমিনুল ইছলাম। ডিষ্ট্ৰিক্ট লেভেলত তিনি চাৰিজন ঠিকে আছে। কিন্তু ৰেঞ্জ হ'লে অৰ্থাৎ যিটো চেন্ট্ৰেল ৰেঞ্জ সেইটোত কাৰ্বি আংলঙো পৰে। কাৰ্বি আংলঙো দুখন ডিষ্ট্ৰিক্ট পৰে নগাও- মৰিগাওঁ দুয়োখনে পৰে গতিকে তাত মিনিমান ২৫ জন এম এল এ থাকিব। কিন্তু সেইটো সম্ভৱ নহয় অধ্যক্ষ মহোদয়, গতিকে সেই কাৰণে আমি ৪ জন কৰিছো । সেই কাৰণে মই অনুৰোধ কৰিম যে আপোনালোকেএমেণ্ডমেণ্টটো উঠাই লওক । অধ্যক্ষ ডাঙৰীয়া , এইটো অসমত একমাত্ৰ নহয় , ভাৰতবৰ্ষৰ অন্য ৰাজ্যতো চলি আছে । অখিল গগৈ ডাঙৰীয়াই যিটো কথা কৈছে -**proposed that a retired district and Session Judge** সেইটো অসমত নহয় এইটো বাহিৰত কেনেকৈ চলি আছে মই কও- গুজৰাটত ইতিমধ্যে কমিটিখনত ডিষ্টিক্টত এচ পি জন হেড , কৰ্নাটকত ৰিজনেল কমিশ্যনাৰে এই ডিষ্ট্ৰিক্ট অথৰিটিখন বা ৰেঞ্জ অথৰিটিৰ হেড। অধ্যক্ষ ডাঙৰীয়া আকৌ হিমাচল প্ৰদেশত ডিভিজনেল কমিশ্যনাৰ জন হেড। তামিলনাডুত ডিষ্ট্ৰিক্ট অথোৰিটিৰ হেড হ'ল ডি চি বা ডি এম । গতিকে এইটো এনেকুৱা নহয় যে, এইটো কেৱল অসমতহে আছে। অধ্যক্ষ ডাঙৰীয়া আমি বাহিৰৰ সেই ৰাজ্যবোৰৰ লগত আলোচনা কৰিয়েই সিদ্ধান্ত লৈছো। এইটো বহু ডাঙৰ ইছ্যু নহয়, মই আকৌ কৈছো যে, যিখিনি খুৱ চিৰিয়াচ মিচ কনডাক্ট হ'ব সেইখিনি আমাৰ ষ্টেট লেভেলৰ যিখন ষ্ট্ৰাকচাৰ- বা কমিশ্যন আছে তালৈকে পঠিয়াব লাগিব। সৰু সৰু কেচসমূহ এই ৰেঞ্জৰ ভিতৰতে হ'ব। গতিকে মই সকলো সদস্যক অনুৰোধ কৰিছো যে, আপোনালোকে এই কথা কেইটা মানি লওঁক।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ, মোৰ অকনমান ক'ব লগীয়া আছিলে । ইয়াতে যিটো চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ আছিল। তাত ডিষ্ট্ৰিক্ট লেভেল কমিটিখনহে কৰা কথা কৈছে ইয়াত কোনো ৰেঞ্জ লেভেল কমিটিৰ কথা কোৱা নাই । ইয়াত যিটো এমেণ্ডমেন্ট আনিছে ইয়াতে কৈছে যে, **district accountablity Authority shall be constituted with the following members** এইটো আপোনালোকে **district accountablity Authority** বুলিয়ে কৈছে । তিনি নং কথাটো তেখেতে - গুজৰাটৰ কথা কৈছে বা আন ৰাজ্যৰ কথা কৈছে - মোৰ লগত এখন ৰাজ্যৰ পুলিছ এক্ট আছে । দি কেৰেলা পুলিছ এক্ট ২০১১ - এটা কথা মই অতি স্পষ্টকৈ ক'ব খোজো যে, কেৰেলাত কেনেকৈ কৰিছে । সেই কথাটো মই কৈ দিব খুজিছো The district Authority shall consist of the following Members namely a retired District judge who shall be the Chairperson, the District

Collector and the District Superintendent of Police. তাত কিন্তু এজন Judge ক Chairman পাতিছে। আমাৰ ইয়াত ডি আই জি এজনক chairman পাতিছে। সেই কাৰণে এইটো হ'ল একেবাৰে চুপ্ৰিম কোৰ্টৰ যিটো অৰ্ডাৰ আছিল তাৰ আল্টাভাইৰাছ এই এমেণ্ডমেন্টটো। সেই কাৰণে এই এমেণ্ডমেন্ট কেতিয়াও হ'ব নোৱাৰে আৰু সেই কাৰণে মই দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ ইয়াক Select Committee লৈ পঠিয়াবৰ কাৰণে আহ্বান জনাইছোঁ।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো কৈছে, সেইটো আমি আমাৰ যিখন এমেণ্ডমেন্ট তাত কেৱল জিলা বুলি নাই, The state government may establish in its each political district or a group of district আমি লিখি থৈছো ইয়াতে, তেখেতে যিটো কলে যে অকল জিলা কৈছে, এতিয়া ৰেঞ্জ কৈ দিছো, সেইটো আচলতে নহয়, ৰেঞ্জ শব্দটো নাই, group of district আছেই, group of district in a police range. এইটো ইতিমধ্যে আছেই। আকৌ কৈছো এইখন কেৱল অসমত হোৱা নাই, এইখন গুজৰাটতো আছে, কৰ্ণাটকতো আছে, তামিলনাডুতো আছে, হিমাচলতো আছে, গতিকে সকলোতে চলি আছে। তাৰ কাৰণে আমি আকৌ এটা কথা কৈছো আমাৰ যিখিনি serious misconduct , সেইখিনিও আমি as usual ৰাখিছোঁ। এতিয়া জিলা পৰ্য্যায়ত নোহোৱাৰ কাৰণে এখন Authority য়ে গোটেইখিনিকে চাবলৈ অকণমান অসুবিধা হয়। আৰু মানুহৰ সুবিধাহে হ'ব, ডিব্ৰুগড়ত যদি কিবা এটা complain দিব লাগে তাতে দি দিব, ৰেঞ্জতে দি দিব। সেই complain আকৌ গুৱাহাটী আহি দিব নালাগে।

**শ্ৰীঅখিল গগৈ ঃ** আপুনি কোনটো চেকচনৰ কৈছে?

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** Original Act. 84. এইখনতটো সেইখিনিহে এমেণ্ডমেন্ট কৰিছো, এইখিনি কৰা নাই নহয়।

**শ্ৰীঅখিল গগৈ ঃ** আপোনালোকে যিটোৰ এমেণ্ডমেন্ট আনিছে তাত district accountability.

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী ঃ** সেইটো range কৰি দিলোঁ, হৈ গ'ল আপোনাৰ কথা মানিলোঁ।

**শ্ৰীঅখিল গগৈ ঃ** কিন্তু সেইটো জিলাই হ'ব লাগে, কোৰ্টে কৈছিল যে জিলাই হ'ব লাগে সেইটো।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** আমি জিলা নকৰো ৰেঞ্জ কৰিম। ৰেঞ্জ বেলেগত কৰিছে, উদাহৰণ দিলো নহয়। মই কলো যে কৰ্ণাটকত ৰিজ'নেল কমিচনাৰ, বেলেগত।

**শ্ৰীঅখিল গগৈ ঃ** মানে বেলেগে যদি আইন ভংগ কৰে আমিও আইন ভংগ কৰিম নেকি?

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী ঃ** আইন ভংগ কৰা কথা নহয়, এইটো বহুত ডাঙৰ ইচ্চু নহয়। আপুনি আৰু এটা advice কৰিছে, social worker জন ২ বছৰ নহয় ৩ বছৰ দিব লাগে, সেইটো মানি লৈছোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমিনুল ইছলাম (কনিষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও মোৰ এইটোত ব্যক্তিগত সংশোধনী নাই কিন্তু দুটা তিনিটা কথাৰ কাৰণে ইয়াত মই উঠিব লগীয়া হৈছে, অনুভৱ কৰিছোঁ যে পুলিচৰ যিখিনি misconduct সেই খিনিৰ কাৰণে পুলিচেই judge কৰিব it is a clear maxim law ত আছেই nobody can judge his own force or own fault নিজৰ দোষৰ কাৰণে, নিজৰ problemৰ কাৰণে নিজে judge কৰিব নোৱাৰে, গতিকে its a big maxim.

এই maximটো আমি violation কৰিছোঁ। That means law ৰ এটা maxim violation কৰি আছো যে আমি নিজে নিজৰ বিচাৰ কৰিব নোৱাৰো, মোৰ তলৰ কোনোৱাই কিবা কৰিলে, এতিয়া প্ৰশ্নটো হৈছে পুলিচক যদি আকৌ হেড পাতি দিওঁ তেখেতৰ অধীনৰ এজন বিষয়া, তলৰ এজন বিষয়া এই misconduct খিনি ওপৰৰ বিষয়া খিনিয়ে এগ্ৰি কৰিব, বিভাগৰ পক্ষ ল'ব নে কাৰ পক্ষ ল'ব? বিভাগক shelter দিব, নিজৰ বিভাগক উদঙাই দিব নে নিজৰ বিভাগক ঢাকি ৰাখিব? এইটো ডাঙৰ প্ৰশ্ন। যিহেতু আমাৰ purpose টো , এই এক্টটোৰ উদ্দেশ্যটো কি যাতে ন্যায় পায় মানুহ সকলে, পুলিচৰ misconduct টো যাতে আমি সমধান কৰিব পাৰো, পুলিচৰ misconduct টো যাতে ওপৰলৈ উঠি আহিব নোৱাৰে, বেছি হ'ব নোৱাৰে সেইটো যদি আমাৰ purpose হয়, তেতিয়া পুলিচৰ misconduct টো কৰিবৰ কাৰণে retired judge এটা দিয়াৰ আপত্তি ক'ত, যিটো কেৰেলাত আছে, ইতিমধ্যে অখিল গগৈ ডাঙৰীয়াই কৈছে। আমাৰ কথাটো হ'ল সেইটোৰ কাৰণে retired judge লাগে। পুলিচৰ মানুহ হ'ব নালাগে। বিশেষকৈ এক্টিভ পুলিচৰ মানুহটো একেবাৰে হ'ব নালাগে। এক্টিভ পুলিচৰ মানুহ হ'লে তেখেতৰ বিভাগক shelter দিব। এতিয়া যিটো কৈছে death, ঠিক আছে বাৰু death টো death হৈ গৈছে। এটি grievous hurt টো grievous hurt হিচাপে দিব নে পুলিচ ৰিপোৰ্টত simple hurt দেখুৱাব? প্ৰশ্নটো বহুত ডাঙৰ, rape, rape ৰ যিটো definition, সেই rape ৰ definitionটো police বিলাকে rape টোক not amounting to rape বুলি ল য়। সেই not amounting to rape ধৰিলে তেখেত সকলে পুলিচ verification নকৰে, ১০০, ১০০ কেছ অসমত তেনেকুৱা আছে যি বিলাকে পুলিচ verificationত দিয়াই নাই। আমাৰ মেডিকেলত পঠোৱাই নাই। Serious rape হোৱাৰ পিছতো বহুত ঠাইত দেখিছো পুলিচৰ লগত nexus থাকি, যদি মানুহজন শক্তিশালী হৈ যায়, যদি কোনোৱা নেতাৰ ল'ৰা-ছোৱালী হৈ যায়, powerful political মানুহ হৈ যায় তাত মেডিকেল ৰিপোৰ্ট নহয়, আৰু মেডিকেল নোহোৱালৈকে, ২৪ ঘন্টাৰ ভিতৰত বা নিৰ্দিষ্ট সময়ত যদি মেডিকেল কৰিব নোৱাৰে তেতিয়াহলে rape টো প্ৰমাণ কৰিব নোৱাৰে। এইখিনি কথা কেনেকৈ কৰিব সেইকাৰণে মোৰ কথা হ'ল একেবাৰতে এই এক্টৰ কথাখিনিৰ কাৰণে বাকী মেম্বাৰৰ কব লগা নাই ৰেঞ্জ হিচাপত কৰে বা জিলা হিচাপত কৰে কিন্তু সেই বিভাগৰ bureaucrat ভেট হ'ব নালাগে, মোৰ বোধৰে কেৰেলাৰ ষ্টাইলটো আমি একচেপ্ট কৰিব লাগে adopt কৰিব লাগে, আৰু এজন ৰিটায়াৰ্ড জাজ্ দি এইটোৰ ব্যৱস্থা কৰিব লাগে, এইটো মোৰ কবলগীয়া।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় এল ও পি ডাঙৰীয়া।

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই accountability Commission ৰ বিষয়টো আমি যিটো কৈছিলো Supreme Court ৰ যিটো recreation আছিল 310 /1996 ত Prakash Singh verses Union of India. তাৰ ২০০৬ চনত judgement দিলে ১০ বছৰ পিছত আৰু ২০১২ চনত লাষ্ট hearing. তাৰ পিছত Model police Bill 2015 ত Drafting Committee কৰা হ'ল Ministry of Home Affairs ৰ ফালৰ পৰা ২৪ জুন, ২০১৩ চনৰ এটা notification দি আৰু সেই অনুসৰি গোটেই বিলাক ৰাজ্যত আৰু Union Territory ত ২১ আগষ্ট, ২০১৫ তাৰিখৰ পিছত এখন The Model Police Bill, 2015 পঠোৱা হ'ল। ইয়াতো উল্লেখ আছে যে chairperson যি জন হ'ব লাগে তেখেত district session judge or retired judge or equiva-

lent আৰু আমাৰ নতুন সংশোধনীত অনা হৈছে ৮ ৰকমৰ সদস্য, তাৰ ভিতৰত এজনো সদস্য judicial মেম্বাৰ নহয়। সেই গতিকে আৰু যি কেইটা তাত গাইড লাইন দিছে বা চুপ্রিম কোৰ্টৰ নিৰ্দ্দেশনা Bureau Police Research Centre and Development যিটো পুলিচৰ গোটেই modernization and human course দি কৰে, তেখেত সকলৰ মতে retired judge হ'ব লাগে, retired SP আৰু ১০ বছৰ অভিজ্ঞতা থকা এজন মেম্বাৰ অথবা senior Advocate. এইখিনিৰ ভিতৰত জাজ্ জনো নাই আৰু ১০ বছৰ অভিজ্ঞতা থকা জুডিচিয়েল মেম্বাৰো নাই। সেই গতিকে পুনৰবাৰ মই আপোনাক অনুৰোধ জনাইছো যাতে চিলেক্ট কমিটিলৈ পঠায়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি Accountability commissionত কেতিয়া যাম, যেতিয়া আমি ন্যায় পাবলৈ বিচাৰিম তেতিয়াহে যাম। এনে মানুহ নাযায়। কথাটো হৈছে কি এই বিলটো অনাৰ লগে লগে, মোৰ লাগিছে বিল এটা আনিব বুলি নহয় এইটোৱে পুলিচক আৰু পাৱাৰফুল কৰা হৈছে। কাৰণ তেওঁলোকৰ বিচাৰ, তেওঁলোকে নিজে কৰিব। সেইটোৰ কাৰণে মই ভাৱো আলটিমেটলি Accountabilityৰ কথা আহে যদি তেনেহলে এনেকুৱা এটা বিল হ'ব লাগে য'ত মানুহে ন্যায় পায়। এটা বিল আনিলে আনি আমি চালো যে পুলিচক পাৱাৰফুল কৰা হ'ল আৰু, আৰু এনকাউন্টাৰ কৰাত আৰু মাৰ ধৰ কৰাত, এইটোৰ কাৰণে মই ভাৱো যদি আমাৰ এখন এচেম্ব্লি হয় এচেমব্লিত এনেকুৱা এটা আইন পাছ হ'ব লাগে য'ত নেকি আমাৰ চৰকাৰৰ এটা কন্ট্ৰোল থাকে, আমাৰ বিধান সভাৰ এটা অন্য থাকে। এনেই যদি পুলিচক আমি যদি যতে ততে এৰি দিওঁ তেনেহলে মই ভাৱো মানুহে ন্যায় নাপাব। মানুহে ন্যায় যদি পাব লাগে তেনেহলে এইটো চিলেক্ট কমিটিলৈ পঠিয়াওক। আমি অধ্যয়ন কৰি আৰু যদি কিবা এমেণ্ডমেন্ট কৰিব লাগে এমেণ্ডমেন্ট কৰি ইয়াতে বিলটো আমি পাছ কৰিব পাৰিম।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ অধ্যক্ষ মহোদয়, এই বিল খন যেতিয়া আনিছিল সেই সময়ত তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰ আছিল আৰু তৰুণ গগৈ ডাঙৰীয়াৰ হৈ মইয়ে ইয়াত উপস্থাপন কৰিছিলোঁ। আচলতে এই বিলখন অধ্যক্ষ মহোদয়, বহুত বাক-বিতৰ্কৰ মাজত চুপ্ৰিম কোৰ্টে সকলোৰে কথা শুনাৰ পিছত ৰাজ্য চৰকাৰ বিলাকক বাধ্য কৰিছিল। বহু ৰাজ্য চৰকাৰে এইখন কৰিবই বিচৰা নাছিল। একেবাৰে তাৰ পিছত শেষৰ যেতিয়া মৃত্যু হৈছিল তাৰ পিছতে বহুতে কৰিবলগীয়া হৈছিল। আমাৰ ইয়াত আগতে আমি কৰিছিলো, মূল উদ্দেশ্যটো আছিল যে, কোনো ধৰণৰ ৰাজনৈতিক ইচ্ছ্যু নাথাকে। যিটো আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই কৈছে, retired judge দি কৰিব লাগে, সেইখিনি কি কৰে নকৰে সেইটো চৰকাৰৰ কথা। ইয়াত বিধায়ক সকলক ৰাখিব নালাগে অধ্যক্ষ মহোদয়। গোটেই ৰাজনৈতিকৰণ হৈ যাব। মূল উদ্দেশ্যটো নাইকীয়া হৈ যাব নালাগে। আমি আইন কৰিলো এই আইন যে একেবাৰে আপোনাৰ সকলোৰে উৰ্দ্ধত সেইটোও নহয়। আমাক যাতে এই কথাত কোনো সমালোচনা কৰিব নোৱাৰে। আজি আমি এই কথাবিলাক আলোচনা কৰিছো। এই গোটেই কথা বিলাক জুদিচিয়াৰিৰ লগত সম্বন্ধ। এই কথাটো অনুৰোধ কৰিছো যে চিলেক্ট কমিটিত দিয়ক। আমি চৰকাৰক সমৰ্থন কৰিম।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলপতি ডাঙৰীয়াইয়ো কৈছে যে নিশ্চিত ভাবে পুলিচ বিষয়াক chairperson কৰিব নালাগে। Retired judge ক দায়িত্ব দিয়াটো ভাল। ৰকিবুল ডাঙৰীয়াৰ যিটো পৰামৰ্শ বিধায়ক সকলক এই কমিটিৰ পৰা বাহিৰত ৰাখিব লাগে। বিধায়ক থকা মানে আকৌ বহুত গণ্ডগোল। justice পোৱাতকৈ

injustice পোৱাৰ সম্ভাৱনা বেছি। এইটো মই কেৰেলা মডেলত বিধায়কক বাহিৰত ৰাখি পেলাই গঠন হোৱাটো মই বিচাৰো।

**শ্ৰী ভূৱন পেগু (জোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো amendment আনিব বিচাৰিছে আৰু যিখিনি যুক্তি দাঙি ধৰিছে মই ইয়াত বহি থাকি শুনি বেয়া লাগি আছে। আমি নিৰ্বাচিত প্ৰতিনিধি। জন-গণে আমাক ভোট দি পেলাই জন-গণে আমাক গোটেই সমস্যাবোৰ সমাধান বা ৰক্ষা কৰাৰ কাৰণে আমাক পঠিয়াইছে। এতিয়া আমি কৈ আছো আমাক বিশ্বাস কৰিব নালাগে। গোটেই ভাৰতবৰ্ষৰ ৰাষ্ট্ৰটো কেনেকৈ চলিব বা ভাৰত দেশ কেনেকৈ আগবাঢ়িব তাৰ কাৰণে MP নিৰ্বাচিত কৰি পঠিয়ায়। জিলা পৰ্য্যায়ৰ জিলা পৰিষদ নিৰ্বাচিত কৰি পঠিয়াইছে আৰু আপুনি মই ৰাজনীতিবিদ। আপোনালোকে কৈছে ৰাজনীতিবিদক বিশ্বাস কৰিব নালাগে। We are passing Act here আমি Legislation বনাই আছো, আমি Legislation বনাব নালাগে, তেনেহ'লে আমি বিশ্বাসযোগ্য মানুহ নহয়। You will trust a Judge but you will not trust yourself what kind of logic is that? আপুনি retired judge ক বিশ্বাস কৰিব নিজৰ বিধায়ক, নিজৰ Highest body টোক আপোনালোক বিশ্বাস নকৰে। এইটো বিধান সভাক অপমান কৰা হৈছে আৰু ১২৬ জন বিধায়কক অপমান কৰা হৈছে। অসমৰ জন-গণে আমাক ভোট দি আমাৰ পঠিয়াইছে আৰু ভোটাৰক অপমান কৰা হৈছে।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো যদি ২০০৭-২০০৮ ত District Level বা Rang level লৈ গ'লো হয় তেতিয়া হ'লে সমস্যায়ে নাথাকিলে হয়। এইটো অকল আমাৰ অসমত নাই। এইটো গুজৰাটতো আছে, তামিলনাড়ুত আপোনালোকৰ চৰকাৰ চলি আছে, তামলিনাডুতো আছে, আমাৰ কেৰেলাতো আছে, হিমাচলত আছে। আমি বহুত নতুন একো কৰা নাই, বিধায়ক সকলে পুলিচে আমাক পাত্তায়ে নিদিয়ে। আপোনালোকে কমিটিত থাকিলে অলপটো সন্মান পাব। আমাৰ প্ৰতিষ্ঠানটো শক্তিশালী কৰা হ'ল আৰু DIG জনৰ ওপৰত কিবা কেচ হয় তেঁৱো দিব নোৱাৰে। SP জনৰ ওপৰত দিবই নোৱাৰে। এইখন কমিশ্যন অকল Inspector ৰ তললৈ। তেওঁলোকৰটো ওচৰলৈ গুচি আহিব আৰু orginal খনতো আছে। কোনোৱাই orginal খনত গৈয়ো কৰিব পাৰিব। Inspector য়ে যদি ৰেপ কৰিছে, হত্যা কৰিছে তেওঁতো orginal কমিশ্যনখনক আহিব পাৰিব। গতিকে আমি workload কমাই আছো, সৰু সৰু বিলাক এখন কমিশ্যিনত আহি যায়। সেইটো আমি কমাব গৈ আছো। retired judge ৰ কথাটো কৈ আছো, তেওঁ যদি কিবা Recommendation দিয়ে আৰু বেলেগ এজন নতুন judge য়ে নতুনকৈ চিন্তা নকৰে। আমাৰ মাজতে খোৱা কামোৰা, তেঁওলোকৰ মাজত নাই। তেতিয়া কোনোবাই কোনোবাই ন্যায় নাপায়। গতিকে আমি কৰিব খুজিছো। যি কেইজন বিধায়কে amendment আনিছিলে সকলোৱে যাতে সংশোধনী কেইটা উঠাই লয়। তাৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ কমলাক্ষ দে' পুৰুকায়স্থ আপুনি সংশোধনীটো উঠাই ল'ব নে?

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি, নাজিৰা)** ঃ চাৰ চিলেক্ট কমিটিত দিলে ভাল আছিল। এইটো আপুনি বিবেচনা কৰি চাব।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সংশোধনী উঠাই নলওঁ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)**ঃ মাননীয় অধ্যক্ষ মহোদয়, চিলেক্ট কমিটিক নিদিয়া কাৰণে আমি

সদন ত্যাগ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ্য দে' পুৰকায়স্থ সংশোধনী প্ৰস্তাৱটো গৃহীত কৰিব লাগে। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে, তেখেত সকলে কওক নহয়। মই ভাবো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো গুজৰাট মডেল আৰু কৰ্ণাটক মডেল যিটো ক'লে গুজৰাটত SIT বা পুলিচ একাডেমী কমিশ্যনে যিটো গুলমাৰ্ক সমাজৰ হত্যা কাণ্ডৰ যিটো ভূমিকা চুপ্ৰিম কোৰ্টে যেনেকৈ তেওঁলোকক বাৰে বাৰে সকিয়নী দিবলগীয়া হ'ল, তেওঁলোকক ভৎসনা কৰিবলগীয়া হ'ল সেই গুজৰাট মডেল কৰ্ণাটক মডেল অসমত আমি নিবিচাৰো। ইয়াৰ আৰক্ষীয়ে আৰক্ষীৰ বিচাৰ কৰিব সেই কথাটো আমি কেতিয়াও মানি নলওঁ। আৰক্ষী বিষয়া chairman হ'ব নালাগে। আমি সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। আমাৰ মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলে যি সংশোধনী প্ৰস্তাৱ আনিছে-

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,
তেখেতসকলে কওঁক হয়।
যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,
তেখেতসকলে কওঁক নহয়।
মই ভাবো - নহয়ৰ সপক্ষে , নহয়ৰ সপক্ষে , নহয়ৰ সপক্ষে ।
সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল।
এতিয়া অখিল গগৈ ডাঙৰীয়া, তেখেত অনুপস্থিত।
এতিয়া ২ নং দফা বিধেয়েকখনৰ অংশ হ'ল।
এতিয়া প্ৰশ্নটো হ'ল২ নং দফা বিধেয়েকখনৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,
তেখেতসকলে কওঁক হয়।
যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,
তেখেতসকলে কওঁক নহয়।
মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।
প্ৰস্তাৱটো গৃহীত হ'ল।
২ নং দফা টো বিধেয়কখনৰ অংশ হ'ল।
বিধেয়কখনৰ ৩নং আৰু ৪ নং দফাত সংশোধনীৰ প্ৰস্তাৱ নাই।
প্ৰশ্নটো হ'ল, ৩নং আৰু ৪ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ব।
যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,
তেখেতসকলে কওঁক হয়।
যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,
তেখেতসকলে কওঁক নহয়।
মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল। ৩নং আৰু ৪ নং দফা দুটা বিধেয়কখনৰ অংশ হ'ল। ১ নং দফাৰ সংক্ষিপ্ত

নাম, পৰিসৰ আৰু আৰম্ভনৰ সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল- ১ নং দফাৰ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,

তেখেতসকলে কওঁক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওঁক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল।

১ নং দফাৰ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াক প্ৰস্তাৱটো সদনত পাৰিত কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ The Assam Police(AMENDMENT) Bill, 2022 সদনত পাৰিত কৰাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ আগবঢ়ালো-

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে । প্ৰস্তাৱটো গৃহীত হ'ল, বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া আইটেম নং ১২ The Assam Taxation On Specialised/ Specified Lands (Amenement) Bill, 2022. ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াছে এইটো হ'ল- Under the provision of Article 207(3) of the Constitution of India , I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the "The Assam Taxation On Specialised/ Specified Lands Bill, 2022" be taken into consideration by the Assam Legislative Assembly. এতিয়া মই মাননীয় বিত্তমন্ত্ৰী মহোদয়াক The Assam Taxation On Specialised/ Specified Lands (Amenement) Bill, 2022. বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী মতী অজন্তা নেওগ, বিত্ত মন্ত্ৰী**ঃ অধ্যক্ষ মহোদয়, The Assam Taxation On Specialised/ Specified Lands (Amenement) Bill, 2022 দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ The Assam Taxation On Specialised/ Specified Lands (Amenement) Bill, 2022 বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়। মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে । প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে লোৱা হ'ল।

এতিয়া বিধেয়কখনৰ ২নং দফাত শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)আৰু তেখেতৰ সহযোগী সকল-

জাকিৰ হুছেইন, আশ্ৰাফুল হুছেইন, চামচুল হুদা, মজিবুৰ ৰহমান, আব্দুল আজিজ, কৰিম উদ্দিন বৰ ভুঞা ৰ এটা সংশোধনী প্ৰস্তাৱ আছে, মই তেখেত সকলক প্ৰস্তাৱটো উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ), বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in the proposed Sub-clause -2 (C) of Clause-2 of the proposed Bill, the word or the honour occuring in line 3 (three) shell be deleted.

ইয়াত After Sub-section-2(b) the following new Sub-clause - 2(C) shall be inserted. ইয়াত চৰকাৰৰ ফালৰ পৰা বিলত যিটো সংশোধনী প্ৰস্তাৱ অনা হৈছিল ইয়াত Clause-2 ৰ Sub-clause -1 টো ৰাখি Sub- clause -2 টোৰ ৩ নং শাৰীত থকা the word or the honour এই শব্দটো উঠাই দিয়াৰ কথাটো আমি কৈছিলো। অধ্যক্ষ মহোদয় ইয়াত আছিল - The State Government may in the public interest by notification in the Official Gazettee exampt any specified land or the Owner thereof, from the payment of old or any part of the tax payable under this Act.ইয়াতে কোনো অনুষ্ঠানৰ বা কোনো সংগঠনৰ মাটিৰ tax চৰকাৰে ইচ্ছা কৰিলে আংশিক ভাবে বা সম্পুৰ্ণৰূপে মাফ কৰি দিব পাৰে। অৰ্থাৎ tax ফ্ৰি কৰি দিব পাৰে। আনহাতে ইয়াত দিছে or the Owner অৰ্থাৎ কোনো অনুষ্ঠানৰ বা মালিকৰ মাটি। ইয়াত সন্দেহ হোৱাৰ কাৰণে আমি or the Owner এই শব্দটো উঠাই দিয়াৰ কথাটো আমি কৈছো। নহলে দুদিনমানৰ পিছত পৃথানি বা ৰামদেৱ হতে যি দৰে সমগ্ৰ অসম গ্ৰাস কৰি আছে, তেনেদৰে আদানী আম্বানীহতে সমগ্ৰ অসমৰ হাজাৰ হাজাৰ বিঘা মাটি গ্ৰাস কৰিব। যিহেতুকে মাটিবিলাক tax ফ্ৰি কৰি দিয়া হ'ব। সেই কাৰণে আমি কৈছো or the Owner এই শব্দটো উঠাই দিব লাগে। কোনো অনুষ্ঠানৰ মাটি tax ফ্ৰি কৰি দিয়ক তাত আমাৰ আপত্তি নাই। কিন্তু মালিকাধীন মাটিবিলাক কৰ মুক্ত হ'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়ানী।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে, আচলতে আমি চাহ বাগিচাৰ কথাহে কৈছো । আপুনি সংশোধনী প্ৰস্তাৱটো ভালদৰে চাইছে জানো ? আমি চাহ উদ্যোগটো যাতে ভালদৰে চলি থাকে তাৰ কাৰণেহে এই সংশোধনীটো আমিছো। আমি প্ৰথমে তিনি বছৰৰ কাৰণে সংশোধনীটো আনিছিলো, কাৰণ তিনি বছৰলৈ আমি Tax টো rebate দিব পাৰো। আপোনালোকে কোভিডৰ সময়ত দেখিছিল যে তেওঁলোক যথেষ্ট লোকচানৰ সন্মুখিন হ'ব লগীয়া হৈছিল। অসমত সৰু বৰ যি বিলাক চাহ বাগিছা আছে তাত লক্ষ লক্ষ চাহ শ্ৰমিক জড়িত হৈ আছে, সেইটো উদ্দেশ্য ৰাখিহে আমি এই সংশোধনীটো আনিছো। দ্বিতীয়তে, It is an enabling clause. আমি ATCL এনেকুৱা ধৰণৰ কিছুমান Owner আছে, সেই বিলাকৰ কথা কৈছো। আমি কোনো ব্যক্তিগত কথা কোৱা নাই, মাত্ৰ চাহ বাগানৰ কথাহে কৈছো।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ), বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে সীমিত থাকে। চাহবাগানৰ লগত জৰিত সকলৰ মাজতেই যেন এই ৰেহাই দিয়াৰ ব্যৱস্থাটো সীমিত থাকে। সদনত দুদিনৰ আগতে যি বিল পাছ হ'ল তাত চাব বাগিচাৰ পৰা ওলাবলগীয়া চিলিংৰ অতিৰিক্ত মাটিৰ ওপৰত ৫ শতাংশ আৰু অতিৰিক্ত খিনিত পুনৰ ৫ শতাংশ কি কি এক্তিভিতিত লগাব

বাকীখিনি কি পজিশ্যনত থাকিব। তাতে আকৌ অতিৰিক্তখিনি কোনোবা বহুজাতিক কোম্পানীক দিয়া হয় , এইটোৰ আগতে Act পাছ হৈছে। সেইটোয়ে আমাৰ ভয় হৈ আছিল। তেনেকৈয়ে যদি অন্য কোনো মালিকৰ হাতত যায়, তেতিয়া সেইটো আমি মানি নলওঁ। যদি চাহবাগানৰ মালিক পক্ষক কভিড পৰিস্থিতিৰ বিষয়ে যিটো কথা কৈছে আমাৰ মন্ত্ৰী মহোদয়ে তেওঁলোকৰ কাৰণে যদি কৰে আমাৰ আপত্তি নাই ।. সেইটো উঠাই ল'ম।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী কিবা ক'ব।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, Specifically Enabling provisition এটাত এইটো আমি ৰাখিছো, গতিকে যিখিনি Garden area আছে, specified land includs lands for tea growing areas. চাহ বাগিচা বিলাকত আছে, crude oil, natural oil Gas oil এইবিলাক প্লেনহে Specifiied Act খনত আছে। তাৰ বাহিৰে আপুনি যিটো অনুষ্ঠান প্ৰতিষ্ঠানৰ কথা কৈছে সেইবোৰ ইয়াত অৰ্ন্তভূক্ত নহয়। যদি ভৱিষ্যতে তেনেকুৱা situation arise সেইটোৰ কাৰণে আহিব নালাগে। তাৰ বাহিৰে public interest ৰ কাৰণে ৰখা হৈছে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ উঠাই ল'ব, তেওঁলোকে উঠাই লৈছে। এতিয়া ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। এতিয়া প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, আৰু যিসকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়।

মই ভাবো - হয়ৰ স্পক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে । প্ৰস্তাৱটো গৃহীত হ'ল।

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফাৰ সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভনৰ কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল ১ নং দফাটোৰ সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভন বিধেয়েকখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেত সকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাবো - হয়ৰ স্পক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে । প্ৰস্তাৱটো গৃহীত হ'ল। ১ নং দফাটোৰ সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভন বিধেয়েকখনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষঃ** মাননীয় বিত্ত মন্ত্ৰীক মই বিধেয়কখন পাৰিত কৰাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো

**শ্ৰী মতী অজন্তা নেওগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assan Taxation Specified land (Amendment) Bill, 2022 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেত সকলে কওক হয়, যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে, তেখেত সকলে কওক নহয়, মই ভাবো - হয়ৰ স্পক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

এতিয়া কাৰ্য্যসূচী নং- ১৩। "The Assam Goods and Services Tax (Amendment) Bill, 2022" ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীটো হ'ল- Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jogdish Mukhi, Governor of Assam recommend that "The Assam Goods and Services Tax (Amendment) Bill, 2022" to be taken into

consideration by the Assam Legislative Assembly. মই এতিয়া মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক “The Assam Goods and Services Tax (Amendment) Bill, 2022” বিধেয়ক বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, “The Assam Goods and Services Tax (Amendment) Bill, 2022” দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া “The Assam Goods and Services Tax (Amendment) Bill, 2022” বিবেচনাৰ বাবে লোৱা হওঁক । যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনা কৰিবৰ বাবে লোৱা হ'ল । বিধেয়ক খনৰ দফা নং-২ ৰ পৰা ১৫ নং দফালৈ সংশোধনী প্ৰস্তাৱ নাই । প্ৰশ্নটো হ'ল দফা নং-২ ৰ পৰা ১৫ নং দফালৈ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। দফা নং-২ ৰ পৰা ১৫ নং দফালৈ বিধেয়কখনৰ অংশ হ'ল । বিধেয়কখনৰ এক নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সাপক্ষে এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল । এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, “The Assam Goods and Services Tax (Amendment) Bill, 2022” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো । যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে বিধেয়কখন পাৰিত কৰা হ'ল ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং- ১৪। “The Assam Appropriation Acts (Repeal) Bill, 2022” ৰাজভৱন পৰা এটা বাণী আছে। বাণীটো হ'ল- Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jogdish Mukhi, Governor of Assam recommend that “The Assam Appropriation Acts (Repeal) Bill, 2022” to be taken into consideration by the Assam Legislative Assembly. মই এতিয়া মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক “The Assam Appropriation Acts (Repeal) Bill, 2022” বিধেয়ক বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Appropriation Acts (Repeal) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া "The Assam Appropriation Acts (Repeal) Bill, 2022" বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনা কৰাৰ বাবে লোৱা হ'ল। বিধেয়ক খনৰ দফা নং-২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনৰ সংশোধনী প্ৰস্তাৱ নাই ।প্ৰশ্নটো হ'ল দফা নং-২ আৰু ৩ নং দফা দুটাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। দফা নং-২ আৰু ৩ দুটাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল । বিধেয়কখনৰ এক নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ আৰু অনুসূচী খন বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থান কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Appropriation Acts (Repeal) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো । যি সকল মাননীয় সদস্য সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয় সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল ।

এতিয়া কাৰ্য্যসূচী নং- ১৫। ""The Assam Contingency Fund Acts (Repeal) Bill, 2022" ৰাজভৱন পৰা এটা বাণী আছে। বাণীটো হ'ল- Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jogdish Mukhi, Governor of Assam recommend that "The Assam Contingency Fund Acts (Repeal) Bill, 2022" to be taken into consideration by the Assam Legislative Assembly. মই এতিয়া মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক "The Assam Contingency Fund Acts (Repeal) Bill, 2022" বিধেয়ক বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Contingency Fund Acts (Repeal) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া "The Assam Contingency Fund Acts (Repeal)

Bill, 2022" বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়  সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে  প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনা কৰিবৰ বাবে লোৱা হ'ল । বিধেয়ক খনৰ দফা নং-২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনৰ সংশোধনী প্ৰস্তাৱ নাই । প্ৰশ্নটো হ'ল দফা নং-২ আৰু ৩ নং দফা দুটাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ  সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে  প্ৰস্তাৱটো গৃহীত কৰা হ'ল। দফা নং-২ আৰু ৩ নং দফা দুটাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল । বিধেয়কখনৰ  এক নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ আৰু অনুসূচী খন বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়  সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল  এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ আৰু  অনুসূচীখন বিধেয়ক খনৰ অংশ হ'ল । এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থান কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Contingency Fund Acts (Repeal) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো । যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ  সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল ।

এতিয়া কাৰ্য্যসূচী নং- ১৬। "The Society Registration (Assam Amendment) Bill, 2022" ৰাজভৱন পৰা এটা বাণী আছে। বাণীটো হ'ল- Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jogdish Mukhi, Governor of Assam recommend that "The Society Registration (Assam Amendment) Bill, 2022" to be taken into consideration by the Assam Legislative Assembly. মই এতিয়া মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক "The Society Registration (Assam Amendment) Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Society Registration (Assam Amendment) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া "The Society Registration (Assam Amendment) Bill, 2022" বিবেচনাৰ বাবে লোৱা হওঁক । যি সকল মাননীয় সদস্য  সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়  সাপেক্ষে, হয় সাপেক্ষে, হয় সাপক্ষে  প্ৰস্তাৱটো গৃহীত কৰা হ'ল। এতিয়া

বিধেয়কখন দফাই দফাই বিবেচনা কৰিবৰ বাবে লোৱা হ'ল । বিধেয়ক খনৰ দফা নং-২ দফাৰ সংশোধনী প্ৰস্তাৱ নাই । প্ৰশ্নটো হ'ল দফা নং-২ দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। দফা নং-২ বিধেয়কখনৰ অংশ হ'ল । দফা নং-৩ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল দফা নং-৩ দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। দফা নং-৩ বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ এক নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ব । যি সকল মাননীয় সদস্য /সদস্যা সপক্ষে আছে তেখেত সকলে কয় হয়, যি সকল মাননীয় সদস্য সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়। মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল এক নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়ক খনৰ অংশ হ'ল । এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীমতী অজন্তা নেওগ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ""The Society Registration (Assam Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনীটো কিয় আনিছিলো এটা কথা মই পঢ়ি দিওঁ। কাৰণ তেখেত সকলে মুভ নকৰিলে। কিন্তু এইটো এটা ভাল এমেণ্ডমেণ্ট আনিছিলো। আপোনালোকে জানে যে ৰেজিষ্ট্ৰেশ্যন কৰা এবছৰ মানে expiry হোৱাৰ পিছত এতিয়া আমি সেইটো ফিজ এটা লৈ নাইকিয়া কৰিছো। তাৰপিছত তেওঁলোকে আকৌ নতুনকৈ ৰেজিষ্ট্ৰেশন কৰিব নোৱাৰে। ৰিনিউ কৰিব পাৰিব। ৰিনিউৱেলৰ ব্যৱস্থাটো এইবাৰ প্ৰথম বাৰৰ বাবে আনিছো। সেইকাৰণে এটা ভাল এমেণ্ডমেণ্ট আমি আনিছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** ভাল বিলাকক আমি সমৰ্থন কৰো। সেইকাৰণে আমি মুভেই কৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আপুনি মুভ কৰক পাচৰ কাৰণে।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্ত মন্ত্ৰী) ঃ** .মাননীয় অধ্যক্ষ মহোদয়, "The Society Registration (Assam Amendment) Bill, 2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে

তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

**এতিয়া কাৰ্য্যসূচী নং ১৭**

"The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীক "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী যোগেন মোহন, (ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাব উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে

তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, প্ৰস্তাবটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

এতিয়া আমাৰ তিনিটা সংশোধনী আছে। প্ৰথমতে আছে মাননীয় বিৰোধী দলৰ দলপতি শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ লগতে মাননীয় বিধায়ক শ্ৰী ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়া, মাননীয় বিধায়ক শ্ৰী ওৱাজেদ আলী চোধুৰী, মাননীয় বিধায়ক শ্ৰী নুৰুল হুদা, মাননীয় বিধায়ক শ্ৰী দিগন্ত বৰ্মন, মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আৰু মাননীয় বিধায়ক শ্ৰী আব্দুল ৰছিদ মণ্ডল। প্ৰথমে আপোনালোকে কওঁক।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এমেণ্ডমেণ্ডটো যদিও আনিছিলো, চৰকাৰে যিটো এমেণ্ডমেণ্ড আনিছে সেইটোৰ প্ৰতি আমাৰ চাপোৰ্ট আছে। আমি আলোচনা কৰিলো ৫ শতাংশ যিটো ৰাখিছে, সেইটো আমি চাপোৰ্ট কৰিছো বাবে এমেণ্ডমেণ্ডটো মুভ নকৰো।

**শ্ৰী ৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটোকে কয় constructive opposition.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পৰৱৰ্ত্তী এমেণ্ডমেণ্ড আছে মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া, মাননীয় বিধায়ক নজৰুল হক, মাননীয় বিধায়ক সুজাম উদ্দিন লস্কৰ, মাননীয় বিধায়ক কৰিম উদ্দিন বৰভূঞা, মাননীয় বিধায়ক জাকিৰ হুছেইন লস্কৰ আৰু মাননীয় বিধায়ক চামচুল হুদা। মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়াক মন্তব্য দিবলৈ অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Fixation of Ceiling on Land Holdings (Amendment) Bill, 2022" ৰ ক্লজ ২ ত এটা সৰু এমেণ্ডমেণ্ড দিব বিচাৰিছিলো আৰু ইয়াত যিকেইটা এক্টিভিটিৰ কথা দিয়া হৈছিল, এই এক্টিভিটিখিনিৰ লগতে আমি Progress related to Women Empowerment সেই কথাটো যোগ কৰিব বিচাৰিছো। ইয়াত যিটো Ceiling surplus land আৰু যিটো 5% , মই আগতে কৈছিলো যে 5% যিখিনি এক্সেচ লেণ্ড আছে সেই লেণ্ডত কি কি এক্টিভিটি ল'ব পাৰিব।

ইয়াত Eco Friendly, cultivation, Agricultural parts, Animal Husbandry, Green Power and non conventional energy recources, Social Infra-structure আৰু Food Processing blending and packaging unit এইবিলাক এক্টিভিটি তাত ল'ব পাৰিব যিখিনি 5% surplus land. আমি এমেণ্ডমেণ্ট দিছিলো যে ইয়াত লগতে Women empowerment related যিখিনি এক্টিভিটি কৰে সেইখিনিও এলাউ কৰা হওঁক। কিয়নো আমি দেখিছো যে চাহ বাগানত মহিলা সকল যথেষ্ট pathetic condition ত থাকে আৰু তেওঁলোকৰ women literacy টো ও কম। তেওঁলোকে লেবাৰ হিচাপে যি ওৱেজেছ পায় তেওঁলোকে আঁচলতে আধুনিক যিটো মানৱীয় সা-সুবিধাৰ পৰা বঞ্চিত থাকে। চাহ বাগানৰ মহিলা সকলক empower কৰাৰ বাবে এই যিটো 5% surplus land তাৰ এক্টিভিটিজ কৰাৰ কাৰণে Women Empower ৰ কাৰণে কিবা কাৰ্য্যসূচী কৰাৰ বাবে অনুমতি দিয়া হওঁক। যদি আইনত নাথাকে তেন্তে সেইটো কৰিব নোৱাৰিব। গতিকে চাহ বাগিছাৰ মহিলা সকলৰ কথা চিন্তা কৰি এইটো সংযোগ কৰাৰ কাৰণে আমি প্ৰস্তাব আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগান এখনৰ যিমান মাটি আছে, সেই মাটিৰ পাঁচ শতাংশ মাটি অন্য কামত ব্যৱহাৰ কৰিবৰ কাৰণে কৈছে। কি কি কামত মাটিবোৰ ব্যৱহাৰ কৰিব সেইটো হৈছে Promotion of Eco-Friendly Tourism, Cultivatiopn of Agriculture Crops which include cash crops, Horticulture crops, Floriculture, medicinal plants, Agor roots, Chandan roots and bamboo, Animal and Husbandry, Fishery, Green Power, Non conventional energy, Social Infrastructure আৰু Services which include wellness centre, School, college, University, Food Processing and packaging unit. এইবিলাক কাৰণত চাহ বাগানৰ পাঁচ শতাংশ মাটি আগৰ এক্টত আমি সকলোৱে জানো যে আগৰ এক্টত স্পষ্টকৈ আছিল যে section-iv আমাৰ যিখন "The Assam Fixation of Ceiling on Land Holdings Act, 1956" তাৰ section-iv আৰু sub-section-ii ত কৈ থৈছিল যে notwithstanding any thing to the contrary in any law custom or agreement no person shall be entitled to hold as owner in a land for a special cultivation of tea in excess of such land has been used for special cultivation of tea and purpose ancillary thereto on the day of commencement of Assam fixation of ceiling land holding Amendment Act 1970, provided that this State Government may allow more than to be for ancillary purpose or for increse in area under special cultivation. ইয়াত কৈছে যে যি মাটি চাহ বাগানত দিয়া হৈছে, সেই মাটি চাহ বাগানতে ব্যৱহাৰ কৰিব লাগিব আৰু যদি অন্য কিবা কামত দিবলৈ হ'লে চৰকাৰে চাহ বাগান বোৰত আৰু মাটি দিব লাগিব। কিছুদিনৰ আগতে দুলু চাহবাগিছা খনক বৰাক উপত্যকাৰ, সেইখন ভাঙি লৈ তাত এখন Green Airport নে কিবা এটা বনাবৰ কাৰণে এভেকশ্যন কাৰ হৈছিল। এতিয়া চাহ শ্ৰমিক সকলৰ মাজত এটা ব্যাপক শংকা হৈ আছে যে লাহে লাহে সঁচাকৈ চাহ খেতিৰ যি মাটি সেই মাটি বিলাক নাইকিয়া হৈ যাব নেকি? লাহে লাহে

সেইবিলাক এপাৰ্টমেণ্ট বনাবৰ কাৰণে, অন্য ব্যৱসায়িক কামৰ কাৰণে ব্যৱহাৰ কৰিব নেকি? তেতিয়াহ'লে এই লাখ লাখ যে চাহ শ্ৰমিক অসমত আছে তেওঁলোকৰ জীৱন আৰু জীৱিকা কলৈ যাব? এইটোক লৈ চাহ শ্ৰমিক সকল ভীষণ ভাৱে শংকিত আৰু তেনেকুৱা সময়তে আজি অসম চৰকাৰে এই এমেণ্ডমেণ্ডটো আনি কৈছে যে চাহ বাগনৰ পাঁচ শতাংশ মাটি বেলেগ কামত ব্যৱহাৰ হ'ব। কি কি কামত ব্যৱহাৰ হ'ব-Promotion of Eco-Friendly Tourism আমি কৈছো যে ঠিক আছে চাহ বাগানৰ অকনমান মাটিত যদি Eco-Friendly Tourism কৰে তাত যদি টুৰিষ্টৰ কাৰণে কিবা এটা ব্যৱস্থা কৰে তাত আমাৰ আপত্তি নাই। কিন্তু চাহ বাগানৰ মাটিত Agriculture, cash crops, Horticulture crops,Floriculture কৰিব, আগৰৰ (সাঁচি) খেতি কৰিব, বাহৰ খেতি কৰিব। চাহ বাগান এৰিয়াত যদি বাঁহৰ খেতি কৰে তেন্তে চাহ শ্ৰমিকে ক'ত কাম কৰিব? চাহ বাগানৰ মাটিত চন্দন খেতি, আগৰ খেতি এই কথা কেতিয়াও কোনো চাহ শ্ৰমিকে মানি ল'ব নোৱাৰে। কাৰণ আজি চাহ শ্ৰমিকে কাম পাই ক'ত, সপ্তাহৰ মূৰে মূৰে পাত টুলিবলৈ পায়। চন্দন, আগৰ খেতিতো কৰিলে তেওঁলোকে কি কৰিব তাত। Animal Husbandary and Fishery, Green Power and non conventional NRT, Food processing blending unit, এই আটাইবিলাক আমি বিৰোধিতা কৰিছো আৰু চাহ বাগিছাৰ মাটি সচাঁকৈ চাহ বাগিছাৰ খেতিত ব্যৱহাৰ হ'ব লাগে। কিন্তু দুটা কামৰ কাৰণে, যদি Tea-tourism ৰ কাৰণে যদি ব্যৱহাৰ কৰিব খোজে, অসমত Tea - Tourism ৰ যথেষ্ট সম্ভাৱনা আছে। কোনোবা এখন বাগানত যদি Tea- Tourism ৰ কাৰণে অলপ মাটি ব্যৱহাৰ কৰে, সেইটো আপত্তি কৰিব লগীয়া নাই আৰু যদি Social Infrastructure মানে তাৰ মানুহ বিলাকৰ কাৰণে স্কুল কলেজ আদিৰ কাৰণে অৱশ্যে বাগানৰ পিছ ফালে ব্যৱস্থা আছে আৰু ৫০ বিঘা মাটিত বাঁহৰ খেতি কৰিব পাৰিব বুলি ব্যৱস্থা আছে।

এই বিলাক কিয় সংশোধনী আনিছে মাননীয় অধ্যক্ষ মহোদয়, এই বিলাক সংশোধনী এই কাৰণে আনিছে যে আমাৰ বহুত ৰাজনীতিবিদ এতিয়া বাগানৰ মালিক হৈছে আৰু সেই মাটি বিলাক লাহে লাহে convert কৰিবৰ কাৰণে এই বিলাক ব্যৱস্থা কৰা হৈছে। (...সদন হুলস্থুল....)

মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া ৰাজ্যখনৰ কল্যাণৰ কিবা কথা কওঁতে, এনেকুৱা insulting mode ত কিবা কথা কৈ থাকে। অসমৰ চাহ শ্ৰমিকসকলৰ পক্ষত কথা কওঁতে, insulting কৰি থাকে, কথা কৈ কি লাভ আছে। গতিকে মই ইয়াতে সমাপ্ত কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীভূৱন পেগু, (জোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো সংশোধনী আনিছে, সেই বিষয়টোত আমাৰ অলপ কব লগীয়া আছে। সংশোধনীটো কোনটো বিষয়ত সংশোধনী আনিছে। তাৰ মানে statement of object & reason, খুব সুন্দৰভাৱে ইয়াত ব্যাখ্যা কৰি দিছে যে The department has considered the scope of bringing more activities in the list of purposes ancillary to tea to diversity the activities of the garden, generate local employment, augment local income and also to achieve sustainability in the context of challenging global market আৰু কোনখিনি বিষয়ত employment আনিব, এতিয়া যি চাহ শ্ৰমিকসকল শ্ৰমিক হিচাপে কাম কৰি আছে, তেওঁলোকৰ কাৰণে employment generation কোনখিনি ঠাইত কৰিব, যে promotion of eco-tourism fairly tea tourism, এতিয়া কোনোবাই orchid

লৈ eco-tourism develop কৰিছে, নাম কমাই আছে। আমাৰ চাহ শ্ৰমিকসকলে নাম কমালে কিবা বেয়া হ'ব নেকি?

দ্বিতীয়তে, Cultivation of Agricultural crops which improve cash crops, অকল হাজিৰা নহয়। এনেকুৱা cultivation of cash crops improve কৰিছে, য'ত নেকি আমাৰ চাহ শ্ৰমিকসকলে extra পইচা পাব।

তাৰ পিছত horticultural crops, floriculture, meditional plan, অগৰু, sandalwood with bamboo, animal husbandary, dairy farming ও হ'ব পাৰে, গাখীৰ উৎপাদনো হ'ব পাৰে। আমাৰ চাহ শ্ৰমিক সকলে শ্ৰমিক হিচাপে পৰিচয় নাপায়, Entrepreneur ও হ'ব পাৰে। এতিয়া তাৰ পিছত fisheries, green power, non conventional energy resources তাত যদি কালিলৈ solar power যদি হয়, আমাৰ power crisis বোৰ দূৰ হ'ব। তাৰ পিছত কৈছে, social infrastructure service which includes welness centre মানে ভাল ভাল হস্পিতাল, স্কুল, কলেজ, বিশ্ববিদ্যালয়, মেডিকেল, নাৰ্চিং, পাৰামেডিকেল institution, cultural, recreational exhibition centres and Govt. offices তাৰ মানে এইগোটেই খিনি যেতিয়া ৫ শতাংশ চাহ বাগিছাৰ মাটিত হ'ব, আমাৰ চাহ শ্ৰমিকসকলৰ বিভিন্ন ধৰণে avenues বঢ়ি যাব। আজি অকল হাজিৰা কৰি বা শ্ৰমিক হিচাপে হাজিৰাৰ ওপৰত নিৰ্ভৰ কৰি চলি থাকিব লগীয়া হৈছে। এতিয়া তাৰে পৰা যিবিলাক শিক্ষিত যুৱক ওলাই আহিব, সকলোৰে নিযুক্তি পাব। এখেতসকলে সৰু সৰু entrepreneurship develop কৰিব পাৰিব। মই ভাৱো যে এইটো এটা নিকৃষ্ট মানসিকতা, চাহ শ্ৰমিক যে সদায় শ্ৰমিকেই হৈ থাকিব লাগে বুলি। এই সংশোধনীটো যিজনে আনিছে তাৰ নিকৃষ্ট মানসিকতাৰ প্ৰমাণ পাইছে। এখেতসকলে হজম কৰিব নোৱাৰে যে চাহ বাগানৰ চাহ শ্ৰমিক বা আদিবাসী সকলে বিজেপি চৰকাৰৰ দিনত যে ৰাষ্ট্ৰপতি হ'ব পাৰে। এখেতসকলে ৰবৰষ্টেম্প বুলি নামাকৰণ কৰিব বিচাৰিছে, গছৰ মুঢ়া বুলি কব বিচাৰে। আজি আমি গৌৰৱ কৰো এই চৰকাৰৰ দিনত যিটো eco-system develop হৈছে, চাহ শ্ৰমিকে হওঁক, খাতি খোৱা আদিবাসী ভাৰতৰ ৰাষ্ট্ৰপতি হ'ব পাৰিব আৰু প্ৰত্যেকটো চাহ বাগানৰ পৰা উঠি অহা প্ৰজন্মই কিবা এটা নতুন ব্যৱস্থা কৰি দিব পৰাকৈ ৰাস্তা ওলাব, এই সংশোধনীৰে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমি দলু চাহ বাগান চাই অলপ ভয় খাইছো। দলু চাহ বাগানত যেনেকৈ গছ পুলি বিলাক উঠাই লোৱা হৈছে। য'ত ৫ শতাংশ হয়, তেনেহলে দলু চাহ বাগানৰ ইমানখিনি মাটি অধিগ্ৰহণ কৰা হ'ল বা কৰাৰ কাৰণে পন্থা এটা লোৱা হ'ল, এইটো কোনটো clause ত লোৱা হৈছে। এইটো মন্ত্ৰী মহোদয়ে অলপ জনালে ভাল আছিলে। কাৰণ এই ৩ হাজাৰ বিঘা জমি লাগিব, এই বিলখন যে পাছ হ'ব, তাত আছে ৫ শতাংশ। এই ৫ শতাংশত সকলোখিনি দিব পাৰে। দলু চাহ বাগানত যে ৩ হাজাৰ বিঘা মাটি Airport ৰ কাৰণে লোৱা হৈছে, এইটো কোনটো clause ত লোৱা হৈছে, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মী, আপুনি কিবা ক'ব নেকি?

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়নী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ যি সিদ্ধান্ত, ৫ শতাংশ আমাৰ বিভিন্ন কৰ্ম ক্ষেত্ৰত ব্যৱহাৰ কৰাত, এইটো সিদ্ধান্তক আদৰণি জনাইছো। মই চাহ বাগানৰ এজন সন্তান হিচাপে আৰু মোৰ মামাৰ পৰিয়ালে এতিয়াও চাহ বাগানৰ পাত তোলে। মোৰ মামাৰ

লৰাই বাগানত চৰ্দাৰ কৰে আৰু কলম কাটি পেলাই পৰিয়াল পোহ-পালন দি আছে। আমি দেখা পাইছো, শিক্ষিতৰ সংখ্যা যথেষ্ট বাঢ়িছে। বহুতে ITI পঢ়িবলৈ লৈছে, Hotel Management পঢ়িবলৈ লৈছে, বহুতে আজি fisheryৰ পৰা আদি কৰি animal husbendary যাব বিচাৰিছে। কিন্তু তেওঁলোকৰ মাটি বুলি একো নাছিল। আজি বহু এনেকুৱা মাটি আছে য'ত পৰিত্যক্ত অৱস্থাত চাহ বাগানত পড়ি আছে। আজি বিভিন্ন ক্ষেত্ৰত ব্যৱহাৰ কৰি আজি আমাৰ নিবনুৱা যুৱক-যুৱতীৰ যিটো সমস্যা, সেইটো সমস্যা দুৰ কৰাৰ কাৰণে এটা পদক্ষেপ। ইয়াক আদৰণি জনাইছো। অকল আমিয়ে নহয়, হুNorth Eastern Tea Association ৰ সভাপতি বিদ্যানগৰ বৰকটকী ডাঙৰীয়া, তেওঁ আদৰণি জনাইছে। টাই, এ টি পি, যিমান সন্থা আছে, আজি আদৰণি জনাইছে। কেৱল এই পৰিত্যক্ত অৱস্থাত ৫ শতাংশতকৈ অধিক মাটি পৰি আছে। তাৰ পৰা অকল মালিক পক্ষই লাভন্বিত হ'ব, সেয়াই নহয়, চাহ শ্ৰমিকৰ সন্তান সকলেও লাভান্বিত হ'ব। ইয়াক আমি আদৰণি জনাইছোঁ আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনেধৰণৰ একাডেমিক আলোচনা সদনত হ'ব লাগে। আজি যিটো প্ৰস্তাৱ আহিছে, আমি move য়ে নকৰিলো। diversion লাগিব মাননীয় অধ্যক্ষ মহোদয়। কাৰণ যদি diversion নহয় আমাৰ চাহ শ্ৰমিকসকল যিসকল মালিক, তেওঁলোকৰ ব্যৱসায়, যদি সেই ব্যৱসায়ৰ পৰা যথেষ্ট অৰ্থ নাপায়, তেতিয়া হলে চাহ শ্ৰমিকসকলকো সেই ধৰণে মুনফাটো দিব নোৱাৰে। গতিকে ৫ শতাংশ তাৰে মাটি যদি diversion কৰি বেলেগ ব্যৱসায় কৰিও শ্ৰমিক সকলৰ অৰ্থনৈতিক ভাৱে উন্নতি হয়, এই যিটো সংশোধনী আনিছে, আমি সমৰ্থন কৰিছো। এনেকুৱা diversion হলে intension টো ভাল হ'ব লাগিব। যিটো ৫ শতাংশৰ আইন কৰিছে, যদি ৫ শতাংশই থাকে, গোটেই বাগানখন যাতে লৈ নহয়, তেনেকুৱা কথাত গুৰুত্ব দিব লাগিব। বাকী যি ধৰণৰ এটা চৰ্চা চলিছে, যদি এনেধৰণে আপোনাৰ বাগান বিলাক নতুন চিন্তাৰে আগবঢ়াই লৈ নাযায়, তেতিয়া হলে চাহ শ্ৰমিকসকলৰ বাবে মালিক সকলক জোৰজবৰদস্তি কৰিলে নহ'ব, তোমালোকে এইটো দিয়া, সেইটো দিয়া। তাৰ মালিকসকলেও তাৰ পৰা অৰ্থটো পাব লাগিব। যদি অৰ্থটো নাপায়, তেতিয়া হলে তেঁও কেনেকৈ কৰ পৰা দিব। গতিকে ৫ শতাংশ অৰ্থনৈতিক ভাৱে শ্ৰমিক সকলক আমি মুনফা দিবৰ কাৰণে diversion কৰে, বিৰোধী পক্ষৰ পৰাও এই কথাত সমৰ্থন কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী সঞ্জয় কিষান, (শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিৰোধী দলৰ সদস্য গৰাকীক ধন্যবাদ জনাইছো। এইটো আচলতে বেলেগ ফালে লৈ যাব নালাগে। এইটো ২ শ বছৰতকৈ পুৰনা এটা উদ্যোগ। এই উদ্যোগটোৰ ওপৰত বিভিন্ন ধৰণে ভাবুকি আহিছে। বতৰৰ পৰিবৰ্তন হৈছে, বহুত কিবা কিবি হৈছে আৰু আজি দেখিবলৈ পোৱা গৈছে যে মালিক সকলৰ বা শ্ৰমিকসকলৰ কিছুমান ভাবুকি আহিছে। সেই কাৰণে supporting ৰ কাৰণে যদি ৫ শতাংশ বিভিন্ন উদ্যোগ, বিভিন্ন কামৰ কাৰণে কৰিব পৰা যায়। আজি যদি আপোনালোক উটি চাবলৈ যায়, তাৰে চাহ বাগানে tourism ক বহুত ওপৰলৈ লৈ গৈছে। আমি নিশ্চয় অসমত এইটো কৰিব পাৰো, তেনেধৰণৰ এটা চিন্তা কৰি এই সংশোধনীটো অনা হৈছে। গতিকে নিশ্চিত ভাৱে ইয়াত বেছিভাগ মানুহে চাহ বাগানৰ ওপৰত আছো। চাহ বাগান অসমৰ এটা সম্পদ। ইয়াৰ ভালৰ কাৰণে ৰূপ দিয়া হৈছে বেলেগফালে লৈ যাব নালাগে। ইয়াত যথেষ্ট নিবনুৱা যুৱক-যুৱতী উপকৃত হ'ব

আৰু বাগানৰ মানুহো ইয়াৰ পৰা উপকৃত হ'ব। ধন্যবাদ।

**শ্রীভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ। যিহেতু মই চাহৰ লগত জড়িত এজন ব্যক্তি, আপুনি অলপ মোক সময় দিছে, তাৰবাবে ধন্যবাদ। আচলতে এই কথাটো আলোচনা হৈছিল আগতে, আমি জানো যে, এতিয়া আমাৰ চাহৰ যিবোৰ ৫ শতাংশ বুলি কৈছে, বহুত মানুহৰ পথাৰ আছে, হোলা আছে, সেইবোৰ এনেয়ে পৰি থাকে। ধান খেতিও নহয়, তেনেকুৱা ধৰণৰ বহুত আবাদী মাটি বুলি কয়। এই আবাদী মাটি বহুত আছে। আচলতে proper য'ত চাহ হয়, তাত চাহ খেতি আছে, সেই মাটিবোৰত যেতিয়া আমি এখন ফি চাৰী কৰিম বা তাত কিবা resort কৰিলো বা অন্য যি কামেই কৰো, যিখিনি ইয়াত specified কৰা আছে, তাত কাম কৰিবলৈ বাহিৰৰ মানুহ নাহে। তাত কাম কৰিবলৈ বাগানৰ ল'ৰা-ছোৱালী বিলাকে যাব।. যিটো এটা উত্তৰণ ঘটিব। আজি যদি তাত এখন resort হ'ব, তাত বাগানৰ ল'ৰাই পঢ়াশুনা কৰি ল'ৰা বিলাকে সেই resort ত মেনেজাৰ হৈ কাম কৰিব। তাৰ ছোৱালী বিলাকে ধুনীয়া ধুনীয়া ড্ৰেছ পিন্ধি তেওঁলোকে waitress কৰিব। বিভিন্ন ধৰণৰ কামবোৰ তেওঁলোকে কৰিব পাৰিব। গতিকে কৰ্মসংস্থাপন খোল খাই যাব। এইটো এটা ভাল চিন্তা। সেই কাৰণে মই পক্ষত আছো। কাৰণ মই দেখিছো আমাৰ বাগিছাসমূহত এনেয়ে বহুত মাটি পৰি আছে। য'ত আমাৰ চাহ খেতি নহয়। গতিকে এই কথাখিনি মই কৰ্মসংস্থাপনা দিশটো চাই ক'লো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্রীযোগেন মোহন, (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শ্ৰীৰকিবুল হুছেইন, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰীসঞ্জয় কিষান ডাঙৰীয়া, শ্ৰীভূৰন পেগু, শ্ৰীৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া, তেওঁলোকে গোটেই উত্তৰটো প্ৰায় দিছিল। আমি এটা সৰু Amendment, ৫ শতাংশটো আগতে আছিল। কিন্তু য'ত not reasonable for tea plantation সেইটো আছিল, এতিয়া আমি ৫ শতাংশ of the tea gerden গোটেই বাগানখনৰ যদি planted tea কাটি তেওঁলোকে তাতে আমি যি এই ৬ টা দেখুৱাইছো, eco-turism কৰিব বিচাৰে, cultivation of agriculture crops, এই গোটেইকেইটা Animal Husbandry, School, Nurse, শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) তেখেতে কৈছে Women empowermen, তাতো এই women empowerment টো inclued আছে, অঙ্গনবাড়ী চেণ্টাৰ কৰিব পাৰিব আৰু তাতে nurses, এইসকল মহিলাই women empowerment ৰ এটা অনুষ্ঠান। এনে বহুত অনুষ্ঠান কৰিবৰ কাৰণে আমাৰ একোটা simple beginning হৈছে, ৫ শতাংশ। West Bengale ত ১৫ শতাংশ এইখন আইনত আছে। 15% of the total grant area subject to maximum 150 acres. এনেধৰণে এইখন আইন চলি আছে। গতিকে মই ভাবিছো চাহ বাগিছাৰ ৰাইজৰ বৃহৎ উন্নয়ণৰ স্বাৰ্থত আজি যদি চাহ খেতি কৰি ১০০ টকা ইনকাম কৰিছে, যদি আমি বেলেগ যিকেইটা দিছো, চৰকাৰৰ তাতকৈ যদি ২ শ টকা income হয়, বাগিছাৰ কৰ্তৃপক্ষৰ উন্নতি হ'ল, চাহ বাগিছাৰ জনসাধাৰণৰ income হ'ল। Unemployment problem slove হ'ল। এনেকুৱা ধৰণৰ কথা চিন্তা কৰিহে এই আইনখন অনা হৈছে। এটা সৰু সংশোধনী মাত্ৰ, এইটো ৫ শতাংশটো এতিয়া আমি মুঠ চাহ বাগিছাৰ মাটিৰ পৰা ব্যৱহাৰ কৰিব পাৰিব। আগতে আছিলে কেৱল eligible for tea plantation.সেইটো কথা আছিল। গতিকে এইখিনিৰ ক্ষেত্ৰত মই ভাবিছো সন্মানীয় সদস্য সকলে গোটেই বস্তুটো clear হৈছে আৰু আমি এইখিনি কৰিলে আমাৰ এটা বৃহৎ অৰ্থনৈতিক আহিব উন্নয়ণৰ দিশত। বিশেষকৈ চাহ শ্ৰমিক ৰাইজৰ উন্নয়ণৰ ক্ষেত্ৰত,

তাতে পঢ়াশুনা ল'ৰা আছে। তাত eco-tourism কৰি, বৰুৱা ডাঙৰীয়াই ধুনীয়াকৈ কৈছে। তেখেতেওঁ যিহেতু বাগানৰ লগতে জড়িত এইখিনি কথা আহিলে আমি ভাবিছো তাত tourist attraction আহিব। বাগিছাখনৰ দেখিবলৈ সৌন্দৰ্য্যতা আহিব, তাত যদি এইবিলাক গঢ় দিয়া হয়। ইয়াত কেৱল মাত্ৰ বাগিছা কৰ্তৃপক্ষ আৰু চৰকাৰ থাকিব। ইচ্ছা কৰিলে চৰকাৰে কৰিব পাৰিব বা বাগিছা কৰ্তৃপক্ষই কৰিব পাৰিব। ইয়াত কোনো বাহিৰা force য়ে গৈ তাত এইবিলাক কৰিব নোৱাৰিব। তাৰ কাৰণে আমাৰ চৰকাৰে চিন্তা কৰিছে, দৰকাৰ হ'লে তেওঁলোকক ৫০ শতাংশ চাবচিদিও দিব পাৰে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো কৈছে যে, এইবিলাক কৰিবৰ কাৰণে বাগিছা কৰ্তৃপক্ষৰ লগত চৰকাৰৰ maximum ২ কোটি টকা, এনেধৰণৰ কথা আলোচনা হৈ আছে। কিন্তু এতিয়ালৈকে কোনো ধৰণৰ সিদ্ধান্ত হোৱা নাই। কিন্তু এনেকুৱা ধৰণৰ খুৱ ভাল চিন্তা কৰা হৈছে। মই ভাৱো, এইখিনি ক্ষেত্ৰত যদি আমি সকলোৱে আলোচনা কৰো, মাননীয় অখিল গগৈ ডাঙৰীয়া তেখেতেও এই কথাটো অলপমান ভালকৈ বুজিছে, শেহতীয়াকৈ মই গম পাইছো। গোটেই বিষয়টো আমি এই চাহ শ্ৰমিক ৰাইজক এটা ভুল বাৰ্তা দিব নালাগে, এই দলৌ চাহ বাগিছা এইটো আমাৰ এইখন এক্টত অহা নাই, তথাপিতো সেইখনো সকলো ৰাইজ, সংগঠন দলৰ লগত আলোচনা কৰিহে সিদ্ধান্ত হৈছিল, কিন্তু যিহেতু ইয়াত অহা নাই বিষয়টো। মই বিশেষ দীঘলীয়াকৈ নকওঁ, দলৌ চাহ বাগিছাৰ কথা। গতিকে গোটেই বিষয়টো মই ভাৱো তেওঁলোকে যিখিনি সংশোধনী বিচাৰিছে উঠাই ল'ব। এইটো Just beginning. 5% মাটি আমি of the tea gerden কৰিব পাৰিব বুলি আজি ordinance pass কৰিছো, আমি এই যিখন চিলিং এক্ট, এই এক্টৰ মতে ডায়েৰীখন ১৯৫৬ ৰ এক্ট। সৰু Amendment আৰু এই গোটেই কথাখিনিক মই ভাবিছো সদনে অনুমতি দিব আৰু আমাৰ যিসকলে সংশোধনী প্ৰস্তাৰ আনিছে, সন্মানীয় বিধায়কসকলে উঠাই ল'বৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া, আপোনালোকে উঠাই ল'ব।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ), ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান কথা ক'ব বিচাৰিছো। ইয়াত এটা কথা স্পষ্ট হ'ব লাগে যে আইনখন অনা হৈছিল The Assam Fixation of Ceilling on Land Holding Act 1956 ত। কথাটো হ'ল যে ১৯৫৬ ত যিটো Ceilling on Land Holding Act আৰু তাৰ Amendment Act 1970. তাতে tea garden ৰ যিখিনি ceilling surplus, যিখিনি land tea garden ৰ ceilling ৰ পৰা বাহিৰ হৈছিল। The total garden area which tea gardens are allowed to retained under this provision of this Act. সেই আইনমতে সেই ceilling ৰ বাহিৰ হৈ যোৱা মাটিৰ পৰা যিখিনি 5% retained কৰিব দিছে আইনখনে on condition that যে এই মাটিখিনিত এই কাম কৰিব পাৰিব। Tea garden ৰ existing মাটি নহয়, যিখিনি ceilling ৰ পৰা বাহিৰ হৈ গৈছিল তাৰ পৰা 5% retained কৰিব দিছে, এই আইনখনে যে এই 5% মাটিত আকৌ ঘুৰাই পাব, retained কৰিব পাৰিব তাত এইখিনি activity কৰিব লাগিব আৰু সেই activity ত আজি আমি Amendment কৰি কেইটামান আগতে যিকেইটা আছিল তাত আছিল land used for factory building, used for staff building, bridges আগতে এখন দীঘলীয়া লিষ্ট আছিল। এতিয়া আমি তাত এইকেইটা amend কৰিব বিচাৰিছো, এই যে 5% Ceilling Act ৰ অধীনত যিখিনি আকৌ চৰকাৰে ঘুৰাই দিলে tea garden ৰ পৰা যিখিনি বাহিৰ হৈ গৈছিল, আকৌ ঘুৰাই ল'ব দিলে, সেইখিনি activity কৰিব পাৰিব। তাত

বাকী গোটেইখিনি ঠিক আছে। Eco friendly tea tourism, cultivation, agriculture animal husbandry গোটেইখিনি ঠিক আছে। আমি ধৰি লৈছো, এইখিনি ভাল। এতিয়া কথা হ'ল আমি simply just এটা কথা add কৰিছিলো যে, tea garden ৰ মহিলা সকলৰ যিটো অৱস্থা Women empowerment ৰ কাৰণে, তাত কিছুমান পদক্ষেপ লোৱাৰ কাৰণে allow কৰিব লাগে। আইনত দিয়া মানে কি যে আমি allow কৰি থলো, তাত যিকোনো সময়ত women empowerment ৰ কাৰণে তেওঁলোকে কিবা ব্যৱস্থা ল'ব পাৰিব। ইয়াত আমাৰ এগৰাকী সদস্যই কৈছে যে আমাৰ এগৰাকী আদিবাসী মহিলা দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি বনাই দিছে। এগৰাকী আদিবাসী মহিলাক ৰাষ্ট্ৰপতি বনাই দি যদি লাখ লাখ আদিবাসী মহিলাক static condition ত ৰাখো সেই আদিবাসী জনগোষ্ঠীৰ কোনো লাভ নহ'ব। গতিকে এগৰাকীক আমি ৰাষ্ট্ৰপতি বনাই দিলো আৰু বাকী লাখ লাখ আদিবাসী মহিলাক empowerment কৰিব নিদিম, empowerment ৰ প্ৰস্তাৱ আমি মানি নলম, women empowerment ৰ কাৰণে দিব খুজিলে তাত আমি বিৰোধ কৰিম আৰু ইয়াত মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে যে অঙ্গনবাড়ী কেন্দ্ৰটোWomen Empowermnet ৰ। এইটো প্ৰধানকৈ child development ৰ। গতিকে এই কথাটো মোৰ বোধেৰে women empowerment ৰ কাৰণে তাত কিবা activity কৰা হ'ব, এই কথাটো আইনখনত সন্নিবিষ্ট কৰিলে একো ক্ষতি নাই। চৰকাৰৰ মাথো সদ্দিচ্ছা এটা লাগে যে women empowerment ৰ কাৰণেও তাত weaving center বা মহিলা ক্লাব এইখিনি দিলে চৰকাৰৰ কি ক্ষতি হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, মহিলাসকলৰ কাৰণে ভৱিষ্যতে কিবা কৰিব পাৰিব নে নোৱাৰে? আপুনি কৈ দিয়ক।

**শ্ৰীযোগেন মোহন, (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, original যিখন ১১ টা component আছিল, ইয়াতে আছিল Land used for factory building আগতে যি ১১ টা আছিল, আপুনি চাইছে, আমি যিকেইটা আনিছো এইখিনিটো থাকিবই land used for staff building including labour line এইবিলাকটো আছেই, land used for hospital, dispensaries, churches, creation, recreation centre, and play grown এইবিলাকটো আছেই ১১ টা। এইখিনিটো থাকিবই, তাৰোপৰি আমি এইখিনি দিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। আপুনি আপোনাৰ পইণ্টটো ক'লে। এতিয়া আপুনি এইটো উঠাই ল'ব নে move কৰিব?

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অংগনবাড়ি কেন্দ্ৰসমূহ মূলতঃ শিশু সকলৰ বিকাশৰ কাৰণে, মহিলা সৱলীকৰণৰ কাৰণে নহয়, গতিকে মোৰ বোধেৰে মহিলা সৱলীকৰণৰ কাৰণে তাত কিছুমান এক্টিভিটি কৰা হ'ব। এই কথাটো আইনখনত সন্নিবিষ্ট কৰিলে একো ক্ষতি নাই। চৰকাৰৰ ফালৰ পৰা সদিচ্ছা এটা লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, মহিলাসকলৰ কাৰণে ভৱিষ্যতে আপুনি কিবা কৰিব নে নকৰে, কৈ দিয়ক। তেওঁক কেৱল মহিলা সকলৰ বাবে আশ্বাস লাগে।

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃত যিখন বিল আছিল, তাত ১১ টা কম্পোনেণ্ট আছিল। ইয়াত আছিল যে Land use for Factory Building, Land use for Staff Building including Labour Line, Land use for Hospital, Dispensaries, creations of

re-creation centre এইবোৰতো থাকিবই। তাৰোপৰি আমি এমেণ্ডমেণ্টত এইখিনি দিছো।
**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ সন্দেহ হৈছে যে মহিলাসকলৰ বাবে একো এক্টিভিটি তাত নাথাকিব।
**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, স্কীল ডেভেলপমেণ্ট চেণ্টাৰ, নাৰ্চ, অংগনবাড়ী চেণ্টাৰসমূহ, ফুড প্ৰচেচিং আদিত মূলতঃ মহিলাসকলো ইয়াত অন্তৰ্ভূক্ত হৈ আছে।
**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া আপুনি এইটো উঠাই ল'ব নে move কৰিব?
**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই নলওঁ।
**মাননীয় অধ্যক্ষ ঃ** আপুনি যদি move কৰে, তেনেহ'লে আমিনুল ইছলাম ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিছো।
প্ৰস্তাৱটো ভোটদানৰ বাবে সদনত উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱৰ
সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে।
সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ জনগোষ্ঠী মহিলা সকলৰ উন্নয়নৰ বাবে চৰকাৰৰ সদিচ্ছা নাই। তাৰ পৰিপ্ৰেক্ষিতত মই উঠাই নলওঁ। মই ৱাক আউট কৰিম।
**মাননীয় অধ্যক্ষ ঃ** আপুনি ৱাক আউট কৰিলেও বা নকৰিলেও এইখন পাচ হৈ গ'ল।
অখিল গগৈ ডাঙৰীয়া, আপুনি সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে move কৰিব?
**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই নলওঁ, move কৰিম। ইয়াৰ কাৰণটো হ'ল, মই দেখিলো যে ইয়াত যিখিনি বক্তব্য ৰাখিলে সকলোৱে মালিক পক্ষৰ ফালৰ পৰা কথা কৈছে। কোনোবাই কৈছে যে আমাৰ ইয়াত এনেকুৱা Enterprenuership Develop হ'ব। কিন্তু ইয়াত এক্টখনত যিটো কোৱা হৈছে, সেইটো হয়, চৰকাৰে কৰিব পাৰিব, নহ'লে মালিক পক্ষই কৰিব পাৰিব। মই ভাৱো আজিৰ সদনে চাহ শ্ৰমিকসকলৰ লগত কথা নপতাকৈ চাহ শ্ৰমিকৰ মালিকৰ যিবিলাক ইউনিয়ন, তেওঁলোকৰ কথা কৈছে।
**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে move কৰিব?
**শ্ৰী অখিল গগৈ, বিধায়ক, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটো একেবাৰে উঠাই নলওঁ। মোৰ প্ৰস্তাৱটো আছে।
**মাননীয় অধ্যক্ষ ঃ** আপুনি যদি move কৰে, তেনেহ'লে অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিছো। প্ৰস্তাৱটো হ'ল, প্ৰস্তাৱটো গৃহীত কৰিব লাগে।

যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱৰ
সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'
মই ভাৱো 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে।
সংশোধনী প্ৰস্তাৱটো নাকচ কৰা হ'ল।

এতিয়া ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। প্ৰশ্নটো হ'ল- ২ নং দফাটো বিধেয়কখনৰ অংশ

হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰাস্তাৱটো গৃহীত হ'ল আৰু ২ নং দফাটো বিধেয়কৰ অংশ হ'ল।

বিধেয়কৰ ৩ নং দফাত সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল- ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰাস্তাৱটো গৃহীত হ'ল আৰু ৩ নং দফাটো বিধেয়কৰ অংশ হ'ল।

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত সংশোধনী প্ৰস্তাৱ নাই।

প্ৰশ্নটো হ'ল-বিধেয়কৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰস্তাৱটো গৃহীত হ'ল।

দফা নং-১, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় ৰাজহ আৰু দুৰ্যোগ প্ৰশমন মন্ত্ৰী ডাঙৰীয়াক বিধেয়ক খন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম ফিক্সেশ্যন অৱ চিলিং অন লেণ্ড হোল্ডিংচ (এমেণ্ডমেণ্ট) বিল, ২০২২" বিধেয়ক খন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়ক খন পাৰিত কৰিবৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিলো।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰাস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং-১৮। "দ্যা ৰেজিষ্ট্ৰেশ্যন (আসাম এমেণ্ডমেণ্ট) বিল, ২০২২ " ।

মাননীয় ৰাজহ আৰু দুৰ্যোগ প্ৰশমন মন্ত্ৰী ডাঙৰীয়াক "দ্যা ৰেজিষ্ট্ৰেশ্যন (আসাম এমেণ্ডমেণ্ট) বিল, ২০২২, " বিধেয়ক খন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী যোগেন মোহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ প্ৰশমন ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা ৰেজিষ্ট্ৰেশ্যন (আসাম এমেণ্ডমেণ্ট) বিল, ২০২২, " দফাই দফাই বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** "দ্যা ৰেজিষ্ট্ৰেশ্যন (আসাম এমেণ্ডমেণ্ট) বিল, ২০২২, " দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক, 'নহয়'

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

প্ৰান্তাৱটো গৃহীত হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। এইখন বিলত তিনিটা এমেণ্ডমেণ্ট আছে। এতিয়া মই ২ নং দফাত দেৱব্ৰত শইকীয়া, ভৰত চন্দ্ৰ নৰহ, ওয়াজেদ আলী চৌধুৰী ডাঙৰীয়াৰ ফালৰ পৰা মন্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী দিগন্ত বৰ্মন, বিধায়ক (বৰক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, I beg to move in proposed sub-clause (1) of clause 2 of the proposed Bill, the word omitted occuring in line 7 shall be substituted by the word continue. মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে আচলতে যিখন এমেণ্ডমেণ্ট আনিব বিচাৰিছে এই আইনখন আজিৰ পৰা ৬ মাহ আগতে এবাৰ সংশোধন হৈছিল আৰু যিটো clause omit কৰিব বিচাৰিছে, সেই আইনখনত তেতিয়া তেওঁলোকে সংযোজন কৰিছিল। ফেব্ৰুৱাৰী ২৪ তাৰিখে গেজেট নোটিফিকেশ্যন উলিয়াইছিল আৰু ২০২২ ৰ ১ মাৰ্চত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে টুইট কৰিছিল যে- For further boost of Administrative reform Government of Assam has done Amendment of Section 21 (A) of Registration Act to expedite the Registration process for transfer, lease of house, flat, residential apartment, commercial building etc. Henceforth, no NOC will be required to be obtained from DC. মাননীয় অধ্যক্ষ মহোদয়, এইটো আচলতে সঁচা কথা যে মাটি থাকিলেহে ঘৰ বনাব পাৰি। আজি কালি মানুহৰ মানসিকতা এনেকুৱা হৈছে যে কোনোবাই যদি চাকৰি কৰে তেওঁলোকে চহৰত আহি ঘৰ এটা ল'ব বিচাৰে। কিন্তু আপোনালোকে জানে যে আজিকালিৰ দিনত মাটি কিনি ঘৰ বন্ধা অতি কষ্টকৰ কাম। সেইকাৰণে আমাৰ যিবিলাক নতুন নতুন বিল্ডাৰ আহিছে তেওঁলোকে আপোনালোকে যিখন আইন আনিছে তাত আঠটা বা তাতোকৈ কম বিল্ডিংৰ পাৰ্মিশ্যন পায়। তেওঁলোকে কোনোবা মানুহৰ মাটি কনডিশ্যনত লৈ ফ্লেট বনায়। দুটা মান মালিকক দিয়ে আৰু ৬ টা মান বিক্ৰী কৰে। সেই ক্ষেত্ৰত NOC দৰকাৰ নাছিল আৰু সেইটো একো বেয়া হোৱা নাছিল। যেতিয়া তেওঁলোকে বিল্ডিং পাৰ্মিশ্যন ল'ব তেতিয়া সকলো মাটিত নথি-পত্ৰ চাবই। এতিয়া যদি আমি সেইটো আকৌ অমিট কৰি দিওঁ, তাৰ মানে আমি আকৌ চাৰ্কোল অফিচৰ পৰা বিচাৰিব লাগিব। বিশেষকৈ যিখিনি চহৰ অঞ্চলৰ চাৰ্কোল অফিচাৰ আছে, তেওঁলোক অতি ব্যস্ত হৈ থাকে। তেওঁলোকে ৰেভিনিউৰ উপৰিও অন্যান্য কামসমূহতো বহু সময় দিবলগীয়া হয়। চৰকাৰৰ NRC Census ৰ পৰা আদি কৰি বিভিন্ন পলিচি থাকে। সেই কাৰণে বহু মণ্ডল চৰ জমিন তদন্তৰ কাৰণে আহিব নোৱাৰে। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি এটা কথা ক'ব বিচাৰিছো যে মন্ত্ৰী মহোদয়ে যিটো প্ৰস্তাৱ কৰিছে যে যিসকল বিল্ডাৰ 'ৰেৰা'ৰ অধীনত থাকিব, 'ৰেৰা' মানে যাৰ আঠ তলাতকৈ বেছি হ'ব, তেওঁলোকক 'ৰেৰা' ৰ ৰেজিষ্ট্ৰেশ্যন লাগিব। এইটো গোটেই ভাৰতবৰ্ষতে হৈছে। আমাৰ খাটি খোৱা বহু অসমীয়া লোকে সৰু সৰুকৈ বিল্ডাৰৰ কাম কৰি আছে। তেওঁলোকে ইতিমধ্যে ৰেজিষ্ট্ৰেশ্যন কৰিব আৰু মালিকৰ লগত এগ্ৰিমেণ্ট কৰি ফ্লেটসমূহ বনাব। তাৰ পিছতো ব্যক্তিগত ভাৱে যিজনে ফ্লেট কিনিব আহিব তেওঁলোকে আকৌ চাৰ্কোল অফিচাৰৰ তাত গৈ অনুমতি বিচৰাটো অতি কষ্টকৰ কাম। আপোনালোকে জানে যে ফ্লেট অক'পেঞ্চি লোৱাৰ পিছতো তেওঁলোকে তেওঁৰ ভাগৰ শ্বেয়াৰ

আছে, সেইখিনি লিটিগেশ্যন কৰিবই লাগিব। আগৰ এক্টখন বেয়া নাছিল। সেইখন পুনৰ ছমাহ পিছত সলনি কৰিবলগীয়া, সেই বিষয়ে মন্ত্ৰী মহোদয়ৰে পৰা এটা স্পষ্টিকৰণ বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, আপোনাৰ সংশোধনীকেইটা কৈ দিয়ক। মন্ত্ৰী মহোদয়ে একেবাৰতে উত্তৰ দিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** Hon'ble Speaker Sir, I propose the following amendment to "The Registration (Assam Amendment) Bill, 2022". Amendment of Section 21 A of the Principal Act. In Section 21 A, sub-section (1) of "The Registration (Assam Amendment) Bill, 2022" I proposed that the word "except" for house, flat, residential apartment, commercial building or any construction or structure erected on a plot of land appearing in between the word "immovable property" and shall be retained in the proposed amendment. মাত্ৰ ৬ মাহৰ আগতে ইয়াত এটা সংশোধনী আনিছিল। সেই সংশোধনীত এই Section টো সোমাইছিলহে, কিন্তু এনে কি extra-ordinary পৰিৱেশ হ'ল যে ৬ মাহৰ পিছত আকৌ সেইটো উলিয়াই দিবলগীয়া হ'ল। মোৰ সংশোধনীটোৰ বাকীখিনি কথা ইয়াত লিখি থোৱাই আছে। মই আৰু ক'ব খোজা নাই। কাৰণ ক'লেও ইয়াত বিশেষ একো নহয় ।

**শ্ৰী যোগেন মহন, (মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ১৯০৮ চনৰ পঞ্জীয়ন আইনখনৰ Section 21 ৰ sub-section A ৰ সংশোধনৰ পিছত ২০০৯ চনৰ "The Registration (Assam Amendment) Act" মতে স্থাৱৰ সম্পত্তি যেনে- গৃহ, অট্টালিকা, আৱাসিক এলেকা, ব্যৱসায়িক এলেকাৰ বিক্ৰী বা হস্তান্তৰ আদি পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট জিলা উপায়ুক্তৰ পৰা আপত্তি বিহীন প্ৰমাণ-পত্ৰৰ প্ৰয়োজন হৈছিল। কিন্তু, ২০২১চনত জিলা উপায়ুক্তসকলৰ কোনো NOC নোহোৱাকৈ হ'ব বুলি এটা সংশোধনী অনা হৈছিল। উদাহৰণস্বৰূপে, কোনো ব্যক্তিৰ ৩ বিঘা মাটিৰ ১ বিঘা মাটিত যদি এপাৰ্টমেণ্ট আছে তেন্তে তেওঁ গোটেই ৩ বিঘা মাটিয়েই বিক্ৰী কৰাৰ সুবিধাটো লৈছিল। সেইকাৰণে আমি এই আইনখনৰ জৰিয়তে ৰাইজক অকণমান ন্যায় দিব বিচাৰিছো। Sub-Registrar Office ৰ পৰা আমাৰ ওচৰলৈ খবৰ আহে যে বহু সময়ত কিছুমানে illegal কাম কৰাৰ সুবিধা লয়। সেয়েহে এতিয়া যদি কাৰোবাৰ RERA (Real Estate Regulatory Authority) ৰ অনুমতি লৈ থোৱা আছে তেন্তে তেওঁলোকে নতুনকৈ অনুমতি ল'ব নালাগে আৰু যদি কোনোবাই local bodies i.e. Municipal Board বা আন Development Authority ৰ পৰা অনুমতি লৈ ঘৰ বিক্ৰী কৰিছে বা পুনৰ বনাব বিচাৰিছে তেনে ক্ষেত্ৰত তেওঁলোকে পুনৰ অনুমতি ল'ব নালাগে কিয়নো তেওঁলোকে সকলো কথা verification কৰিয়েই অনুমতি দিয়ে । কিন্তু, কোনোবাই যদি নতুনকৈ বিল্ডিং বনায় বা extension কৰে তেনে ক্ষেত্ৰতহে অনুমতিৰ প্ৰয়োজন হ'ব। গতিকে এনেবোৰ ক্ষেত্ৰত চৰকাৰৰ যাতে ৰাজহ হেৰাই নাযায় তাৰ বিষয়ে চিন্তা কৰিয়েই ২০২১ চনৰ যিখন সংশোধনী আছিল সেইখন উঠাই কি কি ক্ষেত্ৰত NOC ল'ব লাগিব বা নালাগে সেই বিষয়ে উল্লেখ কৰিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কৈছিল যে sale আৰু lease ত দিবলগীয়া হ'লে উপায়ুক্তৰ পৰা NOC ল'ব নালাগে। যিহেতু GMDA ৰ পৰা permis-

sion লৈ ঘৰ এটা বনোৱা হয়, সেই ঘৰটো sale বা lease ত দিয়াৰ বাবেহে উপায়ুক্তৰ পৰা NOC ৰ প্ৰয়োজন হ'ব বুলি আপোনালোকে কৈ আছে। তেখেতে এদিন কৈছিল যে উপায়ুক্তৰ কাৰ্যালয়ত NOC ৰ বাবে ৩০০-৪০০ ফাইল পৰি আছে।

**শ্ৰী যোগেন মহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ নগৰ পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ত clarify কৰি দিব।

**মাননীয় অধ্যক্ষঃ**মাননীয় নগৰ পৰিক্ৰমা মন্ত্ৰী, আপুনি কৈ দিয়ক।

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, সংশোধনীটো ৰাজহ বিভাগে আনিছে যদিও এইটো আমাৰ বিভাগৰ লগতো যিহেতু জড়িত হৈ আছে, সেই কাৰণে মই ক'বলৈ উঠিলো। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বিচাৰিছিল যে উপায়ুক্তৰ কাৰ্যালয়ত ফ্লেটৰ অনুমতিৰ বাবে যাব নালাগে। এই সংশোধনী অনুসৰি কেৱল ফ্লেটৰ বাবেই নহয়, খালী মাটি বিক্ৰী কৰিবলৈও NOC ৰ প্ৰয়োজন নহয়। এতিয়া এই সংশোধনী অনুসৰি যিবোৰ Real Estate ৰ Project, RERA ত approve হ'ব আৰু যাৰ occupancy certificate, local authority (Municipal Board/Municipal Corporation) য়ে দি দিব, অকল তেওঁলোকেহে উপায়ুক্তৰ পৰা NOC ল'ব নালাগে আৰু আজিৰ পৰা দহ বছৰ আগতে যদি এজন মানুহে উপায়ুক্তৰ পৰা NOC লৈ ফ্লেট কিনিছিল, তেওঁ যদি তাক resale কৰিবলৈ যায়, তেন্তে দ্বিতীয়বাৰৰ বাবে তেওঁ NOC ল'ব নালাগে।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী)ঃ** মন্ত্ৰী মহোদয়, আপুনি কোৱা ধৰণে দুই-তিনি বিঘা মাটিত যিয়ে নিয়ম উলংঘা কৰিছে বা illegally transfer কৰিব বিচাৰিছে তেওঁলোকৰ কাৰণে ডেৰ-দুই কঠা মাটিত যিয়ে 8 plus apartment ৰ বাবে অনুমতি পায়, তেওঁলোকৰ হাৰাশাস্তি হ'ব নালাগে। গুৱাহাটীত বা আমাৰ ঘৰৰ ওচৰে-পাজৰে যাৰ ডেৰ-দুই কঠা মাটি আছে, তেওঁলোকে পুৰণি ঘৰবোৰ Builder ক দি দুটা পাৰ্ট নিজে ৰাখি বাকীখিনি বিক্ৰী কৰা দেখিবলৈ পাওঁ। গতিকে মই বিচাৰো যে এনেধৰণৰ মানুহখিনি যাতে হাৰাশাস্তি নহয়।

**শ্ৰী যোগেন মহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিঃ** আমাৰ নগৰ পৰিক্ৰমা মন্ত্ৰীয়ে ইতিমধ্যে কথাখিনি স্পষ্ট কৰি দিছে। উপায়ুক্তৰ পৰা NOC নোহোৱাকৈয়ে যাতে sale আৰু lease ত দিব নোৱাৰে তাৰ বাবেই আমি এনেধৰণৰ restriction আনিছো। Originally, যিখিনিয়ে অনুমতি লৈ থৈছে তেওঁলোকে পুনৰ অনুমতি ল'ব নালাগে। নতুনকৈ কৰা মানুহখিনিয়েহে ল'ব লাগিব। ধন্যবাদ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপোনালোকে ৬ মাহৰ আগত কিয় সংশোধনীটো আনিছিল আৰু এইবাৰ কিয় উঠাই ল'লে?

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মহন, মাননীয় মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদিঃ** আমি পৰীক্ষা-নিৰীক্ষা কৰাৰ পিছত দেখিলো যে আইনখনৰ কিছু ক্ষেত্ৰত অলপ সুৰুঙা আছে। আমি যাতে ৰাইজক ন্যায় দিব পাৰো আৰু ক'তো যাতে revenue loss নহয় সেই কথাবোৰ চিন্তা কৰি পুনৰ সংশোধনী অনা হৈছিল।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, আগতে মুখ্যমন্ত্ৰী মহোদয়ে বহুত ফাইল জমা হৈ থকাৰ কথাটো good sense ত কৈছিল। কিন্তু, পিছত দেখিলে যে ইয়াৰ ফলত চৰকাৰৰ

revenue loss হৈ আছে। আচল কথাটো সেইটো। গতিকে ....interruptions...

**মাননীয় অধ্যক্ষঃ** যিকোনো হ'ব পাৰে। মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈ দিলেই।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** গতিকে, এই কাৰণতেই ৬ মাহৰ তাৰতম্যটো হ'ল, নহয় জানো ?

**শ্ৰী অশোক সিংহল, মাননীয় মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, মই কৈ দিছো। Originally বিষয়টো আছিল যে real estate ত ফ্লেট বিক্ৰী কৰিলে এটা এপাৰ্টমেণ্টত ৫০ জন মানুহে flat কিনিছে আৰু ৫০ জন মানুহে sale permission ৰ কাৰণে circle office ত আবেদন কৰিব লাগে। প্ৰত্যেকজন মানুহৰ এটা এটা application ready হয়, মণ্ডলে application বনায়,, SDC য়ে DC ৰ তালৈ পঠায়, DC আকৌ inquiry কৰিব দিয়ে, DC য়ে আকৌ SDC office ত পঠায়। আকৌ মণ্ডলে inquiry কৰি SDC তাত ৰিপোৰ্ট পঠায় আৰু সেই ৰিপোৰ্ট SDC য়ে DC ৰ তাত পঠায়। তাৰপাছতহে DC য়ে sale permission দিছিলে। গুৱাহাটীত বহুত flat sale হয় বা অসমৰ বিভিন্ন অঞ্চলত বহুত flat sale হয় আৰু DC ৰ এই ক্ষেত্ৰত কৰিবলগা কাম বহুত নাথাকে।

RERA অহাৰ পিছত Building Permission Municipal Board বা Municipal Corporation য়ে দিয়ে আৰু এবাৰ Permission হৈ যোৱাৰ পাছত RERA ৰ লগত peoject টো register হৈ যায় আৰু এবাৰ এই project টো হৈ যোৱাৰ পিছত এই ক্ষেত্ৰত কোনো ধৰণৰ alteration কৰিব নোৱাৰে। আগতে builder সকলে rules violet কৰিছিল। কিন্তু RERA অহাৰ পাছত একো কৰিব নোৱাৰে। কাম সম্পূৰ্ণ হোৱাৰ পিছত builder সকলে occupancy certificate এটা RERA ৰ তাত জমা দিব লাগে যে আমি building টো সম্পূৰ্ণ কৰিলো। Occupancy Certificate টো RERA ৰ তাত জমা দিলে RERA ই project টো সম্পূৰ্ণ হ'ল বুলি নিজৰ তাত record কৰি ৰাখে। এই যি amendment টো অনা হৈছে, ইয়াত তিনি ধৰণৰ exclusion দিয়া হৈছে - ১ নং টো হ'ল-যিবোৰ Real Estate Project RERA ৰ তাত register হ'ব আৰু যাৰ Project সম্পূৰ্ণ হৈ গ'ল আৰু সম্পূৰ্ণ হোৱাৰ পিছত occupancy আহি গ'ল, এই Project বোৰ DC ৰ NOC নোহোৱাকৈ register হ'ব পাৰিব।

দ্বিতীয়টো হ'ল -আগৰ পুৰণা Flat যদি কোনোবাই বিক্ৰী কৰিব বিচাৰিছে তাৰ কাৰণেও DC ৰ তাত যাব নালাগে, কাৰণ Flat কিনাৰ সময়ত DC য়ে NOC দিয়াৰ পিছতহে এইটো register হৈছিল।

তৃতীয়তে -৮ টা apartment যিটো আছে, not in the purview of RERA,কিন্তু NOC দিয়া Authority য়ে যদি occupancy certificate দি দিয়ে,তেতিয়া DC ৰ কোনো ধৰণৰ permision ৰ প্ৰয়োজন নাই।

এটা কথা মই স্পষ্ট কৰি দিব খুজিছো যে ইয়াত চৰকাৰৰ কোনো ধৰণৰ ৰাজহ লোকচান আগতেও হোৱা নাছিল আৰু এতিয়াও নহয়। Registering কৰা Authority টো হ'ল Registrar. Registrar য়ে stamp duty আৰু registration fees লৈ registration কৰে। NOC হ'ল এটা প্ৰক্ৰিয়া, যিটো প্ৰক্ৰিয়াৰ জৰিয়তে DC য়ে চাই লয় যে যিজন মানুহে বিক্ৰী কৰি আছে তেখেতৰ বিক্ৰী কৰাৰ যোগ্যতাটো আছে নে নাই। Flat ৰ ক্ষেত্ৰত NOC এই কাৰণেই বিচৰা হোৱা নাই কাৰণ GMC বা GMD বা Local Authority য়ে গোটেই কাগজ চাই মেলিহে building permision দিয়ে। RERA ত

register হয়, Occupancy Certificate আহে আৰু তাৰ পাছত NOC নোলোৱা হয়।

খালী হৈ থকা মাটিৰ ক্ষেত্ৰত এই ব্যৱস্থাটো ৰখা হৈছে যাতে কোনোবাই দুই নম্বৰী কৰি মাটিবোৰ বিক্ৰী কৰিব নোৱাৰে। এই ক্ষেত্ৰত চৰকাৰৰ কোনো ৰাজহ লোকচান হোৱা নাই আৰু নতুন ৰাজহ বা Tax ৰো কোনো provision নাই।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খালী হৈ থকা মাটিৰ ক্ষেত্ৰত আমি কোনো ধৰণৰ আপত্তি কৰা নাই। কাৰণ এই ক্ষেত্ৰত DC ৰ permission লাগিবই। কিন্তু মই কৈছো যে যিসকল builder য়ে অষ্টম মহলালৈকে বনাই আছে, তেওঁলোকৰ ক্ষেত্ৰত এইটো আনি দিলে তেওঁলোকৰ যথেষ্ট অসুবিধা হ'ব।

**শ্ৰী অশোক সিংহল,(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকৰ ক্ষেত্ৰতো এই provision আছে যে Municipality য়ে যদি permission দিছে ৮ টা apartment বনোৱাৰ কাৰণে আৰু Municipality য়ে Building complete হোৱাৰ পিছত যদি occupancy দি দিয়ে, ইয়াত occupancy compulsory কৰা হৈছে। আগতে permission লৈ, NOC লৈ flat বোৰ register হৈছিলে, occupancy লোৱা নাছিলে। Occupancy দিয়াৰ পাছত এইটো নিশ্চিত হৈ গ'ল যে যিটো permission দিছিলে সিমানেই বনাইছে। তাত গণ্ডগোল হোৱাৰ কোনো সম্ভাৱনা নাথাকে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া মাননীয় সদস্য দিগন্ত বৰ্মণ ডাঙৰীয়া আৰু আপোনাৰ যিসকল সহযোগী বিধায়ক আছে আপোনালোক সংশোধনীটো উঠাই ল'বনে?

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, মই মোৰ সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, আপুনি move কৰিব নে উঠাই লব?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উঠাই নলওঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ দ্বাৰা উত্থাপন কৰা সংশোধনী সদনত উত্থাপন কৰিলো। যিসকল মাননীয় সদস্য -সদস্যাই সংশোধনীটোৰ সপক্ষে আছে কওক হয়, যিসকল সদস্য-সদস্যাই সংশোধনীটোৰ বিপক্ষে আছে কওক নহয়। মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনী প্ৰস্তাৱকেইটা নাকচ কৰা হ'ল।

২ নং দফা, বিধেয়কখনৰ অংশ হ'ব। প্ৰশ্নটো হ'ল ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য -সদস্যাই সপক্ষে আছে কওক হয়, যি সকল সদস্য -সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য -সদস্যা সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য -সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন পাৰিত

কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী যোগেন মহন, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Registration (Assam Amendment) Bill,2022 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। যি সকল মাননীয় সদস্য -সদস্যা সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য -সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া Item No-20-"The Assam Non- Government Educational Institutions(Regulation of fees)(Amendment)Bill, 2022". মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক মই "The Assam Non- Government Educational Institutions(Regulation of fees)(Amendment)Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Non- Government Educational Institutions(Regulation of fees)(Amendment)Bill, 2022"দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** "The Assam Non- Government Educational Institutions(Regulation of fees)(Amendment)Bill, 2022"বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওক। যি সকল মাননীয় সদস্য -সদস্যা সপক্ষে আছে কওক হয়, যি সকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। ইয়াত ৭ টা Amendment প্ৰস্তাৱ আছে।

প্ৰথমতে শ্ৰী আব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, দক্ষিণ গোৱালপাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, Sir, I beg to move 1. After Sub-Clause(3) of Clause -2 of the proposed Bill, a new Sub-Clause shall be added as follows-" A Committee for look after the fees structure, infrastructure & all the facilities and capacity of the students".

2. After sub-clause (3) of Clause 2 of the proposed Bill, a new sub clause shall be added as follows-" Society of Guardian Committee should be implemented for all the schools."

3. (d)After sub-Clause 4 of the Proposed Bill, a new subclause shall be added as follows-" 20% relaxation of fees for the people are belong to poor family and arrange to make provision to felicitate scholarship to student of poor family."

4. In sub-Clause (a) of sub-Clause (4) of Clause 2 of the proposed Bill, the figure and word 'Rs. 10,000' occuring in line 1

shall be substituted by the figure and word ' Rs. 9,000'.

5. In sub-Clause (b) of sub-Clause (4) of Clause 2 of the proposed Bill, the figure and word 'Rs. 5,000' occuring in line 1 shall be substituted by the figure and word ' Rs. 4,000'.

6. After sub-Clause (c) of sub-Clause (4) of Clause 2 of the proposed Bill, three new sub-clause shall be added namely (d), (e),(f) as follows-

"(d) the private schools should consult the parents of the students before any change in fee structure."

"(e) the private schools must apply to the Fee Regulation Committee before commencement of each academic session. In case no application for fee revision is received in stipulated time, the existing fee will only be taken by the schools"

"(f) minimum 25 percent of seats in each class to be reserved for economically weaker family." ছাৰ, ইয়াতে চেকশ্যন নাইনৰ ক্ল'জ - ৪ যিখিনি এমেণ্ডমেন্ট আমি আনিছো , এইক্ষেত্ৰত দেখা গৈছে যে যদিও এমেণ্ডমেন্ট অনা হৈছে , ৰুল কেতিয়া কেনেকৈ হ'ব আমি এতিয়াও অনুমান কৰিব পৰা নাই । ইতিমধ্যে আমি গম পাইছো , প্ৰাইভেট ইনষ্টিটিউশ্যনসমূহে লেকামবিহীনভাবে বিভিন্ন সময়ত বিভিন্নধৰনে ফিচ লৈ থাকে , ছাত্ৰ-ছাত্ৰীসকলক বাধ্য কৰাই থাকে । এইবিলাক অভিযোগ চৰকাৰেও পাইছে আৰু বিভিন্ন সময়ত হাউচতো আলোচনা হৈছে । যাৰ কাৰণে এই এমেণ্ডমেন্টবিলাক আমি আনিছো যাতে প্ৰাইভেট এডুকেশ্যনেল ইনষ্টিটিউশ্যনসমূহৰ ওপৰত এটা চৰকাৰৰ কন্ট্ৰ'ল থাকে। এই ক্ষেত্ৰত কিছুদিন আগতে দিল্লী হাইকোৰ্টত ৰিট পিটিশ্যন নং- 7526 /2020 datd. 31-05-2021. চিংগুল বেঞ্চত আৰু LPA 184 /2021 of division Bench ইয়াতে ভাৰডিক্ট দিয়া হৈছে যে, ঠিক দিল্লী হাইকোৰ্টে দিল্লী গৰ্ভমেন্টক কিছুমান ইনষ্ট্ৰাকশ্যন দিছিল, গতিকে এইখিনি বস্তু মই আমাৰ এডুকেশ্যন ডিপাৰ্টমেন্টত এনড্ৰ'চড কৰিছো। যেতিয়া ৰুল ফ্ৰেম কৰিব এমেণ্ডমেন্ট হয়তো আমি আনিছো, চৰকাৰে কিমানখিনি মানিব আমি নাজানো কিন্তু যেতিয়া ৰুল ফ্ৰেম হ'ব , যেতিয়া এক্ট আহিব, দিল্লী হাইকোৰ্টত যিখিনি ভাৰডিক্ট আছে, এৰ্কোডিঙলী দিল্লী গৰ্ভমেন্টে যিখিনি অৰ্ডাৰ পাছ কৰিছে দেখা গৈছে যে ইয়াৰে যিটো ফি ষ্ট্ৰাকচাৰ, দিল্লী আমাতকৈ ইকোনোমিকেলী বহু চাউণ্ড, তাৰ ওপৰিও তেওলোকৰ যিটো ফি ষ্ট্ৰাকচাৰ কিন্তু প্ৰিভেইলিঙ আমাৰ ষ্টেটৰ প্ৰাইভেট এডুকেশ্যনেল ইনষ্টিটিউটসমূহত ইয়াতকৈ বহু বেছি ফি লোৱা হৈ আছে । গতিকে এই বস্তুখিনি ষ্ট্ৰিক্টলী ৰেফাৰ কৰাৰ কাৰণে মই হাউচত লে কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ---- এতিয়া কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, স্কুলবিলাক ষ্টুডেন্টৰ কাৰণে হয় । অধ্যক্ষ মহোদয় এনেকুৱা হৈছে যে ১৯৮০ চনত ভূটানৰ শিক্ষা ব্যৱস্থা আৰম্ভ হৈছে । আমাৰ এন চি আৰ টিৰ কিতাপ যিকেইখন, আজিৰ পৰা যদি আমি চাওঁ ভূটান আমাতকৈ বহু আগবাঢ়ি গৈছে । শিক্ষা ব্যৱস্থাত আমি বহুখিনি তলত পৰি আছো । অধ্যক্ষ মহোদয়, মোৰ যিটো ক'ব লগা আছিল- fee regulatory Committee shall be recommended maxi-

mum limit of fee. ৰেগুলেটৰী কমিটিয়ে মেক্সিমাম ফিচটো লিমিট কৰি দিব এইটো ঠিকে আছে । আমাৰ কথাটো এনেকুৱা আছিল যে অকল ৰেগুলেটৰী কমিটিয়ে নহয়, এটা গাৰ্জিয়েন কমিটিও যদি প্ৰতিটো স্কুলত বনোৱা হয়, গাৰ্জিয়েন কমিটিয়ে যদি ৰিক'মেণ্ড কৰে , তেনেহ'লে মই ভাবো যে, হয়তো কোনো স্কুল ভাল, নৰ্থ ইষ্টৰ আটাইতকৈ বেষ্ট স্কুল যিখন তাৰ ইনফ্ৰাচষ্ট্ৰাকচাৰ বেলেগ হ'ব। অথবা আমাৰ 'কিডজী' আছে, তাৰ ইনফ্ৰাচষ্ট্ৰাকচাৰটো বেলেগ আছে। ক'ৰবাত অকনমান ল'ৱাৰ লেভেলৰ প্ৰাইভেট স্কুল আছে , তাৰ ইনফ্ৰাচষ্ট্ৰাকচাৰ ল' গতিকে সেইটো কাৰণে স্কুলৰ ইনফ্ৰাচষ্ট্ৰাকচাৰ যিটো আছে সেইটো যাতে প্ৰপাৰ হয় , সেই কাৰণে মই ভাবো যাতে গাৰ্জিয়েন কমিটি এখন যাতে হয় স্কুলবিলাকত । মই ভাবো গাৰ্জিয়েনে ভালকৈ গম পাব তেওঁৰ লৰাটো য'ত পঢ়ি আছে তাৰ ইনফ্ৰাচষ্ট্ৰাকচাৰটো কেনেকুৱা হ'ব লাগে । সেইটো কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে গাৰ্জিয়েন কমিটি যাতে কৰা হয় আৰু এই কমিটিয়ে ইনফ্ৰাচষ্ট্ৰাকচাৰটো নিৰ্দ্ধাৰিণ কৰি দিয়ে আৰু গাৰ্জিয়েন কমিটিয়ে যাতে ৰেগুলেটৰী কমিটিক পঠায় তেনেহ'লে এইটো ন্যায় সংগত হ'ব বুলি মই ভাবো । দ্বিতীয়তে, মই ভাবো poor fund টুৱেন্টি পাৰ্চেন্ট দিব লাগে। স্কুলবিলাকত poor fund টুৱেন্টি পাৰ্চেন্ট কৰিব পাৰিলে আমাৰ মেধাবী দুখীয়া ছাত্ৰ-ছাত্ৰীখিনি যিখিনি প্ৰাইভেট স্কুলত পঢ়িবলৈ সুবিধা নাপায়, সেইখিনি প্ৰাইভেট স্কুলত পঢ়িবলৈ সুবিধা পাব । সেই কাৰণে এই দুটা এমেণ্ডমেন্ট আমি মন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰিলো অধ্যক্ষ মহোদয়.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** I proposed that the Following Amendment today Assam non government education institution regulation of fee amendment Bill,2022 অধ্যক্ষ মহোদয় মোৰ এমেণ্ডমেন্ট কেইটা এনেকুৱা Amendment of section-9 of the principal Act, in section- 9, sub section -1 of the Assam non government education institution regulation of fee amendment Bill,2020-22, I proposed that the provision shall be omitted in the proposed Amendment. In section -9, sub section -2 of the Assam non Government education institution regulation of fee of Amendment Bill 2022, I proposed that the provision shall be omitted in the proposed Amendment. In section -9 sub section -3 of Assam non Government education institution regulation of fee Amendment Bill,2022. I proposed that the provision shall be omitted to the proposed Amendment. In section-9, sub section -4 of Assam non Governmental educational institution regulation of fee amendment Bill,2022, I proposed that the provision shall be omitted in the proposed amendment. অধ্যক্ষ মহোদয়, আমাৰ বিলখনৰ যিটো এক্সিষ্টিং প্ৰভিজন আছিলে , যিটো চেকশ্যন- ৯ তাত কৈছে The fee regulatory Committee shall recommend maximum limit of fees to be charged by different categories of non Government educational institution every year before starting of academic session taking into account the factors as mentioned under section -10 and State Government shall notified that same in the

official Gazatte from time to time অৰ্থ্যাৎ কৈছিলে যে, ফিচ ৰেগুলেটৰী কমিটিয়ে প্ৰতি বছৰ এডমিশ্যনৰ আগে আগে সকলো প্ৰাইভেট স্কুলৰ ফি ষ্ট্ৰাকচাৰটো তেওঁলোকে ফিক্সড কৰি দিব। আৰু সেই ফিক্সড ৰেটটো ষ্টেট গৰ্ভমেন্টে নোটিফাইড কৰিব। এতিয়া চৰকাৰে যিটো এমেণ্ডমেন্ট আনিছে তাত কৈছে - নহয় , এইবিলাক বদলাব লাগে। কি বদলাব লাগে, এইটো ক'লে Subject to provision of section -10 of the Act the fees regulatory committee shall recommend maximum limit of fees to be charged by the different categories of non Government educational institution in every year before starting of academic session. No-2 - All the non Government education institution shall filed application before the fees regulatory committee. আগতে এইটো ৰেগুলেটৰী কমিটিয়ে নিজে কৰে। এতিয়া নন গৰ্ভমেন্ট ইনষ্টিটিউশ্যনবিলাকে এতিয়া এপ্লিকেশ্যন দিব । Either for exemption তেওলোকক একজেম্প্ট কৰি দিব লাগে যে তেওলোকৰ যিটো ৰেট ফিক্সড কৰি দিব যে কিমান ৰেটত মই মোৰ লৰা ছোৱালীক পঢ়ুৱাম। যিটো ফিচ থাকে সেইটো একজেমপ্ট্ কৰি দিব অথবা -fixation of their fee structure as the case may be but not letter than 31 october of the Year of the proposal আগতে সেইটো আছিলে যে, কমিটিখনে নিজে ফিক্সড কৰে , এতিয়া এপ্লিকেশ্যন দিব লাগে । অধ্যক্ষ মহোদয়, ইয়াৰ গোটেই কেইটা সংশোধনী চালে দেখা যায় যে কিছুমান প্ৰাইভেট ইনষ্টিটিউশ্যনত তেওঁলোকৰ যিটো ফি ষ্ট্ৰাকচাৰ থাকে , সেই ষ্ট্ৰাকচাৰ ফিক্সড কৰাৰ ক্ষেত্ৰত ৰেগুলেটৰী কমিটিখনৰ যিটো নিয়ন্ত্ৰণ আছিলে , সেই নিয়ন্ত্ৰণটো নাইকীয়া কৰি দিবৰ কাৰণে এই এমেণ্ডমেন্টটো অনা হৈছে । অধ্যক্ষ মহোদয় আমি জানিব পৰা মতে অসমত বহু বহু ডাঙৰ ডাঙৰ স্কুল আহিছে । সেই স্কুলবিলাকক এই ফিচ ষ্ট্ৰাকচাৰৰ পৰা একজেমশ্যন দিবৰ কাৰণে অনা হৈছে । ডাঙৰ ডাঙৰ মানুহে ডাঙৰ ডাঙৰ স্কুল খুলিছে । মই নাম ল'ব খোজা নাই বিধান সভাত । তাত একজেমশ্যন দিবৰ কাৰণে এই বিধেয়কখন অনা হৈছে নেকি ? All the non Government education institutions shall have to register their institution and apply their either for obtaining exemtion certificate or fees fixation certificate as the case may be for obtaining certificate from the fees regulatory committee. এতিয়া কৈ দিলে যে, আকৌ চাৰ্টিফিকেট ল'ব লাগিব। আগতে ডাইৰেক্টলী অথোৰিটিয়ে ঠিক কৰি দিছিলে এতিয়া এটা প্ৰচেচৰ ভিতৰত এপ্লিকেশ্যন দি এইবিলাক ৰেজিষ্টাৰ চাৰ্টিফিকেট ল'ব লাগে ।-If the non government education institution failed to apply আগতে বাধ্যতামূলক আছিলে এতিয়া যদি এপ্লাই কৰিবলৈ ফেইল কৰে তেনেহ'লে কি হ'ব ?- Before the fees regulatory committee therof has mentioned under Clause-2 above the following penalties shall be imposed to the non government education institution -তেতিয়া হ'লে কি হ'ব যে আগতে সেইটো ফিক্সড আছিলে যে, ৰেগুলেটৰী কমিটিয়ে ফিক্সড কৰিয়ে দিব , এতিয়া এপ্লাই কৰিব লাগিব। যদি সময়মতে এপ্লাই কৰাত ফেইল হয় তেতিয়াহ'লে ১০,০০০ টকাৰ ফাইন আৰু পাঁচ হাজাৰ টকাৰ ফাইন টোটেল ১৫ হাজাৰ টকাৰ ফাইন ভৰিব লাগিব নহ'লে একজেমশ্যন চাৰ্টিফিকেট পাব। এইটো অধ্যক্ষ মহোদয়, ইয়াৰ আগতে যিকেইখন বিল আছিলে , এইবিলাকো গোটেইখিনি মালিক পক্ষৰ সপক্ষে আছিলে , এইখন

বিলো এনেকৈ ডাঙৰ ডাঙৰ স্কুলবিলাকৰ মালিকৰ পক্ষত কৰিব বিচৰা হৈছে । গতিকে এই বিলখনৰ ইনটেশ্যনটো আমি ভাল দেখা নাই । সেই কাৰণে আগৰ যিটো চেকশ্যন আছিলে সেই চেকশ্যনটো ৰাখিব লাগে আৰু নতুনকৈ অনা সকলোবিলাক সংশোধনী সেইবিলাক ডিলিট কৰিব লাগে বুলি মই আকৌ প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ-** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী, অসম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহৰ Fee regulate কৰাৰ কাৰণে আমাৰ যিখন আইন আছিল, সেই আইনখন বলবৎ কৰাৰ কাৰণে যোৱা সময়খিনিত কাম কৰিছোঁ আৰু বলবৎ কৰিবলৈ যাওঁতে যি কেইটামান আসোৱাঁহ পাইছিলোঁ সেই আসোৱাঁহ কেইটা দূৰ কৰাৰ কাৰণে এই এমেণ্ডমেন্টখিনি আমি ইয়াতে আনিছোঁ। ইয়াতে যিখন Committee গঠন কৰাৰ কথা কৈছে Fee Regulatory এই আইন খন Fee Regulatory Committee এখন গঠন কৰাৰ কাৰণে কৈছে। গতিকে Committee খন আকৌ এখন বেলেগ Committee কৰাৰ কোনো provision নাই, তথাপিতো নিৰ্দ্দিষ্ট ভাৱে কোনো এখন বিদ্যালয়ৰ ক্ষেত্ৰত যদি কিবা চৰজমিন তদন্ত কৰিব লগা আছে তেনেহলে উপ-সমিতি গঠন কৰাৰ ব্যৱস্থা আমাৰ Rule খনত আছে। Rule 9 ত ব্যৱস্থা আছে যে আমি এখন তিনিজনীয়া Sub-Committee কৰিব পাৰো আৰু Sub-Committee কৰি আমি সেইখিনি চৰজমিন তদন্ত কৰিব পাৰোঁ। দ্বিতীয়টো এমেণ্ডমেন্টৰ ক্ষেত্ৰত আমি fee structureৰ লগত infrastructure mix কৰিব বিচৰা নাই। এই আইন খন হৈছে নিৰ্দিষ্ট ভাৱে fee structureটো regulate কৰাৰ কাৰণে। Infrastructure, বিদ্যালয় খনৰ অন্যান্য পৰিচলনা বিষয়বিলাক ইয়াতে সামৰি ল'ব বিচৰা নাই। তাৰ কাৰণে মই সদনক অধ্যক্ষ মহোদয়, জনাব বিচাৰো, ইতিমধ্যে আমাৰ State School Standard Authority, আমাৰ বিদ্যালয় সমূহৰ মানদণ্ড নিৰূপন কৰাৰ কাৰণে আৰু মানদণ্ড সমূহ নিৰীক্ষণত ৰখাৰ কাৰণে এটা State School Standard Authority গঠন হ'বলৈ গৈ আছে। এইটো NEP ৰ মতে গঠন হ'বলৈ গৈ আছে। গঠন হলে ইয়াত আন্তগাঁথনিমূলক গোটেই কথাখিনি এই Authorityটোৱে চাব। Guardian সমিতি যি গঠন কৰাৰ কথা আছে এই সমিতিৰ এই বিষয়টো SSSAৰ বা State Authority ৰ অধীনতে আহিব। ইয়াত আমি Fee Regulatoryটোত কেৱল দুটা পক্ষৰ মাজত, ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু চৰকাৰ। এই দুটা পক্ষৰ মাজতে ৰাখিব বিচৰা হৈছে, ইয়াত Guardian হিচাপে যদি এটা তৃতীয় পক্ষ আহি যায় মই ভাৱো যে regulationটোত বিসংগতিহে দেখা দিব। দ্বিতীয়তে, Clause 9 ৰ ক্ষেত্ৰত যিটো কোৱা হৈছে Clause 9 টো পঢ়িব লাগে Clause10 ৰ লগত। Clause 10 নপঢ়ি যদি বিচিন্নভাৱে Clause 9 টো পঢ়িব যোৱা যায় তেতিয়া বুজাত অসুবিধা হ'ব আৰু মাননীয় সদস্য অখিল গগৈৰ ক্ষেত্ৰত বিষয়টো বুজাটো তেনেকুৱাই গণ্ডোগ'ল হৈছে। Clause 9 টোক independentপঢ়িব নালাগে Clause 10 ৰ লগত পঢ়িব লাগে আৰু Clause 9 টোত, তেওঁ যিটো বুজিছে যে ফিজটো আগতে একপক্ষীয় ভাৱে চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিছিল আৰু সেইটো এতিয়া উঠাই দিব বিচাৰিছে, সেইটো নহয়। যদি Clause 9 এক্টতো পঢ়ে আগৰ খনত the Fee Regulatory Committee shall recommend maximum limits of fees. মই আকৌ শব্দ কেইটা পঢ়ি দিছো maximum limits of fees. আমি ফিজ নিৰ্দ্ধাৰণ কৰি নিদিও তাৰ আমি maximum limits টো ফিক্স কৰি দিওঁ। দ্বিতীয় ঘটনাটো হ'ল, যি ইয়াৰ অধীনত বিদ্যালয় সমূহে এইটো comply কৰিব লাগে, কৰিছে, কৰা নাই তেওঁলোকে জানিব লাগে, আমি

জানিব লাগে। কিন্তু Fee Regulatory Authority ৰ ওচৰলৈ বিদ্যালয় সমূহ নাহে। তেওঁলোকে পঞ্জীয়নো নকৰে, তেওঁলোকে একো কথাও নজনায়। তেতিয়াহ'লে আমি কি কৰিম, এতিয়া আমি বাধ্যতামূলক কৰিব বিচাৰিছোঁ যে প্ৰত্যেকখন বিদ্যালয়ে Fee Regulatory Authorityত apply কৰিব লাগিব, পঞ্জীয়ন কৰিবই লাগিব। তেওঁলোক বিনামূলীয়া হ'লেও কৰিব লাগিব, কমকৈ হ'লেও কৰিব লাগিব, বেছিকৈ হ'লেও কৰিব লাগিব। পুনৰ মই কওঁ যে Clause 9 টো Clause 10 ৰ লগত একেলগ কৰি পঢ়িব লাগিব যিটো exemptionৰ কথা মাননীয় সদস্য অখিল গগৈয়ে বুজাইছে, নতুন নতুন স্কুল আহিছে, সেইবিলাকক Feeটো Fee Regulatory Authorityৰ পৰা মুক্ত কৰি দিব বিচাৰিছে সেই কাৰণে এই Clause কেইটা আনিছে বুলি কৈছে। এই ধাৰণা সম্পূৰ্ণৰূপে ভুল। Exemptionৰ কথা তেতিয়া আহিব যেতিয়া আমি যি নিৰ্দ্ধাৰিণ কৰি দিছো maximum limit, Fee Regulatory Authority য়ে নিৰ্দ্ধাৰিণ কৰি দিয়া maximum limitতকৈ তলত যদি কোনোবাই ফিজটো ৰাখিছে তেতিয়া হলে তেওঁ Exemptionৰ certificate খন পাব। এই Exemption certificate খনো ল'ব লাগিব। যদি নলয় তেতিয়া হ'লে এই penalty ভৰিব লাগিব, penaltyৰ provisionটো এই কাৰণে ৰখা হৈছে যাতে প্ৰত্যেকখন বিদ্যালয় Fee Regulatory Authorityৰ অধীনত পঞ্জীভূত হয় আৰু তেওঁলোকৰ ফিজখিনি কিমান ফিজ ৰাখিছে এইটো জনাই আৰু ইয়াত ৰুল্‌চত দিয়া Fee Regulatory Authorityক এইখিনি পাৱাৰ দিয়া আছে, তেওঁলোকে বিদ্যালয় Authorityক summon কৰিব পাৰে, তেওঁলোকৰ Book of Accounts, সেইখিনি আনিব পাৰে, সেইখিনি তন্ন তন্নকৈ চাব পাৰে, মূল উদ্দেশ্যটো হ'ল যে profitৰ কাৰণে exorbitant fee যাতে কোনেও লোৱা নাই বা ল'ব নোৱাৰে এইটো নিয়ন্ত্ৰণ কৰাৰ কাৰণে এই সংশোধনী কেইটা অনা হৈছে, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (কৰিমগঞ্জ উত্তৰ)ঃ** অধ্যক্ষ মহোদয়, ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহ আৰু চৰকাৰৰ মাজত fees structure টো যাতে প্ৰত্যক্ষভাৱে সেই কাৰণে মন্ত্ৰী মহোদয়ে এইটো কলে। কথাটো হৈছে, আমাৰ ৰাজ্যত আমি যদি চাওঁ তেতিয়াহলে এটা কথা কব লাগে যে আজিৰ দিনত ব্যক্তিগত খণ্ডৰ যিখিনি স্কুল আছে, আমি অস্বীকাৰ কৰিব নোৱাৰো, আজিৰ দিনত যদি বেছিকৈ অৰ্থাৎ ছাত্ৰ-ছাত্ৰী বিলাকৰ ধাৰিত ব্যক্তিগত স্কুলৰ ক্ষেত্ৰত হয় বা হৈছে, এইটোৰ কাৰণে fees structure টো এটা কৰিব লাগে এইটো ঠিক আছে। মই কথাটো কৈছো যে ultimately, ক'ৰবাত ভাল স্কুল এখন, এই স্কুলত যদি আমি চাওঁ, এই স্কুলত যিটো আন্তগাঁথনি আছে এ চি আছে, ভাল ভাল সুবিধা আছে, এইখন স্কুলৰ maximum limit fix কৰা হ'ব, কিন্তু দেখা যাব যে ক'ৰবাৰ স্কুলত একেবাৰে deteriorate হৈ আছে, আমাৰ এটা apprehension, এই যিখন স্কুল আছে, এই স্কুলে হয়তো ইমানখিনি ফিজ ল'ব পাৰে, এইটোৰ কাৰণে আপুনি Sub-Committeeৰ কথা ক'লে কিন্তু ক'ব লাগিব আমাৰ ৰাজ্যত এতিয়াও teacher and tutor আছে। আমি চাইছো যে বেলেগ ৰাজ্যত হয়তো teacher and tutor নাই, কিন্তু আমাৰ ৰাজ্যত আছে। সেইটোৰ কাৰণে মই ভাৱো আমাৰ চৰকাৰী স্কুল যিখিনি আছে সেইখিনিৰ অৱস্থা এতিয়াও আমি এনেকুৰা কৰিব পৰা নাই। এইটোৰ কাৰণে হয়তো আমাৰ ব্যক্তিগত খণ্ডৰ স্কুল খিনি আমি আগবঢ়াই লৈ যাব লাগিব। কিন্তু তাৰ পিছত এটাই কথা যে ultimately fees structure টো ঠিক কৰিব লাগে। এইটো এনেকুৰা নহয়, যাতে প্ৰাইভেট স্কুল দপদপনি হৈ যায়, আৰু maximum limitটো কি হ'ব এইটোৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, তাৰ আগতে যাতে এটা অধ্যয়ন হৈ যায়

আমাৰ যিমান স্কুল আছে সেই স্কুল বিলাকৰ কাৰ কি আন্তঃগাঁথনি আছে, কি আছে এই বস্তুটো কৰি ললে ভৱিষ্যতে আমি ভালকৈ কৰি ল'ব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী, অসম ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই ব্যৱস্থাপনা খিনি আছে যে স্কুল বিলাকৰ বেলেগ বেলেগ category আছে, সকলো স্কুলৰ ফিজ আপুনি নিজে উল্লেখ কৰিছে কাৰোবাৰ Air Conditioned ৰুম লৈ শিক্ষা দান কৰিছে, তেওঁলোকেতো Air Conditionedৰ ফিজটো ল'ব, তাৰ কাৰণে Fee Regulatory Authority আছে। ইয়াত এজন retired Judge বা Senior IAS Officer, IPS Officer, Chartered Accountant তেওঁলোকক Member হিচাপে লোৱা হৈছে। যিটো এমেণ্ডমেন্ট ইয়াত উল্লেখ কৰিছিল যে 25% BPL student ক নামভৰ্তিৰ সুবিধা দিব লাগে এই বিষয়টো Fee Regulatory Authority ত অনাৰ প্ৰয়োজন নাই, কাৰণ এই বিষয়টো Right to Education Actত ১২ নং দফাত এই ব্যৱস্থাখিনি আছে। গতিকে Right to Education Act implement কৰিলে প্ৰাইভেট স্কুল বিলাকে 25% enrollment তেওঁলোকে BPL বা economically weaker sectionক নামভৰ্তিৰ সুবিধা দিব। গতিকে এই Fee Regulatory Authorityত সেই দফাটো প্ৰয়োজন নহয় বুলি বিবেচনা কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। হ'ব, হৈছে আৰু।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যাতে প্ৰাইভেট স্কুলখিনিক strictly লয়।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, হৈছে আৰু হৈছে।

**শ্ৰীভূৱন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে এই বিষয়টো যিখিনি আমিও বুজিছোঁ ইয়াতে, খুব সুন্দৰ ভাৱে debate হৈছে। আগত অলপ break আছিল। এতিয়া বৰঞ্চ বাধ্যতামূলক পঞ্জীয়ন কৰিব লাগিব, পঞ্জীয়ন ৩১ অক্টোবৰৰ আগত নকৰিলে ফাইন ভৰিব লাগিব, penalty হ'ব এনেকুৱা ধৰণৰ কথাবোৰ এতিয়া টানি আনিছে। এতিয়া বাধ্যতামূলক ভাৱে প্ৰত্যেকটো Institutionsয়ে register কৰিব লাগিব, register কৰি নিজৰ fee structure টো explain কৰিব লাগিব। explain কৰি বেছি যদি হৈছে, কম যদি হৈছে exemption যদি বিচাৰে চৰকাৰৰ লগত যোগাযোগ কৰিব লাগিব। এক প্ৰকাৰ চাবলৈ গলে ভাল। কিন্তু মই এটা কথা বুজি নাপাওঁ অধ্যক্ষ মহোদয়, অলপ আগত Tea Gardenৰ ক্ষেত্ৰতো শ্ৰমিকৰ কাৰণে বা বাগানত আমি ফুল বাগান কৰিব বিচাৰিছোঁ horticulture, floriculture আমি কৰিব বিচাৰিছো আৰু dairy farming কৰিব বিচাৰিছো, সেইটো হ'ল শ্ৰমিক ৰাইজৰ কাৰণে। আমি কৰিলে মালিক পক্ষ আৰু নিজে কৰিলে orchid garden কৰিলে জাতীয় পক্ষ। এইটো hypocrisy. এতিয়া আমি এই amendment স্কুলৰ স্বাৰ্থত, ল'ৰা-ছোৱালীৰ স্বাৰ্থত আৰু জনগনৰ স্বাৰ্থত কৰিব বিচাৰিছোঁ, আমি কৰিব বিচাৰিছোঁ আমাৰ কামটো হ'ল মালিকৰ স্বাৰ্থ, মালিক পক্ষ। লোকেল বাগিছা orchid park কৰিলে তাত লোকক সংস্থাপন দিলে সেইটো জনগনৰ স্বাৰ্থ, মালিক পক্ষ নহয় তাৰ মানে, এই double standard ত এই hypocrisy টো বন্ধ কৰিব লাগে। এইবাৰ বেছি কঠিন কৰিছে। প্ৰত্যেকটো Institutions য়ে চৰকাৰৰ লগত যোগাযোগ কৰি আপোনাৰ Regulatory ৰ under ত আহিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া আপোনালোকে সংশোধনীটো উঠাই ল'ব নে?

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল (গোৱালপাৰা পশ্চিম)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উঠাইটো ল'ম চাৰ। দুটামান কথা কৈ লৈছো। যি বিলাক Private education institution বুলি কলে এইটো খুব ভাল পদক্ষেপ। Registration free Structure যি বিলাক মাদ্ৰাছা সেই বিলাক মাদ্ৰাছা যিহেতু কিছুদিন আগতে গোটেই অসমতে ইচ্ছু হৈ গৈছিল আৰু DGP level ত এখন মিটিংও হৈছিল আৰু এইটো ভালো পাইছো। এই বিলাক বস্তু ভূল বুজা বুজি নহওঁক। গতিকে মাদ্ৰাছা শিক্ষাটো Private education institution হিচাবে গণ্য হ'ব নে নাই? Amendment ৰ লগত সম্পৰ্ক নথকাকৈ তথাপি মই উল্লেখ কৰিব খুজিছো যে কিছুমান Private education institution য়ে ডিগ্ৰী বা ডিপ্লমা এৱাৰ্ড কৰে, যিটো অসম চৰকাৰে বিভিন্ন বিভাগত নিযুক্তিৰ সময়ত সেইবিলাক বাতিল কৰে। এবাৰ এনেকুৰা হৈছিল যে, Down Town University এইখন Autonomous University তেওঁলোকে ডিপ্লমা in Medical Laboratory Technician certificate award কৰি দিয়ে। যিটো certificate নেকি NHM য়ে এই certificate ৰ ওপৰত কোনো ধৰণৰ চাকৰি নিদিয়ে বুলি কৈ দিলে, তেওঁলোকে হাইকোৰ্টত যুঁজ দিও নোৱাৰিলে। এই কথাখিনি মন্ত্ৰী মহোদয়ে চাব লাগে। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (কৰিমগঞ্জ উত্তৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ল'ৰা-ছোৱালী যাতে চৰকাৰী বিদ্যালয় বা provincialized ত পঢ়ে। বিদ্যালয় বিলাক বন্ধ কৰিব নালাগে। এইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Non-Govt. educational instiutional Act এখন আছে ২০০৬ চনৰ আৰু সেই Act খনৰ অধীনত Non-Govt. বিদ্যালয় সমূহ ইয়াতে পঞ্জীয়ন ভুক্ত হ'ব লাগে। গতিকে বহুত বিদ্যালয় আমাৰ আছেযি বিলাক বিদ্যালয় এতিয়াও Non-Govt. educational instiutional Act ৰ অধীনত register নহয়, সেইখিনি কৰোৱাৰ বাবে আমি ব্যৱস্থা গ্ৰহণ কৰি আছো আৰু সকলো বিলাক Non-Govt. educational Institution সেই ২০০৬ চনৰ Act মতে আহিব লাগে। যিটো আমাৰ Free regulatory Act আছে এই Act ৰ অধীনত আহিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কমলাক্ষ দে' পুৰকায়স্থ, দেৱব্ৰত শইকীয়া লগতে বাকী বিধায়ক সকলে উঠাই ল'লে। অখিল গগৈ ডাঙৰীয়া আপুনি উঠাই ল'ব নে? মই এতিয়া শ্ৰী অখিল গগৈ ডাঙৰীয়াই উত্থাপন কৰা সংশোধনী কেইটা সদনত দাঙি ধৰিলো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো নহয় সপক্ষে, নহয় সপক্ষে, নহয় সপক্ষে সংশোধনী প্ৰস্তাৱ কেইটা নাকচ কৰা হ'ল। এতিয়া ২ নং দফা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণৰ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ

কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মাননীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি আসাম নন্-গভৰ্ণমেন্ট এড্যুকেশ্যনেল ইনষ্টিট্যুশ্যনচ্ (ৰেগুলেচন অৱ ফিজ্) (এমেণ্ডমেন্ট) বিল, ২০২২ খন পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল বিধেয়কখন পাৰিত কৰা হ'ল। মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই "দি গিৰিজানন্দ চৌধুৰী ইউনিভাৰ্চিটি আসাম বিল, ২০২২" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মাননীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি গিৰিজানন্দ চৌধুৰী ইউনিভাৰ্চিটি আসাম বিল, ২০২২" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** "দি গিৰিজানন্দ চৌধুৰী ইউনিভাৰ্চিটি আসাম বিল, ২০২২" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। বিধেয়কখনৰ ২ নং দফা আৰু অনুসূচীখনৰ সংশোধনী প্ৰস্তাৱ নাই। ২ নং দফা আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। ২ নং দফা আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা আৰু সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ আৰু অনুসূচীত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল ১ নং দফা আৰু সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়। যি সকল মাননীয় সদস্য/সদস্যা বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। ১ নং দফা আৰু সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভণ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল। মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মাননীয় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দি গিৰিজানন্দ চৌধুৰী ইউনিভাৰ্চিটি আসাম বিল, ২০২২" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা স্পক্ষে আছে,

তেখেতসকলে কওঁক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওঁক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া ১২ নংৰ পৰা ৩৩ নং দফাকেইটা বিধেয়েকখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফাৰ শ্ৰী আমিনুল ইছলাম আৰু তেখেত সকলৰ সহযোগী সংশোধনী প্ৰস্তাৱ আছিল কিন্তু তেখেত সকল অনুপস্থিত । সেয়েহে বিধেয়েকখনৰ ১ নং দফা বিধেয়কখনৰ অংশ হ'ব। প্ৰশ্নটো হ'ল ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,

তেখেতসকলে কওঁক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওঁক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল। ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Auniati University Bill,2022" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,

তেখেতসকলে কওঁক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওঁক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখন পাৰিত কৰা হ'ল। " Pragjyotishpur University Bill, 2022" মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক " Pragjyotishpur University Bill, 2022" বিবেচনাৰ বাবে সদনত উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " Pragjyotishpur University Bill, 2022" দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া " Pragjyotishpur University Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,

তেখেতসকলে কওক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। বিধেয়কখনৰ ২ নং দফা আৰু অনুসূচীখনত সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰস্তাৱটো হ'ল ২ নং দফা আৰু অনুসূচীখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে,

তেখেতসকলে কওক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল। ২ নং দফা আৰু অনুসূচীখনৰ বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভনত সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভন বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা স্পক্ষে আছে,

তেখেতসকলে কওক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল। ১নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰম্ভন বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিব।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, “ Pragjyotishpur University Bill, 2022” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ালো।

যিসকল মাননীয় সদস্য-সদস্যা স্পক্ষে আছে,

তেখেতসকলে কওঁক হয়।

যিসকল মাননীয় সদস্য-সদস্যা বিপক্ষে আছে,

তেখেতসকলে কওঁক নহয়।

মই ভাবো - হয়ৰ সপক্ষে , হয়ৰ সপক্ষে , হয়ৰ সপক্ষে ।

প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখন পাৰিত কৰা হ'ল।

**ড° পৰমানন্দ ৰাজবংশী, (চিপাঝাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে সেয়া হৈছে যে ইতিমধ্যে বক্তিগতখণ্ডৰ বিশ্ববিদ্যালয় কেইবাখনো যিহেতু আজি পাৰিত কৰা হ'ল, আৰু এটা মাত্ৰ কথা জানিব বিচাৰিছো, অধ্যক্ষ মহোদয়, বিশেষকৈ যিখন প্ৰাগজ্যোতিষ মহাবিদ্যালয়, আজি আমি সকলোৱে বিশ্ববিদ্যালয়, যিহেতু আমি সকলোৱে সেইখন অনুমোদন জনালো, এই বিশ্ববিদ্যালয় বিলাক বিশেষকৈ ব্যক্তিগতখণ্ডৰ বিশ্ববিদ্যালয় কেইবাখনো নামো মই জানো। যিসকল আমাৰ বিধায়ক বা আমি সকলোৱে সেই বিশ্ববিদ্যালয়ৰ প্ৰতি সমৰ্থন দিছো। সেই বিশ্ববিদ্যালয়ত তাত যিটো নেকি অসমীয়া ভাষায়ে হওক বা বাংলা ভাষায়ে হওক বা বড়ো ভাষায়ে হওক বা আঞ্চলিক ভাষাৰ ক্ষেত্ৰত শিকাৰ সুযোগ আছে নে নাই।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ডিবেট নহ'ব, এতিয়া ইয়াৰ ওপৰত কথা কলে সকলোৱে ক'ব। অন্য দিনত এই বিষয়ত আলোচনা হ'ব। আপুনি যিহেতু শাসকীয় পক্ষৰ বিধায়ক সেয়ে যিকোনো সময়ত আপুনি মন্ত্ৰীক লগ কৰি জানি ল'ব।

এতিয়া এটা ঘোষণা আছে ১৯ ছেপ্তেম্বৰ ২০২২ মই এতিয়া শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সাধাৰণ পৰিষদ আৰু কাৰ্য্যনিৰ্বাহিক পৰিষদৰ নিৰ্বাচনৰ ফলা-ফল ঘোষণা

কৰিবলৈ লৈছো। এই বিশ্ববিদ্যালয়ৰ সাধাৰন পৰিষদ লৈ নিৰ্বাচিত হোৱা নিম্নলিখিত মাননীয় সদস্য তিনিগৰাকীৰ ঘোষণা কৰা হ'ল- শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, শ্ৰীদেৱব্ৰত শইকীয়া এই সাধাৰন পৰিষদ সদস্য তিনিগৰাকীৰ মাজৰ পৰা মাননীয় সদস্য শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্যক কাৰ্য্যনিৰ্বাহক পৰিষদলৈ নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল। মই এতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচিত হোৱা সদস্য সকলৰ নাম ঘোষণা কৰিবলৈ লৈছো। এই বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচিত হোৱা নিম্নলিখিত মাননীয় সদস্য সাত গৰাকীৰ নাম ঘোষণা কৰা হ'ল- শ্ৰী প্ৰশান্ত ফুকন, শ্ৰী বিনোদ হাজৰিকা, শ্ৰীটেৰচ গোৱালা, শ্ৰীৰূপেস গোৱালা, শ্ৰীআশ্ৰাফুল হুছেইন, শ্ৰীদেৱব্ৰত শইকীয়া, শ্ৰীভৰত চন্দ্ৰ নৰহ। মই এতিয়া কুমাৰ ভাস্কৰবৰ্মা সংস্কৃত অধ্যয়ন বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচিত হোৱা সদস্য সকলৰ নাম ঘোষণা কৰিবলৈ লৈছো। এই বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচিত হোৱা মাননীয় সদস্য সাত গৰাকীৰ নাম ঘোষণা কৰা হ'ল- ড° পৰমানন্দ ৰাজবংশী,শ্ৰীদিগন্ত কলিতা, শ্ৰীফণীধৰ কলিতা, শ্ৰী জিতু গোস্বামী, শ্ৰীমতী নন্দিতা দাস, শ্ৰীদিগন্ত বৰ্মন, শ্ৰীমনোৰঞ্জন তালুকদাৰ। মই এতিয়া "Assam Rajib Gandhi University of Co-operative Management বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচিত সদস্য দুগৰাকীৰ নাম ঘোষণা কৰিবলৈ লৈছো, এই বিশ্ববিদ্যালয়ৰ কোৰ্টলৈ নিৰ্বাচিত হোৱা নিম্নলিখিত মাননীয় সদস্য দুগৰাকীৰ নাম ঘোষণা কৰা হ'ল। শ্ৰী চক্ৰধৰ গগৈ, শ্ৰী সুশান্ত বৰগোঁহাই। ৰাজহুৱা হিচাপ সমূহৰ সমিতিলৈ নিৰ্বাচিত হ'ব লগা সদস্যৰ সংখ্যা আৰু আবেদনকাৰী প্ৰাৰ্থীৰ সংখ্যা সমসংখ্যক হোৱা হেতুকে মই শ্ৰী কৌশিক ৰায়ক সমিতিৰ বাকী থকা কাৰ্য্যকালৰ সদস্য হিচাপে সৰ্বসন্মতি ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো। অনসূচীত জাতি আৰু অনুসূচীত জনজাতি সমূহৰ কল্যাণ সমিতিলৈ নিৰ্বাচিত হ'ব লগা সদস্যৰ সংখ্যা আৰু আবেদনকাৰীৰ প্ৰাৰ্থী সংখ্যা সমসংখ্যক হোৱা হেতুকে মই শ্ৰী বিদ্যাসিং ইংলেংক সমিতিৰ বাকী থকা কাৰ্য্যালয়ৰ সদস্য হিচাপে সৰ্বসন্মতভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে আগন্তক দূৰ্গাপূজা ১অক্টোবৰৰ পৰা আৰম্ভ হ'ব সেয়েহে কৰ্মচাৰীৰ দৰমহাটো ৪-৫ দিন আগতীয়াকৈ দিয়াৰ ব্যৱস্থা কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী আমিনুল ইছলাম বিধায়ক (জ্যেষ্ঠ, ধিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াৰ এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছিল আৰু চৰকাৰে এই বিষয়ে এটা বিবৃতি দিয়াৰ কথা আছিল।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ তেতিয়া শ্ৰী আশ্ৰাফুল হুছেইন ডাঙৰীয়াৰ এটা বিষয় আছিল ।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী** ঃ Hon'ble Speaker Sir, today morning a source and information was received that last night three persons died in illegal coal mine in a very interior arial located in Assam Arunachal Pradesh boarder. The names of the deceased were Sahidul Islam, Hussain Ali and Hasmat Ali. The above three persons were went to the mine and died over poisonous gases.মোক এচ. পি আৰু গৃহ বিভাগৰ আয়ুক্তই জনোৱা মতে এইটো এটা illegal mine চোৰ কৰিবলৈ গৈ এওঁলোকৰ এনে অৱস্থা হ'ল । Some other laboures who were working in that mine were apprehended while trying to flee few minutes back as stated by one Md. H. R.

Ali, son of khurman Ali, Jogighopa, Bongaigaon who was also working in the same illegal mine. The incident took place arround 8 to 8.30 P.M. last night. The police team had left for the spot but yet to reach the location. কিন্তু এতিয়ালৈকে পাই গৈছে । They also confused of burying the diseased in another hill, which is much remote and almost in the border. চুৰ কৰিব যাওঁতেই এই মানুহ কেইজন ঢুকাইছে আৰু লগৰ বিলাকে এই ঘটনাটো লুকুৱাবলৈ আন এটা পাহাৰত পুতি পেলাইছে । As learned from them one Jhon Wang Haseng alise Devid son of late matrid Haseng resident of Malugaon, P.S. Margherita had engaged them and the labour contractor was on Md. Amir Khan, Lakhipur, Gaurnagar, Dist. Goalpara.

অধ্যক্ষ ডাঙৰীয়া, অলপ আগতে আমাক খবৰ দিয়া মতে পাচজনক কৰায়ত্ব কৰা হৈছে । তেওঁলোক হৈছে মইজুল আলী, ইছাৰ আলী, মোস্তাফা স্বেখ, আলটাফ আলী আৰু হুছেইন আলী। সেই কেইজন তেওঁলোকৰ লগত আছিল, যি কেইজনে ব'ডি কেইটা লুকুৱাব গৈ বেলেগত পুটি দিছিলে । যি জনে এওঁলোকক তাত এনগেজ কৰিছিল তেওঁ হ'ল জনৈক জনোৱাল হাছেং ওৰফে ডেভিদ, তেওঁৰ বিৰূদ্ধে কেচ ৰেজিষ্টাৰ হৈছে। অতি সোনকালে আমি তেওঁকো ধৰিব পাৰিম বুলি আশা ৰাখিছো। এইখিনিয়ে মোৰ ক'বলগীয়া কথা ।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, Illegal mining বুলি কৈছে, চোৰ কৰিব গৈছে, এই মানুহজন গোৱালপাৰাৰ মালিক নে, বেলেগে মাতি লৈ গৈছে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় মন্ত্ৰী) ঃ** জনৈক জনোৱাল হাছেং ওৰফে ডেভিদ নামৰ অনা অসমীয়া মাৰ্ঘেৰিটাৰ পথাৰৰ সিপাৰৰ মানুহ জনে এই মানুহখিনিক নি চুৰি কাৰ্য্যত লগাইছিল। আমি ইতিমধ্যে তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছো আৰু অতি সোনকালে তেওঁকো কৰায়ত্ব কৰা হ'ব ।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক ঃ** এই বিষয়টো গুৰুত্বসহকাৰে তদন্ত কৰাব লাগে ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় মন্ত্ৰী)ঃ** হ'ব, আমি নিশ্চয় কৰিম। এই ক্ষেত্ৰত ইতিমধ্যে আমি পদক্ষেপ গ্ৰহণ কৰিছো ।

**শ্ৰী আশ্ৰাফুল হুছেইন ঃ** আমি কয়লা খনিত শ্ৰমিকৰ প্ৰাণহানি হোৱা ঘটন সঘনাই শুনিবলৈ পাওঁ আৰু যেতিয়াই এনেকুৱা ঘটনা ঘটে তেতিয়া অবৈধ খনন আৰু চোৰ কৰিবলৈ যোৱা আদিৰ দৰে কথা বিলাক কোৱা হয় । আজি সদনত মন্ত্ৰী মহোদয়ে এই বিষয়টো উত্থাপন কৰোতেই ইয়াত উপস্থিত থকা সন্মানীয় সদস্য সকলে নিশ্চয় গোটেই কাহিনীটো বুজি উঠিছে। আচলতে সেইটো অবৈধ খনন নে চুৰি কাৰ্য্য হয়। এই কথাটোৰ হে প্ৰকৃত তদন্ত হ'ব লাগে । এই কাৰ্য্যৰ লগত জড়িত থকা সৰু বৰ সকলো লোককে গ্ৰেপ্তাৰ কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি এই বিষয়ে তদন্ত কৰিম। কিন্তু এই মুহুৰ্তত কোনো ধৰণৰ খনন বা সৰবৰাহ কাৰ্য্য হৈ থকা নাই। হয়তো তাত কোনোবাই চুৰি কাৰ্য্য সংঘটিত কৰিব পাৰে ।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, তাত অবৈধ খনন হৈ আছে। তাত কোনো দুৰ্ঘটনা ঘটিলে আৰু শ্ৰমিকৰ মৃত্যু হ'লে জে. চি. বি ৰে গাত খান্দি মৃতদেহ পুতি পেলোৱা হয় । আপোনালোকে খান্দিলে তাত আৰু শ্ৰমিকৰ মৃতদেহ আৰু কংকাল ওলাব। তাৰোপৰি এই খনি বিলাকত শ্ৰমিক সকলে ৰক্ষাকবচ নিপিন্ধাকৈ খনন কৰিবলৈ গৈ যেতিয়া মৃত্যু মুখত পৰে তেতিয়া জে চি বি ৰে গাত খান্দি মৃতদেহ বিলাক পুতি পেলোৱা হয়। এতিয়া আমাৰ প্ৰশ্নটো হ'ল এই মৃত শ্ৰমিক সকলে ক্ষতিপুৰণ পাবনে নাপায়? মৃত শ্ৰমিক সকলৰ পৰিয়ালে ন্যায় পাবনে নাপায়?

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় মন্ত্ৰী) ঃ** মই পুনৰ কৈছো অসমত কোনো ধৰণৰ খনন কাৰ্য্য হৈ থকা নাই । কেৱল ক'ল ইণ্ডিয়াই খনন কাৰ্য্য চলাই আছে। কিন্তু মেঘালয়ৰ কয়লা অসমৰ মাজেৰে বৰাক আৰু দেশৰ অন্যান্য প্ৰান্তলৈ সৰবৰাহ হৈ আছে । যোৱাবাৰ যেতিয়া কয়লাৰ সৰবৰাহ বা খনন কাৰ্য্য বন্ধ কৰি

দিছিলো তেতিয়া শাসক বিৰোধী সকলো বিধায়কে ইয়াৰ বিৰোধীতা কৰি কৈছিল যে- " আপোনালোকৰ এই কাৰ্য্যই আমাৰ উদ্যোগ বিলাক মাৰি পেলাইছে" ফলত আমি খনন আৰু সৰবৰাহৰ ওপৰত থকা বাধা উঠাই ল'বলৈ বাধ্য হৈছিলো । মই পুনৰ দৃঢ়তাৰে কৈছো চুৰি কৰি কৰা খননৰ বাদে অসমত কোনো অবৈধ খনন কাৰ্য্য চলি থকা নাই । মই নামনি অসমৰ বিধয়াক সকলক বিশেষকৈ এটা অনুৰোধ কৰিব বিচাৰো যে আপোনালোকৰ অঞ্চলৰ পৰা যাতে কোনো লোক শ্ৰমিক হিচাপে গৈ এনেকুৰা কাম কৰি বিপদত নপৰে তাৰ কাৰণে এক সজাগতাৰ সৃষ্টি কৰক ।

**শ্ৰী ৰকিবুল হুছেইন ঃ** অবৈধ জি এছ টি, অবৈধ খনন কাৰ্য্য আদি বন্ধ কৰাৰ লগতে কোনো মালিকে যদি শ্ৰমিকক লৈ গৈ তাত অবৈধ কামত নিয়োগ কৰিছে তেনেহ'লে সেই মালিক সকলৰ বিৰুদ্ধেও কাঠোৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰক ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় মন্ত্ৰী) ঃ** কোনো অবৈধ খনন হোৱা নাই, চুৰি কাণ্ড সংঘটিত হৈছে। তাৰোপৰি মালিকৰ বিৰুদ্ধেও আমি ব্যৱস্থা গ্ৰহণ কৰিছো ।

**শ্ৰী আবুল কালমা ৰশিদ আলম ঃ** আচলতে এই লোক সকল চোৰ নহয়, শ্ৰমিক হয়। কিন্তু আজিৰ সদনে এই লোক সকলক চোৰ সজালে । এইটো অতি দুখৰ কথা। শ্ৰমিকক চোৰ বুলি নকব। আপোনালোকে এই বিষয়টো আগতে তদন্ত কৰক ।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে তেখেতে বিহীত ব্যৱস্থা ল'ব আৰু বিষয়টো তদন্ত কৰাব ।

**শ্ৰী আশ্ৰাফুল হুছেইন, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টোৰ ওপৰত হাউচ কমিটিৰ দ্বাৰা তদন্ত কৰি সদনৰ এটা প্ৰতিবেদন দাখিল কৰিব লাগে।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীয়ে ইতিমধ্যে ঘোষণা কৰিছে যে, এই বিষয়টো তদন্ত কৰা হ'ব । গতিকে প্ৰতিবেদনখন দাখিল কৰিলে সকলোখিনি স্পষ্ট হৈ পৰিব ।

## সামৰণি বক্তব্য

**১৯-০৯-২০২২**

যোৱা ইং ১২ চেপ্তেম্বৰ তাৰিখে আৰম্ভ হোৱা চলিত শৰৎকালীন অধিবেশনৰ ৫ দিনীয়া কৰ্মসূচী সম্পন্ন হোৱাৰ অন্তত আজি সামৰণি পৰিল। চাৰিদিনীয়া চৰকাৰী তথা এদিনীয়া বেচৰকাৰী কৰ্মসূচীৰে সম্পন্ন হোৱা এই অধিবেশনৰ কালছোৱাত ২৩ খন গুৰুত্বপূৰ্ণ বিধেয়ক পাৰিত হোৱাৰ লগতে বিধান সভা নিয়মাৱলীৰ বিভিন্ন প্ৰক্ৰিয়াৰ অন্তৰ্গত ৰাজ্যখনৰ জলন্ত সমস্যা সমূহকে ধৰি গুৰুত্বপূৰ্ণ বিষয় সমূহ আলোচনা কৰা হয়।

এই অধিবেশন সমাপনৰ মুহূৰ্তত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদৰ সকলো সদস্য, বিধান সভাৰ উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিৰ লগতে সদনৰ সকলো সদস্যলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত বিধান সভা অধিবেশনৰ লগত জড়িত প্ৰচাৰ মাধ্যমৰ বন্ধুসকল, চৰকাৰী বিষয়া-কৰ্মচাৰী আদি কৰি সকলো পক্ষলৈকে মোৰ ধন্যবাদ জ্ঞাপন কৰি আগন্তুক শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছাৰে মোৰ বক্তব্য সামৰণি মাৰিলো।

ধন্যবাদ

The House adjourn sine die.